UG AS S3-01

(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

অসমীয়া ভাষা

অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° অনুৰাধা শর্মা, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	ভাৰতীয় আর্যভাষা	ড° কনেশ্বৰ বৰুৱা, সহকাৰী অধ্যাপক, গোসাইগাঁও মহাবিদ্যালয়
২	প্রাচীন ভাৰতীয় আর্যভাষা	ড° কনেশ্বৰ বৰুৱা
৩	মধ্য ভাৰতীয় আর্যভাষা — পালি স্তৰ	ড° কনেশ্বৰ বৰুৱা
৪	মধ্য ভাৰতীয় আর্যভাষা — প্রাকৃত স্তৰ	ড° কনেশ্বৰ বৰুৱা
৫	মধ্য ভাৰতীয় আর্যভাষা — অপভ্রংশ স্তৰ	ড° কনেশ্বৰ বৰুৱা
৬	প্রত্ন-অসমীয়া ভাষা — পূব-মাগধীয় ভাষাৰ সৈতে তুলনা	ড° মৃণাল জ্যোতি গোস্বামী
৭	নব্য ভাৰতীয় আর্যভাষা	ড° কনেশ্বৰ বৰুৱা
৮	অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ	ড° জোনমণি গগৈ, সহকাৰী অধ্যাপক, কৃষ্ণ বৰা বি. এড. কলেজ ড° মৃণাল জ্যোতি গোস্বামী
৯	উদ্ভৱ কালৰ আৰু প্রাচীন অসমীয়া ভাষা	ড° জোনমণি গগৈ আৰু ড° মৃণাল জ্যোতি গোস্বামী
১০	মধ্যযুগৰ অসমীয়া ভাষা	ড° উৎপল শইকীয়া, সহকাৰী অধ্যাপক, কলাবাৰী কলেজ
১১	আধুনিক যুগৰ অসমীয়া ভাষা	ড° উৎপল শইকীয়া
১২	অসমীয়া ভাষাত আর্যভিন্ন উপাদান	ড° জোনমণি গগৈ আৰু ড° মৃণাল জ্যোতি গোস্বামী
১৩	অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ	ড° হৰি প্রসাদ বৰুৱা, সহযোগী অধ্যাপক, এল. অ. কে. ডি. কলেজ ড° মৃণাল জ্যোতি গোস্বামী
১৪	অসমীয়া ভাষাৰ উপভাষা	ড° স্মৃতিৰেখা ভূঞা, সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° অনুৰাধা শর্মা, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মার্চ, ২০২৪, পুণর্মুদ্রণ ঃ আগষ্ট, ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

ISBN: xxxxx xxxxxx xxxxxx

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**ভাৰতীয় আর্যভাষা** পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠী; ভাৰতবর্ষত প্রচলিত প্রধান ভাষাগোষ্ঠীসমূহ; ভাৰতীয় আর্যভাষাৰ ক্রমবিকাশৰ স্তৰ	৭-২০
অধ্যায় ২ ঃ	**প্রাচীন ভাৰতীয় আর্যভাষা** প্রাচীন ভাৰতীয় আর্যভাষাৰ সময় আৰু সাহিত্যিক নিদর্শন; বৈদিক আৰু সংস্কৃত ভাষাৰ পৰিচয়; প্রাচীন ভাৰতীয় আর্যভাষাৰ সাধাৰণ লক্ষণ; বৈদিক ভাষাৰ স্বতন্ত্র বৈশিষ্ট্য; বৈদিক আৰু সংস্কৃত ভাষাৰ ভাষাগত পার্থক্য; সংস্কৃতত গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ	২১-৩৩
অধ্যায় ৩ ঃ	**মধ্য ভাৰতীয় আর্যভাষা — পালি স্তৰ** মধ্য ভাৰতীয় আর্য ভাষাৰ ক্রমবিকাশৰ স্তৰ; মধ্য ভাৰতীয় আর্য ভাষাৰ ভাষাগত বৈশিষ্ট্য; পালি ভাষাৰ উৎপত্তি; পালিৰ উদ্ভৱ স্থল; 'পালি' নামৰ তাৎপর্য; পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য	৩৪-৪৭
অধ্যায় ৪ ঃ	**মধ্য ভাৰতীয় আর্যভাষা — প্রাকৃত স্তৰ** প্রাকৃত নামৰ তাৎপর্য; প্রাকৃত ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য; প্রাকৃতৰ ধ্বনি পৰিৱর্তন প্রক্রিয়া; সাহিত্যিক প্রাকৃত আৰু ইয়াৰ পৰিচয় ঃ মহাৰাষ্ট্রী প্রাকৃত, শৌৰসেনী প্রাকৃত, পৈশাচী প্রাকৃত, মাগধী প্রাকৃত, অর্ধ-মাগধী প্রাকৃত	৪৮-৬১
অধ্যায় ৫ ঃ	**মধ্য ভাৰতীয় আর্যভাষা — অপভ্রংশ স্তৰ** অপভ্রংশ-অৱহট্ঠৰ উদ্ভৱ আৰু বিকাশ; অপভ্রংশৰ আঞ্চলিক ৰূপ; অপভ্রংশৰ ভাষাগত বৈশিষ্ট্য; অৱহট্ঠ বা অর্বাচীন অপভ্রংশ আৰু ইয়াৰ শ্রেণী বিভাজন; অৱহট্ঠৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য; অপভ্রংশ-অৱহট্ঠৰ উমৈহতীয়া বৈশিষ্ট্য; অৱহট্ঠ আৰু অসমীয়া ভাষাৰ সাদৃশ্য	৬২-৭২
অধ্যায় ৬ ঃ	**প্রত্ন-অসমীয়া ভাষা — পূৰ্ব-মাগধীয় ভাষাৰ সৈতে তুলনা** অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয় ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা, অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনা	৭৩-৮৪
অধ্যায় ৭ ঃ	**নব্য ভাৰতীয় আর্যভাষা** নব্য ভাৰতীয় আর্যভাষা; নব্য ভাৰতীয় আর্যভাষাৰ শ্রেণীবিভাগ; নব্য ভাৰতীয় আর্যভাষাৰ উমৈহতীয়া বৈশিষ্ট্য	৮৫-৯৭
অধ্যায় ৮ ঃ	**অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ** অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ ঃ উদ্ভৱকালৰ অসমীয়া ভাষা, প্রাচীন অসমীয়া ভাষা, মধ্যযুগৰ অসমীয়া ভাষা, আধুনিক অসমীয়া ভাষা	৯৮-১০৯
অধ্যায় ৯ ঃ	**উদ্ভৱ কালৰ আৰু প্রাচীন অসমীয়া ভাষা** উদ্ভৱকালৰ অসমীয়া ভাষা; প্রাচীন অসমীয়া ভাষা	১১০-১২৩

অধ্যায় ১০ ঃ **মধ্যযুগৰ অসমীয়া ভাষা** **১২৪-১১৩৭**
মধ্যযুগীয় অসমীয়া ভাষা ঃ চৰিত সাহিত্যৰ ভাষা, বুৰঞ্জী সাহিত্যৰ ভাষা, অন্যান্য গদ্য সাহিত্যৰ ভাষা

অধ্যায় ১১ ঃ **আধুনিক যুগৰ অসমীয়া ভাষা** **১৩৮-১৪৯**
আধুনিক যুগৰ অসমীয়া ভাষা ঃ 'অৰুণোদয়' স্তৰৰ অসমীয়া ভাষা, 'জোনাকী' স্তৰৰ অসমীয়া ভাষা, যুদ্ধোত্তৰ স্তৰৰ অসমীয়া ভাষা

অধ্যায় ১২ ঃ **অসমীয়া ভাষাত আর্যভিন্ন উপাদান** **১৫০-১৬৮**
অসমীয়া ভাষাত আর্যভিন্ন উপাদান ঃ অষ্ট্রিক ভাষাগোষ্ঠীয় উপাদান, চীন তিব্বতীয় ভাষাগোষ্ঠীয় উপাদান, দ্রাবিড় ভাষাগোষ্ঠীয় উপাদান

অধ্যায় ১৩ ঃ **অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ** **১৬৯-১৯৪**
অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ; অসমীয়া শব্দ-ভাণ্ডাৰৰ শ্রেণীবিভাজন; সংস্কৃত/আর্যমূলীয় শব্দ ঃ তৎসম শব্দ, অর্ধ-তৎসম শব্দ, তদ্ভৱ শব্দ; অসমীয়া ভাষালৈ আন আন ভাষাৰ পৰা অহা শব্দগুচ্ছ ঃ অনা-আর্যমূলীয় শব্দ, ধাৰ কৰা শব্দ, অশ্রেণীভুক্ত শব্দ

অধ্যায় ১৪ ঃ **অসমীয়া ভাষাৰ উপভাষা** **১৯৫-২২২**
অসমীয়া ভাষাৰ উপভাষা; অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ কাৰণ; উজনি অসমৰ উপভাষা; মধ্য অসমৰ উপভাষা; নামনি অসমৰ উপভাষা ঃ কামৰূপী উপভাষা, কামৰূপী উপভাষাৰ আঞ্চলিক পার্থক্য, গোৱালপৰীয়া উপভাষা, গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক পার্থক্য; নৃগোষ্ঠীয় উপভাষা; অসমীয়া ভাষাৰ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা

প্রসংগপুথি **১২৩-২২৪**

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া ভাষা

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বর্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্রমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্রদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০ খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮ খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। ইয়াৰে তৃতীয় ষাণ্মাসিকত বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে "অসমীয়া ভাষা" শীৰ্ষক এইখন পাঠ্যবিষয় অধ্যয়নৰ বাবে নির্বাচিত কৰি দিয়া হৈছে। এই পাঠ্যবিষয়টিত সংস্কৃত, পালি, প্রাকৃত, অপভ্রংশ স্তৰ পাৰ হৈ কেনেদৰে অসমীয়া ভাষাৰ জন্ম তথা ক্রমবিকাশ হ'ল সেই বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

সমগ্র পৃথিৱীতে বিভিন্ন ভাষাৰ প্রচলন আছে। ভাষাবিজ্ঞানীসকলে এই ভাষাসমূহৰ আকৃতি, প্রকৃতি, ইতিহাস আদি বিচাৰ কৰি কেইটামান ভাষা পৰিয়ালত বিভক্ত কৰিছে। তেনে ভাষা পৰিয়ালসমূহৰ ভিতৰত এটি উল্লেখযোগ্য ভাষা পৰিয়াল হ'ল ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল। এই ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ প্রধান শাখা ইণ্ডো-ইৰাণীয় বা আর্যৰ উপশাখা হ'ল 'ভাৰতীয় আর্য'। খ্রীঃ পূঃ পঞ্চদশ শতাব্দীমানৰ পৰাই আমি ভাৰতীয় আর্যভাষাৰ প্রাচীন সাহিত্যিক নিদর্শন দেখিবলৈ পাওঁ। তেতিয়াৰে পৰা কেইবাটাও স্তৰৰ মাজেদি ভাৰতীয় আর্যভাষাই ক্রমবিকশিত হৈ বর্তমান ভাৰতৰ বিভিন্ন অঞ্চলত প্রচলিত প্রায়খিনি আঞ্চলিক ভাষাৰ জন্ম দিছে। বিভিন্ন সময়ত হোৱা ৰূপগত, ধ্বনিগত আৰু বাক্যগত পৰিৱর্তনৰ ভিত্তিত ভাৰতীয় আর্যভাষাক তিনিটা প্রধান স্তৰত ভাগ কৰা হয়, যথা — (ক) প্রাচীন ভাৰতীয় আর্যভাষা, (খ) মধ্য ভাৰতীয় আর্যভাষা আৰু (গ) নব্য ভাৰতীয় আর্যভাষা। দৰাচলতে, প্রাচীন ভাৰতীয় আর্যৰ পৰা মধ্য ভাৰতীয় আর্য আৰু তাৰে পৰা নব্য ভাৰতীয় আর্যভাষাবোৰ ওলাইছে। অসমীয়া ভাষাও নব্য ভাৰতীয় আর্যভাষাৰে অন্তর্গত।

অসমীয়া ভাষাৰ ইতিহাস অধ্যয়নৰ বাবে ভাৰতীয় আর্যভাষাৰ ইতিহাস জনাৰ প্রয়োজনীয়তা আছে। এই পাঠ্যবিষয়খনৰ অধ্যয়নৰ অন্তত আপুনি ভাৰতীয় আর্যভাষাই কি দৰে ক্রমবিকাশ লাভ কৰিছিল সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিব। অসমীয়া ভাষাৰ উৎপত্তি আৰু ইয়াৰ ক্রমবিকাশৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে বিভিন্ন আর্যভিন্ন ভাষাই কিদৰে অসমীয়া ভাষাক ঐশ্বর্যশালী কৰি তুলিছে সেই বিষয়েও স্পষ্ট ধাৰণা লাভ কৰিব। তদুপৰি বিভিন্ন উৎসৰে সমৃদ্ধ অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰৰ বৈচিত্র্যৰ লগতো পৰিচিত হ'ব। ইয়াৰে প্রথমটো অধ্যায়ৰ শিৰোনাম হ'ল — ভাৰতীয় আর্যভাষা। অধ্যায়টোত পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠীৰ সম্যক পৰিচয় প্রদান কৰি ভাৰতবর্ষত প্রচলিত প্রধান ভাষাগোষ্ঠীসমূহ কথা চমুকৈ আলোচনা কৰা হৈছে। তাৰ লগতে অধ্যায়টোত সামগ্রিকভাৱে ভাৰতীয় আর্যভাষাৰ ক্রমবিকাশৰ স্তৰসমূহৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

প্রাচীন ভাৰতীয় আর্যভাষা শীৰ্ষক দ্বিতীয় অধ্যায়টোত প্রাচীন ভাৰতীয় আর্যভাষাৰ সময় আৰু সাহিত্যিক নিদর্শন, তাৰে দুটা ধাৰা— বৈদিক আৰু সংস্কৃত সম্পর্কে আলোচনা কৰি প্রাচীন ভাৰতীয় আর্যভাষাৰ সাধাৰণ লক্ষণসমূহ আলোচনা কৰা হৈছে। লগতে বৈদিক ভাষাৰ স্বতন্ত্র বৈশিষ্ট্য, বৈদিক আৰু সংস্কৃত ভাষাৰ ভাষাগত পার্থক্য, সংস্কৃতত গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ আদি দিশবোৰৰ কথাও আলোচনাৰ সন্নিৱিষ্ট কৰা হৈছে।

মধ্য ভাৰতীয় আর্যভাষাক তিনিটা স্তৰত বিভাজন কৰি আলোচনা কৰা হয়। ইয়াৰে প্রথমটো হ'ল — পালি স্তৰ। পাঠ্যবিষয়খনৰ তৃতীয়টো অধ্যায়ত প্রথমতেই মধ্য ভাৰতীয় আর্যভাষাৰ ক্রমবিকাশৰ স্তৰসমূহ চিহ্নিত কৰি মধ্য ভাৰতীয় আর্যভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰা হৈছে। তাৰ পাছতেই পালি ভাষাৰ উৎপত্তি, পালিৰ উদ্ভৱ স্থল, 'পালি' নামৰ তাৎপর্য, পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য আদিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

মধ্য ভাৰতীয় আর্যভাষাৰ দ্বিতীয়টো স্তৰ 'প্রাকৃত স্তৰ'ৰ বিষয়ে আলোচনা কৰা হৈছে চতুর্থ অধ্যায়ত। অধ্যায়টিত প্রাকৃত নামৰ তাৎপর্য বিচাৰ কৰি এই ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য, প্রাকৃতৰ ধ্বনি পৰিৱর্তন প্রক্রিয়া সম্পর্কেও চমুকৈ আলোচনা কৰি সাহিত্যিক প্রাকৃতসমূহৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।

মধ্য ভাৰতীয় আর্যভাষাৰ শেষৰটো স্তৰ 'অপভ্রংশ স্তৰ'ৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে পঞ্চম অধ্যায়ত। ইয়াত অপভ্রংশ-অৱহট্ঠৰ উদ্ভৱ আৰু বিকাশ, অপভ্রংশৰ আঞ্চলিক ৰূপ, অপভ্রংশৰ ভাষাগত বৈশিষ্ট্য, অৱহট্ঠ বা অর্বাচীন অপভ্রংশ আৰু ইয়াৰ শ্রেণী বিভাজন, অৱহট্ঠৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য, অপভ্রংশ-অৱহট্ঠৰ উমৈহতীয়া বৈশিষ্ট্য, অৱহট্ঠ আৰু অসমীয়া ভাষাৰ সাদৃশ্য সম্পর্কে আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

প্রত্ন-অসমীয়া ভাষাৰ সৈতে পূব-মাগধীয় ভাষাৰ তুলনা দাঙি ধৰিবলৈকে পাঠ্যবিষয়টিত এটি অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। ইয়াত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয় দাঙি ধৰি তিনিওটা ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বগত দিশৰ তুলনা দাঙি ধৰা হৈছে। ইয়াৰ জৰিয়তে আপুনি এই তিনিওটা ভাষাৰ সাদৃশ্য-বৈসাদৃশ্য অনুধাৱন কৰিব পাৰিব।

সপ্তম অধ্যায়ৰ শিৰোনাম হ'ল 'নব্য ভাৰতীয় আর্যভাষা'। ইয়াত নব্য ভাৰতীয় আর্যভাষা সম্পর্কে আলোকপাত কৰি নব্য ভাৰতীয় আর্যভাষাৰ শ্রেণীবিভাগ আৰু নব্য ভাৰতীয় আর্যভাষাৰ উমৈহতীয়া বৈশিষ্ট্যসমূহৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ৰ শিৰোনাম হ'ল — অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ। এই অধ্যায়টোত অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ সম্পর্কে সম্যক ধাৰণা প্রদান কৰি অসমীয়া ভাষাৰ ইতিহাসক যে উদ্ভৱকালৰ অসমীয়া ভাষা, প্রাচীন অসমীয়া ভাষা, মধ্যযুগৰ অসমীয়া ভাষা, আধুনিক অসমীয়া ভাষা হিচাপে বিভক্ত কৰি আলোচনা কৰিব পাৰি সেয়া উল্লেখ কৰা হৈছে। অধ্যায় ৯-ৰ পৰা ১১-লৈকে এই ভাগ কেইটাৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে। অধ্যায় ৯-ত উদ্ভৱ কালৰ আৰু প্রাচীন অসমীয়া ভাষা, অধ্যায় ১০-ত মধ্যযুগৰ অসমীয়া ভাষা আৰু অধ্যায় ১১-ত আধুনিক যুগৰ অসমীয়া ভাষা সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হৈছে। এই অধ্যায়কেইটাৰ অধ্যয়নে আপোনাক অসমীয়া ভাষাৰ ইতিহাস সম্পর্কে বিস্তৃত ধাৰণা প্রদান কৰিব।

আপুনি নিশ্চয় জানে যে অসম দেশ বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি। অসমত প্রচলিত অসমীয়া ভাষা আর্যভাষা সম্ভূত যদিও ইয়াত প্রচলিত অনা-আর্য ভাষাসমূহেও অসমীয়া ভাষাক সমৃদ্ধ কৰিছে। এই বিষয়ে অধ্যায় ১১-ত বহলাই আলোচনা কৰা হৈছে। কোনো এটা ভাষাৰ প্রকাশিকা শক্তি নির্ভৰশীল ভাষাটোত থকা শব্দ-ভাণ্ডাৰৰ ওপৰত। সেয়ে এই বিষয়েও আপোনাক ধাৰণা প্রদান কৰিবলৈকে অধ্যায় ১৩-ত অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ সম্পর্কে আলোচনা সন্নিৱিষ্ট কৰা হৈছে। ইয়াত অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰক শ্রেণীবিভাজন কৰি বহলাই আলোচনা কৰা হৈছে। পাঠ্যবিষয়খনৰ শেষৰটো অধ্যায়ত অসমীয়া ভাষাৰ উপভাষা সম্পর্কে আলোচনা দাঙি ধৰা হৈছে। ইয়াত উপভাষা সৃষ্টিৰ কাৰণসমূহ, অসমীয়া ভাষাৰ প্রধান উপভাষাসমূহ, নৃগোষ্ঠীয় উপভাষা আৰু অসমীয়া ভাষাৰ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে বহলাই আলোচনা কৰা গৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ভাৰতীয় আৰ্যভাষা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠী
১.৪ ভাৰতবৰ্ষত প্ৰচলিত প্ৰধান ভাষাগোষ্ঠীসমূহ
১.৫ ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ
১.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্ৰগতিৰ খতিয়ান
১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠীৰ নামোল্লেখ কৰিব পাৰিব
- পৃথিৱীৰ বিভিন্ন ভাষাৰ কোনবোৰ 'গোষ্ঠী বহির্ভূত ভাষা' বা 'অবগীকৃত ভাষা' আৰু কোনবোৰ ভাষাই লুপ্তপ্ৰায় অৱস্থা লাভ কৰিছে সেই বিষয়ে জানিব পাৰিব
- ভাৰতবৰ্ষত প্ৰচলিত প্ৰধান ভাষাগোষ্ঠীকেইটাৰ পৰিচয় লাভ কৰিব পাৰিব
- ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ নিৰূপণ কৰিব পাৰিব।

১.২ পৰিচয়

এইটো অসমীয়া ভাষা শীৰ্ষক পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়। আপুনি নিশ্চয় জানে যে সমগ্ৰ পৃথিৱীত প্ৰচলিত ভিন্ ভিন্ ভাষাসমূহক বিভিন্ন বৈশিষ্ট্যৰ আধাৰত, বিশেষকৈ বৰ্গীকৰণৰ আধাৰত কেইবাটাও ভাষাগোষ্ঠীত বিভাজন কৰি আলোচনা কৰা হৈছে। এই বৈশিষ্ট্যৰ আধাৰত পৃথিৱীৰ ভাষাসমূহক যিকেইটা প্ৰধান ভাষাগোষ্ঠী বা ভাষা পৰিয়ালত ভাগ কৰা হৈছে সেইকেইটাৰ ভিতৰত সৰ্ববৃহৎ ভাষাগোষ্ঠীটো হ'ল 'ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠী'। 'ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠী'ৰ বিভিন্ন শাখাৰ ভিতৰত এটা প্ৰধান শাখা হ'ল 'ইণ্ডো-ইৰাণীয়' বা 'আৰ্য'। 'ইণ্ডো-ইৰাণীয়' অৰ্থাৎ 'আৰ্য' নামৰ এই শাখাটোৰ প্ৰধান উপশাখা দুটা — 'ইৰাণীয়' অৰ্থাৎ 'ইৰাণীয় আৰ্য' আৰু 'ভাৰতীয়' অৰ্থাৎ 'ভাৰতীয় আৰ্য'। ভাৰতীয় আৰ্য শাখাটোৱে খ্ৰীঃ পূঃ পঞ্চদশ শতাব্দীমানৰ পৰা বৰ্তমান পৰ্যন্ত বিভিন্ন ৰূপত পৰিৱৰ্তন লাভ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত, বিশেষকৈ উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ভাষাৰ জন্ম দিছে। ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ

যি ইতিহাস, সেই ইতিহাসৰ পৰিৱৰ্তনৰ গতি প্ৰগতিৰ ওপৰত ভিত্তি কৰি ঘাইকৈ তিনিটা স্তৰত ভাগ কৰা হৈছে — (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা, (খ) মধ্য ভাৰতীয় আৰ্যভাষা আৰু (গ) নব্য ভাৰতীয় আৰ্যভাষা।

ভাষা পৰিৱৰ্তনশীল। একেটা ৰূপতে ই কেতিয়াও স্থিৰ হৈ নাথাকে। ভাৰতীয় আৰ্যভাষাৰ প্ৰতিটো স্তৰেই পূৰ্ববৰ্তী স্তৰৰ পৰা ভাষাগত বিশেষত্বৰ ফালৰপৰা সলনি হৈ পৰিছিল। অৱশ্যে এয়া হ'লেও ভাষিক তথা ঐতিহাসিক মূল্যৰ পিনৰপৰা আৰ্যভাষাৰ প্ৰতিটো স্তৰৰেই মূল্য সমান। তাতোকৈও ডাঙৰ কথাটো এয়ে যে সময়ৰ প্ৰবাহত আৰ্যভাষাৰ ৰূপটোৱে ক্ৰমবিৱৰ্তনহে লাভ কৰিছে, গতিকে এটাৰ পৰা আনটো সম্পূৰ্ণ ৰূপত নিলগায়ো থ'ব নোৱাৰি। আলোচনাৰ খাতিৰত তিনিওটা স্তৰক সুকীয়া সুকীয়াকৈ আলোচনা কৰিলেও এইটো মনত ৰখা উচিত যে এটা ৰূপৰেই পৰিৱৰ্তনমুখী ফল মাথোন । আমি এই অধ্যায়ত ভাৰতীয় আৰ্যভাষাৰ ভাষাগত ইতিহাস অৰ্থাৎ ক্ৰমবিৱৰ্তনৰ ইতিহাসৰ চমু পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰিম। তদুপৰি ভাৰতৰ পটভূমিত পৃথিৱীৰ ভাষা পৰিয়ালকেইটিৰ চমু আভাস এটিও দাঙি ধৰিবলৈ বিচৰা হৈছে। অধ্যায়টিৰ অধ্যয়নে আপোনাক পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠীৰ সম্যক ধাৰণা প্ৰদান কৰাৰ লগতে ভাৰতীয় আৰ্যভাষা সম্পৰ্কে গভীৰ ধাৰণা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

১.৩ পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠী

পৃথিৱীৰ বিভিন্ন অঞ্চলত অতীতত বা বৰ্তমানেও যিবোৰ ভাষা প্ৰচলিত সেই ভাষাৰ ধ্বনিগত, ৰূপগত তথা শব্দগত আদি বৈশিষ্ট্য তথা ইটোৰ সৈতে সিটোৰ পাৰস্পৰিক সম্পৰ্ক আৰু ক্ৰমবিকাশৰ ধাৰাৰ বিচাৰ-বিশ্লেষণ কৰি ভাষাতত্ত্ববিদসকলে যিকেইটা প্ৰধান ভাষাগোষ্ঠী নিৰূপণ কৰিছে, সেইকেইটা হ'ল —

(ক) ইণ্ডো-ইউৰোপীয় (Indo-European)

(খ) ছেমীয়-হামীয় (Semetic-Hamitic)

(গ) অষ্ট্ৰিক (Austric)

(ঘ) তিব্বত-চীনীয় বা চীন-তিব্বতীয় (Siro-Tibetan)

(ঙ) দ্ৰাবিড়ীয় (Dravidian)

(চ) উৰাল- আল্টাই (Ural-Altaie)

(ছ) ককেছীয় (Caucasian)

(জ) এস্কিমো (Eskimo)

এইকেইটা প্ৰধান ভাষাগোষ্ঠীৰ উপৰি আমেৰিকা, আফ্ৰিকা, অষ্ট্ৰেলিয়া আৰু এছিয়াৰ উত্তৰ-পূব সীমান্তৰ কোনো কোনো অঞ্চলত এনে কিছুমান ভাষাৰ অৱস্থিতি দেখিবলৈ পোৱা গৈছে যিবোৰৰ পাৰস্পৰিক সম্বন্ধ কেনেকুৱা জনাৰ উপায় নাই। সেয়েহে এইসমূহ ভাষাক মূলতঃ ভৌগোলিক অৱস্থিতিৰ আধাৰত ভিত্তি কৰি তলত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰা হৈছে —

- আমেৰিকাৰ আদিম ভাষাসমূহ (American group of Languages)
- আফ্রিকাৰ আদিম ভাষাসমূহ (African Languages)
- অষ্ট্রেলিয়াৰ আদিম ভাষাসমূহ (Australian Languages)
- উত্তৰ-পূব সীমান্তৰ ভাষাসমূহ (Palaeo-Asiatic or Hyerborean)

এইটো উল্লেখ কৰা ভাল যে ওপৰত উল্লিখিত প্ৰতিটো ভাষাকে কিবা নহয় কিবা প্ৰকাৰে একো একোটা গোষ্ঠীত বিভক্ত কৰিব পৰা গৈছে। কিন্তু এইসমূহ গোষ্ঠীৰ উপৰি পৃথিৱীত এনে কিছুমান ভাষাৰ অৱস্থান বা অৱস্থিতি আজিও বৰ্তমান, অথচ সেইবোৰক কোনো গোষ্ঠী বা পৰিয়ালত কোনো প্ৰকাৰে শ্ৰেণীভুক্ত কৰি দেখুৱাব নোৱাৰি। এই ভাষাবোৰ ধ্বনি, ৰূপ, শব্দ আদি সকলো দিশতেই স্বতন্ত্ৰ। সেয়েহে এই ভাষাসমূহক 'গোষ্ঠী বহির্ভূত' ভাষা বুলি অভিহিত কৰা হৈছে। গোষ্ঠী বহির্ভূত ভাষা বা অবৰ্গীকৃত ভাষাসমূহ বৰ্তমান বহুখিনি লুপ্ত হৈ গৈছে যদিও কিছুমান বৰ্তমানেও প্ৰচলন হৈ আছে। প্ৰচলিত ভাষাসমূহ হ'ল —

- বাস্ক (Basque)
- জাপানী (Jananere)
- কোৰীয় (Korio)
- লা-টি (Lati)
- আন্দামানী (Andamani)
- বুৰুশ্বস্কী (Bureshaski)
- আইনু (Ainu)
- ভিয়েটনামীয় (Vietnamere)



জানি থোৱা ভাল

বৰ্গীকৃত-অবৰ্গীকৃত ভাষা ঃ যিবোৰ ভাষাৰ ধ্বনি, ৰূপ, শব্দ আদিৰ পাৰস্পৰিক সম্পৰ্কৰ আধাৰত ভিত্তি কৰি এটা গোষ্ঠী, বংশ, পৰিয়াল অথবা বৰ্গত ভাগ কৰি দেখুৱাব পাৰি সেইভাষাবোৰকে বৰ্গীকৃত ভাষা বোলে। আনহাতে যিবোৰ ভাষাক এনে পদ্ধতিৰে কোনো গোষ্ঠী, বংশ, পৰিয়াল অথবা বৰ্গত ভাগ কৰিব পৰা নাযায় সেইবোৰ ভাষাকে অবৰ্গীকৃত ভাষা বোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৃথিৱীৰ এটি অবৰ্গীকৃত অথচ বৰ্তমানেও প্ৰচলন থকা ভাষাৰ নাম লিখক।

.....

.....



চিন্তা-চৰ্চা কৰক — ১.১

পৃথিৱীৰ বৰ্গীকৃত আৰু অবৰ্গীকৃত ভাষাগোষ্ঠীসমূহক তালিকাভুক্ত কৰক।

১.৪ ভাৰতবৰ্ষত প্ৰচলিত প্ৰধান ভাষাগোষ্ঠীসমূহ

ভূখণ্ডৰ পিনৰ পৰাই নহয় ভালেমান ভাষা প্ৰচলনৰ পিনৰ পৰাও ভাৰতবৰ্ষ এখন মহাদেশৰ সমপৰ্যায়ৰ। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ আৰু গুজৰাটৰ পৰা পূৰ্বোত্তৰ সীমান্তলৈ বৈচিত্ৰ্যময় সংস্কৃতিৰ লগতে বিভিন্ন ভাষাগুচ্ছই সমগ্ৰ ভাৰতবৰ্ষখনকে এখন ভিন্নৰঙী চাদৰৰ দৰে আৱৰি ৰাখিছে। এইটো উল্লেখ কৰা ভাল যে এই সমগ্ৰ ভাষাৰ বা ভাৰতবৰ্ষত প্ৰচলিত সকলো জাতি-জাতিগোষ্ঠীৰ ভাষাৰ নিজা লিপি নাই। অৱশ্যে সকলো জনগোষ্ঠীৰ নিজা লিপি নাথাকিলেও তেওঁলোকৰ লোকসাহিত্য আৰু সাংস্কৃতিক পৰিচয়ে নিজকে মহীয়ান কৰি ৰাখিছে। সি যি কি নহওক ভাৰতবৰ্ষত প্ৰচলিত ভাষাসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে পৃথিৱীৰ ভাষাগোষ্ঠীসমূহৰ ভিতৰত চাৰিটা ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা ভাৰতবৰ্ষত চলে। সেই চাৰিটা হ'ল —

- অষ্ট্ৰিক
- দ্ৰাবিড়
- চীন-তিব্বতীয় আৰু
- ইণ্ডো-ইউৰোপীয়।

এই চাৰিটাৰ ভিতৰত ইণ্ডো-ইউৰোপীয়ৰ অন্তৰ্গত বিভিন্ন ভাষা ভাৰতবৰ্ষৰ বৃহৎ অংশ জুৰি, বিশেষকৈ অসমকে আদি কৰি উত্তৰ ভাৰতৰ বৃহৎ অংশত প্ৰচলন আছে। সেইদৰে অসম, মেঘালয়কে লৈ উত্তৰ ভাৰতৰ মধ্য প্ৰদেশ, বিহাৰ, উৰিষ্যাৰ অঞ্চল বিশেষে অষ্ট্ৰিক ভাষা পৰিয়ালৰ লোক আছে। ভাৰতৰ একেবাৰে দক্ষিণ প্ৰান্তত দ্ৰাবিড় পৰিয়ালৰ ভাষা পোৱাৰ বিপৰীতে অসমকে আদি কৰি উত্তৰ-পূব ভাৰতৰ পাহাৰীয়া ৰাজ্যকেইখনত তিব্বত-বৰ্মীয় ভাষাৰ প্ৰচুৰ প্ৰচলন আছে। তলত এই চাৰিওটি ভাষা পৰিয়ালৰ একোটি থূলমূল পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰা হ'ল —

- **অষ্ট্ৰিক ঃ** ভাৰতবৰ্ষত প্ৰচলিত উল্লিখিত চাৰিটা ভাষাগোষ্ঠীৰ ভিতৰত বুলিয়েই নহয় পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠী বা পৰিয়ালৰ ভিতৰতো অষ্ট্ৰিক অন্যতম। 'অষ্ট্ৰিক' নামৰ এই গোষ্ঠীটোৱে চীন দেশৰ উত্তৰ পশ্চিম অঞ্চলৰপৰা উত্তৰ-পূব ভাৰতত আৰু ব্ৰহ্মদেশত প্ৰৱেশ কৰিছিল। আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে 'অষ্ট্ৰিক' পৃথিৱীৰ বৃহৎ ভাষা পৰিয়ালসমূহৰ ভিতৰত অন্যতম। লগতে এইটোও কৈ থোৱা ভাল যে ই কেৱল অন্যতমেই নহয় অতিকে গুৰুত্বপূৰ্ণ ভাষা পৰিয়ালো। পৃথিৱীৰ এক বিস্তৃত অঞ্চল জুৰি এই গোষ্ঠী বা পৰিয়ালৰ অন্তৰ্ভুক্ত বিভিন্ন ভাষা-ভাষী লোকলৈ মন কৰিলেই ভাষাগোষ্ঠীটোৰ গুৰুত্ব আৰু প্ৰাধান্য অনুমান কৰিব পৰা যায়। আনকি অসমৰ ক্ষেত্ৰতো প্ৰায়বোৰ পুৰাতত্ত্ববিদে অষ্ট্ৰিককে অসমৰ প্ৰাচীনতম

অধিবাসী বুলি ক'ব খোজে। অষ্ট্রিক ভাষাগোষ্ঠীটোক পণ্ডিত সমাজে প্ৰধানতঃ দুটা শাখাত ভাগ কৰি দেখুৱাইছে — অষ্ট্ৰ'-এছীয় (Austro-Asiatic) আৰু অষ্ট্ৰ'-নেছীয় (Austro-Nesian)।

- *অষ্ট্ৰ'-এছীয় ঃ* এই শাখাৰ প্ৰধান উপশাখা দুটা — কোল-মুণ্ডা (Kol-Munda) আৰু মন্‌খামেৰ (Mon-khomer)। এই শাখাৰ বিভিন্ন ভাষাৰ ভিতৰত খাচী, কোলমুণ্ডা, চাওতালী, মুণ্ডাৰী, হো, ভূমিজ, খৰিয়া আদি যথেষ্ট গুৰুত্বপূৰ্ণ ভাষা। ইয়াৰো দুই-এটি আকৌ অসমত নচলে। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে অতি সম্প্ৰতি কোলমুণ্ডা, চাওতালী, ওৰাং আদি জনগোষ্ঠীৰ মাজত হিন্দী, বাংলা আৰু অসমীয়াৰ সৈতে সাদৃশ্য থকা এটি মিশ্ৰিত ভাষাৰূপ 'সাদৰি' (সাদানী) অসমকে আদি কৰি বিহাৰ, উৰিষ্যা, পশ্চিমবংগ, ঝাৰখণ্ড, ছত্তিশগড়, মধ্য প্ৰদেশৰ আনুমানিক প্ৰায় এক কোটি মানুহে ব্যৱহাৰ কৰে। এই ব্যৱহাৰলৈ চাই ইয়াৰ জনপ্ৰিয়তা বহুলাংশে অনুমেয়। মন্‌খামেৰ শাখাৰ ভাষা ভাৰতবৰ্ষৰ বাহিৰেও ব্ৰহ্মদেশ, ইণ্ডোচীন, মালয় আদিত প্ৰচলন আছে।
- *অষ্ট্ৰ'-নেছীয় ঃ* এই শাখাৰ প্ৰধান উপশাখা চাৰিটা — ইণ্ডোনেছীয়, মেলানেছীয়, মেক্ৰোনেছীয় আৰু পলিনেছীয়। উল্লেখযোগ্য যে ভাৰতবৰ্ষত এই শাখা বা উপশাখাৰ কোনো ভাষাৰ প্ৰচলন দেখা নাযায়।

- **দ্ৰাবিড় ঃ** 'দ্ৰাবিড়' পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়ালৰ মাজৰ আন এটা উল্লেখযোগ্য ভাষা পৰিয়াল। ভাষা ব্যৱহাৰৰ পিনৰ পৰা ভাৰতবৰ্ষত ইণ্ডো-ইউৰোপীয়ৰ পিছতে দ্ৰাবিড় পৰিয়ালৰ স্থান। ভাৰতবৰ্ষৰ উৰিষ্যা আৰু মহাৰাষ্ট্ৰৰ বাহিৰে সমগ্ৰ দক্ষিণ ভাৰততে এই পৰিয়ালৰ বিভিন্ন ভাষা চলে। তদুপৰি শ্ৰীলংকা আৰু বেলুচিস্থানৰ পাৰ্বত্য অঞ্চলতো এই পৰিয়ালৰ অন্তৰ্গত দুই-এটি ভাষাৰ প্ৰচলন আছে। এইটো মন কৰিবলগীয়া যে এই গোষ্ঠীৰ আদিম বাসস্থান ভাৰতবৰ্ষ নহয়; পূব ভূমধ্য সাগৰীয়া অঞ্চল বুলিহে জনা যায়। তামিল, তেলেগু, কানাড়া আৰু মালয়ালম এই চাৰিটা দ্ৰাবিড় পৰিয়ালৰ উল্লেখযোগ্য আৰু অতিকে গুৰুত্বপূৰ্ণ ভাষা। সাহিত্য-সংস্কৃতিৰ দিশতো এই চাৰিটা ভাষা যথেষ্ট চহকী।

  দ্ৰাবিড় ভাষা পৰিয়ালৰ বিভিন্ন ভাষাৰ ভিতৰত আটাইতকৈ প্ৰাচীন ভাষাটোৱে হ'ল তামিল। এই ভাষাৰ প্ৰাচীনতা খ্ৰীষ্টপূৰ্ব তৃতীয় শতাব্দী বুলি ধৰা হৈছে। যথেষ্ট উন্নত মানৰ সাহিত্য এই ভাষাত ৰচিত হৈছে। মালয়ালম তামিল ভাষাৰে 'বৰজী' বুলি কোৱা হয়। দৰাচলতে খ্ৰীষ্টীয় নৱম শতিকামানত মালয়ালমে তামিলৰ পৰা আঁতৰি আহি স্বতন্ত্ৰ ভাষা হিচাপে প্ৰতিষ্ঠিত হয়। মহীশূৰৰ প্ৰধান ভাষাটোৱে হ'ল কানাড়া। এই ভাষা তামিলৰ দৰে নহ'লেও যথেষ্ট প্ৰাচীন। তেলেগু দ্ৰাবিড় ভাষা পৰিয়ালৰ আন এটা উল্লেখযোগ্য ভাষা। সাহিত্য-সংস্কৃতিত বহু পৰিমাণে আগবঢ়া তেলেগু ভাষাৰ সাহিত্য খ্ৰীষ্টীয় একাদশ শতিকামানৰ পৰা পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমত প্রচলিত এটি অষ্ট্রিকমূলীয় ভাষাৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৩ ঃ দ্রাবিড় ভাষা পৰিয়ালৰ সর্ব প্রাচীন ভাষাটো কি?

.....

- **চীন-তিব্বতীয় ঃ** চীন-তিব্বতীয় পৰিয়ালৰ বিভিন্ন ভাষাই পূব আৰু দক্ষিণ পূব এছিয়াৰ বিশাল ভূখণ্ড জুৰি আছে। দৰাচলতে ক'বলৈ গ'লে দক্ষিণ এছিয়াত প্রচলিত অসংখ্য ভাষাৰ ভিতৰত চীন-তিব্বতীয় পৰিয়ালৰ অন্তর্গত ভাষাই সংখ্যাত সৰহ। চীন দেশৰ ইয়াং চিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তিস্থলেই এই ভাষা পৰিয়ালৰ আদিম বাসস্থান বুলি অনুমান কৰা হৈছে। তাৰ পৰাই কালক্রমে মেকং, মৈনাম, ইৰাৱতী, ছিন্দুইন, ব্রহ্মপুত্রৰ গতি অনুসৰণ কৰি শ্যাম দেশ, ব্রহ্মদেশকে আদি কৰি ভাৰতবর্ষত বিয়পি পৰে। মূল তিব্বত-বর্মীয় ভাষাটো ব্রহ্মপুত্রৰ উৎপত্তি স্থলত তিনিটা শাখাত ভাগ হৈ তিব্বত, অসম আৰু ব্রহ্মদেশত বিয়পি পৰে। এই শাখাৰ ভাষাসমূহক প্রধানভাৱে দুটা ভাগত ভাগ কৰিব পাৰি— তিব্বত-বর্মী আৰু শ্যাম-চীনীয়। তিব্বত-বর্মী শাখাটোক আকৌ চাৰিটা উপশাখাৰে ভাগ কৰা হৈছে — হিমালয়ী, উত্তৰ অসম, অসম-বর্মী আৰু তিব্বতী। হিমালয়ী উপশাখাৰ ভাষাবোৰ হিমালয়ৰ দাঁতি কাষৰীয়া চিকিমকে আদি কৰি নেপাল আৰু ভূটানত প্রচলিত আছে। লেপ্‌ছা, কানৌৰী, নেৱাৰী আদি এই শাখাৰ উল্লেখযোগ্য ভাষা। উত্তৰ অসম শাখাৰ ভাষাসমূহ উজনি অসমৰ প্রায় আটাইকেইখন জিলাতে কম-বেছি পৰিমাণে প্রচলিত। এই শাখাৰ উল্লেখযোগ্য ভাষাৰ ভিতৰত মিছিং, আদি, ডফলা, অকা, মিছিমি আদি পৰে। অসম-বর্মী শাখাৰ তিনিটা উপশাখা আছে — বড়ো, নগা আৰু কুকিচীন। ইয়াৰে বড়ো ভাষাকে আদি কৰি বড়ো শাখাৰ বিভিন্ন ভাষা অসমৰ ঠাই বিশেষে, বিশেষকৈ দৰং, কামৰূপ আৰু গোৱালপাৰাৰ বৃহৎ অঞ্চলজুৰি প্রচলিত হোৱাৰ বিপৰীতে নগা শাখাৰ ভাষাবোৰ নাগালেণ্ড আৰু মণিপুৰত চলে। আনহাতে মিজোপাহাৰত কুকি-চীনৰ অন্তর্গত ভাষাবোৰ চলে। উল্লেখযোগ্য যে নগাসকলে তেওঁলোকৰ বিভিন্ন ফৈদৰ মাজত ব্যৱসায়িক তথা সামাজিক আদান-প্রদানৰ বাবে ব্যৱহাৰ কৰা 'নাগামিজ' (Nagamese) এটি উল্লেখযোগ্য সংযোগী ভাষা। 'তিব্বতী' উপশাখাৰ ভাষাসমূহ হিমালয়ৰ পশ্চিম অঞ্চলত প্রচলিত। 'তিব্বতী' শাখাৰ তিব্বতী ভাষা এটি প্রভাৱশালী ভাষা। সেইদৰে লাদাখৰ 'লাদাখী' এই শাখাৰ আন এটি গুৰুত্বপূর্ণ ভাষা।

  চীন-তিব্বতীয় শাখাৰ আনটি উল্লেখযোগ্য শাখা হ'ল শ্যাম-চীনীয়। এই শাখাটোক টাই বা থাই-চীনীয় নামেৰেও জনা যায়। এই শ্যাম বা শ্যামী অথবা টাই বা থাইসকলেই অসমত 'আহোম' নামে পৰিচিত হৈ পৰে। এওঁলোকে ১২২৮ খ্রীষ্টাব্দৰপৰা ১৮২৬ খ্রীষ্টাব্দৰ ইয়াণ্ডাবু

সন্ধিৰ সময়লৈকে প্ৰায় ছশ বছৰ কাল অসমত ৰাজত্ব কৰে। অৱশ্যে টাই-আহোমসকল অহাৰ পাছতো টাই গোষ্ঠীৰ খাময়াং, টুৰুং, আইতন, খামতি আৰু ফাকে ভাষা কোৱা মানুহ অসমলৈ আহে। চীনীয় শাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত চীন দেশৰ চীনা ভাষাই প্ৰধান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ নাগালেণ্ডত প্ৰচলিত সংযোগী ভাষাটোৰ নাম কি?

.....

প্ৰশ্ন নং ৫ ঃ অসমত আহোমসকলে কিমান বছৰ কাল ৰাজত্ব চলায়?

.....

- **ইণ্ডো-ইউৰোপীয় ঃ** জগতৰ বৃহৎ ভাষা পৰিয়ালসমূহৰ ভিতৰত সৰ্ববৃহৎ ভাষা পৰিয়ালটোৱে হ'ল 'ইণ্ডো-ইউৰোপীয়' (Indo-European) বা 'ভাৰত-ইউৰোপীয়' ভাষা পৰিয়াল। এই পৰিয়ালৰ অন্তৰ্গত বিভিন্ন ভাষা পৃথিৱীৰ প্ৰায় অধিকাংশ ঠাইত প্ৰচলন থকা কথাটোৱে ভাষা পৰিয়ালটোৰ বিশালতাৰ উমান দিয়ে। কিন্তু এইটোও কৈ থোৱা উচিত হ'ব যে এই পৰিয়ালৰ অন্তৰ্গত ভাষাবোৰৰ সমস্ত ভাষাৰ জন্ম কিন্তু একে সময়তে হোৱা নাছিল। কোনো এক সময়ত কোনো এখন ঠাইত এই পৰিয়াল বা গোষ্ঠীৰ ভাষাৰ প্ৰথম অংকুৰণৰ উদ্ভৱ হৈ পৰৱৰ্তী সময়ত পৃথিৱীৰ অন্যান্য প্ৰান্তত সিঁচৰতি হৈ পৰিছিল বুলি অনুমান কৰা হৈছে। খুব সম্ভৱ খ্ৰীঃ পূঃ তিনি হাজাৰ বছৰমান আগতে ইণ্ডো-ইউৰোপীয়ৰ আদি স্তৰৰ ভাষাই জন্ম লাভ কৰি খ্ৰীঃ পূঃ আঢ়ৈ হাজাৰ বছৰমানৰ পৰা ইউৰোপৰ লগতে এছিয়া মহাদেশৰ ভাৰতবৰ্ষ পৰ্যন্ত সিঁচৰতি হৈ পৰিছিল।


  ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালটো কেৱল ভৌগোলিক সীমাৰেখাৰ ফালৰ পৰাই যে বৃহৎ তেনে নহয়, জনসংখ্যাৰ পিনৰপৰাও এই শাখাৰ বিভিন্ন ভাষা কোৱা লোকৰ সংখ্যা সৰ্বাধিক। ইউৰোপ মহাদেশৰ বিভিন্ন অঞ্চল আৰু এছিয়া মহাদেশৰ আফগানিস্তান, বেলুচিস্তান, পাকিস্তান আৰু ভাৰতবৰ্ষৰ বহু অঞ্চলত এই পৰিয়ালৰ বিভিন্ন ভাষাৰ প্ৰচলন আছে। পৃথিৱীৰ অন্যান্য ভাষাৰ তুলনাত এই গোষ্ঠীৰ ভাষাসমূহ বহু পৰিমাণে উন্নত। কেৱল ভাষাৰ দিশতে নহয় ধৰ্ম-সাহিত্য-সংস্কৃতিকে আদি কৰি বিজ্ঞানৰ নিত্য নতুন অনুসন্ধান তথা আৱিষ্কাৰলৈকে এই পৰিয়ালৰ মহত্ত্ব যথেষ্ট বেছি।

  ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালটোৱে আনুমানিক খ্ৰীঃপূঃ তিনি হাজাৰ বছৰমান পূৰ্বে কোনো এক অঞ্চলত জন্ম গ্ৰহণ কৰিছিল বুলি আমি ইতিমধ্যে ওপৰত উল্লেখ কৰি আহিছোঁ। জন্মৰ কাল বা সময়ক লৈ পণ্ডিতসকলৰ মাজত মতবিৰোধ নাথাকিলেও বাসস্থান বা জন্ম স্থানক লৈ কিন্তু পণ্ডিতসকলৰ মাজত মতবিৰোধ ভালেখিনি আছে। ভাষাতত্ত্ববিদ মেক্সমূলাৰে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালটিৰ জন্ম স্থান হিচাপে পামিৰ মালভূমি আৰু মধ্য এছিয়াকে

আঙুলিয়াব খোজে। আগষ্ট্ ফ্রিয়েদ্রিক পোট (August Friedrich Pott)-ৰ দৰে পণ্ডিতে হিন্দুকুশ পর্বতৰ নামনি অঞ্চলেই এই পৰিয়ালৰ আদিম বাসস্থান বুলিব খোজে। ওটো শ্রাডাৰে (Otto Schrader) আকৌ দক্ষিণ ৰুছিয়াৰ ইউৰেছীয়া অঞ্চলকহে আঙুলিয়াব খোজে। এওঁলোকৰ উপৰি আন কোনোৱে ডানিয়ুব উপত্যকা আৰু আন কোনোৱে স্কাণ্ডিনোভিয়া আৰু জার্মানীৰ উত্তৰ অঞ্চলকো এই পৰিয়ালৰ আদিম বাসস্থান বুলি মত পোষণ কৰিব বিচাৰে। এইদৰে বিভিন্নজনে বিভিন্ন মত আগবঢ়ালেও ওটো শ্রাডাৰে আগবঢ়োৱা মতটিত অন্তর্নিহিত ঐতিহাসিক আৰু বৈজ্ঞানিক ভিত্তিৰ বাবে বহুতে এই মতটিক সমর্থন দিয়া দেখা যায়।

বাসস্থান বা জন্মস্থান সম্পর্কত যিদৰে নানা অভিমত দেখিবলৈ পোৱা যায় নামকৰণৰ ক্ষেত্রতো নানাজনৰ নানা মত দেখা যায়। এই ক্ষেত্রত প্রথমেই নাম ল'ব লাগিব মেক্সমূলাৰৰ নাম। মেক্সমূলাৰেই পোন প্রথমে এই পৰিয়ালটোৰ বাবে 'আর্য' নামটোৰ পোষকতা কৰিছিল। কিন্তু এই নামটিয়ে এই পৰিয়ালৰ এটি বিশেষ শাখাক বুজোৱাত 'আর্য' নামটিয়ে সমর্থন হেৰুৱায়। জার্মানীৰ এটি ভাষাতত্ত্ববিদৰ দলে 'ইণ্ডো-জার্মানীয়' নামটোক সমর্থন কৰিছিল। পিছে নামটিত ভাষা পৰিয়ালটিৰ পৰিসৰ ভাৰতৰ পৰা জার্মান পর্যন্তহে সামৰাত এই নামটোও সমর্থনযোগ্য নহ'ল। এই পৰিয়ালৰ অন্তর্গত বিভিন্ন ভাষা ভাৰতৰ পৰা ইউৰোপ পর্যন্ত পৰিব্যপ্ত হৈ থকা কাৰণে থমাছ য়ুং নামৰ নামৰ ভাষাতত্ত্ববিদ এজনে 'ইণ্ডো-ইউৰোপীয়' নামটি উপযুক্ত বুলি ভাবি এই নামৰ পোষকতা কৰে আৰু সম্প্রতি এই নামেৰেই এই পৰিয়ালটিয়ে নিজৰ পৰিচয় বহন কৰি আহিছে।

- **ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ শ্রেণী বিভাজন ঃ** ১৮৭০ চনত অর্থাৎ ঊনবিংশ শতিকাৰ শেষৰ পিনে এচ্‌কোলি (Ascoli) নামৰ এজন পণ্ডিতে পৃথিৱীৰ সর্ববৃহৎ ভাষা পৰিয়াল হিচাপে স্বীকৃত এই পৰিয়ালৰ ভাষাসমূহক প্রধানকৈ দুটা শ্রেণীত ভাগ কৰি দেখুৱায়— কেণ্টুম আৰু সতম্। তেওঁৰ এই বিভাজনৰ ভিত্তি সম্পূর্ণ ধ্বনিতাত্ত্বিক। যিবোৰ ভাষাত মূলৰ তালব্য (palatal) 'ক' ধ্বনিটো কণ্ঠ্য হিচাপে উচ্চাৰণ হৈছিল এইসমূহ ভাষাক 'কেণ্টুম' শাখাত আৰু যিবোৰ ভাষাত উষ্ম হিচাপে উচ্চাৰণ হৈছিল সেইসমূহ ভাষাক 'সতম্' শাখাত অন্তর্ভুক্তিৰে শ্রেণী বিভাজন কৰিছিল। তেওঁৰ বিভাজন এনে ধৰণৰ —



অৱশ্যে বিংশ শতিকাত মধ্য এছিয়াৰ তুর্কীস্তানত সন্ধান ওলোৱা 'তোখাৰীয়' ভাষাৰ উৎপত্তি স্থল পূব শাখাৰ অন্তর্গত অর্থাৎ 'সতম্'ৰ অন্তর্গত হ'লেও ধ্বনিৰ সাদৃশ্যৰ পিনৰপৰা

পশ্চিম শাখা অৰ্থাৎ 'কেণ্টুম' শাখাত শ্ৰেণীভুক্ত কৰাত কেণ্টুমৰ উপশাখা পাঁচটা হয়গৈ। আটাইকেউটা উপশাখাৰে থূলমূল পৰিচয় এটি তলত দিয়া হ'ল।

- *কেণ্টুম শাখা ঃ*
  - কেল্টীয় ঃ কেণ্টুম শাখাৰ উপশাখা কেল্টীয় এটি প্ৰধান শাখা। এসময়ত এই শাখাৰ বিস্তৃতি পূব আৰু পশ্চিম ইউৰোপকে প্ৰমুখ্য কৰি এছিয়া মাইনৰলৈকে আছিল যদিও ইটালীয় আৰু জাৰ্মানীয় শাখাৰ প্ৰভাৱত কেল্টীয়ই পূৰ্বৰ গৰিমা বহুখিনি হেৰুৱায়। এই শাখাৰ প্ৰধান ভাষা তিনিটা — গৌলিশ্, বৃটনীয়, গেলীয়।
  - ইটালীয় ঃ ইটালীয় শাখাৰ ভাষা প্ৰধানকৈ ইটালীত প্ৰচলিত। এই শাখাৰ প্ৰধান ভাষা লেটিন। ইটালী দেশৰ লাটিউম (Latum) প্ৰদেশত এই ভাষাৰ প্ৰাচীন বসতি সূত্ৰে এই ভাষাৰ নাম লেটিন। ইটালীয় শাখাৰ প্ৰধান ভাষা তিনিটা — লেটিন, ওচ্কান আৰু উমব্ৰিয়ান।
  - জাৰ্মানীয় ঃ 'জাৰ্মানীয়' এই সৰ্ববৃহৎ ভাষা পৰিয়ালটোৰ আন এটি বৃহৎ শাখা। পশ্চিম জাৰ্মানীয়, উত্তৰ জাৰ্মানীয় আৰু পূব জাৰ্মানীয়— এই তিনি প্ৰধান শাখাৰে গঠিত জাৰ্মানীয় শাখাৰ বিভিন্ন ভাষা কেৱল জাৰ্মানীতে সীমাবদ্ধ নাথাকি সম্প্ৰতি ইটালী, স্পেইনকে আদি কৰি ব্ৰিটিছ দ্বীপপুঞ্জ পৰ্যন্ত ঘটা সম্প্ৰসাৰণে শাখাটোৰ বিস্তৃত পৰিসীমাৰ উমান দিয়ে। খ্ৰীষ্টাব্দ ১৪৮৩-ত মাৰ্টিন লুথাৰৰ *বাইবেলৰ* অনুবাদ জাৰ্মানীয় শাখাৰ উল্লেখযোগ্য সাহিত্য-কৰ্ম।
  - গ্ৰীক ঃ গ্ৰীক শাখা কেৱল ভাষাৰ ক্ষেত্ৰতেই নহয় সাহিত্য-কলা-সংস্কৃতিৰ দিশতো ইয়াৰ ঐতিহ্য বৰ পুৰণি। প্ৰাচীন কালত গ্ৰীক ভাষাৰ প্ৰচলন এছিয়া মাইনৰৰ উপকূলীয় অঞ্চলকে আদি কৰি ছাইপ্ৰাচ দ্বীপ, ইজিয়ান উপসাগৰৰ দ্বীপপুঞ্জ পৰ্যন্ত আছিল যদিও বৰ্তমান এই শাখাৰ ভাষাসমূহ গ্ৰীচ, ইজিয়ান, ছাইপ্ৰাচ, ক্ৰীট আদি অঞ্চলতহে প্ৰচলন আছে। *নিউ টেষ্টামেন,* হোমাৰৰ অমৰ সৃষ্টিদ্বয় *ইলিয়দ* আৰু *ওডিছী* গ্ৰীক শাখাৰ ভাষাৰ উল্লেখযোগ্য সাহিত্যকৃতি।
  - তোখাৰীয় ঃ 'তোখাৰ' জাতিৰ ভাষা আছিল বুলি ঠাৱৰ কৰা তোখাৰীয় ভাষাৰ আৱিষ্কাৰ হয় যোৱা শতিকাৰ (কুৰি শতিকা) প্ৰথমাৰ্ধত। এছিয়াৰ ভূমিত আৱিষ্কৃত তোখাৰীয়ক ধ্বনিগত সাদৃশ্যত কেল্টীয় শাখাত অন্তৰ্ভুক্ত কৰা হৈছে। এছিয়াৰ তুৰ্কীস্তানত আৱিষ্কৃত প্ৰত্নলিপিৰ মূল লিপি ব্ৰাহ্মী আৰু খৰোষ্ঠী। তোখাৰীয় ভাষাৰ অৱলুপ্তিৰ ৰহস্য প্ৰহেলিকাময়।
- *সতম্ শাখা ঃ*
  - আলবেনীয় ঃ এই শাখাৰ ভাষা আদ্ৰিয়টিক সাগৰৰ পূব উপকূলীয় অঞ্চল আলবেনীয়াত প্ৰচলিত। উল্লেখযোগ্য যে ভাৰত-ইউৰোপীয় শাখাৰ বিভিন্ন ভাষাৰ ভিতৰত আটাইতকৈ বিকৃতপ্ৰাপ্ত ভাষা বুলি কোৱা এই শাখাৰ ভাষাত লেটিন, গ্ৰীক, তুৰ্কী আদি বিভিন্ন ভাষাৰ শব্দ সোমাইছে।

- আৰ্মেনীয় ঃ আৰ্মেনীয় এছিয়া মাইনৰৰ অন্তৰ্গত — আৰ্মেনীয়াত প্ৰচলিত। এক বুজন পৰিমাণৰ ইৰাণীয় ভাষাৰ শব্দ আৰ্মেনীয়ত সোমাইছে। অৱশ্যে হিট্টীয় উপাদানো এই শাখাত একেবাৰে নোহোৱা নহয়।
- বাল্টো-স্লাৱীয় ঃ বাল্টো (Balto) আৰু স্লাৱীয় (Slavic) — এই দুই প্ৰধান উপশাখাৰে পুষ্ট বাল্টো-স্লাৱীয় পূব ইউৰোপৰ এক বৃহৎ অঞ্চলজুৰি প্ৰচলিত।
- ইণ্ডো-ইৰাণীয় ঃ ইণ্ডো-ইৰাণীয় 'সতম্' শাখাৰ অন্যতম প্ৰধান শাখা। সুদূৰ ইৰাণৰ পৰা ভাৰতবৰ্ষ পৰ্যন্ত ইণ্ডো-ইৰাণীয় শাখাৰ অন্তৰ্গত বিভিন্ন ভাষা প্ৰচলিত। অৱশ্যে এই দুই দেশৰ বাহিৰেও চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তান, আফগানিস্তান, শ্ৰীলংকা আৰু বাংলাদেশতো এই শাখাৰ অন্তৰ্গত ভাষাৰ প্ৰচলন আছে। পিছে এই শাখাটোৰে মূল ইউৰোপীয়ৰ পৰা কেতিয়া ফালৰি কাটি এটা সুকীয়া শাখাত বিভক্ত হৈ পৰিল তাৰ ইতিহাস কিছু পৰিমাণে প্ৰহেলিকাময়। আনুমানিক খ্ৰীঃ পূঃ দুহেজাৰ বছৰমানতে ৰুছিয়া, কাজাখিস্তান, ককেচাচ্ পৰ্বতমালা অতিক্ৰম কৰি ইণ্ডো-ইউৰোপীয়ৰ এটি দল আহি মেচোপটেমিয়াত উপস্থিত হয়। মেচোপটেমিয়াৰ উত্তৰ অঞ্চললৈ অহা দলটো আছিৰীয় সভ্যতাৰ সংস্পৰ্শলৈ আহে আৰু পূব মেচোপটেমিয়াৰ দলটো আহি ইৰাণ পায়হি। ইয়াৰ পৰাই এটি দল খ্ৰীঃ পূঃ পঞ্চদশ শতিকামানত উত্তৰ-পশ্চিম গিৰিপথেদি ভাৰতবৰ্ষত প্ৰৱেশ কৰে। ইৰাণত প্ৰচলিত ভাষাটোৰে 'ইৰাণীয়' আৰু ভাৰতত প্ৰচলিত ভাষাটোৰে 'ভাৰতীয় আৰ্য' নাম পালে। ভাৰতবৰ্ষত প্ৰৱেশ কৰা ফৈদটোৰ নিজা ভাষা, ধৰ্ম-সংস্কৃতি ইৰাণীয়সকলৰ সৈতে সততে মিল দেখা যায়। সেয়েহে ভাষাগত দৃষ্টিকোণৰ পৰা ইৰাণ আৰু ভাৰতত থকা দুই দলক একেলগে 'ইণ্ডো-ইৰাণীয়' বুলি নামকৰণ কৰা হৈছে। এওঁলোকৰ মুখৰ ভাষাই ভাৰতৰ বৈদিক সংস্কৃত আৰু ইৰাণৰ প্ৰাচীন ইৰাণীয় (আবেস্তীয়) ভাষাৰ জননী।

ইণ্ডো-ইৰাণীয় শাখাটোৰ আলোচনা প্ৰসংগত 'দৰদীয় ভাষা' নামৰ এটি শাখাৰ কথাও মনলৈ আহে। প্ৰাচীন ভাষাতত্ত্ববিদৰ মতে 'ইণ্ডো-ইৰাণীয়' ভাষাৰ ইৰাণীয় আৰু আৰ্য শাখাৰ মধ্যৱৰ্তী ভাষা— দৰদীয়। কিন্তু দৰদীয় শাখাৰ ভাষাসমূহৰ বিষয়ে এতিয়াও যথোপযুক্ত অধ্যয়ন হোৱা নাই। গতিকে এই বিষয়ে গভীৰ অধ্যয়ন হ'লেহে অনেক নতুন কথা পোহৰলৈ হয়তো আহিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়ালটিৰ নাম কি?

.....

প্ৰশ্ন নং ৭ ঃ 'ভাৰতীয় আৰ্য' ইণ্ডো-ইউৰোপীয় কোনটো শাখাৰ অন্তৰ্গত?

.....

প্ৰশ্ন নং ৮ ঃ 'ইণ্ডো-ইউৰোপীয়'ৰ 'আৰ্য' নাম সমৰ্থন কৰা ভাষাবিজ্ঞানীজনৰ নাম কি?

.....

১.৫ ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ

মূল ইণ্ডো-ইউৰোপীয়ৰ ইণ্ডো-ইৰাণীয় বা ভাৰত-ইৰাণীয় শাখাৰ এটা প্ৰধান উপশাখা হ'ল— ভাৰতীয় আৰ্য। মূল ইণ্ডো-ইৰাণীয়ৰ এটা ফৈদ বা দলে খ্ৰীঃ পূঃ পঞ্চদশ শতিকামানত ইৰাণ, ইৰাক আদি অতিক্ৰম কৰি আফগানিস্তান, বেলুচিস্তান, পাকিস্তানৰ মাজেৰে ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম কোণত অৱতীৰ্ণ হৈ ক্ৰমে পঞ্জাব, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা, পশ্চিমবঙ্গ, অসম আদিত প্ৰসাৰতা লাভ কৰে আৰু নিজা ভাষা, সাহিত্য, ধৰ্ম আদিৰে সমগ্ৰ ভাৰতৰ ভিতৰতে আপোন প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সমৰ্থ হয়। অৱশ্যে দক্ষিণ ভাৰতৰ য'ত দ্ৰাৱিড় ভাষাৰ প্ৰচলন আছিল তাত আৰ্যভাষাই বৰ বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল।

আৰ্যসকল ভাৰতবৰ্ষত একেলগে প্ৰৱেশ কৰা নাছিল; ক্ষুদ্ৰ ক্ষুদ্ৰ দল বা ফৈদ হৈহে প্ৰৱেশ কৰিছিল। সেই দল বা ফৈদবিলাকৰ কথ্য ভাষাৰ মাজত কিছু কিছু স্বতন্ত্ৰ বৈশিষ্ট্য থাকিলেও সামগ্ৰিকভাৱে ভাষাৰূপ বা কথ্য ভাষাৰ মাজত যথেষ্ট মিল আছিল। আৰ্যসকলৰ ভাষা আৰু সাহিত্য আছিল যথেষ্ট চহকী। তেওঁলোক আছিল প্ৰধানতঃ পশুপালক যাযাবৰ জাতি। কিন্তু ভাৰতবৰ্ষত আৰ্যসকল প্ৰৱেশ কৰিয়ে যাযাবৰী জীৱন পৰিত্যাগ কৰি সম্পূৰ্ণৰূপে কৃষিজীৱী জাতি হৈ পৰে। এই বৃহৎ পৰিয়ালটোৰ যি ভাষা তাৰ এটা সুবিশাল ইতিহাস আছে। ভাৰতবৰ্ষত আৰ্যসকল প্ৰৱেশ কৰাৰে পৰা বৰ্তমানলৈ প্ৰায় চাৰে তিনি হাজাৰ বছৰৰ ভিতৰত আৰ্যভাষাৰ বিভিন্ন পৰিৱৰ্তন ঘটে। ভাষাৰ এই ক্ৰমপৰিৱৰ্তনৰ ধাৰাৰ ওপৰত ভিত্তি কৰি ভাৰতীয় আৰ্যভাষাক প্ৰধানভাৱে তিনিটা স্তৰত ভাগ কৰা হৈছে। সেই স্তৰকেইটা হ'ল —

- প্ৰাচীন ভাৰতীয় আৰ্যভাষা (Old Indo-Aryan; OIA)
- মধ্য ভাৰতীয় আৰ্যভাষা (Middle Indo-Aryan; MIA)
- নব্য ভাৰতীয় আৰ্যভাষা (New Indo-Aryan; NIA)

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় আনুমানিক খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰপৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা পৰ্যন্ত বুলি ধৰা হৈছে। বেদ-ব্ৰাহ্মণ-উপনিষদ আৰু বিভিন্ন পুৰাণ কাব্যই এই যুগৰ ভাষাক প্ৰতিনিধিত্ব কৰি আছে। এই যুগৰ ভাষা ৰূপ দুটা — এটা বৈদিক আৰু আনটো সংস্কৃত। বেদ, ব্ৰাহ্মণ আৰু উপনিষদৰ ভাষা বৈদিক আৰু পুৰাণৰ ভাষা সংস্কৃত। অৰ্থাৎ বৈদিক আৰু সংস্কৃত ভাষাই আৰ্যভাষাৰ প্ৰাৰম্ভিক স্তৰটোক প্ৰতিনিধিত্ব কৰিছে। *ঋক্‌বেদেই* হৈছে ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপ অৰ্থাৎ সাধুভাষাৰ প্ৰথম নিদৰ্শন।

মধ্য ভাৰতীয় আৰ্যভাষাৰ সময় ধৰা হৈছে খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টাব্দ দশম শতিকা পৰ্যন্ত। সমগ্ৰ পালি, প্ৰাকৃত আৰু অপভ্ৰংশ-অৱহট্‌ঠ ভাষা-সাহিত্যই এই স্তৰক প্ৰতিনিধিত্ব কৰিছে। এই স্তৰক বহল অৰ্থত অৰ্থাৎ সামগ্ৰিকভাৱে 'প্ৰাকৃত স্তৰ' বুলি অভিহিত কৰা হয়।

নব্য ভাৰতীয় আর্যভাষাৰ সময় খ্ৰীঃ দশম শতিকাৰ পৰা বর্তমান সময় পর্যন্ত। অসমীয়া, বাংলা, উড়ীয়া, হিন্দী, মাৰাঠী, পাঞ্জাৰী আদি বিবিধ আঞ্চলিক ভাৰতীয় ভাষাসমূহে এই স্তৰক প্ৰতিনিধিত্ব কৰিছে।



১.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দ-সম্ভাৰ আদিৰ তুলনামূলক আলোচনাৰে সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰি লগতে ভাষাবোৰৰ ক্ৰমবিকাশৰ ইতিহাস পর্যালোচনা কৰি পাৰস্পৰিক সম্বন্ধ সূত্ৰেৰে পৃথিৱীৰ ভাষাসমূহৰ বংশ বা পৰিয়াল অথবা গোষ্ঠীত ভাগ কৰা হৈছে। এনে ভাষাগোষ্ঠীৰ ভিতৰত 'ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী' হৈছে সর্ববৃহৎ আৰু উল্লেখযোগ্য ভাষাগোষ্ঠী।
- পৃথিৱীৰ বৃহৎ ভাষা-গোষ্ঠীসমূহৰ ভিতৰত ভাৰতবর্ষত প্ৰধানকৈ ইণ্ডো-ইউৰোপীয়, অষ্ট্ৰিক, দ্ৰাবিড় আৰু তিব্বত-চীনীয় — এই চাৰিওটা ভাষাগোষ্ঠীৰ অন্তর্গত বিভিন্ন ভাষা চলে।
- ভাৰতবর্ষত প্ৰচলিত চাৰিটা ভাষাগোষ্ঠীৰ ভিতৰত ইণ্ডো-ইউৰোপীয়ৰ অন্তর্গত 'ইণ্ডো-ইৰাণীয়' বা 'আর্য' হৈছে এটি উল্লেখযোগ্য উপশাখা। এই ইণ্ডো-ইৰাণীয়ৰ অন্তর্গত 'ভাৰতীয় আর্যভাষা' পৃথিৱীৰ ভাষাবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য ভাষা।
- 'ভাৰতীয় আর্য' ভাষাক তাৰ ক্ৰমবিৱর্তনৰ ওপৰত ভিত্তি কৰি প্ৰধানকৈ তিনিটা স্তৰত ভাগ কৰা হৈছে— প্ৰাচীন ভাৰতীয় আর্যভাষা, মধ্য ভাৰতীয় আর্যভাষা আৰু নব্য ভাৰতীয় আর্যভাষা।
- নব্য ভাৰতীয় আর্যভাষাৰ অন্তর্গত অসমীয়া হৈছে মূল ইণ্ডো-ইউৰোপীয়ৰেই ক্ৰমবিৱর্তনৰ ফল।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

২) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৩) ফুকন পাটগিৰি, দীপ্তি (২০০৬); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা

৪) বৰুৱা, ভীমকান্ত (২০০২); *ভাষাৰ ইতিহাস;* ডিব্ৰুগড় ঃ বনলতা

৫) ৰাভা হাকাচাম, উপেন (২০০০); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* ধূপধৰা (গোৱালপাৰা) ঃ হাকাচাম বাওছাদাম।

বাংলা গ্রন্থ ঃ

৬) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ইংৰাজী গ্রন্থ ঃ

৭) Kakati, B. (2007). *Assamese: Its Formation and Development.* Guwahati : Lawyer's Book Stall.

১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাক্স।

২ নং প্রশ্নৰ উত্তৰ ঃ চাওতালী।

৩ নং প্রশ্নৰ উত্তৰ ঃ তামিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ নাগামিজ।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রায় ছশ বছৰ (১২২৮-১৮২৬)।

৬ নং প্রশ্নৰ উত্তৰ ঃ 'ইণ্ডো-ইউৰোপীয়' ভাষা পৰিয়াল।

৭ নং প্রশ্নৰ উত্তৰ ঃ 'ইণ্ডো-ইৰাণীয়'।

৮ নং প্রশ্নৰ উত্তৰ ঃ মেক্সমূলাৰ।

১.৯ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

(ক) 'ইণ্ডো-ইউৰোপীয়' ভাষা পৰিয়ালৰ প্রধান শাখা কেইটা আৰু কি কি?

(খ) প্ৰাচীন ভাষাতত্ত্ববিদৰ মতে 'ইণ্ডো-ইৰাণীয়' শাখাৰ ইৰাণীয় আৰু আৰ্য উপশাখাৰ মধ্যৱৰ্তী ভাষা স্তৰটো কি?

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সাহিত্যিক নিদৰ্শন কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ বৰ্গীকৃত আৰু অবৰ্গীকৃত ভাষাৰ পাৰ্থক্য বিচাৰ কৰি উদাহৰণ দিবলৈ যত্ন কৰক।

প্ৰশ্ন ২ ঃ 'ইণ্ডো-ইউৰোপীয়' ভাষা পৰিয়ালৰ শাখাসমূহৰ শ্ৰেণী বিভাজনৰ ভিত্তি কি চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ 'ইণ্ডো-ইউৰোপীয়' নামকৰণৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতীয় আৰ্যভাষাৰ সময় বা কালসহ স্তৰসমূহৰ পৰিচয় দিয়ক।

প্ৰশ্ন ৫ ঃ অসমত প্ৰচলিত যিকোনো দুটা তিব্বত-বৰ্মীমূলীয় ভাষাৰ পৰিচয় দিয়ক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৃথিৱীৰ প্ৰাচীন ভাষাগোষ্ঠীসমূহৰ চমু পৰিচয় দি এটি টোকা লিখক।

প্ৰশ্ন ২ ঃঅসমত প্ৰচলিত অষ্ট্ৰিকমূলীয় ভাষাৰ পৰিচয় ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান বা জন্মস্থান সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ৪ ঃ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ শাখা-প্ৰশাখাসমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৫ ঃ দ্ৰাবিড় ভাষা পৰিয়ালৰ পৰিচয় ব্যাখ্যা কৰি ভাৰতবৰ্ষত এই পৰিয়ালৰ অৱস্থিতি সম্পৰ্কে লিখক।

প্ৰশ্ন ৬ ঃ ভাৰতবৰ্ষত প্ৰচলিত ভাষাগোষ্ঠীসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ৭ ঃ অসমীয়া ভাষাটো ইণ্ডো-ইউৰোপীয়ৰ কোনটো শাখাৰ অন্তৰ্গত বহলাই লিখক।

প্ৰশ্ন ৮ ঃ ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিৱৰ্তনৰ সকলো দিশ সামৰি এটি টোকা লিখক।

*** ***** ***

অধ্যায় ২ ঃ প্রাচীন ভাৰতীয় আর্যভাষা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ প্রাচীন ভাৰতীয় আর্যভাষাৰ সময় আৰু সাহিত্যিক নিদর্শন
২.৪ বৈদিক আৰু সংস্কৃত ভাষাৰ পৰিচয়
২.৫ প্রাচীন ভাৰতীয় আর্যভাষাৰ সাধাৰণ লক্ষণ
২.৬ বৈদিক ভাষাৰ স্বতন্ত্র বৈশিষ্ট্য
২.৭ বৈদিক আৰু সংস্কৃত ভাষাৰ ভাষাগত পার্থক্য
২.৮ সংস্কৃতত গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান
২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রাচীন ভাৰতীয় আর্যভাষাৰ কাল আৰু ইয়াৰ উপস্তৰসমূহক বিভাজন কৰি দেখুৱাব পাৰিব
- প্রাচীন ভাৰতীয় আর্যভাষাৰ প্রধান ভাষিক ৰূপ বৈদিক আৰু সংস্কৃত ভাষাৰ ভাষাগত দিশৰ তুলনা আগবঢ়াব পাৰিব
- লগতে দুয়োটি ৰূপৰে সাহিত্যিক নিদর্শনসমূহৰো থূলমূল পৰিচয় লাভ কৰিব পাৰিব।

২.২ পৰিচয়

পূর্বৱর্তী অধ্যায়টোত আপুনি ভাৰতীয় আর্যভাষা সম্পর্কে কিছু কথা অধ্যয়ন কৰিলে। এতিয়া এইটো অধ্যায়ত আমি প্রাচীন ভাৰতীয় আর্যভাষা সম্পর্কে অধ্যয়ন কৰিম। ভাৰতবর্ষত আর্যসকলৰ আগমন সম্পর্কে আমি ইতিমধ্যে আগৰ অধ্যায়তে কিছু কথা কৈ আহিছোঁ। আমি ইয়াকো কৈ আহিছোঁ যে আর্যসকল ভাৰতবর্ষত একেলগে প্রৱেশ নকৰি বিভিন্ন দল অথবা ফৈদত ভাগ হৈ উত্তৰ-পশ্চিম সীমান্তইদি প্রৱেশ কৰিছিল। লাহে লাহে এই গোষ্ঠীৰ বিভিন্ন ফৈদে কেৱল পশ্চিম বা উত্তৰ-পশ্চিম প্রান্ততে সীমাৱদ্ধ নাথাকি পূবৰ পিনে আগুৱাই আহে। এসময়ত এই গোষ্ঠীটোৰ সম্প্রসাৰণ কাশী, কোশল, মগধ, বিদেহ, ৰাঢ়, বাৰেন্দ্র, কামৰূপ পর্যন্ত ঘটে আৰু

স্থানীয়, বিশেষকৈ প্রাচ্যৰ আঞ্চলিক তথা স্থানীয় অধিবাসীসকলৰ ভাষা-সংস্কৃতিৰ ওপৰত আধিপত্য বিস্তাৰ কৰি নিজৰ একাধিপত্য প্রতিষ্ঠা কৰে। অৱশ্যে ভাৰতবৰ্ষৰ দক্ষিণাঞ্চলত ইতিপূৰ্বে সংস্থাপিত দ্রাবিড় বা কন্নড় অথবা তামিল-তেলেগুৰ প্রসাৰতাৰ বাবে আৰ্যভাষাই বিশেষ প্রভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। একেদৰে পশ্চিমৰ সিন্ধু-সৌৰাষ্ট্রীয় প্রদেশতো আৰ্যপূৰ্ব সংস্কৃতিৰ প্রবলতাৰ বাবে আৰ্যভাষাৰ প্রসাৰণ বহুপৰিমাণে বাধাগ্রস্ত হৈছিল। সেই পিনৰ পৰা আৰ্যভাষাৰ প্রসাৰৰ মূল কেন্দ্রভূমি হ'ল ভাৰতবৰ্ষৰ মধ্যদেশ আৰু উত্তৰ-পশ্চিম আৰু পূব অঞ্চল।

আৰ্যসকল ভাৰতবৰ্ষত প্রৱেশ কৰাৰ পূৰ্বৰ কথা বাদেই ভাৰতবৰ্ষত প্রৱেশ কৰাৰে পৰা যদি চাওঁ দেখিবলৈ পাম যে এই গোষ্ঠীৰ এক সুদীৰ্ঘ ইতিহাস আছে। ভাষাৰ ক্রমবিৱৰ্তনৰ ইতিহাস এই গোষ্ঠীটোৰ আটাইতকৈ উল্লেখনীয় ইতিহাস। প্রাচীন ভাৰতীয় আৰ্যভাষা এই ইতিহাসৰ প্রথম সাক্ষী। এইটো অধ্যায়ত আমি প্রাচীন ভাৰতীয় আৰ্যভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য আৰু সাহিত্যৰ বিষয়ে বিশেষভাৱে আলোচনা দাঙি ধৰিম।

২.৩ প্রাচীন ভাৰতীয় আৰ্যভাষাৰ সময় আৰু সাহিত্যিক নিদর্শন

আমি জানো যে আৰ্যসকল ভাৰতবৰ্ষত খ্রীঃ পূঃ পঞ্চদশ শতাব্দীমানতে প্রৱেশ কৰিছিল। কিন্তু সময়ৰ লগে লগে আৰ্যভাষাটোৱে পৰিৱৰ্তন লাভ কৰিবলৈ ধৰে। এই পৰিৱৰ্তনৰ প্রথমটি ধাৰা খ্রীঃ পূঃ ষষ্ঠ শতাব্দীমানত স্পষ্ট হয়। সেয়ে ভাৰতীয় আৰ্যভাষাৰ প্রাৰম্ভিক স্তৰতকৈ ভাৰতবৰ্ষত আৰ্যসকল প্রৱেশ কৰা সময়ৰেপৰা ষষ্ঠ শতাব্দীলৈকে প্রাচীন স্তৰ অর্থাৎ 'প্রাচীন ভাৰতীয় আৰ্যভাষা' নামেৰে নামকৰণ হৈছে। কিন্তু যি সময়ত আৰ্যসকল ভাৰতবৰ্ষত প্রৱেশ কৰিছিল সেইসময়ত তেওঁলোকৰ ভাষাৰূপটো কেনে আছিল সঠিককৈ জানিব পৰা নাযায়। অৱশ্যে ভাৰতবৰ্ষত প্রৱেশ কৰাৰ পূৰ্বৰে পৰা আৰু প্রৱেশ কৰাৰ পাছতো বহুকাল পর্যন্ত তেওঁলোকৰ মাজত দেৱ আৰু প্রকৃতিৰ বন্দনামূলক কেতবোৰ স্তুতিগীতৰ প্রচলন আছিল — যিবোৰ পৰৱর্তী কালত *ঋক্* নামৰ বেদৰ মাজত সংগৃহীত হৈছিল। 'বেদ' শব্দৰ অর্থ হ'ল জ্ঞান। য'ৰ পৰা জ্ঞান আহৰিত হয়, সিয়েই বেদ। সেয়ে বেদক ভক্তিধর্মৰ মূল উৎস বোলা হয়। *ঋক্‌বেদেই* হৈছে আৰ্যসকলৰ প্রাচীনতম গ্রন্থ। *ঋক্‌বেদৰ* সময় ধৰা হৈছে আনুমানিক খ্রীঃ পূঃ ত্রয়োদশ অথবা দ্বাদশ শতাব্দী। *ঋক্‌বেদৰ* পৰৱর্তী কালত ৰচিত হয় *সাম, যজুঃ* আৰু *অথর্ব* বেদ। এই চাৰিবেদৰ ভিতৰত *ঋক্, সাম* আৰু *যজুঃ* হৈছে যজ্ঞীয় বেদ আৰু *অথর্ব* হৈছে অযজ্ঞীয় বেদ। যজ্ঞীয় হওক অথবা অযজ্ঞীয় হওক প্রতিখন বেদৰ দুটাকৈ প্রধান ভাগ আছে — পূর্ব মীমাংসা আৰু উত্তৰ মীমাংসা। পূর্ব মীমাংসাক কর্ম কাণ্ড আৰু উত্তৰ মীমাংসাক জ্ঞানকাণ্ড বোলে। তত্ত্বজিজ্ঞাসু আৰ্য ঋষিসকলে প্রকৃতিৰ বিনন্দীয় ৰাজ্যৰ প্রাকৃতিক কার্যকলাপৰ ভেটিতেই দেৱতাসকলৰ সৃষ্টি কৰিছিল। তাৰ লগতে সেই সেই দেৱতাক পূজিবৰ কাৰণে স্তুতি-নীতি কৰাৰো বিধান দিছিল। যাতে স্তুতি-নীতিৰ জৰিয়তে প্রকৃতিৰ আতংক তথা অস্বাভাৱিক আচৰণৰ পৰা ৰক্ষা পাব পাৰে; লগতে ধন-জন-ঐতিহ্যৰে সুখ-শান্তি সমৃদ্ধ জীৱন নির্বাহ কৰিব পাৰে। দৰাচলতে এয়ে হৈছে বেদৰ কর্মকাণ্ডৰ মূল বিষয়। সংহিতা আৰু ব্রাহ্মণ বেদৰ এই কর্ম কাণ্ডৰে দুটা ভাগ। 'সংহিতা'ত আছে স্তৰ, স্তুতি,

প্ৰাৰ্থনা আদিৰ বৰ্ণনা; আনহাতে 'ব্ৰাহ্মণ'ত আছে মন্ত্ৰ আৰু যাগ-যজ্ঞৰ বিশদ বিৱৰণ। তদুপৰি ব্ৰাহ্মণত কিছুমান প্ৰাচীন আখ্যান-উপাখ্যানৰো বৰ্ণনা আছে।

পূৰ্ব মীমাংসাৰ দৰে বেদৰ উত্তৰ মীমাংসাৰো দুটা বহল ভাগ আছে — আ�ৰণ্যক আৰু উপনিষদ। যাগ-যজ্ঞ আদিৰ পৰা যেতিয়া বৈদিক ঋষি-মুনিসকলৰ চিত্ত জ্ঞানযোগৰ প্ৰতি আকৰ্ষিত হ'ল তেতিয়াই আৰণ্যকৰ উৎপত্তি হ'ল। আৰণ্যক জ্ঞান, যোগ আৰু আধ্যত্ম — এই তিনিটাৰ ব্যাখ্যাৰে পুষ্ট। ইয়াৰ আধ্যাত্মিক দিশটোৰ পৰাই সৃষ্টি হৈছে উপনিষদৰ। অৰ্থাৎ আৰণ্যকৰ দৰে উপনিষদতো সেই যুগৰ উদাসীন মনীষীসকলৰ আধ্যাত্মিক চিন্তা আৰু অনুভূতিৰ অপূৰ্ব, সৰল আৰু অনুকৰণীয় সহজ কবিত্বময়তা গুণৰ সমাহাৰ ঘটিছে। উল্লেখযোগ্য যে উপনিষদত প্ৰতিফলিত হোৱা বিৰোধভাবৰ সমাধান আৰু সমন্বয়েই হৈছে বেদান্ত দৰ্শনৰ প্ৰতিপাদ্য বিষয়বস্তু।

চাৰিবেদৰ *ঋক্* আৰু *সাম* পদ্যত ৰচিত, আনকেইখন বেদ গদ্য আৰু পদ্য দুয়োটা মাধ্যমতে ৰচিত আৰু ব্ৰাহ্মণ আৰু আৰণ্যক-উপনিষদ প্ৰধানতঃ গদ্যত ৰচিত। মনত ৰখা ভাল যে প্ৰত্যেক বেদৰে একাধিক ব্ৰাহ্মণ আৰু আৰণ্যক-উপনিষদ আছে। *ঋক্‌বেদৰ* প্ৰধান আৰু সৰ্বপ্ৰাচীন ব্ৰাহ্মণ হ'ল *ঐতৰেয় ব্ৰাহ্মণ*। সাহিত্যৰ এই সম্পদসমূহক লৈয়েই অৰ্থাৎ বেদ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদসমূহক লৈ যি ভাষা আৰু সাহিত্য গঢ় লৈ উঠিছে সিয়ে হৈছে বৈদিক ভাষা আৰু বৈদিক সাহিত্য। ভাষাৰ বিচাৰত *ঋক্‌বেদৰ* ভাষা 'প্ৰাচীন বৈদিক' আৰু আন তিনিবেদ আৰু ব্ৰাহ্মণ-উপনিষদ-আৰণ্যকৰ ভাষা হ'ল 'অৰ্বাচীন বৈদিক'। 'অৰ্বাচীন বৈদিক' 'প্ৰাচীন বৈদিক'তকৈ সৰল আৰু খ্ৰীঃ পূঃ পঞ্চম শতাব্দীমানত গঢ় লোৱা পৰৱৰ্তী সংস্কৃতৰ বহু পৰিমাণে ওচৰ চপা। এই 'বৈদিক' আৰু 'সংস্কৃত' ভাষিক আৰু সাহিত্যিক ৰূপ দুটাই ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰটো আৱৰি আছে। সেয়েহে ক'ব পাৰি প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভাষিক ৰূপ প্ৰধানতঃ দুটা — (ক) বৈদিক আৰু (খ) সংস্কৃত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'বেদ' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ২ঃ বেদৰ ভাগ কেইটা আৰু কি কি?

.....

প্ৰশ্ন নং ৩ঃ *ঋক্‌বেদৰ* প্ৰধান আৰু সৰ্ব-প্ৰাচীন ব্ৰাহ্মণ গ্ৰন্থ কি?

.....

২.৪ বৈদিক আৰু সংস্কৃত ভাষাৰ পৰিচয়

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সাহিত্যিক ৰূপ দুটা — এটা প্ৰাচীনতৰ আৰু আনটো নৱীনতৰ। প্ৰাচীনতৰ ৰূপটোৱে হ'ল বৈদিক বা বৈদিক সাহিত্যৰ ভাষা। বৈদিক সাহিত্যৰ


ভৌগোলিক অৱস্থান আছিল উত্তৰ-পশ্চিম ভাৰতৰ সপ্তসিন্ধু অঞ্চল। *ঋক্‌বেদ* সংহিতাৰপৰা জনা যায় যে এক বিশাল ভূখণ্ডত বৈদিক ভাষা-সাহিত্যই বিস্তাৰ লাভ কৰিছিল। *ঋক্‌বেদ* সংহিতাৰ মতে এই অঞ্চলসমূহ আফগানিস্তান, পঞ্জাব, সিন্ধু প্ৰদেশ, ৰাজপুতনাৰ কেতবোৰ অঞ্চল, উত্তৰ-পশ্চিম সীমান্ত অঞ্চল, কাশ্মীৰ আৰু সৰযু নদী পৰ্যন্ত বিস্তাৰিত আছিল। উল্লেখযোগ্য যে ব্ৰাহ্মণ যুগত বৈদিক ভাষাৰ বিস্তৃতি উত্তৰ-পশ্চিমৰ পৰা লাহে লাহে মধ্যাঞ্চললৈ সম্প্ৰসাৰিত হয় আৰু ভাষাও পৰিৱৰ্তনমুখী হ'বলৈ ধৰে। বৈদিক সাহিত্যৰ ভাষা আছিল সপ্তসিন্ধু অঞ্চলত বসবাস কৰা আৰ্যসকলৰ ভাষাৰ সাহিত্যিক ৰূপ। ধৰ্মীয় কাৰ্যত ব্যৱহাৰ কৰিবলৈ পুৰোহিত শ্ৰেণীৰ লোকসকলে মূলতঃ এই ভাষাটো প্ৰয়োগ কৰিছিল। পুৰোহিত শ্ৰেণীটোৰ মাজত প্ৰচলিত এই সাহিত্যিক ছন্দযুক্ত ভাষাৰ সমান্তৰালভাৱে সৰ্বসাধাৰণ লোকৰ মাজত বৈদিক সংস্কৃতিৰ এক লৌকিক বা কথ্য ৰূপ প্ৰচলিত হৈ আহিছিল। ভাৰতবৰ্ষত আগৰেপৰা বসবাস কৰি থকা অষ্ট্ৰিক-দ্ৰাবিড় আদি যি বিভিন্ন আৰ্য-বহির্ভূত লোকসকলে ঐতিহাসিক কাৰণত আৰ্যভাষা আৰু ধৰ্ম ল'ব লগা হৈছিল, তেওঁলোকৰ ধ্বনি ব্যৱহাৰৰ বিশিষ্ট ৰীতি বা বাক্ ভংগীৰ প্ৰভাৱত আৰ্যসকলৰ লৌকিক বা কথ্য ৰূপটোৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী হৈ পৰিছিল। এই পৰিৱৰ্তন স্বাভাৱিক আছিল যদিও ব্ৰাহ্মণ-পণ্ডিত, পুৰোহিত, ক্ষেত্ৰীয় ৰাজন্যকুলৰ সম্ভ্ৰান্ত ব্যক্তিসকলে বেদ লিখা ভাষাটোৰ শুদ্ধতা ৰক্ষাৰ প্ৰচেষ্টাত আত্মনিয়োগ কৰিছিল, কিয়নো বেদৰ ভাষাক ব্ৰাহ্মণ্য সংস্কৃতিৰ পণ্ডিতসকলে 'দেৱভাষা' বুলি জ্ঞান কৰাৰ লগতে বৈদিক ক্ৰিয়াকাণ্ডও এই ভাষাৰ মাধ্যমতে চলিছিল। গতিকে লৌকিক কথ্য ৰূপটোৰ দ্ৰুত পৰিৱৰ্তনক ৰোধ কৰিবলৈ ব্ৰাহ্মণ যুগৰ শেষৰ পিনে আনুমানিক খ্ৰীঃ পূঃ পঞ্চম শতাব্দীমানত এই ভাষাটোৰ সংস্কাৰ পৰ্ব আৰম্ভ হয়। এই সংস্কাৰৰ ভেটিতেই লৌকিক বা কথ্য ৰূপটোৰ এটি সাধু বা সাহিত্যিক ভাষা গঢ় লৈ উঠে। এই সাধু বা সাহিত্যিক ভাষাটোৱে হ'ল ধ্ৰুপদী সংস্কৃত (Classical Sanskrit)। এইটোৱে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ নৱীনতৰ ৰূপ। নবীনতৰ ৰূপটো সেই কালৰ শিষ্ট বা শিক্ষিত ব্যক্তিৰ দ্বাৰা ব্যৱহৃত আৰু সাহিত্যিক আখ্যান-উপখ্যানৰ ভাষা। এই নৱীনতৰ ভাষাৰ সাধু বা শিষ্ট ৰূপটোৱে পাণিনি অনুশাসিত তথা আমাৰ চিৰ পৰিচিত সংস্কৃত। বৈদিক ভাষাটোত যেতিয়া সময়ৰ লগে লগে বিভিন্ন পৰিৱৰ্তনে দেখা দিলে তেতিয়া সাধাৰণ মানুহৰ বাবে বৈদিক ভাষাটো লাহে লাহে অপৰিচিত হৈ আহিব ধৰে। সেয়ে খ্ৰীঃ পূঃ পঞ্চম শতিকামানত মহৰ্ষি পাণিনিয়ে কথিত লৌকিক ভাষাটোক ব্যাকৰণৰ অনুশাসনেৰে বান্ধি এটা সুনিৰ্দিষ্ট মান নিৰূপণৰ ব্যৱস্থাৰে সেই সময়ৰ সৰ্বসাধাৰণৰ শিষ্ট ভাষাৰূপে প্ৰচাৰ কৰে। তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভস্বৰূপ ***অষ্টাধ্যায়ী*** ব্যাকৰণৰ মাজেদি এই ৰীতিটো নিৰ্ধাৰণ কৰিছিল। উল্লেখযোগ্য যে পাণিনি আছিল উদীচ্য বা উত্তৰ-পশ্চিমাঞ্চলৰ লোক আৰু সেয়েহে তেওঁৰ ব্যাকৰণত সেই অঞ্চলৰ ভাষাই আদৰ্শৰূপ হিচাপে গৃহীত হয়। অৱশ্যে সেই বুলি পাণিনিয়ে অন্যান্য অঞ্চলৰ শিষ্ট প্ৰয়োগকো উপেক্ষা কৰা নাছিল। মুঠতে প্ৰথম লিখা ভাষা উদীচ্যক আৰ্হি হিচাপে লৈ মধ্যদেশীয় শিক্ষিত ব্যক্তিসকলৰ দ্বাৰা ব্যৱহৃত আৰ্যভাষাৰ এটা শুদ্ধ শিষ্ট ৰূপ পাণিনিয়ে তেওঁৰ ব্যাকৰণত বিধিবদ্ধ কৰে আৰু এটা সুনিৰ্দিষ্ট মান (Standard) নিৰূপণ কৰি দিয়ে। পাণিনিৰ দ্বাৰা মাৰ্জিত বা সংস্কাৰভূত এই শিষ্ট ৰূপটোৱেই



অষ্টাধ্যায়ী ঃ পাণিনিৰ ব্যাকৰণৰ সুত্ৰবোৰ আঠটা অধ্যায়ত বিভক্ত বাবে সংস্কৃতৰ ৰীতি নিৰ্দেশিত তেওঁৰ উক্ত গ্ৰন্থৰ নাম *অষ্টাধ্যায়ী*। গ্ৰন্থখনৰ প্ৰকৃত নাম *শব্দানুশাসনম*।

হ'ল সংস্কৃত বা সংস্কৃত ভাষা। আদিকাব্য *ৰামায়ণ, মহাভাৰত*কে আদি কৰি বিভিন্ন কাব্য-মহাকাব্য, খণ্ডকাব্য, নাটক, পুৰাণ, মহাপুৰাণ, পঞ্চতন্ত্ৰ, হিতোপদেশ আদি এই সংস্কৃত ৰূপটোতে ৰচিত। এইদৰে দেখা যায় যে বৈদিক যুগৰ পৰা পাণিনিৰ আবির্ভাৱৰ সময়লৈকে এই সুদীৰ্ঘ কালছোৱাত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দুটা সমান্তৰাল ৰূপ বিৱৰ্তিত হৈছিল — এটা বৈদিক আৰু আনটো সংস্কৃত বা ধ্ৰুপদী সংস্কৃত।

মন কৰিবলগীয়া যে সংস্কৃত ভাষা যদিও অভিজাত শ্ৰেণীৰ সাহিত্য সৃষ্টিৰ ভাষা তথাপি কিন্তু সংস্কৃতৰ যে জীৱন্ত কথ্য ৰূপ নাছিল এনেও নহয়। উদাহৰণস্বৰূপে মধ্যদেশৰ শিক্ষিত ব্যক্তি সকলে এই ভাষাৰে ভাব বিনিময় কৰিছিল বুলি অনুমান কৰা হৈছে। বৰ্তমান সময়তো কৰ্ণাটকৰ এখন গাঁৱৰ মানুহে সংস্কৃত ভাষাত ভাব বিনিময় কৰে। কিন্তু সংস্কৃত কেৱল বিশেষ শিক্ষিত ব্যক্তিসকলৰ মাজত আবদ্ধ সাহিত্য সৃষ্টিৰ মাধ্যম হোৱা বাবে অথবা কঠোৰ নিয়ম শাসিত হোৱা বাবে কালক্ৰমত জনসাধাৰণৰ পৰা বিচ্ছিন্ন আৰু অৱহেলিত হৈ পৰিছিল। এনে হোৱাৰ ফলত সংস্কৃত মৃত ভাষা হিচাপে পৰিগণিত হৈ পৰিল। কিন্তু মৃত ভাষা হ'লেও এই ভাষাই মধ্যযুগৰ ভাৰতৰ ঐক্য বন্ধনৰ একমাত্ৰ আহিলাস্বৰূপ আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ লৌকিক তথা কথ্য ৰূপটোৰ নাম কি?

.....

প্ৰশ্ন নং ৫ ঃ *অষ্টাধ্যায়ী*ৰ প্ৰকৃত নাম কি?

.....

প্ৰশ্ন নং ৬ ঃ ধ্ৰুপদী সংস্কৃতৰ আৰ্হি ভাষা কি?

.....

২.৫ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ লক্ষণ

আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ৰূপ দুটা — বৈদিক আৰু সংস্কৃত। অৰ্থাৎ বৈদিক আৰু সংস্কৃত মিলি ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীন স্তৰটি গঠিত। দুয়োটা ভাষা পৰস্পৰৰ সম্বন্ধযুক্ত বাবে উভয়ৰে মাজত বহু দিশত বিশেষকৈ ধ্বনিগত দিশত যথেষ্ট সাদৃশ্য দেখা যায়। তলত বৈদিক আৰু সংস্কৃতৰ অৰ্থাৎ সামগ্ৰিকভাৱে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ লক্ষণ কেইটামান উল্লেখ কৰা হ'ল —

- **ধ্বনিতত্ত্বৰ দিশত ঃ**
  - দুই-এটা ধ্বনিক বাদ দি ভাৰতীয় আৰ্যভাষাৰ দুয়োটা ভাষা ৰূপতে প্ৰায় একেখিনি স্বৰ আৰু ব্যঞ্জন ধ্বনি দেখা যায়। তদুপৰি স্বৰৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণ তথা সন্ধিযুক্ত ব্যঞ্জনৰ

ব্যৱহাৰো উভয় ভাষা ৰূপতে দেখা যায়। যেনে — ক্ৰ, ক্ত্ৃ, ক্ষ্ম, ষ্ট্ৰ, ষ্ঠ, স্ন্য ইত্যাদি।

- শব্দৰূপৰ ক্ষেত্ৰত তিনিটা বচন, তিনিটা লিংগ আৰু কাৰকৰ প্ৰায় সমান ব্যৱহাৰ দেখা যায়।
- শব্দৰূপৰ দৰে ধাতু ৰূপৰ বৈশিষ্ট্যৰো সাদৃশ্য দেখা যায়। তিনি পুৰুষ দুই পদ (আত্মনেপদ আৰু পৰস্মৈপদ), দুই বাচ্য অথবা কাল আৰু ভাবৰ ক্ষেত্ৰতো লক্ষণ প্ৰায় একে।
- সমাসবদ্ধ পদৰ গঠন দুই ৰূপতে বিদ্যমান।
- প্ৰত্যয়যুক্ত পদ গঠনৰ ক্ষেত্ৰতো দুয়ো ৰূপতে যথেষ্ট মিল দেখা যায়।
- অক্ষৰমূলক ছন্দৰীতিৰ প্ৰাধান্য উভয়ৰে সাধাৰণ লক্ষণ।
- তদুপৰি উপসৰ্গৰ ব্যৱহাৰৰ ক্ষেত্ৰতো দুয়োটা ৰূপতে সাদৃশ্য দেখা যায়।

এইদৰে আলোচনা কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দুয়োটা ভাষা ৰূপতে কেতবোৰ দিশত সাদৃশ্য দেখিবলৈ পোৱা গ'লেও বহুক্ষেত্ৰতেই দুয়োটা ভাষাৰূপ সুকীয়া কেতবোৰ বৈশিষ্ট্যৰে পৰিপুষ্ট। সেইবোৰৰো শৃংখলাবদ্ধ আলোচনাৰ নিশ্চয় প্ৰয়োজন আছে।

২.৬ বৈদিক ভাষাৰ স্বতন্ত্ৰ বৈশিষ্ট্য

বৈদিক ভাষা হ'ল প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম নিদৰ্শন। বৈদিক ভাষাৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল —

- **ধ্বনিতত্ত্বৰ দিশত ঃ**
  - বৈদিকত ঋ, ৠ, ঌ আৰু $^{৯}_{৯}$ সহ চৈধ্যটা স্বৰধ্বনিৰ প্ৰচলন আছিল। বৈদিকত ব্যৱহৃত আন স্বৰধ্বনিকেইটা হ'ল — অ, আ, ই, ঈ, উ, ঊ, এ, ঐ, ও আৰু ঔ।
  - ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত মূৰ্ধন্য ধ্বনিৰ প্ৰচলন কম হোৱাৰ বিপৰীতে মহাপ্ৰাণ বৰ্ণৰ উষ্মীভৱনৰ প্ৰৱণতা অধিক আছিল।
  - বৈদিক ভাষাত সন্ধিৰ প্ৰচলন দেখা গৈছিল।
  - সুৰাঘাত (pitch-accent) বৈদিক ভাষাৰ আন এক প্ৰধান বৈশিষ্ট্য। এই সুৰাঘাতৰ বাবেই একে শব্দৰ এক অক্ষৰৰ পৰা অন্য অক্ষৰলৈ সুৰাঘাতৰ স্থান পৰিৱৰ্তন হৈ শব্দৰ অৰ্থ বেলেগ হৈ পৰিছিল। যেনে — অৰ্পস্-কাৰ্য (বিশেষ্য), অৰ্পস্-সক্ৰিয় (বিশেষণ)।
  - বৈদিকত উদাত্ত, অনুদাত্ত আৰু স্বৰিত এই তিনি প্ৰকাৰৰ স্বৰ আছিল। সুৰাঘাতৰ স্থান পৰিৱৰ্তনৰ ফলত স্বৰধ্বনিৰ ক্ৰম অনুসৰি গুণগত পৰিৱৰ্তন হৈছিল। স্বৰধ্বনিৰ এনে গুণগত পৰিৱৰ্তনৰ গুণ বা সাধাৰণ (strong বা normal), বৃদ্ধি (Lengthened) ক্ষয়িত (weak বা reduced) এই তিনিটা ক্ৰম আছিল।
- **ৰূপতত্ত্বৰ দিশত ঃ**
  - একবচন, দ্বিবচন আৰু বহুবচন মূল ইণ্ডো-ইউৰোপীয়ৰ দৰে বৈদিকতো আছিল যদিও দ্বিবচনৰ প্ৰয়োগ আছিল সীমিত।

- পুংলিঙ্গ, স্ত্রীলিংগ আৰু ক্লীৱলিঙ্গ এই তিনি প্ৰকাৰৰ লিঙ্গৰ ব্যৱস্থা আছিল। লিঙ্গভেদ একান্তভাৱে ***ব্যাকৰণগত বিষয়*** (Grammaticalness) আছিল। বৈদিকত কাৰকৰ সংখ্যা আছিল আঠটা।
- শব্দৰূপৰ ক্ষেত্ৰত বৈদিক ভাষা বৰ বৈচিত্ৰ্যপূৰ্ণ আছিল; ব্যঞ্জনান্ত শব্দৰ তুলনাত স্বৰান্ত শব্দৰ বৈচিত্ৰ্য অধিক আছিল।
- বৈদিক ভাষাৰ গঠন মূলতঃ ক্ৰিয়াকেন্দ্ৰিক (Verbal)।
- বৈদিকত ক্ৰিয়াৰ কাল পাঁচোটা— লট্ (বৰ্তমান), লৃট (ভৱিষ্যত), লঙ্ (অনদ্যতন অতীত), লিট (পৰোক্ষ অতীত) আৰু লুঙ্ (সামান্য অতীত)। লঙ, লিট আৰু লুঙ্ — এই তিনিটা অতীত কালৰে প্ৰকাৰ ভেদ মাথোন। উল্লেখযোগ্য যে বৈদিকৰ কাল সময় ভিত্তিক নাছিল, ক্ৰিয়া সম্পাদনৰ ধৰণ বা প্ৰকৃতি (aspects) ভিত্তিকহে আছিল।
- ক্ৰিয়াৰ কালৰ দৰে ক্ৰিয়াৰ ভাৱো আছিল পাঁচোটা— নিৰ্দেশক, অনুজ্ঞা, সম্ভাৱক, অভিপ্ৰায় আৰু নিৰ্বন্ধ।
- বৈদিক ক্ৰিয়া বিভক্তিৰ পৰস্মৈপদ আৰু আত্মনেপদ দুই ধৰণৰ ৰূপ আছিল।
- বৈদিকত ধাতুৰ আগত শতৃ, শানচ্ আদি প্ৰত্যয় যোগত ক্ৰিয়াজাত বিশেষণ আৰু তুম্-তৱৈ প্ৰভৃতি অসমাপিকা পদৰ প্ৰচুৰ ব্যৱহাৰ দেখা যায়।



ব্যাকৰণগত বিষয় ঃ বাক্যৰ গাঁথনিত পদৰ লগত পদৰ সমন্বয় সাধনৰ বাবে যিবোৰ ব্যাকৰণগত উপাদান অপৰিহাৰ্য বুলি বিবেচিত হয়, অৰ্থাৎ যিবোৰ যুক্ত নহ'লে বাক্যই গঠন হ'ব নোৱাৰে তাকে ব্যাকৰণগত বিষয় বোলে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ বৈদিকত স্বৰ ধ্বনিৰ সংখ্যা কেইটা?

.....

প্ৰশ্ন নং ৮ ঃ বৈদিকত ক্ৰিয়াৰ কাল আৰু ক্ৰিয়াৰ ভাব কেইটাকৈ আছে?

.....

২.৭ বৈদিক আৰু সংস্কৃত ভাষাৰ ভাষাগত পাৰ্থক্য

প্ৰাচীন ভাৰতীয় আৰ্যভাষা বুলিলে আমি বৈদিক আৰু সংস্কৃত এই দুই ভাষা ৰূপকে বুজোঁ। গঠন আৰু বৈশিষ্ট্যৰ ফালৰপৰা সংস্কৃত ভাষা বৈদিক ভাষাৰ উত্তৰাধিকাৰী আৰু সেয়েহে বৈদিক আৰু সংস্কৃত মিলি প্ৰাচীন ভাৰতীয় আৰ্যভাষা স্তৰ গঠিত হৈছে। ভাষাগত বিচাৰত দুয়োটা ভাষা ৰূপ কিছু পৰিমাণে ভিন্ন হ'লেও দুয়োটাৰে মাজত সাদৃশ্যৰ পৰিমাণেই বেছি। বৰ্ণমালাৰ ক্ষেত্ৰত (স্বৰ-ব্যঞ্জন) দুই-এটাৰ বাহিৰে প্ৰায়খিনিতে মিল দেখা যায়। সেইদৰে ৰূপতত্ত্বৰ ক্ষেত্ৰত তিনিটা বচন, তিনিটা লিংগ আৰু কাৰকৰ সমান ব্যৱহাৰ; প্ৰত্যয়ৰ যোগত শব্দ গঠন, ধাতুৰূপৰ দুটা ভাগ পৰস্মৈপদী আৰু আত্মনেপদী; সমাসবদ্ধ পদৰ ব্যৱহাৰ আৰু অক্ষৰযুক্ত ছন্দ ৰীতিৰ প্ৰাধান্য ইত্যাদি বৈশিষ্ট্য উভয় ভাষাতে দেখা যায়। অৱশ্যে এনে সাদৃশ্য থকাৰ পিছতো দুয়োটা

ভাষা ৰূপত ভালেকেইটা দিশত বৈসাদৃশ্যও দেখা যায়। বৈসাদৃশ্য অথবা পার্থক্যসমূহ মূলতঃ কোনবোৰ দিশত দেখা যায় তলত বহলাই আলোচনা কৰা হ'ল —

- **ধ্বনিতত্ত্বৰ দিশত ঃ** আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে ধ্বনিতাত্ত্বিক দিশত বৈদিক আৰু সংস্কৃতৰ মাজত বৰ বিশেষ পার্থক্য নাই। কিন্তু কালগত ব্যৱধানৰ বাবে ধ্বনিৰ দুই-এটি পার্থক্য একেবাৰে নোহোৱাও নহয়। পার্থক্যবোৰ তলত দিয়া হ'ল —
  - প্রাচীন বৈদিকত হ্রস্ব ৯ আৰু দীর্ঘ ৯ এই দুয়োটা ধ্বনিৰ ব্যৱহাৰ আছিল। কিন্তু সংস্কৃতত ইয়াৰ ব্যৱহাৰ লোপ পালে। কেৱল 'ক্৯প্ত' ধাতুৰ বাহিৰে সংস্কৃতত ৯ৰ প্রয়োগ নায়েই। অৱশ্যে ৯ ৰ প্রয়োগ বৈদিকতো যথেষ্ট কম আছিল।
  - বৈদিকত মূর্ধন্য ধ্বনিৰ ব্যৱহাৰৰ সীমাবদ্ধতা আছিল, কিন্তু সংস্কৃতত মূর্ধন্য ধ্বনিৰ ব্যৱহাৰ ব্যাপক ৰূপত দেখা যায়।
  - বৈদিকত কম্পিত মূর্ধন্য ধ্বনি 'ৰ'-ৰ কোনো পৰিৱর্তন নহয়; কিন্তু সংস্কৃতত কোনো কোনো শব্দত ৰ > ল-লৈ পৰিৱর্তন হয়। যেনে — ৰোহিত > লোহিত।
  - একেদৰে বৈদিকত পদ মধ্যস্থিত একক ঘোষ মহাপ্রাণ বর্ণ ঘ, ধ, ভ ধ্বনি উষ্ম 'হ'-লৈ ৰূপান্তৰিত হৈ উচ্চাৰণ হয়। কিন্তু সংস্কৃতত অপৰিৱর্তনীয় থাকে। যেনে — বৈদিকত গ্রভ > গ্রহ, ধিত > হিত; কিন্তু সংস্কৃতত গ্রভ আৰু ধিত হিচাপেই উচ্চাৰিত হয়।
  - বৈদিকত সন্ধি অপৰিহার্য নাছিল। গতিকে সন্ধিৰ গঠন প্রক্রিয়াও সৰল আছিল। কিন্তু বৈদিকৰ বিপৰীতে সংস্কৃতৰ সন্ধি প্রক্রিয়া জটিল আৰু সম্ভাব্য স্থলত সন্ধি প্রায় অপৰিহার্য আছিল।
  - বৈদিক সুৰাঘাত প্রধান ভাষা। সুৰৰ স্থান পৰিৱর্তনৰ বাবে বৈদিকত একেটা শব্দৰে স্থান অনুযায়ী অর্থ ভিন্ন হয়। তাৰ বিপৰীতে সংস্কৃত শ্বাসাঘাত প্রধান ভাষা।
- **ৰূপতত্ত্বৰ দিশত ঃ** বৈদিক আৰু সংস্কৃতৰ ৰূপতাত্ত্বিক দিশৰ পার্থক্যবোৰ এনেধৰণৰ —
  - বৈদিক আৰু সংস্কৃত দুয়োটা ভাষাৰূপতে বচন, লিংগ আৰু কাৰক একে ধৰণৰ আছিল যদিও সংস্কৃতত বচন আৰু কাৰকৰ প্রকৃতি কিছু সুকীয়া। যেনে — বৈদিকত দ্বিবচনৰ প্রয়োগ সীমিত। তদুপৰি বৈদিকত কর্তা, কর্ম, কৰণ, সম্প্রদান, অপাদান, অধিকৰণ, সম্বন্ধ পদ, সম্বোধন পদকলৈ সর্বমুঠ কাৰকৰ সংখ্যা আছিল আঠটা। কিন্তু সংস্কৃতত সম্বন্ধ আৰু সম্বোধন পদ কাৰকৰ অন্তর্ভুক্ত নাছিল।
  - বৈদিক আৰু সংস্কৃত উভয়তে বচন তিনিটা আছিল যদিও দ্বিবচনৰ প্রয়োগ বৈদিকত সীমিত আছিল। কেৱল প্রকৃতি-নির্দিষ্ট স্বাভাৱিক বা সহজাত যোৰ (Natural pairs) বুজোৱা প্রাণীৰ ক্ষেত্রতহে দ্বিবচনৰ প্রয়োগ হৈছিল। কিন্তু ইয়াৰ বিপৰীতে সংস্কৃতত যিকোনো দুটা বস্তু বুজাবলৈ দ্বিবচনৰ প্রয়োগ হৈছিল।
  - শব্দৰূপ আৰু ধাতুৰূপৰ মাজত দুয়োটা ভাষাৰ স্পষ্ট পার্থক্য দেখা যায়। বৈদিকত শব্দৰূপ বিপুল আৰু বিচিত্র। বৈদিকত শব্দৰূপত কিছুমান অতিৰিক্ত পদ পোৱা যায় যেনে — 'নৰ' শব্দৰ প্রথম-দ্বিতীয়াৰ দ্বিবচনত 'নৰা', তৃতীয়াৰ বহুবচনত 'নৰেভিঃ।

কিন্তু সংস্কৃতত 'নৱ' শব্দৰ প্ৰথমা, দ্বিতীয়াৰ দ্বিবচনত 'নৱৌ', তৃতীয়াৰ বহু বচনত 'নৱৈঃ' পোৱা যায়।

- শব্দৰূপৰ দৰে ধাতুৰূপৰ বৈচিত্ৰ্যও বৈদিকত সংস্কৃততকৈ বেছি। বৈদিকত নিৰ্দেশক, অনুজ্ঞা, অভিপ্ৰায়, সম্ভাৱক, নিৰ্বন্ধ এই পাঁচটা ভাব আছিল। কিন্তু সংস্কৃতত অভিপ্ৰায় আৰু নিৰ্বন্ধ-ৰ উপস্থিতি দেখা নাযায়। সংস্কৃতত কেৱল নিৰ্বন্ধৰ ভাবৰ প্ৰয়োগ নিৰ্দেশাৰ্থক 'মা' অব্যয়ৰ দ্বাৰা নিষ্পন্ন হৈছিল।
- ক্ৰিয়াৰূপৰ ক্ষেত্ৰতো বৈদিকৰ সৈতে সংস্কৃতৰ যথেষ্ট পাৰ্থক্য আছে। বৈদিক ভাষাৰ গঠন মূলতঃ ক্ৰিয়াকেন্দ্ৰিক, কিন্তু সংস্কৃতৰ গঠন নাম-মূলক (Nominal)।
- কালৰ ক্ষেত্ৰতো দুয়োটা ভাষা ৰূপৰ পাৰ্থক্য দেখা যায়। বৈদিকত কাল সময়ভিত্তিক নাছিল, বৰং ক্ৰিয়া সম্পাদনৰ প্ৰকৃতি বুজাইছিল । 'লিট্ (বৰ্তমান), 'লৃট্' (ভৱিষ্যত), 'লঙ্' (অনদ্যতন অতীত), 'লিট', (পৰোক্ষ অতীত) আৰু 'লুঙ্' (সামান্য অতীত)- এই পাঁচ প্ৰকাৰৰ ক্ৰিয়াৰ কালৰ ভিতৰত তিনি প্ৰকাৰেই অতীত কালৰ ভেদ প্ৰকাশক আছিল। সংস্কৃতত আকৌ 'লৃঙ্' (সম্ভাব্য অতীত) আৰু 'লুট্' (অনদ্যতম ভৱিষ্যত) নাম আন দুটা কালৰ ৰূপো পোৱা যায়।
- বৈদিক আৰু সংস্কৃত দুয়োটাই সমাসবদ্ধ ভাষা যদিও বৈদিকত বহু শব্দৰে গঠিত সমাসৰ প্ৰচলন নাছিল। বেছিভাগ ক্ষেত্ৰতে দুটা পদৰহে সমাস হৈছিল। কিন্তু বহুপদেৰে গঠিত সমাসৰ ব্যৱহাৰ সংস্কৃতৰ অন্যতম বৈশিষ্ট্য।
- উপসৰ্গ প্ৰয়োগৰ ক্ষেত্ৰত দুয়োটা ভাষা ৰূপৰ মাজত পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা যায়। বৈদিকত উপসৰ্গসমূহ ক্ৰিয়াৰ পূৰ্বত যোগ হোৱাৰ বাহিৰেও প্ৰায়েই সাধাৰণ ক্ৰিয়া-বিশেষণৰ দৰে স্বতন্ত্ৰ পদৰূপে ব্যৱহাৰো হৈছিল। সংস্কৃতত কিন্তু উপসৰ্গসমূহ শব্দৰ পূৰ্বতহে যোগ হৈছিল, স্বতন্ত্ৰ শব্দৰূপে নহয়।
- বৈদিকত কিছুমান সমৰূপ শব্দই (homonym) যুগ্মভাৱে ব্যৱহৃত হ'লেও বিভিন্ন অৰ্থ প্ৰকাশ কৰিছিল। যেনে 'অসুৰ' শব্দ বৈদিকত দুটা অৰ্থত ব্যৱহৃত হৈছিল। এটা 'প্ৰভু' আৰু আনটো 'ৰাক্ষস'। সংস্কৃতত 'ৰাক্ষস' অৰ্থটো ৰক্ষিত হৈছে।
- শব্দ ভাণ্ডাৰৰ ক্ষেত্ৰত আন এটা লক্ষ্য কৰিব লগীয়া পাৰ্থক্য হ'ল, সংস্কৃত শব্দ ভাণ্ডাৰত অষ্ট্ৰিক-দ্ৰাবিড় মূলীয় শব্দ ঠাহ খাই আছে। বৈদিকত অষ্ট্ৰিক-দ্ৰাবিড় মূলীয় শব্দৰ প্ৰৱেশ ঘটিলেও সংস্কৃতৰ তুলনাত তেনেই সীমিত।
- বেদত ব্যৱহৃত কিছুমান শব্দৰ অৰ্থ সংস্কৃতত ভালেখিনি পৃথক হৈ পৰিল। বৈদিকত 'বহ্নি' মানে হ'ল 'বাহক' অগ্নিৰ বিশেষণহে আছিল। সংস্কৃতত ইয়াৰ অৰ্থ সম্প্ৰসাৰণ ঘটি 'বহ্নি'ৰ অৰ্থ হ'ল অগ্নি। সেইদৰে বেদত 'দাস' এটা উপজাতিৰ নাম। সংস্কৃতত হ'লে ইয়াৰ অৰ্থ হ'ল ভৃত্য বা চাকৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ সংস্কৃতত $^{৯}_{৯}$-ৰ ব্যৱহাৰ আছেনে?

.....

প্রশ্ন নং ১০ ঃ সংস্কৃত আৰু বৈদিকত উপসর্গৰ ক্ষেত্রত দেখা পোৱা স্পষ্ট পার্থক্যটো কি?

.....

২.৮ সংস্কৃতত গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ

সংস্কৃতত সাধাৰণ স্বৰধ্বনি অর্থাৎ অ, ই (ঈ), উ (ঊ), ঋ, ঌ- এই ধ্বনিকেইটাৰ স্থান ভেদে বিভিন্ন ধৰণে পৰিৱর্তন ঘটে। বিশেষকৈ শব্দ মূল বা ধাতুত বিভিন্ন প্রত্যয়ৰ যোগত নতুন শব্দ যেতিয়া গঠন কৰা হয় তেতিয়া ধাতু অক্ষৰত থকা উল্লিখিত স্বৰধ্বনিকেইটাৰ গুণগত পৰিৱর্তন ঘটে। এনে স্বৰ পৰিৱর্তনৰ ক্রম তিনিটা— গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ। গুণ বা গুণিত ক্রমত স্বৰধ্বনিটো অবিকৃত থাকে অথবা একে পর্যায়ত আন ধ্বনিলৈ ৰূপান্তৰিত হয়। দ্বিতীয় ক্রম অর্থাৎ বৃদ্ধি বা বর্ধিত ক্রমত স্বৰধ্বনিটো দীর্ঘ হয় আৰু তৃতীয় অর্থাৎ সম্প্রসাৰণ বা ক্ষয়িত ক্রমত স্বৰধ্বনিটো লুপ্ত বা অত্যন্ত ক্ষীণ হৈ পৰে। ইয়াকে সংস্কৃতত স্বৰৰ গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ বোলে। তলত উদাহৰণ দিয়া হ'ল —

- **স্বৰৰ গুণ ঃ** সংস্কৃতত গুণ স্বৰৰ সংখ্যা পাঁচোটা — অ, এ, ও, অৰ্ আৰু এল্। 'অ' স্বৰ যদি 'অ' হিচাপেই থাকে অথবা ই /ঈ > এ, উ /ঊ >ও,ঋ> অৰ্ আৰু ঌ> এল্ হোৱাকে সংস্কৃতৰ গুণ স্বৰ বোলে। যেনে —

  অ> অ ঃ দহ্ + ক্ত = দগ্ধ

  ই /ঈ> এ ঃ ছিদ্ + নিচ্ + তি = ছেদয়তি

  উ /ঊ >ও ঃ চন্দ্র + উদয়ঃ = চন্দ্রোদয়

  ঋ > অৰ্ ঃ কৃ + অনট্ = কৰণ

  ঌ > এল্ ঃ তৱ + ঌ কাৰ = অৱল্কাৰ ইত্যাদি।

- **স্বৰৰ বৃদ্ধি ঃ** গুণ স্বৰৰ দৰে সংস্কৃতত বৃদ্ধি স্বৰো পাঁচোটা— আ, ঐ, ঔ, আৰ আৰু আল্। মনত ৰাখিবলগীয়া কথাটো হ'ল বৃদ্ধিত মূল হ্রস্ব ধ্বনি দীর্ঘ হয়। যেনে —

  অ> আ ঃ পদ + ঘঞ = পাদঃ

  ই/ ঈ > ঐঃ শিৱ + ষত = শৈৱ

  উ /ঊ >ঔঃ কুৰু + ষত = কৌৰৱ

  ঋ > আৰ্ ঃ কৃ + ণ্যৎ = কার্য

  উল্লেখযোগ্য যে অল্ > আল হোৱা উদাহৰণ বিৰল।

- **স্বৰৰ সম্প্রসাৰণ ঃ** 'সম্প্রসাৰণ' হ'ল ধাতুৰ ঘৰৰ গুণগত পৰিৱর্তনৰ ক্ষয়িত ৰূপ। অর্থাৎ মূল

শব্দ বা ধাতু অক্ষৰত থকা অর্ধব্যঞ্জন (য়, ৱ) আৰু তৰল ধ্বনি (ৰ,ল)ৰ গুণৰ অৱক্ষয় ৰূপেই সম্প্রসাৰণ। যেনে —

য়/ ই ঃ যজ্ + ক্তিণ = ইষ্টিঃ

ৱ/ উ ঃ ৱদ + ক্তিণ = উক্তি

ৰ/ ঋ ঃ শ্রু + তি = শ্নোতি ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ সংস্কৃতত গুণ আৰু বৃদ্ধি স্বৰ কেইটাকৈ আছে ?

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ভাৰতীয় আর্যভাষাৰ আদি স্তৰটোক 'প্রাচীন ভাৰতীয় আর্যভাষা' নামেৰে জনা যায়। 'বৈদিক আৰু 'সংস্কৃত' হৈছে প্রাচীন ভাৰতীয় আর্যভাষাৰ সাহিত্যিক ভাষা ৰূপ। 'বৈদিক'ৰ আকৌ দুটা উপশাখা পোৱা যায় — 'প্রাচীন বৈদিক' আৰু 'অর্বাচীন বৈদিক'। এই বৈদিক ভাষাই হ'ল প্রাচীন ভাৰতীয় আর্যভাষাৰ প্রাচীনতম নিদর্শন। সংস্কৃত ভাষাটোৱে খ্রীঃ পূঃ পঞ্চম শতিকামানত সাহিত্যিক ভাষাৰূপে গঢ় লয়। বৈদিক আৰু সংস্কৃত ভাষাৰ ভাষিক বৈশিষ্ট্য তথা বৈচিত্র্য লক্ষ্য কৰা যায়।
- বেদৰ ভাষাই বৈদিক, এই কথা আমি সকলোৱে জানো । আমি লগতে এইটোও জনা উচিত যে আর্যসকলৰ প্রাচীন গ্রন্থ বেদৰ ভাষা আছিল 'প্রাচীন বৈদিক', আনহাতে আন তিনিখন অর্থাৎ *সাম, যজুঃ* আৰু *অথর্ব* আছিল 'অর্বাচীন বৈদিক'ত ৰচিত। উল্লেখযোগ্য যে এই তিনিখন বেদৰ বাহিৰেও ব্রাহ্মণ-উপনিষদ-আৰণ্যকৰ ভাষাও আছিল 'অর্বাচীন বৈদিক'।
- উক্ত চাৰিবেদৰ ভিতৰত *ঋক্, সাম*আৰু *যজুঃ* যজ্ঞীয় বেদৰ অন্তর্গত, আনহাতে *অথর্ব* হৈছে অযজ্ঞীয় বেদৰ অন্তর্গত। যজ্ঞীয় অথবা অযজ্ঞীয় যিয়েই নহওক বেদৰ প্রধান ভাগ দুটা— পূর্ব মীমাংসা আৰু উত্তৰ মীমাংসা। পূর্ব মীমাংসাক কর্ম কাণ্ড আৰু উত্তৰ মীমাংসাক জ্ঞান কাণ্ড হিচাপে জনা যায়।
- প্রাচীন ভাৰতীয় আর্যভাষাৰ স্তৰটোক সামগ্রিকভাৱে বৈদিক আৰু সংস্কৃত— এই দুটা বহল আৰু স্পষ্ট ভাগত ভাগ কৰা হৈছে যদিও অথবা ভাষাৰ বিচাৰত দুয়োটা ভাষা ৰূপৰ মাজত পার্থক্য থাকিলেও অধিক ক্ষেত্রতেই বৈসাদৃশ্যতকৈ সাদৃশ্যহে আছিল লক্ষ্য কৰিবলগীয়া।



২.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত- অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এ. পাব্‌লিছিং।

২) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

৩) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা

৫) শইকীয়া বৰা, লীলাৱতী আৰু ফুকন পাটগিৰি, দীপ্তি (সম্পাঃ) (২০০২); *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

৭) মজুমদাৰ, পৰেশচন্দ্ৰ (১৯৭১); *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ;* কলকতা।

৮) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

৯) Kakati, B. (2007). *Assamese: Its Formation and Development.* Guwahati : Lawayer's Book Stall.



২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞান, অর্থাৎ য'ৰ পৰা জ্ঞান আহৰণ কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দুটা, পূর্ব মীমাংসা আৰু উত্তৰ মীমাংসা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ *ঐতৰেয় ব্ৰাহ্মণ।*

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদিক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ *শব্দানুশাসনম্।*

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উদীচ্য।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ চৈধ্যটা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ পাঁচকৈ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ নাই।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদিকৰ উপসৰ্গ ক্ৰিয়াৰ পূৰ্বত যোগ হোৱাৰ বাহিৰেও স্বতন্ত্ৰ পদৰূপেও ব্যৱহাৰ হৈছিল, কিন্তু সংস্কৃতত উপসৰ্গসমূহ শব্দৰ পূৰ্বতহে যোগ হৈছিল, স্বতন্ত্ৰ শব্দৰূপে নহয় ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ পাঁচটাকৈ।



২.১২ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

(ক) 'ভাৰতীয় আৰ্যভাষা'ৰ আদি স্তৰটিৰ নাম কি?

(খ) আৰ্যসকল ভাৰতবৰ্ষত কেতিয়া প্ৰৱেশ কৰিছিল?

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ নৱীনতৰ ভাষা ৰূপটোৰ নাম কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ এটি চমু পৰিচয় যুগুতাওক।

প্ৰশ্ন ২ ঃ বৈদিক সাহিত্যৰ এটি পৰিচয়মূলক টোকা লিখক।

প্ৰশ্ন ৩ ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সামগ্ৰিক বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ সংস্কৃতৰ গুণ, বৃদ্ধি আৰু সম্প্ৰসাৰণ মানে কি বুজায়, উদাহৰণসহ বুজাই লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় আৰু তাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ বৈদিক আৰু সংস্কৃত ভাষাৰ এটি পৰিচয়মূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ বৈদিক ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ বৈদিক আৰু সংস্কৃত ভাষাৰ ধ্বনিতাত্ত্বিক দিশৰ পাৰ্থক্যসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ বৈদিক আৰু সংস্কৃতৰ ৰূপতাত্ত্বিক বিশেষত্বসমূহ লিখক।

প্ৰশ্ন ৬ ঃ বৈদিক আৰু সংস্কৃত ভাষাৰ এটি তুলনামূলক আলোচনা যুগুত কৰক।

*** ***** ***

অধ্যায় ৩ ঃ মধ্য ভাৰতীয় আৰ্যভাষা — পালি স্তৰ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ ক্রমবিকাশৰ স্তৰ

৩.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ ভাষাগত বৈশিষ্ট্য

৩.৫ পালি ভাষাৰ উৎপত্তি

৩.৬ পালিৰ উদ্ভৱ স্থল

৩.৭ 'পালি' নামৰ তাৎপর্য

৩.৮ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

৩.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৩.১০ অধিক জানিবলৈ

৩.১১ অগ্রগতিৰ খতিয়ান

৩.১২ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় আৰ্যভাষাৰ অন্যতম প্রধান স্তৰ মধ্য ভাৰতীয় আৰ্যভাষাৰ উপস্তৰসমূহ বিভাজন কৰি দেখুৱাব পাৰিব
- পালি ভাষাৰ ভাষিক পৰিচয় লাভ কৰিব পাৰিব
- পালিৰ উদ্ভৱৰ ইতিহাস, 'পালি' নামৰ তাৎপর্যৰ লগতে পালি সাহিত্যৰো সাধাৰণ পৰিচয় লাভ কৰিব।

৩.২ পৰিচয়

পূর্বৰ অধ্যায় দুটিৰ প্রথমটি অধ্যায়ৰ অধ্যয়নৰ পৰা নিশ্চয় জানিব পাৰিলে ভাৰতত আর্য নামৰ ভাষা গোষ্ঠীটোৰ প্রৱেশৰ ইতিহাস। যি সময়ত এই গোষ্ঠীটোৰ লোকসকল ভাৰতত প্রৱেশ কৰিছিল সেই সময়ত তেওঁলোক পূর্বৰ যাযাবৰী জীৱন পৰিহাৰ কৰি কৃষিজীৱী জাতিত পৰিণত হৈছিল। লাহে লাহে তেওঁলোকৰ পৰিসৰ বাঢ়ে আৰু স্থানীয় লোকসকলেও তেওঁলোকৰ উন্নত কৃষি পদ্ধতিৰ প্রতি আকর্ষিত হয়। আর্যভাষা আৰু সভ্যতাৰ প্রসাৰণৰ লগে লগে সাহিত্য-সংস্কৃতিৰ দিশতো এওঁলোকে মনোনিৱেশ কৰে। ভাৰতবর্ষত প্রৱেশ কৰা সময়ৰে পৰা বর্তমান সময়লৈ এই সুদীর্ঘ সময়ছোৱালৈ লক্ষ্য কৰিলে এইটো স্পষ্ট হয় যে এই সময়ছোৱাত অন্যান্য

দিশৰ ক্ষেত্ৰততো বাদেই ভাষাৰ ক্ষেত্ৰতেই লক্ষণীয় পৰিৱৰ্তন ঘটে। ভাৰতীয় আৰ্যভাষাৰ ক্ৰমপৰিৱৰ্তনৰ ফলত চিহ্নিত হোৱা প্ৰধান স্তৰসমূহৰ লগতে তাৰ সময়সীমাৰ বিষয়েও আমি প্ৰথম অধ্যায়তে পাই আহিছোঁ। সেই বিভাজনত যি তিনিটা প্ৰধান বিভাগ দেখা পোৱা গৈছিল তাৰে প্ৰথমটি স্তৰৰ সামগ্ৰিক আলোচনা দ্বিতীয় অধ্যায়ত কৰি অহা হৈছে। এইটো অধ্যায়ত আমি দ্বিতীয় প্ৰধান স্তৰ 'মধ্য ভাৰতীয় আৰ্যভাষা'ৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰিম।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে মধ্য ভাৰতীয় আৰ্যভাষাক পুনৰ তিনিটা স্তৰত বিভাজন কৰা হয়। সেই বিভাজনৰ কথা উল্লেখ কৰি আমি তাৰে প্ৰথমটো শাখাৰ বিষয়ে এই অধ্যায়টোত আলোচনা কৰিম। আশা কৰোঁ এই অধ্যায়টো অধ্যয়ন কৰি আপুনি মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰটিৰ উপস্তৰসমূহকে আদি কৰি ভাষা আৰু সাহিত্যৰ দিশতো নানা কথাৰ সম্ভেদ লাভ কৰিব পাৰিব।

৩.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ

ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত খ্ৰীঃপূঃ ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীৰ মাজৰ এই দীঘলীয়া সময়ছোৱা এক উল্লেখযোগ্য সময়। কিয়নো এই সময়ছোৱাত ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন দিশত বিভিন্ন ধৰণে পৰিৱৰ্তন ঘটে। ভাষাগত পৰিৱৰ্তনৰ ধাৰালৈ লক্ষ্য কৰি মধ্য ভাৰতীয় আৰ্যভাষাক তিনিটা প্ৰধান উপস্তৰত ভাগ কৰা হৈছে। সেইকেইটা যথাক্ৰমে —

- **আদি স্তৰ বা আদি প্ৰাকৃত ঃ** এই স্তৰৰ সময় ধৰা হৈছে খ্ৰীঃ পূঃ ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় প্ৰথম শতাব্দী পৰ্যন্ত।
- **মধ্য স্তৰ বা মধ্য প্ৰাকৃত ঃ** এই স্তৰৰ সময় খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীলৈকে ধৰা হৈছে।
- **অন্ত্য স্তৰ বা অন্ত্য প্ৰাকৃত ঃ** মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম উপ-স্তৰটিৰ সময় ধৰা হৈছে খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা দশম শতাব্দী পৰ্যন্ত।

উল্লেখযোগ্য যে ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে প্ৰথম বা আদি স্তৰ আৰু মধ্য স্তৰৰ মাজ ভাগত, খ্ৰীঃ পূঃ ২০০ পৰা খ্ৰীঃ ২০০ পৰ্যন্ত এটি 'ক্ৰান্তি স্তৰ'ৰ (Transitional Stage) কল্পনা কৰিছে। কেৱল ভাষাগত পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি এই স্তৰৰ কল্পনা কৰা হৈছে। এই সময়ত ভাৰতৰ উত্তৰ পশ্চিম অঞ্চলৰ কথ্য-প্ৰাকৃতৰ আধাৰত সাহিত্যৰ ধাৰা এটা প্ৰবাহিত হৈছিল, যাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ মূল ভাৰতীয় ধাৰাৰ পৰা সুকীয়া ধৰণৰ। এই সময়ৰ সাহিত্যিক বা অ-সাহিত্যিক নিদৰ্শন পোৱা গৈছে মধ্য এছিয়াত। এতিয়ালৈ প্ৰাপ্ত এই ধাৰাৰ নিদৰ্শন হ'ল,

- খৰোষ্ঠী লিপিত লিখিত খৰোষ্ঠী বা খোটানী ধম্মপদ (খ্ৰীঃ পূঃ ১০০ - খ্ৰীষ্টীয় ১০০ শতাব্দী)
- মধ্য এছিয়াৰ প্ৰাচীন শ্বান্-শ্বান্ ৰাজ্যৰ নিয়া নামৰ ঠাইত উদ্ধাৰ হোৱা বিভিন্ন দলিল-পত্ৰৰ অ-সাহিত্যিক নিদৰ্শন 'নিয়া প্ৰাকৃত' (খ্ৰীষ্টীয় ৩য় শতাব্দী)

সেই ফালৰ পৰা চালে এই 'ক্ৰান্তি স্তৰ'ৰ সময় খ্ৰীঃ পূঃ প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয়

তৃতীয় শতাব্দী। গতিকে প্ৰাকৃত বা মধ্য ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰটো এনেদৰে নিৰ্ণয় কৰিব পাৰি —


- খ্ৰীঃ পূঃ ষষ্ঠৰ পৰা খ্ৰীঃ পূঃ প্ৰথম শতাব্দী পৰ্যন্ত 'আদি স্তৰ'
- খ্ৰীঃপূঃ প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় তৃতীয় শতাব্দী পৰ্যন্ত 'ক্ৰান্তি স্তৰ'
- খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী পৰ্যন্ত 'মধ্য স্তৰ'
- খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দী পৰ্যন্ত 'অন্ত্য স্তৰ'।

এই সুদীৰ্ঘ সময়ছোৱাত বিভিন্ন ভাষাগত পৰিৱৰ্তনেই যে হৈছিল তেনে নহয়, সাহিত্য সৃষ্টিৰ ধাৰাও ভিন্নতৰ হৈছিল। বিশেষকৈ পালি, সাহিত্যিক প্ৰাকৃত আৰু অপভ্ৰংশ-অৱহট্‌ঠ ভাষা আৰু সাহিত্যৰ মাজেদি এই স্তৰ সমৃদ্ধিশালী হৈ উঠিছিল। আদি প্ৰাকৃতৰ কালছোৱাত ৰচিত সাহিত্যৰাজিৰ ভিতৰত সমগ্ৰ পালি সাহিত্যৰাজি (বৌদ্ধ ধৰ্ম সাহিত্য), অশোকৰ অনুশাসন, সুতনুকা প্ৰত্নলেখ, খাৰবেল অনুশাসন, গৰুড় স্তম্ভ লেখ অথবা খ্ৰীষ্টপূৰ্ব শতাব্দীৰ অন্যান্য প্ৰত্নলিপি উল্লেখযোগ্য নিদৰ্শন।

দ্বিতীয় উপ স্তৰ অৰ্থাৎ ক্ৰান্তি স্তৰৰ প্ৰাকৃতৰ নিদৰ্শন হিচাপে প্ৰথমেই আঙুলিয়াব পাৰি খৰোষ্ঠী লিপিত লিখিত *খোটানী ধম্মপদ* আৰু মধ্য এছিয়াৰ শ্বান্-শ্বান্ ৰাজ্যৰ নিয়া নামৰ ঠাইত প্ৰাপ্ত দলিল পত্ৰৰ ভাষাৰ মাজত। উল্লেখযোগ্য যে 'ক্ৰান্তি স্তৰ'ৰ এইসমূহ নিদৰ্শন ভাৰতৰ বাহিৰৰ হোৱা হেতুকে এই সমূহক 'বহিঃভাৰতীয় প্ৰাকৃত' বোলা হয়।

মধ্য প্ৰাকৃত স্তৰত ৰচিত সাহিত্যৰাজিৰ ভিতৰত বিভিন্ন সাহিত্যিক প্ৰাকৃতৰাজি উল্লেখযোগ্য। তাৰ ভিতৰত অশ্বঘোষৰ প্ৰাচীন সংস্কৃত নাটৰ *সাৰিপুত্ৰ প্ৰকৰণ*; ভৰতৰ *নাট্যশাস্ত্ৰত* উল্লিখিত 'ধ্ৰুৱা' গীতসমূহ; ভাস-কালিদাসৰ পৰৱৰ্তী সংস্কৃত নাট্যকাৰসকলৰ নাটকসমূহত ব্যৱহৃত প্ৰাকৃতাংশ; মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত বিবিধ কাব্য আৰু বিবিধ কবিতা এই স্তৰৰ সাহিত্যিক নিদৰ্শন।

অন্ত্য স্তৰৰ প্ৰাকৃতৰ নিদৰ্শন হ'ল জৈনসকলৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা বিপুল অপভ্ৰংশ সাহিত্য আৰু জৈন, শৈৱ-নাথ তথা বৌদ্ধ সহজযানী-বজ্ৰযানীসকলে অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা ধৰ্মীয় গীত পদসমূহ আৰু অন্যান্য কবিসকলে ৰচনা কৰা ধৰ্মীয় আদৰ্শ বহিৰ্ভূত নানান কাব্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে কল্পনা কৰা প্ৰাকৃত স্তৰটিৰ নাম কি?

.....

প্ৰশ্ন নং ২ ঃ ক্ৰান্তি স্তৰ'ৰ প্ৰাকৃতৰ এটি সাহিত্যিক নিদৰ্শন উল্লেখ কৰক।

.....

৩.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ ভাষাগত বৈশিষ্ট্য

আমি ইতিমধ্যে আলোচনা কৰি আহিছোঁ মধ্য ভাৰতীয় আৰ্যভাষাৰ 'ক্রান্তি স্তৰ'কে আদি কৰি চাৰিটা উপস্তৰৰ কথা। একমাত্র ভাষাগত দিশৰ পৰাই এই উপস্তৰসমূহক ভাগ কৰা হৈছে। গতিকে প্রতিটো উপস্তৰতে সুকীয়া সুকীয়া ভাষাগত বৈশিষ্ট্য আছে যদিও উপস্তৰসমূহৰ মাজত একেধৰণৰ বৈশিষ্ট্যৰ পৰিমাণেই যথেষ্ট বেছি। এই সাধাৰণ বৈশিষ্ট্যৰ আধাৰতে মধ্য ভাৰতীয় আৰ্যভাষাৰ ভাষাগত বিশেষত্বসমূহ আলোচনা কৰিব পাৰি। ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত তলত মধ্য ভাৰতীয় আৰ্যভাষাৰ প্রধান বিশেষত্বসমূহ আলোচনা কৰা হ'ল।

- **ধ্বনিগত বিশেষত্ব ঃ**
  - প্রাচীন ভাৰতীয় আৰ্যভাষাৰ তুলনাত মধ্য ভাৰতীয় আৰ্যভাষাত স্বৰধ্বনিৰ সংখ্যা যথেষ্ট হ্রাস আৰু পৰিৱর্তন হ'ল। সংস্কৃতৰ চৈধ্যটা স্বৰধ্বনি থাকিল। সংস্কৃতৰ ঋ, ৠ, ঌ, ঌ়, ঐ আৰু ঔ এই ধ্বনিকেইটা এই স্তৰত লোপ পালে আৰু তাৰ ঠাইত অন্য ধ্বনিৰ প্রয়োগ ঘটিল। ৠ, ঌ আৰু ঌ় এই তিনিটা ধ্বনি এই স্তৰত একেবাৰে নাইকিয়া হ'ল। ঋ ধ্বনিও অ, ই, উ ইত্যাদি অন্য ধ্বনিলৈ পৰিৱর্তন হৈহে উচ্চাৰণ হ'ল। সংস্কৃত 'অয়' আৰু 'অৱ' এই দ্ব্যক্ষৰ ধ্বনি দুটাও মধ্য ভাৰতীয় আৰ্যভাষাত ক্রমে 'এ' আৰু 'ও' হয়। যেনে — পূজয়তি > পুজোতি; ভৱতি > হোতি।
  - পৰিমাণত স্বৰধ্বনিৰ দৰে নহ'লেও ব্যঞ্জনধ্বনিৰ সংখ্যাও মধ্য ভাৰতীয় আৰ্যত হ্রাস হোৱা দেখা গৈছে। বিশেষকৈ সংস্কৃত দেখা শ, ষ, স — এই তিনিটা উষ্ম ধ্বনিৰ ভিতৰত মধ্য ভাৰতীয় আৰ্যভাষাত কেবল 'স'-ৰ উপস্থিতিহে থাকিল। একেদৰে ণ, ন-ৰ ঠাইত অধিক ক্ষেত্রত 'ণ'; য, জ-ৰ ঠাইত 'জ'-ৰ ব্যৱহাৰে অগ্রাধিকাৰ পালে। তদুপৰি পদান্ত ব্যঞ্জন লোপ পোৱাত প্রায় শব্দই স্বৰান্ত হ'ল। অন্ত্য ব্যঞ্জনৰ ভিতৰত কেৱল অনুস্বাৰ (ং) ৰক্ষিত হ'ল।
  - মধ্য ভাৰতীয় আৰ্যভাষাত ৰেফ (র্)ৰ প্রয়োগো নাই। ৰেফযুক্ত ব্যঞ্জন এই স্তৰত দ্বিত্ব হোৱা দেখা যায়।
  - মধ্য ভাৰতীয় আৰ্যভাষাৰ ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল বিসর্গৰ (ঃ) প্রয়োগহীনতা। অ-যুক্ত বিসর্গ এই স্তৰত 'ও' হয় আৰু অন্যযুক্ত বিসর্গ লোপ পায়।

    এইসমূহ বৈশিষ্ট্যৰ বাহিৰেও বৈদিক সংস্কৃতত দেখা সংযুক্ত ব্যঞ্জনৰ যি গভীৰতা অথবা সন্ধিৰ ক্ষেত্রত দেখা যি জটিলতা সেই গভীৰতা অথবা সন্ধিৰ জটিলতা মধ্য ভাৰতীয় আৰ্যভাষাত বহু পৰিমাণে নাইকিয়া হৈ পৰিল। মুঠতে ক'ব পাৰি বৈদিক সংস্কৃতৰ ধ্বনিতাত্ত্বিক জটিলতা এই স্তৰত অধিক সৰল আৰু স্বাভাৱিক হ'ল।

- **ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ**

- ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ ক্ষেত্ৰত প্ৰথমেই উল্লেখ কৰিব লাগিব শব্দৰূপ সম্বন্ধে। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ তুলনাত মধ্য ভাৰতীয় আৰ্যভাষাত শব্দৰূপৰ জটিলতা বহুখিনি কমি আহিল। শব্দৰূপৰ ক্ষেত্ৰত উল্লেখযোগ্য বৈশিষ্ট্যসমূহ ক্ৰমে পদান্ত ব্যঞ্জন লোপ, দ্বিবচন লোপ, তদুপৰি ঋ-কাৰন্ত শব্দৰূপৰ লোপ, ই-কাৰন্ত আৰু উ-কাৰন্ত পুংলিঙ্গ ক্লীৱলিঙ্গৰ শব্দ ৰূপত অ-কাৰন্ত শব্দৰূপৰ প্ৰভাৱ অথবা শব্দবিভক্তিৰ ইটোৰ সৈতে সিটোক একাকীত্ব আদিয়ে প্ৰধান। এনেবোৰ বৈশিষ্ট্যই মধ্য ভাৰতীয় আৰ্যভাষাৰ শব্দৰূপৰ জটিলতা চমুৱাই আনিলে।
- শব্দৰূপৰ দৰে ধাতুৰূপো এই স্তৰত বহুখিনি সৰল হৈ পৰিল। আত্মনেপদ আৰু পৰস্মৈপদ ক্ৰিয়া ৰূপৰ ঠাইত পৰস্মৈপদৰ ব্যৱহাৰ, দ্বিবচন লোপ, ক্ৰিয়াৰ ভাব বৈদিকৰ পাঁচ প্ৰকাৰৰ ঠাইত তিনি প্ৰকাৰৰ উপস্থিতি (লট্, লোট, আৰু বিধি লিঙ্), ক্ৰিয়াৰ কালৰ বৈচিত্ৰ্যহীনতা অথবা অসমাপিকাত বৈচিত্ৰ্য হ্ৰাস ইত্যাদিয়ে মধ্য ভাৰতীয় আৰ্যভাষাৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্য আছিল।
- বিভক্তি লোপৰ ফলত বাক্যত পদ সংস্থাপনৰ ওপৰত গুৰুত্ব প্ৰদান মধ্য ভাৰতীয় আৰ্যভাষাৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য।

- **শব্দ সম্বন্ধীয় বৈশিষ্ট্য ঃ** আমি জানো যে মধ্য ভাৰতীয় আৰ্যভাষা প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰে পৰিৱৰ্তিত ভাষা ৰূপ। গতিকে মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰটি যিবোৰ শব্দই সমৃদ্ধ কৰিছে সেইবোৰৰ প্ৰায়খিনিয়ে বৈদিক-সংস্কৃত স্তৰৰ। কিন্তু মধ্য ভাৰতীয় স্তৰত এনে কিছুমান শব্দৰ প্ৰয়োগ আছে যিবোৰৰ মূল বৈদিক সংস্কৃত নহয়। এই শব্দবোৰক প্ৰাকৃত বৈয়াকৰণসকলে ‘দেশী’ শব্দ নাম দিছে। যিবোৰ শব্দৰ মূল বিভিন্ন আৰ্য-ভিন্ন গোষ্ঠীৰ পৰা অহা বুলি অনুমান কৰা হৈছে। এনে দেশী শব্দ কেতবোৰ হ’ল — কুট্টি, কুক্ক, কৰকৰায়, গহিল্লী, চল্লহি, চিক্কণ, ঝসুৰ, টপ্পৰ, টেংক, পজ্জই, তুৰক্কি, পিকি, মহল্ল, মদ্দল, সিহন, হল হল, হলবোলো ইত্যাদি। এনে শব্দৰ ব্যৱহাৰৰ বাবে মধ্য ভাৰতীয় স্তৰটিয়ে স্বকীয় বৈশিষ্ট্য বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে।

৩.৫ পালি ভাষাৰ উৎপত্তি

ভাৰতীয় আৰ্যভাষাৰ পৰিৱৰ্তনৰ পৰিণতিতে মধ্য ভাৰতীয় আৰ্যভাষাৰ জন্ম। মধ্য ভাৰতীয় আৰ্যভাষা একাধিক উপ স্তৰেৰে গঠিত হ’লেও সামগ্ৰিকভাৱে এই প্ৰধান স্তৰটিক ‘প্ৰাকৃত’ স্তৰ বুলি অভিহিত কৰা হয়। ‘পালি’ক তাৰেই প্ৰথম সাহিত্যিক স্তৰ বুলি ক’ব পাৰি। যি সময়ত ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীন স্তৰটোৰ স্পষ্ট ৰূপত পৰিৱৰ্তন হৈছিল। সেই সময়তে বুদ্ধদেৱে জন্ম গ্ৰহণ কৰি জনসাধাৰণৰ কথিত ভাষাতে আধ্যাত্মিক শান্তিৰ বাবে ধৰ্মোপদেশ প্ৰচাৰ কৰিছিল। বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ (খ্ৰীঃ পূঃ ৪৮৪) পিছতেই তেওঁৰ ধৰ্মবাণী বা ‘বচন’ তথা ‘উপদেশ’ অবিকৃতভাৱে ৰক্ষা কৰাৰ চেষ্টা কৰা হয়। বুদ্ধৰ মহাপৰিনিৰ্বাণৰ কেইবাশ বছৰ পাছত বৌদ্ধ

ধৰ্মচৰ্চাকাৰী আচাৰ্যসকলে সেই সময়ৰ ভাৰতৰ জনসমাজত প্ৰচলিত প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এটা পৰিমাৰ্জিত ভাষাৰ ৰূপত বুদ্ধৰ বাণী বা উপদেশসমূহ একত্ৰ সংকলন কৰে। কালক্ৰমত বুদ্ধবচন সংকলিত এই বৌদ্ধশাস্ত্ৰসমূহৰ ভাষাই 'পালি' নামে জনাজাত হয়। ক'ব পাৰি প্ৰাচীন প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বৌদ্ধ ধৰ্ম-সাহিত্যৰ ভাষাই হ'ল পালি। সেয়েহে পালিক 'বৌদ্ধ প্ৰাকৃত' বুলিও কোৱা হয়। উল্লেখযোগ্য যে পালি ভাৰতৰ কোনো অঞ্চলৰ কথিত ভাষা নহয়। খ্ৰীঃ পূঃ তৃতীয় শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ দ্বিতীয় শতাব্দীৰ ভিতৰত বৌদ্ধ বিহাৰসমূহত হোৱা ধৰ্ম-চৰ্চাৰ জৰিয়তে আদি স্তৰৰ প্ৰাকৃতৰ পশ্চিমা উপভাষাৰ আধাৰত পালি ভাষাৰ উৎপত্তি হয় বুলি ক'ব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ 'পালি'ক আন কি নামেৰে জনা যায়?

.....


৩.৬ পালিৰ উদ্ভৱ স্থল

'পালি' যে ভাৰতৰ কোনো অঞ্চলৰ কথিত ভাষা নহয় সেই কথা আমি ওপৰত উল্লেখ কৰি আহিছোঁ। সেয়েহে পালিৰ উদ্ভৱ স্থল সম্পৰ্কত পণ্ডিতসকলৰ মাজত মতভেদ দেখিবলৈ পোৱা যায়। পালিৰ উদ্ভৱ সন্দৰ্ভত দেশী-বিদেশী (প্ৰাচ্য-পাশ্চাত্য) পণ্ডিতসকলৰ বিভিন্ন অভিমত তলত উল্লেখ কৰা হ'ল —

- পণ্ডিত Westergurd, E. Khun, R.O Franke আদিয়ে পালিৰ জন্ম স্থান হিচাপে উজ্জয়িনীকে আঙুলিয়াইছে। অশোকৰ গিৰ্নাৰ অনুশাসনৰ লগত থকা মিলৰ ওপৰত ভিত্তি কৰি এইসকল পণ্ডিতে এই মত প্ৰদান কৰে।
- Oldenburg আৰু E. Muller- এ খাৰবেল অনুশাসনৰ ভাষাৰ সৈতে পালি ভাষাৰ সাদৃশ্যলৈ লক্ষ্য কৰি উৰিষ্যাই পালিৰ জন্ম স্থান বুলি মত দিছে।
- Sten Konow- য়ে আকৌ পৈশাচীৰ লগত পালিৰ মিল লক্ষ্য কৰি পৈশাচীৰ প্ৰচলন স্থল বিন্ধ্য অঞ্চলকে পালিৰ জন্ম স্থান বুলি নিজৰ অভিমত ব্যক্ত কৰিছে।
- Windische- ৰ মতে পালি হৈছে আৰ্য মাগধীৰ প্ৰকাৰভেদ মাথোন আৰু ইয়াৰ উদ্ভৱ স্থল কোশল।
- ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে মধ্য দেশৰ শৌৰসেনীৰ প্ৰাচীন ৰূপৰ পৰাই পালিক গঢ়ি তোলা হৈছে বুলি মত দিয়ে। অৰ্থাৎ তেওঁৰ মতে পালিৰ জন্ম স্থান মধ্যদেশ। ড° সুকুমাৰ সেনে আকৌ Lingua Franca হিচাপে 'দক্ষিণ-পশ্চিমা ও প্ৰাচ্য-মধ্যাৰ মিশ্ৰণে সম্ভৱতঃ উজ্জিয়িনী অঞ্চলে' পালিৰ উদ্ভৱ হৈছিল বুলি মত পোষণ কৰে।
- Geiger, Winternitz, Childers আদিয়ে মগধ সাম্ৰাজ্যৰ অন্তৰ্গত সমগ্ৰ উত্তৰ ভাৰতৰ

জনগণৰ মাগধীকেন্দ্রিক সার্বজনীন ভাষাৰ পৰাই পালিৰ উৎপত্তি হোৱা বুলি ক'ব খোজে।

গতিকে দেখা যায় পালিৰ উদ্ভৱ স্থলক লৈ পণ্ডিতসকলৰ মাজত যথেষ্ট মতভেদ আছে। গতিকে পালিৰ জন্মস্থান হিচাপে ভাৰতৰ কোনো বিশেষ অঞ্চলক নির্দিষ্টকৈ আঙুলিয়াব নোৱাৰি। যিসকল পণ্ডিতে উক্ত মতবাদবোৰ আগবঢ়াইছে, তেওঁলোকে সম্পূর্ণৰূপে ভাষাতাত্ত্বিক দৃষ্টিভঙ্গী অর্থাৎ ভাষিক উপাদানক বিচাৰ কৰি এনেবোৰ মত আগবঢ়ালেও ভাষাটোৰ সৈতে সাঙোৰ খাই থকা সামাজিক পটভূমি আৰু পাৰিপার্শ্বিক অৱস্থালৈও চোৱাটো সমীচীন হ'ব যেন লাগে। এই পিনৰ পৰা বিশ্লেষণ কৰিলে বৌদ্ধ বিহাৰসমূহৰ কথা বিশেষভাৱে উল্লেখ কৰিবই লাগিব। কিয়নো বুদ্ধদেৱৰ মহাপৰিনির্বাণৰ পিছত অনুষ্ঠিত তিনিখন বৌদ্ধমহাসভাৰ ভূমিকা এই ক্ষেত্রত অতিকে গুৰুত্বপূর্ণ। তদুপৰি বৌদ্ধ বিহাৰসমূহত ইতিমধ্যে যিটো ভাষা পৰিপুষ্ট হৈছিল এইটো ভাষাকে 'বুদ্ধ-বচন'ত 'পালন কৰা' বা 'ৰক্ষা কৰা'ৰ কথা ভবা হৈছে। সেয়েহে ভাৰতৰ কোনো নির্দিষ্ট অঞ্চলক আঙুলিয়াই নিদি বৌদ্ধ বিহাৰসমূহকে প্রকৃতপক্ষে 'পালি'ৰ জন্ম স্থল বুলি ভবাৰ অৱকাশ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'উজ্জয়িনী' অঞ্চলক পালিৰ জন্মস্থল বুলি ভবা এজন পণ্ডিতৰ নাম লিখক।

.....

৩.৭ 'পালি' নামৰ তাৎপর্য

'পালি'ৰ উদ্ভৱস্থল সম্পর্কত যিদৰে বিভিন্ন মত দেখিবলৈ পোৱা যায়, ঠিক তেনেকৈ 'পালি' নামৰ তাৎপর্য সন্দর্ভতো বিভিন্ন মত দেখিবলৈ পোৱা যায়। তাৰে ভিতৰত প্রধান বুলি বিবেচিত মত তিনিটা হ'ল —

- **'পাঠ'ৰ পৰা পালি হৈছে ঃ** খ্রীষ্টীয় পঞ্চম শতাব্দীত বুদ্ধঘোষৰ অশ্বকথাত প্রথম 'পালি' শব্দটো পোৱা যায়। ইয়াৰ অর্থ আছিল 'পাঠ' বা text, অর্থাৎ যি ভাষাত বুদ্ধদেৱৰ 'উপদেশ'ৰ পাঠ সংগৃহীত হৈছিল সিয়েই পালি। কিন্তু 'পাঠ'ৰ পৰিৱর্তন ঘটি কেনেকৈ 'পালি' হ'ল কোৱাটো জটিল।
- **'পালন' কৰা অর্থত পালি ঃ** আন বহুতে আকৌ 'পালি'ৰ অর্থ 'পাঠ'ক নির্দেশ নকৰি 'পালন' বা 'ৰক্ষা কৰা' অর্থতহে প্রয়োগ কৰা দেখা যায়। যিসকল পণ্ডিতে পালিক পালন কৰা অর্থত ব্যৱহাৰ কৰিছে সেইসকল পণ্ডিতৰ ভিতৰত ধর্মানন্দ কোশাম্বীৰ নাম ল'ব পাৰি। Childers-ৰ *Pali Dictionary* ত আছে 'সদ্দত্থং পালেতীতি পালি'— অর্থাৎ শব্দ আৰু অর্থ পালন কৰা ভাষাই পালি।
- **'পংক্তি' শব্দৰ অর্থত পালি ঃ** আচার্য বিধুশেখৰ শাস্ত্রীয়ে তেওঁৰ বিখ্যাত গ্রন্থ *পালি প্রকাশত* পালি শব্দ পংক্তিৰ পৰাই আহিছে বুলি মত প্রকাশ কৰিছে আৰু বৌদ্ধশাস্ত্রৰ 'অক্ষৰ-পংক্তি',

'মূল শাস্ত্ৰ' আদি বুজাবলৈও 'পালি' শব্দ ব্যৱহাৰ হৈছিল বুলি কৈছে।

'পালি' শব্দৰ উৎপত্তি সম্পৰ্কত এইদৰে বিভিন্ন মত দেখা যায়। অৱশ্যে এই তিনিটা মতৰ উপৰি 'পালি'ৰ উৎপত্তিৰ প্ৰসঙ্গত আন কেইটামান মতো দেখা যায়। এনেবোৰ মতৰ ভিতৰত 'পালি'ক কোনোৱে মগধৰ ৰাজধানী পাটলিপুত্ৰৰ 'পাটলি'ৰ অপভ্ৰংশ ৰূপ বুলি ক'ব খোজে; কোনোৱে বৌদ্ধবাণীৰ বিকল্প শব্দ 'পৰ্যায়'ৰ পৰা— পৰিয়ায় > পলিয়ায় > পালিয়ায় > পালি হৈছে বুলি ক'ব বিচাৰে; কোনোৱে আকৌ 'পল্লী' শব্দৰ পৰা 'পালি' হৈছে বুলি ক'ব খোজে। ড° সুকুমাৰ সেনে 'পালি'ৰ মূল সংস্কৃত 'পৰিভাষা' আৰু তাৰ পৰাই পৰিভাষা > পলিভাষা > পালিভাষা > পালি হৈছে বুলি ক'ব খোজে।

এইদৰে 'পালি' শব্দৰ অৰ্থ নিৰ্ণয়ত নানা অভিমত পোৱা গ'লেও 'পালি' শব্দৰ অৰ্থ প্ৰথম তিনিওটা মতৰ সপক্ষে সিদ্ধান্ত দিব পাৰি। সেই হিচাপে ক'ব পাৰি য'ত বুদ্ধবচনৰ পাঠ বা পংক্তি পালিত বা ৰক্ষিত সিয়েই পালি।

৩.৮ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

ইতিমধ্যে আপোনালোকে জানিব পাৰিছে যে পালি ভাষা হৈছে মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ সাহিত্যিক নিদৰ্শন। এই আদি স্তৰৰ প্ৰাকৃত অৰ্থাৎ পালি ভাষা প্ৰাচীন ভাৰতীয় আৰ্য-ভাষাৰ পৰিৱৰ্তিত ৰূপ। অৰ্থাৎ প্ৰাচীন ভাৰতীয় আৰ্য ভাষাই পালিলৈ আহোঁতে বিভিন্ন দিশত পৰিৱৰ্তন লাভ কৰি আহিছিল। এই পৰিৱৰ্তন ধ্বনিগত আৰু ৰূপগত দুয়োটা দিশতে দেখা গৈছিল। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ আধাৰত তলত পালি ভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ দাঙি ধৰা হ'ল—

- **ধ্বনিতাত্ত্বিক ঃ**
  - *স্বৰধ্বনিগত বৈশিষ্ট্য ঃ*
    - ঋ, ৠ, ঌ আৰু ঌ -কে আদি কৰি বৈদিক-সংস্কৃত স্তৰত যি ১৪ টা স্বৰধ্বনি দেখিবলৈ পোৱা গৈছিল পালিত তাৰে ৮ টা স্বৰধ্বনিৰহে উপস্থিতি থাকিল। পালিৰ স্বৰধ্বনি ৮ টা হ'লঃ অ, আ, ই, ঈ, উ, ঊ , এ, ও । ইয়াৰে ঋ আৰু ঌ পালিত একেবাৰে নাইকিয়া হ'ল, ঌ > উ-ত পৰিণত হোৱাৰ বিপৰীতে ঋ > অ, ই, উ, এ, ৰ, ৰি আদি ধ্বনিলৈ পৰিৱৰ্তন হৈ উচ্চাৰণ হ'ল। যেনে— ঋ > অ ঃ কৃত > কত ; ঋ > ই ঃ তৃণ> তিন; ঋ > উ ঃ ঋতু> উতু; ঋ > এ ঃ গৃহ >গেহ ; ঋ > ৰঃ বৃহৎ > ব্ৰহা অথবা ঋ > ৰি ঃ ঋণ > ৰিণ ইত্যাদি।
    - প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ 'অৱ' আৰু 'অয়' এই দুটা উল্লেখযোগ্য দ্বিস্বৰ আছিল। পালিত এই দুটা দ্বিস্বৰৰ পৰিৱৰ্তন ঘটি যথাক্ৰমে ৰূপ ল'লে 'ও' আৰু 'এ'। যেনে— জয়তি জোতি; ভৱতি ভোতি ইত্যাদি।
    - সংস্কৃতত প্ৰচুৰভাৱে ব্যৱহৃত 'ঐ' আৰু 'ঔ' ধ্বনি দুটাও পালিত যথাক্ৰমে 'এ' আৰু 'ও' হৈহে উচ্চাৰণ হৈছে। যেনে— শৈল > সেল; গৌতম > গোতম ইত্যাদি।

- এনেবোৰ বৈশিষ্ট্যৰ উপৰি নিয়মিত অর্থাৎ মৌলিক স্বৰো বহু সময়ত অনিয়মিতভাৱে অন্য স্বৰলৈ পৰিৱর্তন হৈ উচ্চাৰণ হোৱা দেখা যায়। যেনে, অ আ, ই, উ, এ, ও; আ > অ, ই, এ; ই অথবা ঈ > অ, উ, এ,ও; উ/ ঊ > অ,ই,এ,ও; এ > আ, ই; ও> উ আদিলৈ পৰিৱর্তন হোৱা দেখা যায়। উল্লেখযোগ্য, এনে পৰিৱর্তন সকলো সময়তে প্রযোজ্য নহয়। এনে পৰিৱর্তন কেতিয়াবা কেতিয়াবা কোনো কোনো শব্দৰ ক্ষেত্রতহে দেখা যায়।

➢ *ব্যঞ্জনধ্বনিগত বৈশিষ্ট্য ঃ*

- পালিত ব্যঞ্জন ধ্বনিৰ সংখ্যা ৩৩ টা। ক, চ, ট, ত আৰু প — এই পাঁচটা বর্গৰ ৫টা কৈ মুঠ ২৫ টাৰ উপৰি য, ৱ, ল, ৰ, স, হ, ল, য় আৰু ং -সহ মুঠ ৩৩টা ব্যঞ্জন ধ্বনিৰ উপস্থিতি পালিত আছে।
- সংস্কৃতত শ, ষ আৰু স— এই তিনিটাৰ ঠাইত পালিত ৰক্ষিত হ'ল মাথোন 'স' -টোহে। যেনে— শব্দ > সদ্দ, বর্ষ > বস্স ইত্যাদি।
- পালিত ৰেফ (র্)-ৰ প্রয়োগ নাই। ৰেফযুক্ত ব্যঞ্জন পালিত দ্বিত হোৱা দেখা যায়। যেনে— সর্ব > সব্ব, ধর্ম > ধম্ম ইত্যাদি।
- পালিৰ ব্যঞ্জন ধ্বনিৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পালিত বিসর্গ (ঃ)-ৰ প্রয়োগ নাই। পালি অ-যুক্ত বিসর্গ 'ও' হয়, আৰু অন্যযুক্ত বিসর্গ লোপ পায়। যেনে — নৰঃ > নৰো, ধর্মঃ > ধম্মো কিন্তু অগ্নিঃ > অগ্গি, ভিক্ষুঃ > ভিক্খু ইত্যাদি।
- পদান্ত অনুস্বাৰৰ বাহিৰে পালিত সকলো পদান্ত ধ্বনিৰ উচ্চাৰণেই স্বৰান্ত। যেনে— গৃহম্ > গেহং।
- 'ন' প্রায়ে 'ণ' হয়। যেনে অৱনত > ওণত।
- পদমধ্যস্থিত একক ব্যঞ্জন পালিত অন্য ব্যঞ্জনলৈ পৰিৱর্তন হৈ উচ্চাৰণ হৈছিল। যেনে— বিবেক > বিবেগ, অলাবু > অলাপু, কৃত > কট, কুসীদ > কুসীত, মৃত্যু > মচ্চু ইত্যাদি।
- বৈদিক সংস্কৃত সংযুক্ত ব্যঞ্জনবোৰৰ কিছুমান পালিত অপৰিৱর্তনীয় উচ্চাৰণ হ'লেও সমীভৱন, স্বৰভক্তি, স্বৰাগম, বর্ণ-বিপর্যয়, মূর্ধন্যীভৱন আদিৰ জৰিয়তে বিভিন্ন ব্যঞ্জনৰ পৰিৱর্তন হৈ উচ্চাৰণ হৈছিল। যেনে— স্বাগত > স্বগত, ব্রাহ্মণ > ব্রাহ্মন (অপৰিৱর্তনীয়), সপ্ত > সত্ত, ধর্ম > ধম্ম (সমীভৱন) ক্লেশ > কিলেস (স্বৰভক্তি), স্ত্রী > ইত্থী (স্বৰাগম), তৃষ্ণা > তণ্হা (বর্ণ-বিপর্যয়), স্থান > ঠান (মূর্ধণ্যীভৱন) ইত্যাদি।
- সংস্কৃতৰ তুলনাত পালিৰ সন্ধি প্রকৰণ যথেষ্ট সৰল আৰু স্বাভাৱিক। পালিৰ সন্ধি প্রকৰণক শব্দ সন্ধি আৰু অক্ষৰ সন্ধি — এই দুটা ভাগত ভাগ কৰা হৈছে। পালিৰ

শব্দ সন্ধিক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে— সৰসন্ধি (স্বৰসন্ধি), ৰসিস্‌সক সন্ধি (বিমিশ্ৰ সন্ধি) আৰু নিগ্‌গহীত সন্ধি (অনুস্বাৰসন্ধি) ।শব্দৰ ভিতৰৰ ধ্বনি পৰিৱৰ্তনেই হ'ল অক্ষৰ সন্ধি।

- সংযুক্ত ব্যঞ্জনৰ পৰিৱৰ্তনৰ নিয়ম ঃ সৰলকৈ উচ্চাৰণ কৰাৰ প্ৰৱণতাতে সংস্কৃত শব্দৰ আদিত থকা সংযুক্ত ব্যঞ্জন পালিত এটা লোপ পায়। যেনে— প্ৰিয় > পিয়, স্বামী > সামী ইত্যাদি। কেৱল স-যুক্ত, ৰ-যুক্ত, য়-যুক্ত বা ৱ-যুক্ত ব্যঞ্জন ৰক্ষিত হোৱা দেখা যায়। যেনে— স্বাগত > স্বগত, ব্রাহ্মণ > ব্রাহ্মন, ব্যাকৰণনণ > ব্যাকৰণং, ব্যাপৃত > ব্যাবট ইত্যাদি। স্বৰভক্তি (যেনে —ক্লেশ > কিলেস) অথবা স্বৰাগমৰ (যেনে— স্ত্রী > ইত্থী) জৰিয়তেও পালিত আদিস্থিত ব্যঞ্জন সৰল কৰা হয়। সংস্কৃতৰ ত্য, ধ্য, দ্য জ্ঞ, স্থ পালিত স্বাভাৱিকভাৱেই চ, ঝ, জ, ঞ, থ-লৈ পৰিৱৰ্তন হয়। যেনে— ত্যাগঃ > চাগো, ধ্যানং > ঝানং, দ্যুতি > জুতি, জ্ঞানং > ঞানং, স্থবিৰ > থেৰ ইত্যাদি। মধ্যস্থিত সংযুক্ত ব্যঞ্জনৰ ক্ষেত্ৰত সমীভৱন, উষ্মীভৱন, বৰ্ণ-বিপৰ্যয় ইত্যাদি বিভিন্ন নিয়মেৰে সংযুক্ত ব্যঞ্জন সৰল হয়। যেনে—

  সমীভৱন ঃ সপ্ত > সত্ত; মুক্ত > মুত্ত; অগ্নি > অগ্‌গি; নিদ্রা > নিদ্দা ইত্যাদি

  উষ্মীভৱন ঃ পুষ্প > পুপ্‌ফ; হস্ত > হত্থ ইত্যাদি।

  বৰ্ণ-বিপৰ্যয় ঃ তৃষ্ণা > তন্‌হা; গ্রীষ্ম > গিম্‌হ;

  প্রশ্ন > পন্‌হ ইত্যাদি।

- সংযুক্ত ব্যঞ্জনৰ ক্ষেত্ৰত আন কেইটামান প্ৰধান বৈশিষ্ট্য হ'ল —

  অনুস্বাৰৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰ হ্ৰস্ব হয়। যেনে— লতাং > লতং, মাংস > মংস

  পদৰ মাজত এটা ব্যঞ্জন লোপ হ'লে, কেতিয়াবা পূৰ্বৱৰ্তী স্বৰ দীৰ্ঘী হয়। যেনে— সৰ্ষপ > সাসপ।

- **ৰূপগত বৈশিষ্ট্য ঃ**
  - পালিত শব্দৰূপৰ জটিলতা কম। একমাত্ৰ ধ্বনিৰ হ্ৰাস আৰু উচ্চাৰণৰ সৰলীকৰণ প্ৰৱণতাৰ বাবেই শব্দৰূপৰ জটিলতা সংস্কৃতৰ তুলনাত বহুখিনি হ্ৰাস পালে।
  - সংস্কৃতত দেখিবলৈ পোৱা একবচন, দ্বিবচন আৰু বহুবচন — এই তিনি বচনৰ ভিতৰত পালি স্তৰত দ্বিবচনৰ ব্যৱহাৰ নাথাকিল। একবচন আৰু বহুবচন — এই দুই বচনৰহে মাথোন উপস্থিতি থাকিল।
  - লিঙ্গ প্ৰকৰণো পালিত যথেষ্ট সৰল। সংস্কৃতত দেখিবলৈ পোৱা পুংলিঙ্গ, স্ত্রীলিঙ্গ আৰু ক্লীৱলিঙ্গ এই তিনিটাই পালিতো দেখা যায় যদিও সংস্কৃতৰ দৰে পালিত ধৰা-বন্ধা নিয়ম নাই। তদুপৰি পালিত কোনো কোনো শব্দৰ বিপৰীত লিঙ্গৰ শব্দ পোৱা নাযায়। কিছুমান শব্দ সদায় নিৰ্দিষ্ট লিঙ্গৰহে পোৱা যায়। যেনে— যুদ্ধ, লোক আদি সদায় পুংলিঙ্গ; দেৱতা, পূজা, চিন্তা আদি স্ত্রীলিঙ্গ; সেইদৰে, তপ, আয়ু, যস আদি সদায় ক্লীৱলিঙ্গ।

- পালিৰ ধাতুৰূপ সংস্কৃত অনুগামী যদিও সংস্কৃতত দেখিবলৈ পোৱা ধাতু ৰূপৰ জটিলতা অথবা বিচিত্রতা পালিত দেখিবলৈ পোৱা নাযায়। সংস্কৃতৰ দৰেই পালিত পৰস্মৈপদ আৰু আত্মনেপদ—— এই দুই ধাতুৰূপ আছে যদিও আত্মনেপদৰ প্রয়োগ যথেষ্ট কম।
- সংস্কৃতৰ ধাতুৰ দহটা 'গন'ৰ ঠাইত পালিত মাথোন সাতোটা 'গন'হে ৰক্ষিত হৈছে। পালিত সাতোটা গন হ'ল— ভূৱদি, ৰুখদি, দিৱদি, সদি, কিয়দি, তনদি আৰু চুষাদি।
- 'গন'ৰ দৰে কাল আৰু ভাৱ প্রকাশক, সংস্কৃতৰ দশ ল- কাৰৰ পালিত আঠোটাই ৰক্ষিত হৈছে যদিও সংস্কৃতৰ দুই প্রকাৰৰ 'ল'কাৰৰ প্রয়োগ পালিত দেখা নাযায়।
- এইসমূহ ৰূপগত বৈশিষ্ট্যৰ উপৰি বিবিধ প্রকাৰ অর্থ বুজাবলৈ সংস্কৃতত ব্যৱহৃত বিভিন্ন প্রত্যয়ৰ (যেনে— নিজন্ত, যঙন্ত, সনন্ত, নামধাতু, কর্ম বাচ্য ইত্যাদি) ব্যৱহাৰ পালিতো দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ পালিৰ শব্দ সন্ধি কেইটা?

.....

প্রশ্ন নং ৬ ঃ পালিৰ স্বৰধ্বনিৰ সংখ্যা কিমানটা?

.....

প্রশ্ন নং ৭ ঃ পালিত 'ৰেফ' (ঁ)ৰ প্রয়োগ আছেনে?

.....

প্রশ্ন নং ৮ ঃ পালিত সংস্কৃতৰ কেই প্রকাৰৰ গন ৰক্ষিত হৈছে।

.....



৩.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰটোক সামগ্রিকভাৱে 'প্রাকৃত স্তৰ' বোলা হয়। খ্রীঃপূঃ ষষ্ঠ শতাব্দীৰ পৰা খ্রীষ্টাব্দ দশম শতাব্দী পর্যন্ত পৰিব্যাপ্ত স্তৰটোক সামগ্রিকভাৱে 'প্রাকৃত স্তৰ' বুলি অভিহিত কৰিলেও এই স্তৰক ভাষা পৰিৱর্তনৰ প্রতি লক্ষ্য ৰাখি তিনিটা প্রধান উপস্তৰত ভাগ কৰা হৈছে — আদি স্তৰ (খ্রীঃপূঃ ষষ্ঠ শতাব্দীৰপৰা খ্রীষ্টাব্দ প্রথম শতাব্দী), মধ্য স্তৰ (খ্রীষ্টাব্দ প্রথম শতাব্দীৰপৰা খ্রীষ্টাব্দ ষষ্ঠ শতাব্দী) আৰু অন্ত্য স্তৰ (খ্রীষ্টাব্দ ষষ্ঠৰ পৰা দশম শতাব্দী পর্যন্ত)। ইয়াৰে প্রথম স্তৰত পালি স্তৰ, দ্বিতীয় বা মধ্য স্তৰটিক প্রাকৃত স্তৰ আৰু তৃতীয় তথা অন্ত্য স্তৰক অপভ্রংশ-অৱহট্ঠৰ স্তৰ বোলা হয়। উল্লেখযোগ্য যে ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে প্রথম আৰু মধ্যস্তৰৰ মাজ ভাগত 'ক্রান্তি স্তৰ' বুলি আন এটি স্তৰৰ

কল্পনা কৰিছে। এই স্তৰটিৰ আনুমানিক সময় নিৰূপণ কৰা হৈছে খ্ৰীঃ পূঃ প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ তৃতীয় শতাব্দী পৰ্যন্ত।

- প্ৰাকৃত স্তৰ বা মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰটোৰ নাম 'পালি ভাষা-সাহিত্যৰ স্তৰ' বুলি কোৱা হয়। এই স্তৰটিৰে মধ্য ভাৰতীয় আৰ্যভাষা বা প্ৰাকৃতৰ প্ৰথম সাহিত্যিক নিদৰ্শন হ'ল পালি। 'পালি'ক বৌদ্ধ সাহিত্য বুলিও কোৱা হয়। কিয়নো বুদ্ধদেৱৰ সকলো বচন বা উপদেশ এই স্তৰৰ ভাষাত লিখিত হৈছে।
- পালি ভাষা কোনো অঞ্চলৰ উপভাষা নহয়। পালি হৈছে 'প্ৰাচীন প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বৌদ্ধ সাহিত্যৰ ভাষা।' ইয়াৰ উদ্ভৱ স্থল হিচাপে বৌদ্ধ বিহাৰসমূহক আঙুলিওৱা হৈছে।
- পালিক ইয়াৰ নামৰ তাৎপৰ্য প্ৰসঙ্গত আগবঢ়োৱা বিভিন্ন মতৰ ওপৰত ভিত্তি কৰি মত আগবঢ়োৱা হৈছে যে বুদ্ধবচনৰ পাঠ বা পংক্তি যি ভাষাত পালিত বা ৰক্ষিত সিয়েই পালি।
- যেতিয়াই প্ৰাচীন ভাৰতীয় আৰ্যভাষা অৰ্থাৎ বৈদিক সংস্কৃতৰ পৰিৱৰ্তন প্ৰক্ৰিয়া আৰম্ভ হয় তেতিয়াই মধ্য ভাৰতীয় আৰ্যৰ দৰে পালি স্তৰো স্পষ্ট হ'বলৈ ধৰে। ই প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সৰলীকৃত স্তৰ।



৩.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত- অপভ্ৰংশ ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ কে. এ. পাব্লিছিং।

২) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৪) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

৫) সেন, সুকুমার (২০০২); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।



৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক্রান্তি স্তৰৰ প্রাকৃত।

২ নং প্রশ্নৰ উত্তৰ ঃ *খোটানী ধম্মপদ।*

৩ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ প্রাকৃত।

৪ নং প্রশ্নৰ উত্তৰ ঃ E. Khun.

৫ নং প্রশ্নৰ উত্তৰ ঃ ৩ টা ভাগত ভাগ কৰিব পাৰি।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৮ টা।

৭ নং প্রশ্নৰ উত্তৰ ঃ নাই।

৮ নং প্রশ্নৰ উত্তৰ ঃ সাত প্রকাৰৰ।



৩.১২ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

(ক) মধ্য ভাৰতীয় আৰ্যভাষাক সৰ্বমুঠ কেইটা ভাগত ভাগ কৰিব পাৰি?

(খ) 'পালি'ত ঋ ধ্বনিৰ প্রয়োগ আছেনে?

(গ) 'পালি' শব্দৰ অর্থ কি?

(ঘ) কাল আৰু ভাৱ প্রকাশক 'ল' কাৰৰ সংখ্যা পালিত কেইটা?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ উপস্তৰসমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ 'পালি'ৰ উৎপত্তি সম্পর্কত বিভিন্ন মতামত সামৰি এটি টোকা লিখক।

প্রশ্ন ৩ ঃ 'পালি' নামৰ তাৎপর্য ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ 'পালি' ভাষাৰ প্রধান ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'পালি ভাষা হ'ল প্রাচীন বৈদিক আৰু সংস্কৃতৰ সৰলীকৰণ প্রক্রিয়া' — আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ তুলনাত মধ্য ভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'পালি' ভাষাৰ স্বৰধ্বনি পৰিৱৰ্তনৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ 'পালি' ভাষাৰ ব্যঞ্জনধ্বনি পৰিৱৰ্তনৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ 'পালি' ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ মধ্য ভাৰতীয় আৰ্যভাষা — প্ৰাকৃত স্তৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ প্ৰাকৃত নামৰ তাৎপৰ্য
৪.৪ প্ৰাকৃত ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য
৪.৫ প্ৰাকৃতৰ ধ্বনি পৰিৱৰ্তন প্ৰক্ৰিয়া
৪.৬ সাহিত্যিক প্ৰাকৃত আৰু ইয়াৰ পৰিচয়
৪.৬.১ মহাৰাষ্ট্ৰী প্ৰাকৃত
৪.৬.২ শৌৰসেনী প্ৰাকৃত
৪.৬.৩ পৈশাচী প্ৰাকৃত
৪.৬.৪ মাগধী প্ৰাকৃত
৪.৬.৫ অৰ্ধ-মাগধী প্ৰাকৃত
৪.৭ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্ৰগতিৰ খতিয়ান
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আৰ্যভাষাৰ তিনিটা উপস্তৰৰ প্ৰধান স্তৰ প্ৰাকৃতৰ সময় নিৰূপণৰ লগতে ভাষাগত পৰিৱৰ্তনৰ বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব
- 'প্ৰাকৃত' নামটিৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰিব
- সাহিত্যিক প্ৰাকৃত নামে যিকেইবিধ প্ৰাকৃত মধ্য ভাৰতীয় আৰ্যভাষাৰ কালছোৱাত পোৱা গৈছে সেইসমূহৰ পৰিচয়ৰ লগতে ভাষাগত বিভিন্ন দিশৰো সম্ভেদ লাভ কৰিব
- ধ্বনি পৰিৱৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়া সম্পৰ্কেও জানিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি মধ্য ভাৰতীয় আৰ্যভাষাৰ পালি স্তৰটোৰ বিষয়ে অধ্যয়ন কৰিলে। খ্ৰীঃ পূঃ ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ দশম শতিকা পৰ্যন্ত এই সুদীৰ্ঘ কালছোৱাত ভাৰতীয় আৰ্যভাষাটোৰ বিভিন্ন দিশত পৰিৱৰ্তন ঘটে। বৈদিক-সংস্কৃত যুগৰ ভাৰতীয় আৰ্যভাষা ৰূপটোৰ

ভাষাগত জটিলতা ষষ্ঠ শতিকামানৰপৰা বহু পৰিমাণে সৰল হ'বলৈ আৰম্ভ কৰে। খ্ৰীঃ পূঃ ষষ্ঠৰ পৰা দশম শতিকালৈ আৰ্যভাষাৰ ৰূপটোৱে ইমানেই পৰিৱৰ্তন লাভ কৰে যে এই পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি তিনিটা উপস্তৰত বিভক্ত কৰা হৈছে। ইয়াৰ উপৰি ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কল্পনা কৰা 'ক্ৰান্তি স্তৰ'সহ চাৰিটা উপস্তৰৰ কথা আমি পূৰ্বৰ অধ্যায়টোতে বিস্তাৰিতভাৱে আলোচনা কৰি আহিছোঁ।

আমি এই অধ্যায়ত মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় বৃহৎ উপস্তৰ 'প্ৰাকৃত স্তৰ'টিৰ পৰিচয়সহ ভাষাগত বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিম। এইটো জানি থোৱা ভাল যে মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰটোক 'প্ৰাকৃত'ৰ উপৰি 'সাহিত্যিক প্ৰাকৃতৰ যুগ' বুলিও অভিহিত কৰা হয়। এই স্তৰটিৰ সময় ধৰা হৈছে খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী পৰ্যন্ত। প্ৰথম শতাব্দী বুলি ধৰি লোৱাৰ মূল কাৰণটো হ'ল— এই শতাব্দীৰ পৰাই সংস্কৃত নাটকত পোন প্ৰথমে প্ৰাকৃত ভাষাৰ ব্যৱহাৰ আৰম্ভ হয়। প্ৰাকৃত ভাষাই বিভিন্ন অঞ্চলত প্ৰসাৰ লাভ কৰাৰ লগে লগে বিভিন্ন আঞ্চলিক প্ৰাকৃতবোৰ জন্ম দিয়ে। খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰাই ক্ৰমে মহাৰাষ্ট্ৰী, শৌৰসেনী, পৈশাচী, মাগধী আৰু অৰ্ধ-মাগধী আদি প্ৰাকৃতৰূপে স্বকীয়ভাৱে গা কৰি উঠে। সাহিত্যিক প্ৰাকৃত বুলি অভিহিত কৰা এই পাঁচবিধ প্ৰাকৃতৰ বিষয়েও এই অধ্যায়ত আলোচনা কৰা হ'ব।

৪.৩ 'প্ৰাকৃত' নামৰ তাৎপৰ্য

আমি পূৰ্বৱৰ্তী অধ্যায়টিত 'পালি' নামৰ তাৎপৰ্য ব্যাখ্যা কৰি আহিছোঁ। 'পালি' নামৰ তাৎপৰ্য প্ৰসংগত যেনেদৰে বিভিন্ন মতামত পোৱা গৈছিল, ঠিক তেনেদৰে 'প্ৰাকৃত' শব্দটিৰ অৰ্থ বা অৰ্থৰ তাৎপৰ্য বিচাৰত কেইটামান মত দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত উল্লেখযোগ্য মত তিনিটা পোৱা যায়। সেইকেইটা ক্ৰমে—

- প্ৰথম মত অনুসৰি 'প্ৰাকৃত'ৰ অৰ্থ হ'ল 'মূল' (Basic) বা 'প্ৰকৃতি'। প্ৰকৃতিৰ পৰা যি ওলাইছে, সিয়ে প্ৰাকৃত। এই মূল বা প্ৰকৃতি হ'ল সংস্কৃত। গতিকে সংস্কৃতৰ পৰা যি ওলাইছে বা আহিছে সিয়ে প্ৰাকৃত বা প্ৰাকৃত ভাষা।
- দ্বিতীয় মতটি এনেধৰণৰ — 'প্ৰকৃতি'ৰ অৰ্থ 'নিসৰ্গ' বা স্বাভাৱিক (Natural); গতিকে স্বভাৱজাত ভাষাই প্ৰাকৃত অৰ্থাৎ জনসাধাৰণৰ দৈনন্দিন জীৱনৰ যি নৈসৰ্গিক বা স্বাভাৱিক ভাষা সিয়ে প্ৰাকৃত ভাষা।
- তৃতীয় মতটি আকৌ এনেধৰণৰ— 'প্ৰাকৃত' শব্দৰ অৰ্থ 'সামান্য' বা 'সাধাৰণ' (Common); গতিকে সাধাৰণ লোকৰ যি স্বচ্ছন্দ ভাষা-ৰীতি সিয়ে প্ৰাকৃত ভাষা।

উদ্ধৃত মতকেইটি বিচাৰ কৰি চালে দুটা দিশ স্পষ্ট হৈ পৰে। প্ৰথমতে, প্ৰাকৃত ভাষা সংস্কৃতৰ পৰা উদ্ভৱ হৈছে অৰ্থাৎ সংস্কৃতেই হৈছে প্ৰাকৃতৰ মূল আৰু আনটো হ'ল ই জনসাধাৰণৰ দৈনন্দিন জীৱনৰ কথ্যৰূপ। মূলতঃ এই দুটা দিশৰ যিকোনো এটাৰ আধাৰতে পণ্ডিতসকলে নিজৰ মতামত আগবঢ়াইছে।

যিসকল পণ্ডিতে প্ৰাকৃতৰ মূল সংস্কৃত বুলি ক'ব খোজে সেইসকলৰ ভিতৰত প্ৰাকৃত বৈয়াকৰণ হেমচন্দ্ৰ, *প্ৰকৃত চন্দ্ৰিকা*ৰ ৰচয়িতা কৃষ্ণ পণ্ডিত, কবি আৰু বৈয়াকৰণ মাৰ্কণ্ডেয় কবীন্দ্ৰ, আলংকাৰিক আচাৰ্য দণ্ডী আদিয়ে প্ৰধান। এইসমূহ পণ্ডিতে ভাবে যে 'দৈবী বাক্' স্বৰূপ সংস্কৃত ভাষাৰ পৰিৱৰ্তিত ৰূপেই প্ৰাকৃত। এইসকল আছিল সংস্কৃতৰ বিদগ্ধ পণ্ডিত, গতিকে সংস্কৃতৰ প্ৰতি থকা অগাধ শ্ৰদ্ধাৰ বাবেই এনে মত পোষণ কৰিছিল যেন লাগে। এইসকলৰ বাহিৰে নমিসাধুৰ দৰে সংস্কৃতজ্ঞ পণ্ডিতে কিন্তু জনসাধাৰণৰ স্বভাৱিক কথ্যৰূপেই যে প্ৰাকৃত ভাষাৰ মূল ভিত্তি আছিল সেই কথা দৃঢ়তাৰে কৈছে।

এইগৰাকী পণ্ডিতৰ মতৰ আঁত ধৰি ক'ব পাৰি ব্যাকৰণৰ ৰীতি-নীতিৰ দ্বাৰা সংস্কাৰ নোহোৱা প্ৰাকৃতজনৰ বা সাধাৰণ জনসাধাৰণৰ যি স্বাভাৱিক বচন-ভংগী সিয়ে প্ৰাকৃত। প্ৰাকৃত নামটি সংস্কৃতৰ তুলনামূলক আধাৰত সৃষ্ট। প্ৰাকৃত নামৰ তাৎপৰ্য সন্দৰ্ভত ভাষাবিদ ড° সুকুমাৰ সেনৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছে যে প্ৰাকৃত বা প্ৰাকৃত ভাষাৰ প্ৰধান তাৎপৰ্যটো হৈছে প্ৰাকৃত জনগণৰ ভাষা। শিষ্ট ব্ৰাহ্মণ্য সমাজৰ 'শুদ্ধ' ভাষা হ'ল সংস্কৃত। এই নামটিৰ প্ৰতিৰূপ হিচাপে প্ৰাকৃত নামটি কল্পিত। মুঠতে ক'ব পাৰি বৈদিক ভাষাই বৈয়াকৰণিকৰ হাতত পৰিমাৰ্জিত আৰু সুগঠিত নিয়মেৰে এফালে সৃষ্টি হ'ল সংস্কৃত ভাষাৰ আৰু আনহাতে একেই লোককথাৰ ৰূপত প্ৰচলিত বৈদিক ভাষাৰ পৰিৱৰ্তন প্ৰবাহত সৃষ্টি হ'ল প্ৰাকৃত ভাষা।

এই 'প্ৰাকৃত' শব্দটিৰ প্ৰথম উল্লেখ পোৱা যায় খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ ভৰতৰ *নাট্যশাস্ত্ৰত* আৰু খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ দণ্ডীয়ে তেওঁৰ *কাব্যাদৰ্শত* সাহিত্যিক-ভাষাৰূপে প্ৰাকৃতক স্বতন্ত্ৰ মৰ্যাদা দান কৰে। সি যি কি নহওক এইখিনিতে এটা মন কৰিবলগীয়া কথা এয়ে যে প্ৰাকৃত ভাষা জনসাধাৰণৰ মুখৰ ভাষা আছিল যদিও পৰৱৰ্তী কালত এই ভাষাৰ যিটো ৰূপ সাহিত্যত ব্যৱহৃত হৈছিল সেইটো কিন্তু জনসাধাৰণৰ মুখৰ ভাষা নহয়। সাহিত্যত ব্যৱহাৰ হোৱা বাবেই 'সাহিত্যিক' ৰূপ আৰু সেই কাৰণেই যথাৰ্থভাৱেই ইয়াক 'সাহিত্যিক প্ৰাকৃত' বুলি অভিহিত কৰা হয়। ক'বলৈ গ'লে ই সংস্কৃত আদৰ্শানুগ আৰু সংস্কৃতৰ দৰেই কৃত্ৰিম।



জানি থোৱা ভাল

"ব্যাপক অৰ্থত প্ৰাকৃত শব্দটোৱে সমগ্ৰ মধ্য ভাৰতীয় আৰ্যভাষাক বুজালেও, প্ৰকৃততে এই নামটো মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰৰ বা মধ্য স্তৰৰ অৰ্থাৎ খ্ৰীষ্টাব্দ প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টাব্দ ষষ্ঠ শতাব্দী পৰ্যন্ত সাহিত্যত ব্যৱহৃত যি প্ৰাকৃত পোৱা যায় তাৰ ক্ষেত্ৰতহে প্ৰযোজ্য।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ হেমচন্দ্ৰৰ মতে 'প্ৰাকৃত'ৰ মূল কি?

.....

প্ৰশ্ন নং ২ ঃ 'প্ৰাকৃত' শব্দটিৰ উল্লেখ প্ৰথম ক'ত পোৱা যায়?

.....

প্ৰশ্ন নং ৩ ঃ সাহিত্যত ব্যৱহৃত প্ৰাকৃতৰ ৰূপটোৰ নাম কি?

.....

৪.৪ প্ৰাকৃত ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য

মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰ প্ৰাকৃতৰ ভাষাতাত্ত্বিক বিশেষত্ব বিশ্লেষণ কৰোঁতে প্ৰাচীন ভাৰতীয় আৰ্যৰ সৈতে তুলনা কৰা হয়। অৱশ্যে প্ৰাকৃতৰ নিজস্ব বৈশিষ্ট্য কিছুমানো নোহোৱা নহয়। যিবোৰে প্ৰাকৃতক প্ৰাচীন ভাৰতীয় আৰ্যৰ ৰূপটোৰ পৰা নিলগাই ৰাখে। সি যি কি নহওক প্ৰাকৃতৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল —

- **ধ্বনিতাত্ত্বিক বৈশিষ্ট্য**
  - *স্বৰধ্বনিগত*
    - পালিৰ দৰেই প্ৰাকৃতবো স্বৰধ্বনিৰ সংখ্যা আঠটা। এই আঠটা স্বৰধ্বনি হ'ল — অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও। সংস্কৃতৰ ঋ, ৠ, ঌ, ৡ, ঐ আৰু ঔ ৰ ব্যৱহাৰ প্ৰাকৃতত নাই। সংস্কৃতৰ 'ঋ' প্ৰাকৃতৰ অ, ই, উ, এ, ৰ, ৰি অথবা ৰু আদি ধ্বনিলৈ পৰিৱৰ্তন হৈ উচ্চাৰণ হোৱা দেখা যায়। যেনে— কৃত > কঅ; হৃদয় > হিঅঅ; ঋজু > উজু; গৃহ > গেহ; বৃক্ষ > ৰুচ্ছ; ঋষি > ৰিসি; বৃক্ষ > ৰুচ্ছ ইত্যাদি।
    - বৈদিক-সংস্কৃতৰ ঐ আৰু ঔ যথাক্ৰমে প্ৰাকৃতত এ আৰু ও-লৈ পৰিৱৰ্তন হৈ ব্যৱহাৰ হ'ল। যেনে— শৈল > সেন, যৌৱন > জোববণ।
    - সংস্কৃতৰ 'অৰ' আৰু 'অয়'— এই দুই দ্ব্যক্ষৰ স্বৰধ্বনি প্ৰাকৃতত যথাক্ৰমে 'ও' আৰু 'এ' লৈ পৰিৱৰ্তন হৈ উচ্চাৰণ হ'ল। যেনে— লৱণ > লোণ, কথয়তি > কথেদি।
    - স্বৰধবনিৰ ক্ষেত্ৰত এই তিনিটা প্ৰধান বৈশিষ্ট্যৰ উপৰি সংস্কৃতৰ যি আঠোটা স্বৰধ্বনি প্ৰাকৃতত পোনপটীয়াভাৱে ব্যৱহাৰ হৈছে বহুসময়ত সেইসমূহ ধ্বনিও অন্য ধ্বনিলৈ ৰূপান্তৰিত হৈ উচ্চাৰণ হোৱা দেখা যায়।
    - স্বৰধ্বনি পৰিৱৰ্তনৰ আন দুটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল — অনুস্বাৰ অথবা সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰ প্ৰাকৃতত সাধাৰণতে হ্ৰস্ব হয়। যেনে — পাংশু > পংসু, কাব্য > কবব। অনুস্বাৰ লুপ্ত হ'লে পূৰ্বৱৰ্তী স্থানৰ হ্ৰস্বস্বৰ দীৰ্ঘ হয়। যেনে— বিংশত্ > বীসা।
  - *ব্যঞ্জনধ্বনিগত*
    - সংস্কৃতৰ শ, ষ আৰু স— এইকেইটাৰ ভিতৰত 'ষ'-ৰ ব্যৱহাৰ কোনোটো প্ৰাকৃততে দেখা নাযায়। 'শ' কেৱল মাগধীতহে আছে। আন সকলোতে 'স'-ৰ ব্যৱহাৰহে আছে।

- প্ৰাকৃতত সণ্ঢালনিভাৱে 'ণ'-ৰ ব্যৱহাৰ হোৱা দেখা যায়। কেৱল অৰ্ধ-মাগধীত অনিয়মিতভাৱে 'ণ' ব্যৱহাৰ হোৱা দেখা যায়।
- পদমধ্যস্থিত ক, গ, চ, জ, ত, দ, প — সাধাৰণতে প্ৰাকৃতত লুপ্ত হয়। যেনে — সকল > সঅল, যুগল > জুঅল, প্ৰচুৰ > পউৰ, সুজন > সুঅন ইত্যাদি।
- অন্য প্ৰাকৃতত 'ৰ' ধ্বনি অপৰিৱৰ্তনীয়ভাৱে উচ্চাৰণ হ'লেও মাগধীত 'ল' হিচাপে উচ্চাৰণ হোৱা দেখা যায়।
- পদমধ্যস্থিত মহাপ্ৰাণ ধ্বনি, যেনে — খ, ঘ, ধ, ফ অথবা ভ প্ৰাকৃতত হ-লৈ পৰিৱৰ্তন হৈ উচ্চাৰণ হয়। যেনে— মুখ > মুহ, মেঘ > মেহ, পথিক > পহিঅ, বধিৰ > বহিৰ ইত্যাদি।
- পদান্তত থকা 'ম' প্ৰাকৃতত অনুস্বাৰত (ং) পৰিণত হ'ল। যেনে— পুত্রম্ > পুত্তং, গৃহম > গেহং।
- প্ৰাকৃতত অ-কাৰযুক্ত বিসৰ্গ (ঃ) 'ও' হ'ল আৰু অন্যকাৰযুক্ত লোপ পালে। যেনে— পুত্রঃ > পুত্তো; আনহাতে, দেৱেভিঃ > দেৱেহি।
- 'ক্ষ' ধ্বনিৰ পৰিৱৰ্তন প্ৰাকৃতৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। এই 'ক্ষ' ধ্বনিটো মহাৰাষ্ট্ৰীত 'ছ' বা 'চ্ছ'; শৌৰসেনীত কখ আৰু মাগধীত কেতিয়াবা 'স্ক' হোৱা দেখা যায়। যেনে— ক্ষণ > ছণ, অক্ষি > অক্খি, প্রেক্ষতে > পেক্খই, পেস্কাদি।
- বৈদিক-সংস্কৃতৰ সংযুক্ত ব্যঞ্জন ধ্বনিবোৰ সৰলকৈ উচ্চাৰণ কৰাৰ প্ৰৱণতা ধ্বনিতাত্ত্বিক দিশত প্ৰাকৃতৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। সমীভৱন, স্বৰভক্তি, বৰ্ণ-বিপৰ্যয়, অপিনিহিতি ইত্যাদি ধ্বনি পৰিৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন সংযুক্ত ব্যঞ্জন ধ্বনি পৰিৱৰ্তন হৈ উচ্চাৰণ হৈ সৰল হয়। যেনে— অগ্নি > অগ্গি, অল্প > অপ্প (সমীভৱন); ৰত্ন > ৰঅণ, পদ্ম > পউম (স্বৰভক্তি); হ্রদ > ৰহদ (বৰ্ণ-বিপৰ্যয়); আৰ্য্য > অৰিঅ (অপিনিহিতি) ইত্যাদি।
- প্ৰাকৃত সন্ধি প্ৰকৰণ অনেক সৰল। পদান্ত ব্যঞ্জনৰ লোপ, সমীভৱনৰ ব্যপকতা ইত্যাদি বিভিন্ন কাৰণত প্ৰাকৃতৰ জটিলতা বহুখিনি কমি আহিছিল।

- **ৰূপতাত্ত্বিক বৈশিষ্ট্য**
  - *শব্দৰূপগত বৈশিষ্ট্য*
    - শব্দৰূপৰ ক্ষেত্ৰত প্ৰথমেই উল্লেখ কৰিবলগীয়া বৈশিষ্ট্যটো হ'ল স্বৰান্ত শব্দৰূপ। অনুস্বাৰৰ বাহিৰে সকলো স্বৰান্ত হোৱাৰ ফলত শব্দৰূপে স্বৰান্ত ৰূপ ল'লে। মুঠতে ক'ব পাৰি ধ্বনিগত পৰিৱৰ্তনৰ ফলতেই শব্দৰূপৰ বৈচিত্র্য ভালেখিনি কমিল।
    - পুংলিংগ, স্ত্রীলিংগ অথবা ক্লীৱলিংগ এই তিনিওটা লিংগই প্ৰাকৃতত থাকিলেও প্ৰাকৃতৰ লিংগ-প্ৰকৰণ সংস্কৃত অনুগামী নহয়। আনকি বহু ক্ষেত্ৰত সংস্কৃতত যিটো শব্দই স্ত্রীলিংগ বুজায় সেইটো প্ৰাকৃতত পুংলিংগ আৰু যিটো শব্দই সংস্কৃতত ক্লীৱলিংগৰ নিৰ্দেশ কৰে সেইটোৱে প্ৰাকৃতত পুংলিংগৰ ৰূপহে গ্ৰহণ কৰে।

- ❍ বচনৰ ক্ষেত্ৰত দ্বিবচন লোপ পালে।
- ❍ বিকল্প বিভক্তি ব্যৱহাৰ প্ৰাকৃত শব্দৰূপৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। উদাহৰণস্বৰূপে পুংলিংগৰ সপ্তমীৰ একবচনত বিকল্পে '- ই', স্ত্ৰীলিংগৰ প্ৰথমা-দ্বিতীয়াৰ বহুবচনত বিকল্প '-উ' আৰু '-ও', তৃতীয়া- চতুৰ্থী-ষষ্ঠী-সপ্তমীৰ একবচনত বিকল্প '-অ', '-আ', '-ই', '-এ' বিভক্তি যোগ হোৱা দেখা যায়।
- ❍ কাৰকৰ অভিন্নতা প্ৰাকৃত শব্দৰূপৰ আন এটি প্ৰধান বৈশিষ্ট্য।

➢ *ধাতুৰূপৰ বৈশিষ্ট্য*

- ❍ প্ৰাকৃতত সংস্কৃতৰ ভাদি, দিৱাদি, স্বাদি আদি দহোটা গনৰ ধাৰণা লোপ পালে। সংস্কৃতত সমস্ত ধাতুৰ নিজ নিজ গনৰ বৈশিষ্ট্য অনুযায়ী ৰূপ কৰা হৈছিল। প্ৰাকৃতত এনে বিচিত্ৰতা নাইকিয়া হৈ সকলো ধাতুৰ ৰূপ অ-কাৰন্ত ভাদিগনীয়ৰ দৰে হ'ল।
- ❍ বৈদিক-সংস্কৃত স্তৰত ক্ৰিয়াৰ উদ্দেশ্য অনুযায়ী 'আত্মনেপদ' আৰু 'পৰস্মৈপদ'-এই দুটা ধাতুৰ বিভাগ আছিল। কিন্তু প্ৰাকৃতত কেৱল পৰস্মৈপদৰহে ব্যৱহাৰ থাকিল।
- ❍ ধাতুৰূপৰ ক্ষেত্ৰত আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সংস্কৃতৰ কাল আৰু ভাব প্ৰকাশক দশ ল-কাৰৰ ঠাইত প্ৰাকৃতত মাত্ৰ চাৰিটাহে ৰক্ষা হ'ল — লট্ - বৰ্তমান, লোট্ - অনুজ্ঞা, লৃট-ভৱিষ্যত আৰু বিধিলিঙ্।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ প্ৰাকৃত 'জোববণ' শব্দৰ সংস্কৃত ৰূপ লিখক।

.....

প্ৰশ্ন নং ৫ ঃ সংস্কৃতৰ পদান্ত 'স্' প্ৰাকৃতত কি ধ্বনিলৈ পৰিণত হৈছে?

.....

প্ৰশ্ন নং ৬ ঃ শ ধ্বনিটো কোন প্ৰাকৃতত আছে?

.....

৪.৫ প্ৰাকৃতৰ ধ্বনি পৰিৱৰ্তন প্ৰক্ৰিয়া

ধ্বনিৰ পৰিৱৰ্তন ভাষাৰ গাঁথনিক পৰিৱৰ্তনৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। আমি পূৰ্বৰ অধ্যায়কেইটিৰ বহু ঠাইত বিভিন্ন প্ৰসংগত ধ্বনি পৰিৱৰ্তন সম্বন্ধে বহুবাৰ উল্লেখ কৰি আহিছোঁ। কেৱল উল্লেখেই নহয় পালি-প্ৰাকৃত ভাষাৰ বৈশিষ্ট্য আলোচনাৰ সময়তো এই পৰিৱৰ্তনৰ সঘন উল্লেখ হৈছে। তদুপৰি ধ্বনিৰ সৰল উচ্চাৰণৰ সময়ত সমীভৱন, আগম ইত্যাদিৰ বিষয়েও উল্লেখ কৰি আহিছোঁ। মন কৰিবলগীয়া এয়ে যে পালি-প্ৰাকৃতত বিভিন্ন ধ্বনি অনিয়মিতভাৱে পৰিৱৰ্তন হয় যদিও বেছি ভাগেই এক প্ৰক্ৰিয়াৰ মাজেৰে পৰিৱৰ্তন হয়। প্ৰক্ৰিয়া যিয়েই নহওক এই পৰিৱৰ্তনৰ

কিন্তু মূল উদ্দেশ্য মাথোন এটাই — সৰল উচ্চাৰণ। পালি অথবা প্ৰাকৃততে অধিকাংশ ধ্বনিয়েই এনে প্ৰক্ৰিয়াবোৰৰ কোনোবা নহয় কোনোবা এটি প্ৰক্ৰিয়াৰ মাধ্যমেৰে পৰিৱৰ্তন হৈছে। ইয়াত সকলোবোৰ প্ৰক্ৰিয়াৰ আলোচনা সম্ভৱ নহয় যদিও অতিকে গুৰুত্বপূৰ্ণ কেইটামান প্ৰক্ৰিয়াৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- **সমীভৱন ঃ** সংযুক্ত বা বিযুক্তভাৱে ওচৰা-উচৰিকৈ থকা দুটা ধ্বনিৰ এটাই যেতিয়া আনটোৰ প্ৰভাৱত সমৰূপতা লাভ কৰে তাকে সমীভৱন বোলে। সমীভৱন মানে অ-সম ধ্বনিৰ সমতা। সমীভৱন স্বৰ অথবা ব্যঞ্জন দুয়োবিধ ধ্বনিৰ ক্ষেত্ৰতে হ'ব পাৰে। গতিকে ধ্বনিৰ পিনৰ পৰা সমীভৱনক স্বৰ সমীভৱন আৰু ব্যঞ্জন সমীভৱন— এই দুটা ভাগত ভগাব পাৰি। ওচৰা-উচৰিকৈ থকা দুটা সুকীয়া স্বৰৰ এটাই আনটোৰ সৈতে সমৰূপতা লাভ কৰাকে স্বৰ সমীভৱন বোলে। আনহাতে ওচৰা-উচৰিকৈ থকা দুটা সুকীয়া ব্যঞ্জনৰ এটাই আনটোৰ সৈতে সমৰূপতা লাভ কৰাৰ নাম ব্যঞ্জন সমীভৱন। যেনে—

  ইষু > উসু (প্ৰাকৃত; স্বৰ সমীভৱন)

  অগ্নি > অগগি (পালি/প্ৰাকৃত; ব্যঞ্জন সমীভৱন)

  ধৰ্ম > ধম্ম (পালি/প্ৰাকৃত; ব্যঞ্জন সমীভৱন)

  সমীভৱন তিনি প্ৰকাৰে সাধিত হয়— আগৰ ধ্বনিয়ে পিছৰ ধ্বনিক পৰিৱৰ্তন কৰি সমতা আনিলে 'প্ৰগত'; পিছৰ ধবনিয়ে আগৰ ধ্বনিৰ পৰিৱৰ্তন কৰি সমতা আনিলে 'পৰাগত' আৰু দুয়োটা ধ্বনি অন্য ধ্বনিলৈ পৰিৱৰ্তন হ'লে 'অন্যোন্য' সমীভৱন বোলে। যেনে— মৃত্যু > মচ্ছ।

- **স্বৰভক্তি ঃ** উচ্চাৰণৰ সুবিধাৰ বাবে সংযুক্ত ব্যঞ্জন ধ্বনিৰ মাজত একোটা স্বৰ ধ্বনি সুমুৱাই দি উচ্চাৰণ সৰলীকৰণ কৰাৰ প্ৰক্ৰিয়াকে স্বৰভক্তি বোলে। এই প্ৰক্ৰিয়াৰে পালি প্ৰাকৃত ভাষাতো ধ্বনি পৰিৱৰ্তন হৈছিল। যেনে— কৃষ্ণ > কসিন (পালি; 'ই' আগম), শ্লাঘা > সলাহা (প্ৰাকৃত; 'অ' আগম)।
- **স্বৰাগম ঃ** স্বৰভক্তিৰ দৰে স্বৰাগমতো উচ্চাৰণৰ সুবিধাৰ বাবেই সংযুক্ত ব্যঞ্জনৰ আগত এটা স্বৰৰ আগম ঘটোৱা হয়। এই প্ৰক্ৰিয়াকে স্বৰাগম বোলে। যেনে—

  স্ত্ৰী > ইত্থী (পালি/প্ৰকৃত; 'ই' স্বৰ আগম)

  ঋগ্বেদ > ইৰুব্বেদ (পালি 'ই' স্বৰ আগম)

- **অপিনিহিতি ঃ** শব্দৰ পৰৱৰ্তী স্থানত থকা 'ই' অথবা 'উ' ধ্বনি পূৰ্বৱৰ্তী ব্যঞ্জনৰ আগলৈ আহি উচ্চাৰণ হোৱা প্ৰক্ৰিয়াকে অপিনিহিতি বোলে। পালি অথবা প্ৰাকৃততে এই নিয়মেৰে ধ্বনিৰ পৰিৱৰ্তন হৈছিল যদিও উদাহৰণ যথেষ্ট কম। তথাপি অপিনিহিতিৰ জৰিয়তেও পালি-প্ৰাকৃতত ধ্বনি উচ্চাৰণ সৰল হোৱাৰ দুই এটি উদাহৰণ পোৱা যায়। যেনে— আশ্চৰ্য্য > অচ্চৰিয় (পালি), কাৰ্য্য > কাইৰ (শৌৰসেনী)।
- **বৰ্ণ-বিপৰ্যয় ঃ** পদৰ মাজত থকা ধ্বনিৰ স্থান পৰিৱৰ্তনকে বিপৰ্যয় বা বৰ্ণ-বিপৰ্যয় বোলে। অৰ্থাৎ আগৰ ধ্বনি পিছলৈ গৈ, আনহাতে পিছৰ ধ্বনি আগলৈ আহি সৃষ্ট উচ্চাৰণেই বৰ্ণ-

বিপৰ্যয়। পালি-প্ৰাকৃত স্তৰত এই নিয়মেৰে একাধিক ধ্বনি পৰিৱৰ্তন হোৱা দেখা গৈছিল।

হ্রদ > ৱহদ (পালি), দহ (প্ৰাকৃত)

প্রশ্ন > পণ্হ (পালি/প্ৰাকৃত)

জ্যোৎস্না > জোন্হা (পালি/প্ৰাকৃত) ইত্যাদি।

এইসমূহ প্ৰধান প্ৰক্ৰিয়াৰ বাহিৰেও অল্পপ্ৰাণ ধ্বনি মহাপ্ৰাণ হোৱা (মহাপ্ৰাণতা); মহাপ্ৰাণ ধ্বনি অল্পপ্ৰাণ হোৱা (অল্পপ্ৰাণতা); স্বৰলোপ (আদি, মধ্য, অন্তস্বৰ); অথবা স্বৰাগম ইত্যাদিৰ জৰিয়তেও পালি-প্ৰাকৃতত একশ্ৰেণীৰ ধ্বনি পৰিৱৰ্তন হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ওচৰা-উচৰিকৈ থকা দুটা ধ্বনিয়ে এটাৰ প্ৰভাৱত আনটোৱে সমৰূপতা লাভ কৰা প্ৰক্ৰিয়াবিধ কি?

.....

প্রশ্ন নং ৮ ঃ এটা আগমমূলক ধ্বনি পৰিৱৰ্তন প্ৰক্ৰিয়াৰ নাম উল্লেখ কৰক।

.....

৪.৬ সাহিত্যিক প্ৰাকৃত আৰু ইয়াৰ পৰিচয়

খ্ৰীষ্টীয় তৃতীয় শতাব্দীমানৰ ভিতৰত ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত প্ৰাকৃতবোৰে অঞ্চল বিশেষে আঞ্চলিক বৈশিষ্ট্যৰে গঢ় লৈ বিভিন্ন আঞ্চলিক নামেৰে পৰিচিত হৈ পৰে। এই আঞ্চলিক ৰূপবোৰৰ মাধ্যমেদি অনেক সাহিত্যাদিও সৃষ্টি হৈছিল। সাহিত্য আদি সৃষ্টি হোৱা বাবে প্ৰাকৃতৰ এই আঞ্চলিক ৰূপবোৰক সাহিত্যিক প্ৰাকৃত নাম দিয়া হৈছে। এই সাহিত্যিক প্ৰাকৃত ঘাইকৈ পাঁচবিধ পোৱা যায় — মহাৰাষ্ট্ৰী, শৌৰসেনী, পৈশাচী, মাগধী আৰু অৰ্ধ-মাগধী।

এইখিনিতে এটা কথা কৈ থোৱা ভাল হ'ব যে যদিও এই সাহিত্যিক প্ৰাকৃতবোৰ আঞ্চলিক ৰূপৰ মাধ্যমত বা ভেটিত গঢ় লৈ উঠা প্ৰাকৃত বুলি কোৱা হৈছে, কিন্তু সেই প্ৰাকৃতৰ ৰূপবোৰত সম্পূৰ্ণ আঞ্চলিক কথ্যৰূপবোৰ দেখিবলৈ পোৱা নগৈছিল; এই প্ৰাকৃতসমূহ সংস্কৃত ব্যাকৰণৰ আদৰ্শতহে গঢ় লৈ উঠিছিল। সেই পিনৰ পৰা এই প্ৰাকৃতবোৰক কৃত্ৰিম প্ৰাকৃত ভাষা বুলিহে ক'ব পাৰি। অৱশ্যে এইবোৰত লৌকিকতা যে একেবাৰে নাছিল তেনেও নহয়। কিন্তু সংস্কৃততে প্ৰাকৃত বৈয়াকৰণসকলে প্ৰাকৃতৰ সাহিত্যিক যি ভাবাদৰ্শ তাক লৌকিক ৰূপৰ পৰাই গ্ৰহণ কৰি পৰিমাৰ্জিত ৰূপত গঢ়ি তুলিছিল। সেয়ে সাহিত্যিক প্ৰাকৃতসমূহে কথ্যধৰ্মী গুণ বহুখিনি হেৰুৱাই কৃত্ৰিম সাধু ভাষাৰূপে আত্মপ্ৰকাশ কৰিছিল। সি যি কি নহওক তলত পাঁচোটা সাহিত্যিক প্ৰাকৃতৰে একোটা পৰিচয়মূলক আলোচনা দাঙি ধৰা হ'ল।

৪.৬.১ মহাৰাষ্ট্ৰী প্ৰাকৃত

সাহিত্যিক প্ৰাকৃত পাঁচবিধৰ ভিতৰত মহাৰাষ্ট্ৰীকে শ্ৰেষ্ঠ প্ৰাকৃত হিচাপে বিবেচনা

কৰা হৈছে। এইবিধ প্ৰাকৃতক আদৰ্শ প্ৰাকৃত বা মান বিশিষ্ট (Standard) প্ৰাকৃতো আখ্যা দিয়া হয়। সেয়ে ইয়াৰ তুলনাতে আন প্ৰাকৃতৰ লক্ষণ আৰু বৈশিষ্ট্যবোৰ আলোচনা কৰা হয়। বৰৰুচি, হেমচন্দ্ৰ আদি প্ৰসিদ্ধ প্ৰাকৃত বৈয়াকৰণসকলেও মহাৰাষ্ট্ৰীৰ শ্ৰেষ্ঠত্ব স্বীকাৰ কৰি 'শেষং মহাৰাষ্ট্ৰীৱৎ' বুলি মন্তব্য কৰিছে। আচাৰ্য দণ্ডীয়েও তেওঁৰ *কাব্যাদৰ্শত* 'মহাৰাষ্ট্ৰী শ্ৰয়াং ভাষাং প্ৰকৃষ্ট প্ৰাকৃতং' বুলি মহাৰাষ্ট্ৰীকে প্ৰাকৃতৰ শ্ৰেষ্ঠ বুলি অভিহিত কৰিছে।

ভাষাৰ দিশতে নহয় সাহিত্যৰ দিশতো আন প্ৰাকৃতৰ তুলনাত এই প্ৰাকৃতৰ সাহিত্য যথেষ্ট চহকী। এই প্ৰাকৃতত ৰচিত মহাকাব্য প্ৰসৰসেনৰ *সেতুবন্ধ বা ৰাৱনবহো* বা *দহমুহবহো* অথবা গীতি-সাহিত্যৰ নিদৰ্শন হালৰ *গাহাসত্তসঈ* অথবা জয়বল্লভৰ দ্বাৰা সংগৃহীত *বজ্জালগ্গ* মহাৰাষ্ট্ৰী প্ৰাকৃতৰ অমৰ সৃষ্টি। উল্লেখযোগ্য যে সংগীতময়তা বা গীতিময়তা মহাৰাষ্ট্ৰী প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্য।

মহাৰাষ্ট্ৰীৰ উদ্ভৱ স্থল দাক্ষিণাত্যৰ উত্তৰাংশৰ পৰা মহাৰাষ্ট্ৰৰ ৰাজস্থান পৰ্যন্ত। মাৰাঠী ভাষাৰ উদ্ভৱ আৰু বিকাশত মহাৰাষ্ট্ৰী প্ৰাকৃতৰ যোগসূত্ৰ স্বীকাৰ কৰা হয়। ধ্বনিগত দিশত মহাৰাষ্ট্ৰীৰ তিনিটা প্ৰধান বৈশিষ্ট্য হ'ল —

- স্বৰ মধ্যস্থিত অল্পপ্ৰাণ ধ্বনিৰ লোপ হয়। যেনে— গচ্ছতি > গচ্ছই, ৰজনী > ৰঅণী।
- 'শ'/'ষ' প্ৰায়ে স হয়। যেনে— শাখা > সাহা, শীৰ্ষ > সীস।
- ঋ > উ, ই; আনহাতে ক্ষ > চ্ছ,ছ হয়। যেনে— ঋষি > ইসি, অক্ষি > অচ্ছি, ক্ষণ > ছণ।

৪.৬.২ শৌৰসেনী প্ৰাকৃত

বৰ্তমান মথুৰা-দিল্লী-মীৰাট আদি অঞ্চল সামৰি লোৱা প্ৰাচীন শূৰসেন দেশৰ নাম অনুযায়ী এই অঞ্চলৰ প্ৰাকৃতৰ নাম শৌৰসেনী। মহাৰাষ্ট্ৰীৰ সৈতে ইয়াৰ বৰ বেছি মৌলিক পাৰ্থক্য নাই। তদুপৰি সংস্কৃতৰ লগতো ইয়াৰ সম্বন্ধ নিকটৱৰ্তী। ইয়াৰ মূল কাৰণ হ'ল সংস্কৃত ভাষা-চৰ্চাৰ প্ৰধান কেন্দ্ৰভূমি 'মধ্যদেশ'ৰ শূৰসেন অঞ্চলতে এইবিধ প্ৰাকৃত গঢ় লৈ উঠিছিল। সংস্কৃত নাটকত সম্ভ্ৰান্ত নায়কে সংস্কৃতত আৰু নাৰী, বিদূষক, জ্যোতিষী আদিয়ে শৌৰসেনীত কথা-বতৰা পতালৈ চাই সংস্কৃতৰ সৈতে শৌৰসেনীৰ নিবিড় সম্বন্ধ আছে বুলি অনুমান কৰিব পাৰি। ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* শৌৰসেনী প্ৰাকৃতৰ শ্ৰেষ্ঠ কীৰ্তি।

মহাৰাষ্ট্ৰীৰ তুলনাত শৌৰসেনীৰ প্ৰধান কেইটামান ভাষাগত বৈশিষ্ট্য হ'ল—

- স্বৰ মধ্যস্থিত 'ত' মহাৰাষ্ট্ৰীত লোপ হোৱাৰ বিপৰীতে শৌৰসেনীত 'দ' হয়। যেনে— এতি > এই (মহাৰাষ্ট্ৰী), এদি (শৌৰসেনী); হিত > হিঅ (মহাৰাষ্ট্ৰী), হিদ

(শৌৰসেনী)।

- সপ্তমীৰ একবচন, 'স্মিন', মহাৰাষ্ট্ৰীত 'স্ম' হয় কিন্তু শৌৰসেনীত 'ম্হি' হয়। যেনে— সৱস্মিন্ > সব্ৱমহি।

বংগাৰু, বুন্দেলী, কনৌজী, কথ্য ৰাজস্থানী, ব্ৰজভাষা আদি পশ্চিমা হিন্দীৰ অন্তৰ্গত বিভিন্ন আধুনিক ভাৰতীয় আৰ্যভাষা-উপভাষা শৌৰসেনীৰ পৰাই হৈছিল বুলি সিদ্ধান্ত কৰা হৈছে।

৪.৬.৩ পৈশাচী প্ৰাকৃত

উত্তৰা-পশ্চিমা কথ্য ৰূপৰ ভিত্তিত পৈশাচী প্ৰাকৃতৰ জন্ম। পৈশাচী প্ৰাকৃতক সাহিত্যিক প্ৰাকৃতৰ অন্তৰ্ভুক্ত কৰা হৈছে যদিও ইয়াৰ কোনো সাহিত্য সম্পদ ৰচনাৰ প্ৰমাণ পোৱা নাযায়। তদুপৰি সংস্কৃত নাটককে ধৰি কোনো শিষ্ট সাহিত্যত ইয়াৰ প্ৰয়োগৰ প্ৰমাণ পোৱা নাযায়। অৱশ্যে লোকসাহিত্যত এই প্ৰাকৃতৰ যথেষ্ট সমাদৰ আছিল। খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ গুণাঢ্য নামৰ পণ্ডিত এজনে বিবিধ লোককথাৰ সমাৱেশেৰে পৈশাচীত *বড্ডকথা* (বৃহৎকথা) নামৰ গ্ৰন্থ এখন ৰচনা কৰে বুলি প্ৰসিদ্ধি আছে। অৱশ্যে মূল পৈশাচীত লিখা গ্ৰন্থখন বৰ্তমান লুপ্ত।

পৈশাচীৰ সৈতে শৌৰসেনীৰ মিল দেখা যায়। তদুপৰি দৰ্দ, কাফিৰ আৰু কাশ্মীৰী ভাষাৰ প্ৰাচীন স্তৰৰ লগত ইয়াৰ মিল থকাৰ কথা দুই-এজন ভাষাতাত্ত্বিকে উল্লেখ কৰিছে। হেমচন্দ্ৰই ব্যাকৰণত পৈশাচীৰ বিষয়ে আলোচনা কৰাৰ উপৰি 'চুলিগ পৈশাচী' নামে আন এক উপভাষাৰো উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও পাণ্ডেয়, পাঞ্চাল, কেকয় আদি পৈশাচী উপভাষাৰ নাম পোৱা যায়। পৈশাচী প্ৰাকৃতৰ কেইটামান উল্লেখযোগ্য ভাষাতাত্ত্বিক বৈশিষ্ট্য হ'ল —

- স্বৰ মধ্যৱৰ্তী ঘোষ ব্যঞ্জন অঘোষীভৱন হয়। যেনে— গগন > গকন, বাৰিদ > বাৰিত।
- শ, ষ > স হয়। যেনে— বিষম > বিসম, শীল > সিল।
- কৰ্মবাচ্যৰ য > - য্য হয়। যেনে— গীযতে > গিয্যতে।

৪.৬.৪ মাগধী প্ৰাকৃত

মাগধী ভাৰতৰ পূব অঞ্চলৰ প্ৰাকৃত। প্ৰাচীন মগধক কেন্দ্ৰ কৰি এইবিধ প্ৰাকৃত গঢ় লৈ উঠা বুলি অনুমান কৰা হৈছে। প্ৰাকৃত ভাষাবিদ উল্নাৱেও মগধকেই মাগধী প্ৰাকৃতৰ উৎপত্তি স্থল বুলি অভিহিত কৰিছে। এই প্ৰাকৃতৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাৰ অন্যতম ভাষাৰূপ ভোজপুৰী-মগহী-মৈথিলী আৰু অসমীয়া-বাংলা-ওৰিয়া এই ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ হয় বুলি সিদ্ধান্ত কৰা হৈছে।

মাগধী প্ৰাকৃতৰ সৰ্বপ্ৰাচীন সাহিত্যিক নিদৰ্শন জোগীমাৰা গুহাত প্ৰাপ্ত 'শুতনুকা' প্ৰত্নলিপিত পোৱা গৈছে। এই প্ৰাকৃত সংস্কৃত নাটকত অশিক্ষিত সাধাৰণ স্তৰৰ লোকৰ ভাষা হিচাপে ব্যৱহাৰ কৰা দেখা যায়। প্ৰাকৃত বৈয়াকৰণ পুৰুষোত্তম, মাৰ্কণ্ডেয় আদিয়ে শাকৰী, চাণ্ডালী, টক্কী বা ঢক্কী আদি কেইবাটাও এই প্ৰাকৃতৰ উপভাষা থকাৰ কথা উল্লেখ কৰিছে। মাগধী প্ৰাকৃতৰ ভাষাগত বিশেষত্ব কেইটামান হ'ল—

- শ ধ্বনিৰ প্ৰয়োগ মাগধী প্ৰাকৃতৰ ধ্বনিতাত্ত্বিক দিশত উল্লেখযোগ্য বৈশিষ্ট্য। যিটো ধ্বনি আন প্ৰাকৃতত দেখা নাযায়। যেনে— সপ্ত > শত্ত, সীতা > শীতা, পুৰুষ > পুলিশ।
- ৰ > ল হোৱা এই প্ৰাকৃতৰ আন এটা বৈশিষ্ট্য। যেনে— ৰাজ্য > লাজা, সুৰা > শুলা, ৰোহিতা > লোহিদ।
- জ > য হয়; যেনে — জানাতি > যাণাদি, সহজঃ > সহযে।
- স্বাৰ্থিক '-ক' প্ৰত্যয়ৰ প্ৰচুৰ প্ৰয়োগ মাগধীৰ ৰূপতত্ত্বৰ এটা প্ৰধান বৈশিষ্ট্য। যেনে — ভর্তৃকাঃ > ভষ্টকে।

৪.৬.৫ অৰ্ধ-মাগধী প্ৰাকৃত

প্ৰাচীন শূৰসেন আৰু মগধৰ মধ্যৱৰ্তী অঞ্চলৰ কথ্য ভাষাৰ ভিত্তিত এইবিধ প্ৰাকৃত গঢ় লৈ উঠিছিল। এইবিধ সাহিত্যিক প্ৰাকৃতৰ মাধ্যমত প্ৰধানভাৱে জৈন ধৰ্মমূলক সাহিত্য ৰচিত হৈছিল। সেয়ে এইবিধ প্ৰাকৃতক জৈন প্ৰাকৃত বুলিও কোৱা হয়। সম্ভৱতঃ মাগধী প্ৰাকৃতৰ প্ৰতিৱেশী আৰু মাগধীৰ সৈতে থকা ভাষাতাত্ত্বিক দিশৰ কিছু মিলৰ বাবেই এইবিধ প্ৰাকৃতে অৰ্ধ-মাগধী নাম পালে।

আধুনিক ভাৰতীয় আৰ্যৰ পূৰ্বী-হিন্দী শাখাৰ অৱধী, বঘেলী, ছত্তিশগড়ী আদিৰ সৈতে অৰ্ধ-মাগধীৰ সম্পৰ্ক আছে বুলি সিদ্ধান্তলৈ অহা হৈছে। ভাষাগত বৈশিষ্ট্যৰ ক্ষেত্ৰত উল্লেখযোগ্য হ'ল —

- 'ৰ' আৰু 'ল' দুয়োটা ধ্বনিয়েই অৰ্ধ-মাগধীত ব্যৱহাৰ দেখা যায়। যেনে— দাৰুণ > দাৰুণ, দালুন।
- স্বৰ মধ্যৱৰ্তী লুপ্ত ব্যঞ্জনৰ ঠাইত শ্ৰুতি 'য়'ৰ প্ৰয়োগ হয়। যেনে — সকল > সয়ল, শৃগাল > সিয়াল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ শ্ৰেষ্ঠ সাহিত্যিক প্ৰাকৃত বুলি কোনবিধ সাহিত্যিক প্ৰাকৃতক অভিহিত কৰা হয়?

.....

প্ৰশ্ন নং ১০ ঃ শৌৰসেনীৰ পৰা উদ্ভৱ হোৱা এটি উপভাষাৰ নাম লিখক।

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় আৰ্যভাষাৰ উপস্তৰসমূহৰ ভিতৰত খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ ভিতৰত কাল নিৰূপণ কৰা 'প্ৰাকৃত' স্তৰটো অন্যতম। প্ৰথম শতাব্দী বুলি ধৰি লোৱাৰ মূল কাৰণটো হ'ল এই শতাব্দীৰ পৰাই আচলতে সংস্কৃত নাটকত প্ৰাকৃতে প্ৰৱেশ কৰে।
- 'প্ৰাকৃত' নামৰ তাৎপৰ্য প্ৰসংগত বিভিন্ন পণ্ডিতৰ মত চালি-জাৰি ক'ব পাৰি যে ব্যাকৰণৰ নীতি-নিৰ্দেশনা বা ৰীতি-নীতিৰ দ্বাৰা সংস্কাৰ নোহোৱা প্ৰাকৃতজনৰ বা সাধাৰণ জনসাধাৰণৰ যি স্বাভাৱিক ভাষাৰূপ সিয়ে প্ৰাকৃত।
- 'প্ৰাকৃত' শব্দটোৰ প্ৰথম উল্লেখ পোৱা যায় খ্ৰীষ্টীয় দ্বিতীয় শতাব্দীৰ ভৰতৰ *নাট্যশাস্ত্ৰ* আৰু খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ দণ্ডীৰ *কাব্যাদৰ্শত*।
- বিভিন্ন উপস্তৰেৰে সংযুক্ত মধ্য ভাৰতীয় আৰ্যভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ বহুক্ষেত্ৰত মিল দেখা গ'লেও 'প্ৰাকৃত' উপস্তৰটিৰ নিজস্ব বৈশিষ্ট্যও কেতবোৰ আছে। এই সকলোবোৰ বৈশিষ্ট্য পালিতকৈও বহুক্ষেত্ৰত সৰল ৰূপত দেখা যায়।
- ধ্বনি পৰিৱৰ্তন ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। এই পৰিৱৰ্তন এক প্ৰক্ৰিয়াৰ মাধ্যমেৰেহে হয়। প্ৰাকৃততো এনে বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে ধ্বনিৰ পৰিৱৰ্তন হৈ ভাষাটোৱে সৰলীকৰণ ৰূপ লাভ কৰিছিল। এনে প্ৰক্ৰিয়াৰ ভিতৰত সমীভৱন, স্বৰভক্তি, স্বৰাগম, বৰ্ণ-বিপৰ্যয় আদি উল্লেখযোগ্য।
- মহাৰাষ্ট্ৰী, শৌৰসেনী, পৈশাচী, মাগধী আৰু অৰ্ধ-মাগধী — এই পাঁচবিধ সাহিত্যিক প্ৰাকৃতেৰে 'সাহিত্যিক প্ৰাকৃত' স্তৰটি সমৃদ্ধ। এই আটাইকেইটা প্ৰাকৃতেই আঞ্চলিক ৰূপৰ মাধ্যমত গঢ় লৈ উঠিছিল যদিও এই প্ৰাকৃতসমূহ সংস্কৃত ব্যাকৰণৰ আদৰ্শতহে গঢ় লৈ উঠিছিল। অৰ্থাৎ থোৱতে ক'ব পাৰি সংস্কৃতত প্ৰাকৃত বৈয়াকৰণসকলে প্ৰাকৃতৰ সাহিত্যিক ভাবাদৰ্শক লৌকিক বা থলুৱা ৰূপৰ পৰা গ্ৰহণ কৰি পৰিমাৰ্জিত ৰূপত একোটা সাহিত্যিক প্ৰাকৃত গঢ়ি তুলিছিল। সেয়েহে এই প্ৰাকৃতবোৰক কোনো-কোনোৱে কৃত্ৰিম প্ৰাকৃত ভাষা বুলি ক'ব খোজা দেখা যায়।



৪.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্‌লিছিং।

২) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৩) ফুকন পাটগিৰি, দীপ্তি (২০০৬); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৫) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্ৰন্থ ঃ

৬) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাব্‌লিশার্স প্রাইভেট্ লিমিটেড্।



৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভৰতৰ *নাট্যশাস্ত্ৰত*।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্যিক প্ৰাকৃত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যৌৱন।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অনুস্বাৰ (ং)ত পৰিণত হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মাগধী প্ৰাকৃতত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সমীভৱন।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ স্ৱাগম।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ মহাৰাষ্ট্ৰী প্ৰাকৃতক।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ কথ্য ৰাজস্থানী।



৪.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক

ক) প্ৰাকৃত স্তৰৰ সময় নিৰ্ধাৰণ কৰক।

খ) দুজন প্ৰাকৃত-বৈয়াকৰণৰ নাম লিখক।

গ) এখন প্ৰাকৃত গীতি-কাব্যৰ নাম লিখক।

ঘ) অসমীয়া ভাষা কোন প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে?

ঙ) *কৰ্পূৰ-মঞ্জৰী* কোন ভাষাত ৰচিত?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰাকৃত নামৰ তাৎপৰ্য ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাকৃতত সংস্কৃতৰ স্বৰধ্বনিৰ পৰিৱৰ্তন কেনেকৈ হৈছে লিখক।

প্ৰশ্ন ৩ ঃ সাহিত্যিক প্ৰাকৃতৰ উদ্ভৱ সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ চমুটোকা লিখক —

সমীভৱন, স্বৰভক্তি, স্বৰাগম, বৰ্ণ-বিপৰ্যয়, মহাৰাষ্ট্ৰী প্ৰাকৃত, শৌৰসেনী প্ৰাকৃত, মাগধী প্ৰাকৃত, প্ৰাকৃতৰ ৰূপতত্ত্ব, প্ৰাকৃতৰ ব্যঞ্জনধ্বনি।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাকৃত ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ পালি আৰু প্ৰাকৃতৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য কিবা আছে নে? যদি আছে কেনেবোৰ দিশত এনে পাৰ্থক্য দেখা যায় লিখক।

প্ৰশ্ন ৩ ঃ প্ৰাকৃতৰ শব্দৰূপৰ বৈশিষ্ট্য সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ৪ ঃ প্ৰাকৃতৰ ধাতুৰূপৰ বৈশিষ্ট্য সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ৫ ঃ সাহিত্যিক প্ৰাকৃত কাক বোলে? সাহিত্যিক প্ৰাকৃত কেইবিধ আৰু কি কি? প্ৰতিবিধৰে একোটি চমু পৰিচয় দিয়ক।

প্ৰশ্ন ৬ ঃ সাহিত্যিক প্ৰাকৃত কেইবিধ আৰু কি কি? শ্ৰেষ্ঠ প্ৰাকৃত কোনবিধ? ভাষাগত বৈশিষ্ট্যসহ বহলাই লিখক।

প্ৰশ্ন ৭ ঃ ধ্বনি পৰিৱৰ্তন প্ৰক্ৰিয়া মানে কি বুজে? উদাহৰণসহ বহলাই লিখক।

*** ***** ***

অধ্যায় ৫ ঃ মধ্য ভাৰতীয় আৰ্যভাষা — অপভ্রংশ স্তৰ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অপভ্রংশ-অৱহট্‌ঠৰ উদ্ভৱ আৰু বিকাশ

৫.৪ অপভ্রংশৰ আঞ্চলিক ৰূপ

৫.৫ অপভ্রংশৰ ভাষাগত বৈশিষ্ট্য

৫.৬ অৱহট্‌ঠ বা অৰ্বাচীন অপভ্রংশ আৰু ইয়াৰ শ্রেণী বিভাজন

৫.৭ অৱহট্‌ঠৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য

৫.৮ অপভ্রংশ-অৱহট্‌ঠৰ উমৈহতীয়া বৈশিষ্ট্য

৫.৯ অৱহট্‌ঠ আৰু অসমীয়া ভাষাৰ সাদৃশ্য

৫.১০ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

৫.১১ অধিক জানিবলৈ

৫.১২ অগ্রগতিৰ নিৰীক্ষণ

৫.১৩ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষ উপস্তৰ অপভ্রংশৰ কাল আৰু ভাষাগত পৰিৱর্তনসমূহৰ বিৱৰণ লাভ কৰিব পাৰিব
- অপভ্রংশৰ ভাষাগত পৰিৱর্তন অথবা বিকাশৰ ওপৰত ভিত্তি কৰি অপভ্রংশক যি দুটা শ্রেণীত বিভক্ত কৰা হৈছে সেই বিষয়েও জানিব পাৰিব
- অপভ্রংশ-অৱহট্‌ঠৰ ভাষাৰ মাজত ভাষাগত তুলনা কৰিব পাৰিব
- তদুপৰি অপভ্রংশৰ বিভিন্ন আঞ্চলিক ৰূপ আৰু অৱহট্‌ঠৰো বিভিন্ন উপস্তৰসমূহৰ বিৱৰণ লাভ কৰিব, লগতে অসমীয়াৰ সৈতে সম্বন্ধৰো সন্ভেদ পাবলৈ সক্ষম হ'ব।

৫.২ পৰিচয়

মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰটোৱে হ'ল অপভ্রংশ স্তৰ। অর্থাৎ সাহিত্যিক প্রাকৃত আৰু আধুনিক ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ মধ্যৱর্তী যিটো স্তৰ সেইটোৱে অপভ্রংশৰ স্তৰ। সময়ৰ বিচাৰত এই স্তৰটিৰ আনুমানিক স্থিতি কাল হ'ল খ্রীষ্টীয় ষষ্ঠ শতিকাৰ পৰা দশম শতিকালৈ। অৱশ্যে এইখিনিতে এটা কথা কৈ থোৱা সমীচীন হ'ব যে যদিও কথ্য অপভ্রংশৰ ব্যৱহাৰহে

খ্ৰীষ্টীয় দশম শতিকালৈ আছিল, অপভ্রংশৰ সাহিত্যৰ ধাৰাটো কিন্তু প্ৰায় খ্ৰীষ্টীয় পঞ্চদশ শতাব্দী পৰ্যন্ত অব্যাহত আছিল। যিহেতু দশম শতাব্দীতে কথ্য ৰূপটোৰ অন্ত পৰিছিল, গতিকে তাৰ ওপৰত ভিত্তি কৰিয়ে এই স্তৰটিৰ সময়সীমা দশম শতিকালৈকে ধৰা হৈছে।

স্মৰ্তব্য যে এই স্তৰটিক সামগ্ৰিকভাৱে অপভ্রংশ স্তৰ বুলি অভিহিত কৰা হয় যদিও এই সময়ছোৱাত ভাষাটোৱে সৰু-বৰ আন বহুকেইটা উপস্তৰত বিভক্ত হৈ পৰিছিল। তাৰে এটা স্পষ্ট শ্ৰেণী বা স্তৰ হ'ল অৱহট্‌ঠ স্তৰ। গতিকে অপভ্রংশ স্তৰ বোলাতকৈও মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষৰ এই স্তৰটিক অপভ্রংশ-অৱহট্‌ঠৰ স্তৰ বা যুগ বোলাহে অধিক প্ৰাসংগিক হ'ব যেন লাগে।

সি যি কি নহওক আমি এই অধ্যায়ত অপ্ৰভ্রংশ-অৱহট্‌ঠৰ উদ্ভৱ আৰু বিকাশকে আদি কৰি ভাষাৰূপটোত দেখিবলৈ পোৱা ভাষাতাত্ত্বিক বৈশিষ্ট্য, শ্ৰেণীবিভাজন আৰু পৰস্পৰে পৰস্পৰৰ সৈতে থকা ভাষাগত বিভিন্নতা বা সম্পৰ্ক — এইসমূহ কথা বহলাই আলোচনা কৰিম।

৫.৩ অপভ্রংশ-অৱহট্‌ঠৰ উদ্ভৱ আৰু বিকাশ

ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত অপভ্রংশ-অৱহট্‌ঠ ভাষাৰ গুৰুত্ব সদায় আছে। অপভ্রংশ বা অপভ্রংশ-অৱহট্‌ঠৰ স্থিতিকাল সম্পৰ্কে আমি ইতিমধ্যে অধ্যায়টিৰ আৰম্ভণিতে উল্লেখ কৰি আহিছোঁ; লগতে উল্লেখ কৰি আহিছোঁ যে সাহিত্যিক প্ৰাকৃত আৰু আধুনিক ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ মধ্যৱৰ্তী স্তৰটোৱেই অপভ্রংশ স্তৰ। 'অপভ্রংশ' শব্দটোৰ প্ৰসংগত এচাম পণ্ডিতৰ মত এই ক্ষেত্ৰত অতিকে গুৰুত্বপূৰ্ণ। যিসকলে সাহিত্যিক প্ৰাকৃত ভাষাই সময়ৰ লগে লগে সৰলতাৰ ফালে গতি কৰা আৰু এই সৰলতৰ ৰূপ পৰিগ্ৰহণ কৰি উদ্ভৱ হোৱা ৰূপটোকে 'অপভ্রংশ' আখ্যা দিছিল। এইচাম পণ্ডিতৰ ভিতৰত গ্ৰীয়াৰ্ছন, পিশেল, সুনীতি কুমাৰ চট্টোপাধ্যায়, উল্‌নাৰ, সুকুমাৰ সেনেই প্ৰধান। এইসকল পণ্ডিতে এইটো ধাৰণা কৰি লৈছিল যে প্ৰত্যেক সাহিত্যিক প্ৰাকৃতৰ একোটা অপভ্রংশ ৰূপ আছিল আৰু তাৰ পৰাই নব্য ভাৰতীয় আৰ্যভাষাবোৰৰ উদ্ভৱ আৰু বিকাশ হ'বলৈ আৰম্ভ কৰে। অৰ্থাৎ সাহিত্যিক প্ৰকৃত আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ মধ্য স্থানৰ ভাষা ৰূপটোৱে অপভ্রংশ। তেওঁলোকে অপভ্রংশৰ বিকাশৰ ধাৰণাটো এনেধৰণে দিব বিচাৰে, — মহাৰাষ্ট্ৰী প্ৰাকৃত > মহাৰাষ্ট্ৰী অপভ্রংশ > মাৰাঠী; মাগধী প্ৰাকৃত > মাগধী অপভ্রংশ > অসমীয়া, বাংলা, ওড়ীয়া, মৈথিলী, মগহী, ভোজপুৰী; শৌৰসেনী প্ৰকৃত > শৌৰসেনী অপভ্রংশ > পশ্চিমা হিন্দী, গুজৰাষ্টী, ৰাজস্থানী; অৰ্ধ-মাগধী প্ৰাকৃত > অৰ্ধ মাগধী অপভ্রংশ > পূৰ্বী হিন্দী ইত্যাদি। এইদৰে প্ৰত্যেক প্ৰাকৃতৰে একোটা অপভ্রংশ ৰূপ কল্পনা কৰা হৈছে যদিও বহু পণ্ডিতে এই ধাৰণাটোক অস্বীকাৰ কৰে। তদুপৰি শৌৰসেনীৰ বাহিৰে আন প্ৰাকৃতৰ কোনো অপভ্রংশৰ নিদৰ্শনো পোৱা নাযায় গতিকে এই ধাৰণাত কিছু বিসংগতি নথকা নহয়। দ্বিতীয়তে অপভ্রংশৰ স্তৰ বা সময় খ্ৰীষ্টীয় ষষ্ঠৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈকে ধৰা হয়। কিন্তু 'অপভ্রংশ' শব্দটোৰ ইতিহাস অনুধাৱন কৰিলে তাৰ বহু পূৰ্বেই এই শব্দৰ যে প্ৰয়োগ আছিল তাক জানিব পাৰি। খ্ৰীঃ পূঃ দ্বিতীয় শতাব্দী বুলি অনুমান কৰা পতঞ্জলিৰ *মহাভাষ্যতে* প্ৰথম 'অপভ্রংশ' শব্দটোৰ প্ৰয়োগ

দেখা যায়। তদুপৰি আনুমানিক খ্ৰীষ্টাব্দ তৃতীয় শতাব্দীমানৰ ভৰতৰ *নাট্যশাস্ত্ৰতো* প্ৰাকৃত-তদ্ভৱ শব্দৰ অৰ্থত 'বিভ্ৰষ্ট' শব্দটো পোৱা যায়। পতাঞ্জলিৰ *মহাভাষ্যত* পোৱা শব্দটোৰ অৰ্থ অ-পাণিনীয় বা সংস্কৃত আদৰ্শ-ভ্ৰষ্ট অপশব্দক বুজাইছিল। শব্দটোৱে কোনো ভাষা ৰূপক নিৰ্দেশ নকৰিলেও ষষ্ঠ শতাব্দীৰ অপভ্ৰংশ শব্দৰ সৈতে অৰ্থগত বিশেষ পাৰ্থক্য নাছিল। গতিকে খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ বহু পূৰ্বেই অপভ্ৰংশ শব্দটো যে পোৱা যায় তাত সন্দেহ নাই। অৱশ্যে অপভ্ৰংশ স্তৰৰ ব্যাখ্যা কৰিলে ষষ্ঠ শতাব্দীৰ পৰাহে ধৰা হয়। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতিকালৈ অপভ্ৰংশৰ বিকাশৰ গতি-প্ৰকৃতিলৈ লক্ষ্য ৰাখি দুটা ভাগত ভাগ কৰা হৈছে — ক) প্ৰাচীন অপভ্ৰংশ আৰু খ) অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ। সাহিত্যিক প্ৰাকৃতৰ পৰৱৰ্তী স্তৰটোৱেই প্ৰাচীন অপভ্ৰংশ, আনহাতে নব্য ভাৰতীয় আৰ্যভাষাৰ পূৰ্বৱৰ্তী স্তৰটোৱে অৰ্বাচীন অপভ্ৰংশ বা অবহট্‌ঠ। সুকুমাৰ সেনৰ মতে ক'বলৈ গ'লে মধ্য ভাৰতীয় আৰ্যভাষাৰ যি সাৰ্বজনীন ভাষাৰূপটো অ-শিষ্ট লোকসাহিত্যৰ বাহক হৈ উঠিছিল, সেইটোৱে হ'ল অপভ্ৰংশ আৰু এই অপভ্ৰংশৰ অৰ্বাচীন ৰূপটোৱে হ'ল অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশ, যি ভাষাৰূপ নব্য ভাৰতীয় আৰ্যৰ জনকস্বৰূপ।

এইদৰে অপভ্ৰংশ শব্দৰ প্ৰয়োগ, অৰ্থ বিচাৰ অথবা ভাষাগত বিশ্লেষণ সন্দৰ্ভত বহু কথাই পোৱা যায়। গতিকে 'অপভ্ৰংশ' শব্দৰ প্ৰথম প্ৰয়োগৰ পৰা আৰম্ভ কৰি অপভ্ৰংশ সাহিত্যৰ প্ৰাচীন-অৰ্বাচীন নিদৰ্শনসমূহৰ বিচাৰ-বিশ্লেষণ কৰি অপভ্ৰংশৰ নিম্ন লিখিত তিনিটা প্ৰধান বিকাশৰ ধাৰা দেখুৱাব পাৰি।

- অপভ্ৰংশৰ প্ৰথম স্তৰ। এই স্তৰৰ সময় খ্ৰীঃ পূঃ দ্বিতীয় শতাব্দী অৰ্থাৎ পতঞ্জলিৰ সময়ৰে পৰা খ্ৰীষ্টীয় তৃতীয় শতাব্দী পৰ্যন্ত ধৰা হৈছে। এই স্তৰত অপভ্ৰংশ শব্দটোৱে অ-সংস্কৃত বা অ-প্ৰাকৃত অপশব্দকহে বুজাইছিল; কোনো ভাষাৰূপক নিৰ্দেশ কৰা নাছিল।
- অপভ্ৰংশৰ দ্বিতীয় স্তৰ। এই স্তৰৰ সময় হ'ল খ্ৰীষ্টীয় তৃতীয় শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকা পৰ্যন্ত। এই সময়ছোৱাতে সাহিত্যত অপভ্ৰংশ ভাষা ৰূপে প্ৰৱেশ কৰে। দৰাচলতে এইটোৱে প্ৰাচীন অপভ্ৰংশৰ স্তৰ।
- অপভ্ৰংশৰ তৃতীয় স্তৰ। এই স্তৰৰ সময় খ্ৰীষ্টীয় ষষ্ঠৰ পৰা দশম-দ্বাদশ শতাব্দী পৰ্যন্ত ধৰা হৈছে। এইটোৱে অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠৰ স্তৰ আৰু এই স্তৰৰ পিছতে নব্য ভাৰতীয় আৰ্যভাষাৰ জন্মলগ্ন সূচিত হয়।

এইদৰে অপভ্ৰংশৰ উদ্ভৱ আৰু বিকাশ বা ক্ৰমবিকাশৰ গতি-প্ৰকৃতি সম্পৰ্কে জানিব পাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰটোৰ নাম কি?

.....

প্ৰশ্ন নং ২ ঃ মাগধী অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা দুটা আধুনিক

ভাৰতীয় আৰ্যভাষাৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ ঃ অপভ্রংশ শব্দটোৰ প্ৰথম ক'ত উল্লেখ পোৱা যায়?

.....

৫.৪ অপভ্রংশৰ আঞ্চলিক ৰূপ

আমি জানো যে খ্ৰীঃপূৰ্বৰ সময়ছোৱাত 'অপভ্রংশ' শব্দৰ সূচনা হৈছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ খ্ৰীষ্টীয় ষষ্ঠত আলংকাৰিক আৰু প্ৰকৃত বৈয়াকৰণসকলে অপভ্রংশকো সাহিত্যিক প্ৰাকৃতৰ দৰেই স্বতন্ত্ৰ ভাষাৰূপে স্বীকৃতি প্ৰদান কৰিছিল। একাদশ শতাব্দীৰ প্ৰাকৃত বৈয়াকৰণ পুৰুষোত্তমে এই অপভ্রংশক তিনিটা আঞ্চলিক ৰূপত ভাগ কৰি দেখুৱাইছিল। তেওঁৰ মতে আঞ্চলিক ৰূপ কেইটা হ'ল — নাগৰক, ব্ৰাচডক আৰু উপনাৰক। বৈয়াকৰণ মাৰ্কণ্ডেয়ো নাগৰক, ব্ৰাচডক আৰু উপনাগৰক এই তিনিটাৰ কথা উল্লেখ কৰিছে। সমিসাধুৱে অপভ্রংশৰ তিনিটা ৰূপৰ কথা স্বীকাৰ কৰিছে যদিও তেওঁৰ বিভাজন হ'ল— উপনাগৰ, আভাষ আৰু গ্ৰাম্য। পুৰুষোত্তমে কৰা বিভাজনক প্ৰায় একমুখে মানি লোৱা ভাষাবিদসকলৰ দুজন প্ৰখ্যাত ভাষাবিদ হ'ল — হাৰমেন যাকোবি (Hermann Jacobi) আৰু আনজন গ্ৰীয়াৰ্ছন। গ্ৰীয়াৰ্ছনে নাগৰক গুজৰাটৰ লগত, উপনাগৰক ৰাজস্থানৰ লগতে দক্ষিণ পঞ্জাবৰ লগত আৰু ব্ৰাচডক সিন্ধুদেশৰ লগত যুক্ত বুলি মত দিয়ে। নাগৰক অপভ্রংশৰ ভাষাগত প্ৰধান বৈশিষ্ট্য হ'ল — শ আৰু ষ-ৰ ঠাইত স, য > জ; ণ > ন হোৱা, অন্ত ই উ অনুনাসিকত পৰিণত হোৱা; দীৰ্ঘ স্বৰ > হ্ৰস্বস্বৰ হোৱা; নিয়মবিহীন লিংগ প্ৰকৰণেই প্ৰধান। সেইদৰে ব্ৰাচডক অপভ্রংশৰ ভাষাগত প্ৰধান বৈশিষ্ট্য দুটামান হ'ল — ষ, স > শ হোৱা; পদৰ আদিত থকা ত > ট হোৱা অথবা ড > দ হোৱা তদুপৰি 'চ' বৰ্গৰ ধ্বনিসমূহৰ স্পষ্ট তালব্য উচ্চাৰণ হোৱা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পুৰুষোত্তমৰ মতে অপভ্রংশৰ আঞ্চলিক ৰূপ কেইটা আৰু কি কি?

.....

৫.৫ অপভ্রংশৰ ভাষাগত বৈশিষ্ট্য

পালি-প্ৰাকৃত ভাষা সংস্কৃতৰ পৰা যিমান সৰল আছিল; সংস্কৃত, পালি-প্ৰাকৃত উভয় ৰূপৰ পৰা অপভ্রংশ তাতকৈও বেছি সৰল আছিল। অপভ্রংশত জনসাধাৰণৰ কথ্য-ৰূপেই মূল ভিত্তি হোৱা বাবে সম্ভৱতঃ এই সৰলতা দেখা গৈছিল। এইখিনিতে আন এটা কথা উল্লেখ কৰিবলগীয়া যে পালি-প্ৰাকৃত সংস্কৃতৰ তুলনাত যথেষ্ট সৰল হ'লেও নানা দিশত সংস্কৃতৰ

প্রভাৱো কিন্তু নপৰাকৈ থকা নাই। এইক্ষেত্রত অপভ্রংশ যথেষ্ট মুক্ত। অর্থাৎ সংস্কৃতৰ পৰা অপভ্রংশ বহু যোজন আঁতৰত বুলিব লাগিব। সংস্কৃত ব্যাকৰণৰ আদর্শ প্রাকৃত ব্যাকৰণে অনুসৰণ কৰিলেও, প্রাকৃত ব্যাকৰণৰ নিয়ম-শৃংখলা অপভ্রংশত ৰক্ষিত হোৱা নাই। গতিকে অপভ্রংশৰ ব্যাকৰণিক বৈশিষ্ট্য সুকীয়া হোৱাই স্বাভাৱিক। এনে ব্যাকৰণৰ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল।

- **ধ্বনিগত বৈশিষ্ট্য ঃ**
  - *স্বৰধ্বনি ঃ*
    - স্বৰধ্বনিৰ পাৰস্পৰিক স্থান পৰিৱর্তন অর্থাৎ এটা স্বৰৰ ঠাইত আন এটাৰ ব্যৱহাৰ অপভ্রংশৰ এটা প্রধান স্বৰধ্বনিগত বৈশিষ্ট্য। যেনে —
      তৃণ > প্রাকৃত - তিণ > অপভ্রংশ - তিণ, তণু,
      পৃষ্ঠ > প্রাকৃত - পুট্ঠি > অপভ্রংশ - পট্ঠি, পুট্ঠি
    - অন্ত ই-কাৰ আৰু উ-কাৰৰ অনুনাসিকতা অপভ্রংশৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। যেনে — ভনতি > ভণঁই, অংগানি > অংগইঁ।
    - দীর্ঘস্বৰৰ হ্রস্বতা লাভ। যেনে— তৰুণী > তৰুণি, স্থলী, থলী > থলি।
    - 'উ'- ৰ পূর্বৱর্তী 'ম' লোপ পায়। যেনে— যমুনা > জউনা, সম্পূর্ণ > সউণ্ণূ।
    - স্বৰ সংকোচন অপভ্রংশৰ আন এটা বৈশিষ্ট্য। যেনে— অন্ধকাৰে > অন্ধাৰি, ভাণ্ডাগাৰ > ভণ্ডাৰ।
  - *ব্যঞ্জন ধ্বনি ঃ*
    - স্বৰ মধ্যস্থিত ম > ৱঁ হয়। যেনে— কুমৰ > কুৱঁৰ, গ্রাম > গাঁৱ।
    - ৱ-কাৰ উ-কাৰত পৰিণত হয়। যেনে— স্বভাৱ > সহাউ, আহৱ > আহউ।
    - 'শ', 'ষ' আৰু 'স' 'হ'-ত পৰিণত হোৱাৰ প্রৱণতা দেখা যায়। যেনে— এষ > এহ, দ্বাদশ > বাৰহ, তস্য> তস্স, তাহ ইত্যাদি।
    - 'য'- ধ্বনিৰ পৰিৱর্তন। যেনে— বাণিজ্য > বণিজ্জ।
    - উদ্বৃত স্বৰধ্বনিৰ ক্ষেত্রত 'ৱ' শ্রুতিৰ আগম অপভ্রংশৰ আন এটা ব্যঞ্জন ধৱনিৰ ক্ষেত্রত প্রধান বৈশিষ্ট্য। যেনে — সুত > সুৱ, সুভগ > সুহৱ।
- **ৰূপগত বৈশিষ্ট্য ঃ**
  - *শব্দৰূপগত ঃ*
    - অপভ্রংশত অ, ই আৰু উ — এই তিনি কাৰন্ত শব্দৰূপ দেখা যায় যদিও 'অ'-কাৰন্ত শব্দৰূপৰ প্রাধান্য দেখিবলৈ পোৱা যায়। অর্থাৎ অপভ্রংশৰ শব্দৰূপ বুলিলে অ-কাৰন্ত শব্দৰূপেই বুজিব লাগিব।
    - বিভক্তিৰ পৰিৱর্তে কাৰকত ব্যাপক ৰূপত অনুসর্গৰ ব্যৱহাৰ দেখা যায়। তেনে কেইটামান অনুসর্গ হ'ল— সম্বন্ধ পদত 'কেৰ', কেৰঅ, কৰনত 'তন', 'সোঁ', 'সহুঁ' ইত্যাদি।
    - বিভিন্ন কাৰক একাকাৰ হৈ মাথোন তিনিটা কাৰকৰহে উপস্থিতি থাকিল — কর্তা,

কৰণ আৰু সম্প্ৰদান-অপাদান-সম্বন্ধ।

- হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতাৰ বাবে লিংগৰ পাৰ্থক্য লোপ পালে। স্ত্ৰীলিংগ শব্দ বহুতেই পুংলিংগৰ ৰূপ লোৱাৰ উপৰি স্ত্ৰীলিংগ নাইকিয়া হ'ল।
- স্বাৰ্থিক প্ৰত্যয়ৰ ব্যাপক প্ৰয়োগ অপভ্রংশৰ আন এটা প্ৰধান বৈশিষ্ট্য। অ, -ড,- উল্ল আদি স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ অপভ্রংশত বিশেষভাৱে দেখা যায়।

➢ *ধাতুৰূপগত ঃ*

- অপভ্রংশৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্যটোৱে কাল আৰু ভাব প্ৰকাশক 'ল' - কাৰৰ সীমিত প্ৰয়োগ। কাৰ্যত 'ল' -কাৰ থাকিল মাথোন তিনিটা — লট্ বা বৰ্তমান নিৰ্দেশক, লোট বা অনুজ্ঞা আৰু লৃট্ বা সাধাৰণ ভৱিষ্যৎ।
- বিভিন্ন কালত 'শতৃ' প্ৰত্যয়ান্ত পদৰ প্ৰয়োগ দেখা যায়। যেনে— চল্লংতিয়, চায়ংতী।
- সৰ্বনাম পদৰ ভালেমান নতুন ৰূপৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। যেনে— তুম্হাৰ, আম্ হাৰ; তুহু, তুহ, মহু; তুম্হে অম্হে; এহ, তেহ, জেহ, কেহ ইত্যাদি।
- দেশী শব্দৰ বহুল প্ৰয়োগ ৰূপগত দিশৰ আন এটা বৈশিষ্ট্য। অৰ্থাৎ অপভ্রংশত সংস্কৃত অথবা পালি-প্ৰাকৃতৰ তুলনাত দেশী শব্দৰ ব্যৱহাৰ প্ৰচুৰ।
- সংস্কৃতৰ প্ৰভাৱহীনতা অপভ্রংশৰ আন এটি বৈশিষ্ট্য। তদুপৰি ছন্দৰ ক্ষেত্ৰত সমমাত্ৰিকতা আৰু অন্ত্যানুপ্ৰাস বৈশিষ্ট্যমূলক হিচাপে অপভ্রংশত প্ৰয়োগ ঘটিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ লিখক —

ক) সংস্কৃতৰ সৈতে অপভ্রংশৰ সম্পৰ্ক পোনপটীয়া।

খ) অপভ্রংশৰ শব্দৰূপ মানে অ-কাৰন্ত শব্দৰূপ।

.....

৫.৬ অৱহট্ঠ বা অৰ্বাচীন অপভ্রংশ আৰু ইয়াৰ শ্ৰেণী বিভাজন

অপভ্রংশৰ স্তৰ বিভাজনৰ আলোচনাত দেখুওৱা তৃতীয় স্তৰটোৱে হৈছে অৰ্বাচীন অপভ্রংশ বা অৱহট্ঠৰ স্তৰ। সাহিত্যিক-অপভ্রংশৰ বিকৃত বা অপভ্রষ্ট ৰূপ হোৱা কাৰণেই ই নাম পালে 'অপিভ্রষ্ট' বা 'অৱহট্ঠ' অথবা 'লৌকিক' আৰু একেবাৰে শেষৰ পৰিচিত নামটো হ'ল 'অৱহট্ঠ'। শব্দটোৰ ক্ৰমবিকাশ এনেদৰে দেখুওৱা হৈছে — অপভ্রষ্ট + বিভ্রষ্ট > অপভ্রষ্ট > অপিভ্রষ্ট > অৱিহট্ঠ > অৱহট্ঠ। এই অৱহট্ঠ ভাষাৰূপটো প্ৰাচীন অপভ্রংশতকৈ বহু পৰিমাণে সুকীয়া সেয়ে ই অৰ্বাচীন; তদুপৰি জনসাধাৰণৰ কথ্য ভাষাৰ বিভিন্ন উপাদান এই ৰূপটোত পৰিলক্ষিত হোৱা বাবে ই লৌকিক।

সামগ্ৰিকভাৱে এই স্তৰটোক অৱহট্ঠ বা অৰ্বাচীন অপভ্রংশ বুলি কোৱা হৈছে যদিও এই

অৱহট্‌ঠৰো ভাষাগত বিভিন্নতা দেখা গৈছিল। এই ভাষাগত বিভিন্নতা ধৰা পৰিছিল প্ৰাপ্ত অপভ্ৰংশ সাহিত্যখিনিৰ মাজত। ভাষাগত বিভিন্নতা বা ভাষাগত বৈশিষ্ট্যৰ ফালৰ পৰা অৱহট্‌ঠকো আকৌ দুটা স্তৰত ভাগ কৰা হৈছে — এটা প্ৰাচীন অৱহট্‌ঠ আৰু আনটো লৌকিক বা দেশী অৱহট্‌ঠ। ইয়াৰ প্ৰথমটো স্তৰ অপভ্ৰংশ অনুসৃত আৰু আনটো দেশীয় কথ্য ৰূপৰ উপাদানৰ সমাহাৰত গঠিত।

উল্লেখযোগ্য যে অপভ্ৰংশৰ অনুসৰণত সৃষ্ট অৱহট্‌ঠৰ লগত নব্য ভাৰতীয় আৰ্যৰ যোগসূত্ৰ পোনপটীয়া নহয়। তাৰ তুলনাত কিন্তু লৌকিক অৱহট্‌ঠৰ সৈতে নব্য ভাৰতীয় আৰ্যভাষাৰ যোগসূত্ৰ বহু পৰিমাণে ওচৰচপা। খ্ৰীষ্টীয় দশম-দ্বাদশ শতাব্দী এই স্তৰটিৰ স্থিতিকাল বুলি অনুমান কৰা হৈছে। দৰাচলতে এই স্তৰটিকেই নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ 'উপক্ৰম পৰ্ব' বুলি কোৱা হয়। অৱহট্‌ঠৰ উপযুক্ত সাহিত্যিক নিদৰ্শন হ'ল পিংগলাচাৰ্যৰ *প্ৰাকৃত পৈংগল* অথবা *চৰ্যাপদ* সমূহ; আব্দুল ৰহমানৰ *সন্দেশ ৰাসক*, বিদ্যাপতিৰ *কীৰ্তিলতা, কীৰ্তিপতাকা* ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উপক্ৰম পৰ্ব বুলি অৱহট্‌ঠৰ কোনটো স্তৰক কোৱা হয়?

.....

প্ৰশ্ন নং ৭ ঃ 'লৌকিক অৱহট্‌ঠ'ৰ লৌকিক শব্দটোৱে কি সূচায়?

.....

প্ৰশ্ন নং ৮ ঃ এবিধ অৱহট্‌ঠ সাহিত্যৰ সাহিত্যিক নিদৰ্শন উল্লেখ কৰক।

.....

৫.৭ অৱহট্‌ঠৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য

প্ৰাচীন অৱহট্‌ঠ আৰু লৌকিক অৱহট্‌ঠক সামৰি সামগ্ৰিকভাৱে অৱহট্‌ঠৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ এনেধৰণৰ—

- উদ্বৃত স্বৰ সংকোচন অৱহট্‌ঠৰ এটা প্ৰধান বৈশিষ্ট্য। যেনে — অন্ধকাৰ > আন্ধাৰ, জানিত > জাণী, ৰাজা > ৰাই।
- পদমধ্যস্থিত এ > ই আৰু ও > উ হয়। যেনে— মৰে > মণি, দেৱঃ > দেৱো > দেত্ত > দেউ।
- পদৰ আদি বা মধ্যত থকা এ > ই হয়। যেনে— এক > এক্ক > ইক্ক, প্ৰেক্ষ > পেক্খ > পিক্খি।
- পদমধ্যস্থিত অম্-ৰ-স্ লোপ আৰু কেতিয়াবা উ-লৈ পৰিৱৰ্তন হয়। যেনে— নৰম্ > নৰ, নগৰম্ > ণআৰু, প্ৰাকৃতম্ > পায়উ।
- লিংগ পৰিৱৰ্তনৰ নিয়মৰ শিথিলতা অৱহট্‌ঠৰ এটা প্ৰধান বৈশিষ্ট্য।

- ষষ্ঠীৰ একবচনত -হ বিভক্তিৰ প্রয়োগ দেখা যায়। যেনে— তৰ > তুহ, মুগ্ধায়াঃ > মুগ্ধহ।
- ক্ষুদ্রার্থবাচক -ইক প্রত্যয়ৰ যোগত স্ত্রীলিংগ গঠন কৰা হয়।
- তৃতীয়াৰ একবচনত -এঁ বিভক্তিৰ ব্যৱহাৰ হয়। যেনে — পুত্রেণ > পুত্তেঁ, জাতেন > জাত্রঁ।
- বিভক্তিহীনতা অৱহট্ঠৰ আন এটি মন কৰিবলগীয়া বিশেষত্ব।
- -ড আৰু -ঊল্ল স্বার্থিক প্রত্যয়ৰ প্রয়োগ প্রচুৰ। যেনে— দেশ > দেসডঅ; অৰন্য > ৰণ্নডঅ।
- কাৰক তিনিটা — কর্তা-কর্ম, সম্প্রদান-অপাদান সম্বন্ধ আৰু অধিকৰণ-কৰণ।
- দেশী শব্দ অর্থাৎ অসংস্কৃত শব্দৰ প্রয়োগ অৱহট্ঠৰ আন এটি মন কৰিবলগীয়া বিশেষত্ব। কেইটামান উল্লেখযোগ্য দেশী শব্দৰ নিদর্শন তলত উল্লেখ কৰা হ'ল — কিবি, সংঝসিয়, সিঅণ, ৰেহংতি, কুট্টি, চল্লহি, চল্ল, তুৰক্কি, ঝসুৰ, ঘল্লই, পিকি, ৰংক, বড়্ডাই, ইত্যাদি। দেশী শব্দৰ বাহিৰেও দুই-এটি আৰবী, ফাৰ্চী ভাষাৰ শব্দও অৱহট্ঠত সোমাইছিল।

৫.৮ অপভ্রংশ-অৱহট্ঠৰ উমৈহতীয়া বৈশিষ্ট্য

অপভ্রংশ ভাষাৰূপৰ সূচনাৰ পৰা অপভ্রংশৰ একেবাৰে শেষ প্রান্ত অর্থাৎ লৌকিক বা দেশী অৱহট্ঠলৈকে কালৰ ফালৰ পৰা এক সুদীর্ঘ পৰিক্রমা। গতিকে প্রাকৃতৰ শেষ স্তৰৰ পৰা নব্য ভাৰতীয় আর্যভাষাৰ উক্মুকনিলৈকে এই দীঘলীয়া সময়ছোৱাত ভাষাগত দিশত বিভিন্ন পৰিৱর্তন ঘটাবলৈ সক্ষম হৈছিল। সেই পৰিৱর্তনৰ ওপৰত ভিত্তি কৰিয়েই অপভ্রংশক প্রাচীন অপভ্রংশ আৰু অর্বাচীন অপভ্রংশ বা অৱহট্ঠ এই দুটা বহল ভাগত ভাগ কৰা হৈছিল। যদিও ভাষাগত পার্থক্যৰ ওপৰত ভিত্তি কৰিয়ে এই দুটা ভাগত ভাগ কৰা হৈছে তথাপি এনে কিছুমান বিশেষত্ব দেখা যায় যিবোৰ বিশেষত্ব অপভ্রংশ আৰু অৱহট্ঠ উভয় ৰূপত দেখা যায়। সেয়েহে দুয়োটা ৰূপতে দেখা এনে বৈশিষ্ট্যবোৰক উমৈহতীয়া বৈশিষ্ট্য বুলি ধৰা হৈছে। এই বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল —


- এক স্বৰৰ পৰিৱর্তে আন এক স্বৰৰ ব্যৱহাৰ অপভ্রংশ আৰু অৱহট্ঠ দুয়োটা ভাষাৰূপৰে উমৈহতীয়া লক্ষণ।
- অন্ত্যস্থিত দীর্ঘস্বৰ হ্রস্বস্বৰত পৰিণত দুয়োটা ৰূপতে দেখা যায়।
- স্বৰ সংকোচন, পদান্ত ম > ং > ৱঁ হোৱা, সংযুক্ত 'ৰ'-ৰ লোপ অথবা পদান্ত 'ই' নাসিক্য হোৱা লক্ষণো দুয়োটা ভাষাৰূপতে পৰিলক্ষিত হোৱা দেখা যায়।
- অ-কাৰন্ত শব্দৰ প্রথমা একবচনত 'উ' ৰ বহুল প্রয়োগ, বিভক্তিহীন কাৰকৰ প্রয়োগ অপভ্রংশ-অৱহট্ঠ দুয়োৰে এটা প্রধান বৈশিষ্ট্য।
- তুমুর্থক আৰু লঙ্ত্যর্থক অসমাপিকাৰ পাৰস্পৰিক বিনিময় অর্থাৎ দুই ক্ষেত্রত '-ত্রৰি', '-ত্রৰিনু', 'ত্রপ্পি', -'এপ্পিনু' আদিৰ প্রয়োগ দেখা যায়।

উমৈহতীয়া লক্ষণ কম হ'লেও এইদৰে দুই-এটা দিশত সাদৃশ্যগত লক্ষণ চকুত নপৰাকৈ নাথাকে।

৫.৯ অৱহট্‌ঠ আৰু অসমীয়া ভাষাৰ সাদৃশ্য

অৱহট্‌ঠৰ সৈতে অসমীয়া ভাষাৰ কিছুমান সাদৃশ্য বিশেষকৈ ৰূপতাত্ত্বিক দিশত দেখা গৈছে। অৱশ্যে এইবোৰক সাদৃশ্য বোলাতকৈও অৱহট্‌ঠৰ বৈশিষ্ট্য কেতবোৰ অসমীয়া ভাষাত ৰক্ষিত বোলাহে বেছি সমীচীন হ'ব যেন লাগে। তেনে বৈশিষ্ট্য কেতবোৰ হ'ল —

- অৱহট্‌ঠত সততে দেখিবলৈ পোৱা স্ত্রী প্রত্যয় 'ঈ' আৰু 'ই' - ৰ - 'ঈ' প্রত্যয়টো অসমীয়াৰো স্ত্রী প্রত্যয়।
- অৱহট্‌ঠৰ বহুবচন বাচক 'লোক' প্রত্যয় অসমীয়াতো ৰক্ষিত হৈছে।
- কাৰক বিভক্তিৰ ঠাইত অনুপদৰ ব্যৱহাৰ অৱহট্‌ঠৰ দৰে অসমীয়া ভাষাতো দেখা যায়।
- বিভক্তিহীনতা অৱহট্‌ঠৰ এটা প্রধান বৈশিষ্ট্য। অসমীয়াতো মুখ্য কর্ম যেতিয়া অনির্দিষ্ট হয় বা জাতিবাচক বা জড় বস্তুবাচক হয় তেতিয়া কর্মকাৰকত কোনো বিভক্তি লগ নালাগে।
- অৱহট্‌ঠৰ দৰে যৌগিক ক্রিয়াৰ ব্যৱহাৰ অসমীয়াতো আছে।
- অৱহট্‌ঠৰ সমমাত্রিক আৰু অন্ত্যমিলৰ ছন্দসজ্জা আধুনিক ভাৰতীয় আর্যভাষাসমূহৰ দৰে অসমীয়াতো আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ 'অৱহট্‌ঠ'ত কাৰক কেইটা আৰু কি কি?

.....

প্রশ্ন নং ১০ ঃ 'অর্বাচীন' আৰু 'দেশী' শব্দ দুটাই কি সূচায়?

.....

প্রশ্ন নং ১১ ঃ অপভ্রংশ-অৱহট্‌ঠৰ এটা উমৈহতীয়া বৈশিষ্ট্য উল্লেখ কৰক।

.....



৫.১০ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- মধ্য ভাৰতীয় আর্যভাষাৰ শেষ উপস্তৰ আৰু নব্য ভাৰতীয় আর্যভাষাৰ অব্যৱহিত পূর্বস্তৰ হিচাপে অপভ্রংশ-অৱহট্‌ঠ ভাষাৰ গুৰুত্ব যথেষ্ট বেছি।
- অপভ্রংশ স্তৰৰ স্থিতিকাল খ্রীষ্টীয় ষষ্ঠৰ পৰা দশম শতাব্দী বুলি ধৰা হৈছে যদিও খ্রীঃ পূঃ দ্বিতীয় শতাব্দীৰ পতঞ্জলিৰ *মহাভাষ্যত* থকা অপভ্রংশৰ ধাৰা দশম শতাব্দীৰ পিছলৈও অব্যাহত আছিল বুলি ভবা হৈছে।
- অপভ্রংশৰ বিকাশৰ স্তৰ প্রধানতঃ দুটা — প্রাচীন অপভ্রংশ আৰু অর্বাচীন অপভ্রংশ। অর্বাচীন

অপভ্রংশকে অৱহট্‌ঠ বোলা হয়। অপভ্রংশৰ নাগৰক, ব্রাচডক আৰু উপনাগৰক এই তিনিটা আঞ্চলিক ৰূপ দেখা যায়। সেইদৰে অৱহট্‌ঠৰ বিকাশৰ স্তৰ আকৌ দুটা — প্রাচীন অৱহট্‌ঠ আৰু লৌকিক অৱহট্‌ঠ বা 'দেশী'। এই লৌকিক অৱহট্‌ঠকে নব্য ভাৰতীয় আৰ্যভাষাৰ 'উপক্রম পৰ্ব' বোলা হয়।

- সামগ্রিকভাৱে অপভ্রংশৰ তিনিটা স্তৰ — পতঞ্জলিৰ সময়ৰ পৰা খ্রীষ্টীয় তৃতীয় শতাব্দীলৈ প্রথম; খ্রীষ্টীয় তৃতীয়ৰ পৰা ষষ্ঠ শতাব্দীলৈ দ্বিতীয় আৰু খ্রীষ্টীয় ষষ্ঠৰ পৰা দশম-দ্বাদশ শতিকালৈ তৃতীয় অপভ্রংশৰ স্তৰ।
- অৱহট্‌ঠ অপভ্রংশতকৈ কিছু বেলেগ সেয়ে ই অৰ্বাচীন; তদুপৰি অৱহট্‌ঠত লোকব্যৱহাৰৰ কথ্য উপাদান যথেষ্ট বেছি। সেয়ে ই লৌকিক।



৫.১১ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাব্‌লিছিং।

৩) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) পাঠক, ৰমেশ (২০০৮); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৫) বৰুৱা, বিৰিঞ্চিকুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্পৰিয়াম।

৬) মহন্ত, সুবাসনা (২০০৩); *উদ্ভৱকালীন অসমীয়া ভাষা;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

৭) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।



৫.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অপভ্রংশ-অৱহট্‌ঠ স্তৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পতঞ্জলিৰ *মহাভাষ্যত*।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা ঃ নাগৰক, ব্ৰাচডক আৰু উপনাগৰক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ লৌকিক অৱহট্‌ঠ স্তৰক।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ জনসাধাৰণৰ কথ্য ৰূপক বুজায়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ *কীৰ্তিলতা।*

৯ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা — কৰ্তা-কৰ্ম, সম্প্ৰদান-অপাদান-সম্বন্ধ আৰু অধিকৰণ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ 'অৰ্বাচীন' শব্দটোৱে 'আধুনিক' আৰু 'দেশী' শব্দটোৱে দেশীয়; অৰ্থাৎ যিটো সংস্কৃত অথবা অন্যৰ পৰা উদ্ভৱ হোৱা নাই।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ 'স্বৰসংকোচন' অপভ্রংশ-অৱহট্‌ঠৰ এটি উল্লেখযোগ্য উমৈহতীয়া বৈশিষ্ট্য।



৫.১৩ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ চমু উত্তৰ দিয়ক —

ক) পতঞ্জলিৰ *মহাভাষ্যত* পোৱা অপভ্রংশ শব্দটোৰ প্ৰকৃত অৰ্থ কি আছিল?

খ) নব্য ভাৰতীয় আৰ্যভাষাৰ জনক হিচাপে অপভ্রংশৰ কোনটো স্তৰক কোৱা হয়?

গ) অৱহট্‌ঠৰ উপস্তৰ কেইটা আৰু কি কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অপভ্রংশৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ অপভ্রংশৰ স্তৰ বিভাজন কৰি দেখুওৱাক।

প্ৰশ্ন ৩ ঃ অৱহট্‌ঠৰ কেনবোৰ লক্ষণ অসমীয়া ভাষাত দেখিবলৈ পোৱা যায়?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'অপভ্রংশ' স্তৰটিৰ সময় নিৰূপণ কৰি ইয়াৰ ভাষাগত বিশেষত্বসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অপভ্রংশ-অৱহট্‌ঠৰ উমৈহতীয়া বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অপভ্রংশৰ আঞ্চলিক ৰূপ সম্পৰ্কে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৬ ঃ প্রত্ন-অসমীয়া ভাষা — পূব-মাগধীয় ভাষাৰ সৈতে তুলনা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয়

৬.৩.১ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা

৬.৩.২ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান

৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ উৎপত্তি আৰু মূল সম্পর্কে জানিব পাৰিব
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিগত পার্থক্য আৰু সাদৃশ্যৰ বিষয়ে অৱগত হ'ব
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মাজত থকা ৰূপগত সাদৃশ্য আৰু পার্থক্যসমূহ আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ পূর্বৱর্তী অধ্যায়কেইটাত আপুনি ভাৰতীয় আর্যভাষাৰ ক্রমবিকাশৰ স্তৰ বিভাজন কেইটাৰ লগতে প্রাচীন আৰু মধ্য ভাৰতীয় আর্যভাষাৰ বিষয়ে অধ্যয়ন কৰিলে। পাঠ্যবিষয়ৰ পঞ্চমটো অধ্যায়ত মধ্য ভাৰতীয় আর্যভাষাৰ অন্তিমটো স্তৰ অপভ্রংশ স্তৰটো অধ্যয়ন কৰোঁতে আপুনি নিশ্চয় লক্ষ্য কৰিলে যে ইয়াৰ পাছতেই নব্য ভাৰতীয় আর্যভাষাৰ বিকাশ আৰম্ভ হ'ব লৈছিল। মধ্য ভাৰতীয় আর্যভাষাৰ অন্তিমটোৰ স্তৰ আৰু নব্য ভাৰতীয় আর্যভাষা স্তৰটোৰ মধ্যৱর্তী স্তৰ এটাৰ কথাও ভাষা গৱেষকসকলে ঠাৱৰ কৰিছে। এই স্তৰটোৰ পৰাই আধুনিক অসমীয়া ভাষাৰ জন্ম হৈছে।

এই স্তৰটোতে পূর্ব-মাগধীয় ভাষাসমূহৰ প্রত্ন স্তৰ এটিও সৃষ্টি হৈছিল। অসমীয়া ভাষাৰ ক্ষেত্রক ইয়াক প্রত্ন-অসমীয়া ভাষা বুলি অভিহিত কৰা হৈছে। এই অধ্যায়টোত প্রত্ন-অসমীয়া

ভাষাৰ সৈতে পূব-মাগধীয় ভাষাৰ অন্তর্গত বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশৰ তুলনাত্মক আলোচনা কৰা হ'ব।

অসমীয়া, বাংলা আৰু উড়িয়া ভাৰতৰ তিনিটা উল্লেখযোগ্য প্ৰাদেশিক ভাষা। অসমীয়া অসমৰ প্ৰধান ভাষা, বাংলা পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাৰ চৰকাৰী ভাষা, উড়িয়া উৰিষ্যাৰ মুখ্য ভাষা। এই তিনিওটা ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীৰ অধীনত স্বীকৃত ভাষা। বৰ্তমান ভিন্ন ঠাইৰ ভিন্ন ভাষা ৰূপে অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ প্ৰচলন হ'লেও ইয়াৰ মূল শিপাডাল বিচাৰি পোৱা যায় পৃথিৱীৰ বৃহৎ ভাষা-পৰিয়াল ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ মাজত। একে মূলৰ পৰা উদ্ভৱ হোৱা সগোত্ৰীয় ভাষা হিচাপে ইহঁতৰ মাজত সাদৃশ্য থকাটো নিতান্তই স্বাভাৱিক। এনে ঘনিষ্ঠ সাদৃশ্যৰ বাবেই অসমীয়া ভাষা বাংলাৰ অপভ্রংশ ৰূপ বা বাংলাৰ উপভাষা বুলিও এটা সময়ত ভ্ৰান্ত ধাৰণা সৃষ্টি হৈছিল। কিন্তু ভাষাবিদসকলৰ যুক্তিভিত্তিক আলোচনাই সেই ধাৰণা নস্যাৎ কৰিলে আৰু অসমীয়াৰ স্বকীয়তাও প্ৰতিষ্ঠা কৰিলে। অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মাজত ধ্বনিগত-ৰূপগত সাদৃশ্য আৰু পাৰ্থক্য দুয়োটাই বিদ্যমান। এই অধ্যায়টোত ভগ্নীভাষা হিচাপে বৰ্তি থকা এই তিনিওটা ভাষাৰ ধ্বনিগত দিশৰ তুলনামূলক আলোচনা দাঙি ধৰা হ'ব।

৬.৩ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু পৰিচয়

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মূল সম্পূৰ্ণ ৰূপে একে। অৱশ্যে অসমীয়া ভাষাৰ এই জন্মক্ৰম সকলো ভাষাবিদে স্বীকাৰ কৰি লোৱা নাই। ভাষাবিদ গ্ৰীয়াৰ্চন, সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু বাণীকান্ত কাকতিৰ মতে মাগধী প্ৰাকৃতৰ পৰাই অসমীয়া ভাষাৰ জন্ম হৈছে। দেবানন্দ ভৰালীৰ মতে অসমীয়া ভাষাৰ মূল কামৰূপী আৰু সৌমাৰ প্ৰাকৃত। বেণী মাধৱ বৰুৱা আৰু ডিম্বেশ্বৰ নেওগৰ মতেও অসমীয়া ভাষা কামৰূপী প্ৰাকৃতৰ পৰাহে জন্ম হৈছে। কালিৰাম মেধিৰ মতে আকৌ শৌৰসেনী আৰু মাগধী প্ৰাকৃতৰ মিশ্ৰণৰ ফলতে অসমীয়া ভাষাৰ জন্ম। কনকলাল বৰুৱাৰ মতে পৈশাচী প্ৰাকৃতেই অসমীয়া ভাষাৰ মূল। অসমীয়া ভাষাৰ উদ্ভৱৰ ক্ষেত্ৰত এনে ভিন্ন মত থাকিলেও অধিকাংশ পণ্ডিতে অৱশ্যে মাগধী প্ৰাকৃতৰ পৰা অসমীয়াৰ জন্মৰ মতকে স্বীকাৰ কৰিছে। অন্যান্য আধুনিক ভাৰতীয় আৰ্য ভাষাবোৰৰ দৰে অসমীয়া ভাষাইও খ্ৰীঃ দশম শতিকাৰ পৰাই সুকীয়া ৰূপ ল'বলৈ ধৰে যদিও সম্পূৰ্ণ অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন হ'ল খ্ৰীষ্টাব্দ চতুৰ্দশ শতিকাৰ হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত*। সেয়েহে বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ যুগ বিভাজন কৰোঁতে প্ৰাক্-শংকৰী যুগৰ পৰা আৰম্ভ কৰি অসমীয়া ভাষাৰ ইতিহাসক প্ৰাচীন, মধ্য আৰু আধুনিক— এই তিনিটা ভাগত বিভক্ত কৰিছে। কিন্তু ৰমেশ পাঠকে *অসমীয়া ভাষাৰ ইতিহাসত* উদ্ভৱকালৰ নিদৰ্শন যেনে— তাম্ৰফলি, শিলালিপি, চৰ্যাপদ, শ্ৰীকৃষ্ণ-কীৰ্ত্তন আদিকো সামৰি অসমীয়া ভাষাৰ বিকাশৰ ধাৰাটোক চাৰিটা ভাগত বিভক্ত কৰিছে। তেওঁ কাকতিৰ তিনিটা ভাগৰ উপৰি সপ্তমৰ পৰা দ্বাদশ শতিকালৈকে সামৰি 'উদ্ভৱ কালৰ অসমীয়া বা প্ৰত্ন অসমীয়া ভাষা' নামৰ এটা যুগ প্ৰথমেই অন্তৰ্ভুক্ত কৰিছে। প্ৰাচীন অসমীয়া ভাষা-সাহিত্যৰ

যুগটো খ্ৰীঃ ত্ৰয়োদশৰ পৰা ষোড়শ শতিকালৈ, মধ্য অসমীয়া ভাষা-সাহিত্যৰ যুগটো সোতৰ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ আৰু আধুনিক অসমীয়া ভাষা-সাহিত্যৰ যুগটো ঊনবিংশ শতিকাৰ পৰা যুদ্ধোত্তৰ স্তৰলৈকে বুলি তেওঁ দেখুৱাইছে।

বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰি তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে—

- প্ৰাচীন বাংলা (খ্ৰীঃ দশম — খ্ৰীঃ দ্বাদশ শতিকা)
- মধ্য বাংলা (খ্ৰীঃ ত্ৰয়োদশ — খ্ৰীঃ ঊনবিংশ শতিকা)
- আধুনিক বাংলা (খ্ৰীঃ ঊনবিংশ শতিকাৰ পৰা বৰ্তমানলৈকে)

প্ৰাচীন বাংলা ভাষা সাহিত্যৰ যুগটোৰ নিদৰ্শন হিচাপে চৰ্যাপদসমূহক ধৰা হৈছে। অৱশ্যে চৰ্যাপদে কেৱল বাংলা ভাষাৰে প্ৰতিনিধিত্ব নকৰে। ইয়াৰ লগতে এইসমূহ অসমীয়া, উড়িয়া আদি ভাষাৰো প্ৰত্ন ৰূপৰ নিদৰ্শন স্বৰূপ। মধ্য বাংলাৰ দুটা উপস্তৰ দেখুওৱা হৈছে— আদি মধ্য বাংলা আৰু অন্ত মধ্য বাংলা। প্ৰথম স্তৰৰ নিদৰ্শন হিচাপে বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্ত্তন*ৰ উপৰি মালাধৰ বসু, বিজয় গুপ্ত আদি সাহিত্যিকৰ ভাষাক দেখুওৱা হৈছে। দ্বিতীয় উপস্তৰৰ নিদৰ্শন হৈছে বৈষ্ণৱ পদাৱলী, মঙ্গল কাব্য আদি। আধুনিক বাংলা ভাষাৰ সময় ঊনবিংশ শতিকাৰ পাৰ দেখুওৱা হৈছে যদিও প্ৰকৃতাৰ্থত অষ্টাদশ শতিকাৰ শেষাৰ্ধৰ পৰাই ইয়াৰ উন্মেষ ঘটে বুলি ক'ব পৰা যায়। বঙ্গিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ, শৰৎ চন্দ্ৰ, বিভূতিভূষণ আদি হ'ল আধুনিক বাংলাৰ প্ৰাণ প্ৰতিষ্ঠাতা। অসমীয়া ভাষাৰ দৰেই বাংলা ভাষাতো উপভাষাৰ অৱস্থিতি লক্ষ্য কৰা যায়। সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে বাংলা ভাষাৰ উপভাষা চাৰিটা—

- ৰাঢ়
- বাৰেন্দ্ৰ
- কামৰূপী
- বঙ্গ

পৰৱৰ্তী সময়ৰ কোনো কোনো ভাষাবিদে এই চাৰিটাৰ সৈতে ঝাৰখণ্ডী নামেৰে আন এটা উপভাষাকো অন্তৰ্ভুক্ত কৰি বাংলা ভাষাৰ পাঁচটা উপভাষাৰ কথা ক'ব বিচাৰে।

অসমীয়া আৰু বাংলাৰ দৰেই পূব মাগধী অপভ্ৰংশৰপৰা উদ্ভূত উড়িয়া ভাষাটোও যথেষ্ট ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধিশালী। ইতিহাস বিচাৰ কৰিলে এই ভাষাৰ সাহিত্যিক ধাৰাবাহিকতা খ্ৰীষ্টিয় নৱম শতিকাৰ পৰাই আৰম্ভ হোৱা দেখা যায়। পণ্ডিতসকলে উড়িয়া ভাষা-সাহিত্যৰ যুগ বিভাজন তলত দিয়াৰ দৰে দেখুৱাইছে—

- প্ৰাক্ শাৰলা যুগ (খ্ৰীঃ নৱম — চতুৰ্দশ শতিকা)
- শাৰলা যুগ (খ্ৰীঃ পঞ্চদশ — ষোড়শ শতিকা)
- পঞ্চসখা যুগ (খ্ৰীঃ ষোড়শ — সপ্তদশ শতিকা)
- ৰীতি যুগ (খ্ৰীঃ সপ্তদশ — ঊনবিংশ শতিকা)
- আধুনিক যুগ (খ্ৰীঃ ঊনবিংশৰ পৰা বৰ্তমানলৈ)

প্ৰাক্ শাৰলা যুগৰ স্বাক্ষৰ বহনকাৰী সাহিত্য হ'ল চৰ্যাগীতসমূহ। শাৰলা যুগৰ প্ৰধান কীৰ্তিস্তম্ভ হ'ল শাৰলা দাসৰ *মহাভাৰত*। পঞ্চসখা যুগৰ পঞ্চসখা হ'ল— বলৰাম, জগন্নাথ, অচ্যুত,

অনন্ত আৰু যশোৱন্ত। এই পাঁচজন প্রখ্যাত সাহিত্যিকৰ সাহিত্যৰাজিয়ে এই যুগৰ উড়িয়া সাহিত্যক ঐশ্বর্যময় কৰি তুলিছে। ৰীতি যুগত উড়িয়া সাহিত্যই গদ্যৰ ক্ষেত্রত নতুন গতি লাভ কৰে। আমেৰিকান মিছনেৰীৰ উদ্যোগত এই সময়ছোৱাতে ছপাশাল প্রতিষ্ঠা হয় আৰু বিভিন্ন কাকত-আলোচনীয়ে ভাষা-সাহিত্যৰ বিকাশত বিশেষ ভূমিকা গ্রহণ কৰে। আধুনিক উড়িয়া ভাষা কবিতা, চুটি গল্প, উপন্যাস আদি সকলো ফালৰ পৰাই চহকী। ভাষাবিদ ফণীন্দ্র নাৰায়ণ দত্তবৰুৱাই *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya* নামৰ গৱেষণা গ্রন্থখনত দেখুৱাইছে যে উড়িয়া ভাষাৰ উপভাষা প্রধানকৈ চাৰিটা— দক্ষিণ উৰিষ্যাৰ উপভাষা, পশ্চিম উৰিষ্যাৰ উপভাষা, উত্তৰ উৰিষ্যাৰ উপভাষা, মধ্য উৰিষ্যাৰ উপভাষা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদর্শনৰ ওপৰত নির্ভৰ কৰি প্রধানতঃ কেইটা আৰু কি কি ভাগত ভাগ কৰা হৈছে?

.....

.....

প্রশ্ন নং ২ ঃপণ্ডিতসকলে উড়িয়া ভাষা-সাহিত্যৰ যুগ বিভাজন কেনেদৰে কৰিছে?

.....

.....

৬.৩.১ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিচাৰ কৰিলে দেখা যায় যে এই তিনিওটা ভাষাৰ মাজতে অনেক সাদৃশ্যও আছে, বৈসাদৃশ্যও আছে। তিনিওটা ভাষাৰ সাদৃশ্যসমূহ এনে ধৰণৰ—

- তিনিওটা ভাষাৰে ব্যঞ্জন বর্ণমালাৰ আখৰসমূহ সংস্কৃতৰ আৰ্হিত অন্তর্ভুক্ত হৈছে। কিন্তু উচ্চাৰণত সেই সকলোবোৰ ব্যঞ্জন পোৱা নাযায়। সেয়েহে, অসমীয়া, বাংলা আৰু উড়িয়া তিনিওটা ভাষাৰে ব্যঞ্জন বর্ণমালাৰ আখৰ আৰু বিশিষ্ট ব্যঞ্জনধ্বনিৰ মাজত পার্থক্য সৃষ্টি হ'ল।
- তিনিওটা ভাষাতে সংস্কৃত বর্ণমালাত থকা এঘাৰটা স্বৰবর্ণ লিখিত ৰূপত ব্যৱহাৰ হয়।
- তিনিওটা ভাষাৰে উচ্চাৰিত স্বৰধ্বনি আৰু লিখিত ৰূপ বর্ণমালাৰ মাজত যথেষ্ট পার্থক্য আছে।
- তিনিওটা ভাষাৰে স্বৰধ্বনিৰ উচ্চাৰণৰ ক্ষেত্রত হ্রস্ব-দীর্ঘৰ পার্থক্য ৰক্ষিত হোৱা নাই।

- তিনিওটা ভাষাৰে স্বৰধ্বনিয়ে অনুনাসিকতা বহন কৰে আৰু অনুনাসিকতাই তিনিওটা ভাষাতে শব্দৰ অর্থ পৰিৱর্তন ঘটাব পাৰে।
- তিনিওটা ভাষাৰে বিশিষ্ট স্বৰধ্বনিসমূহক — উচ্চতা অনুসৰি উচ্চ, উচ্চ-মধ্য, নিম্ন-মধ্য আৰু নিম্ন এনেদৰে ভাগ কৰা হৈছে। অৱশ্যে উড়িয়া ভাষাত নিম্নমধ্য স্বৰধ্বনি নাই।
- অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আঠোটা, বাংলা ভাষাৰ সাতোটা আৰু উড়িয়া ভাষাৰ ছটা। অসমীয়া ভাষাৰ বৈশিষ্ট্যসূচক এ' আৰু অ' ধ্বনি উড়িয়া ভাষাত নাই। বাংলাত কেৱল এ' -হে আছে, অ' অনুপস্থিত।
- তিনিওটা ভাষাত স্বৰবর্ণৰ বিপৰীতে গৌণ প্রতীকৰ প্রচলন আছে।
- সংস্কৃতৰ ঋ, ঌ আৰু ৠ বর্ণকেইটা তিনিওটা ভাষাৰে বর্ণলিপিৰ লুপ্ত হ'ল আৰু বাকীসমূহ স্বৰ লিখিত ৰূপত প্রচলিত হৈ থাকিল।
- 'অ' ধ্বনিটো অসমীয়া আৰু উড়িয়া ভাষাত নিম্নধ্বনি। কিন্তু বাংলাত ই নিম্নমধ্য ধ্বনি। অসমীয়া, বাংলা, উড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ মাজতো স্বৰধ্বনিৰ বাবে অনেক সাদৃশ্য আৰু বৈসাদৃশ্য দেখা যায়।
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ পার্থক্যসমূহ তলত উল্লেখ কৰা হ'ল—
- সংস্কৃতৰ দন্ত্য আৰু মূর্দ্ধন্য ধ্বনিৰ উচ্চাৰণ অসমীয়াত নাই। ইয়াৰ পৰিৱর্তে অসমীয়া ভাষাত পোৱা যায় দন্তমূলীয় ধ্বনি। কিন্তু বাংলা আৰু উড়িয়া ভাষাত দন্ত্য আৰু মূর্দ্ধন্য ধ্বনি উচ্চাৰিত হয়।
- অসমীয়া ভাষাত ঘৃষ্ট ধ্বনিৰ উচ্চাৰণ নাই। চ, জ উষ্ম ৰূপেহে উচ্চাৰিত হয়। বাংলা আৰু উড়িয়া ভাষাত চ, জ ধ্বনিৰ উচ্চাৰণ ঘৃষ্ট।
- মূর্দ্ধন্য 'ণ' ধ্বনিৰ উচ্চাৰণ অসমীয়া আৰু বাংলা ভাষাত নাই। উড়িয়া ভাষাত এই ধ্বনি পোৱা যায়।
- পার্শ্বিক 'ল' ধ্বনিৰ দন্তমূলীয় উচ্চাৰণ অসমীয়া আৰু বাংলা ভাষাত পোৱা যায়। কিন্তু উড়িয়া ভাষাত এই দন্তমূলীয় 'ল'ৰ উপৰিও মূর্দ্ধন্য উচ্চাৰণৰ 'ল' ধ্বনি পোৱা যায়।
- বাংলা ভাষাত 'ছ' ধ্বনি দন্তমূলীয় তালব্য ৰূপে আৰু উড়িয়া ভাষাত তালব্য ৰূপে উচ্চাৰিত হয়। অসমীয়া ভাষাত ছ ধ্বনিৰ এনে উচ্চাৰণ নাই।
- অসমীয়া আৰু বাংলা ভাষাত ব্যঞ্জন ধ্বনিসমূহ শব্দৰ আদি, মধ্য, অন্ত্য তিনিওটা অৱস্থানতে প্রয়োগ হয়। কিন্তু উড়িয়া ভাষাত ধাৰ কৰা শব্দৰ বাহিৰে আনসমূহত অন্ত্য অৱস্থানত ব্যঞ্জন উচ্চাৰিত নহয়। কেৱল আদি আৰু মধ্য অৱস্থানতহে ব্যঞ্জন উচ্চাৰিত হয়।
- অসমীয়া ভাষাত শ, ষ, স— এই তিনিটা বর্ণৰ উচ্চাৰণৰ পার্থক্য নাই। কেৱল পশ্চতালব্য, অঘোষ উষ্ম স (x) ধ্বনিহে এই ভাষাত পোৱা যায়। উড়িয়া ভাষাত

'স' ৰৰ উচ্চাৰণ দন্তমূলীয় উষ্ম। আনহাতে বাংলা ভাষাত শ উচ্চাৰিত হয় দন্তমূলীয় তালব্য উষ্ম ৰূপে।

- অসমীয়া, বাংলা, উড়িয়া তিনিওটা ভাষাতে 'য' ধ্বনি বৰ্ণমালাত পোৱা যায়। কিন্তু উচ্চাৰণত 'য' অনুপস্থিত। অসমীয়াত কেৱল 'জ', বাংলাত জ, ঝ আৰু উড়িয়া ভাষাতো জ, ঝ উচ্চাৰিত হয়।
- অৰ্দ্ধস্বৰ 'ৱ' অসমীয়া ভাষাত স্পষ্টৰূপত পোৱা যায়। বাংলাত ই 'ব' ৰূপে উচ্চাৰিত হয়। উড়িয়া ভাষাত 'ৱ'ৰ প্ৰয়োগ আছে যদিও উচ্চাৰণত পোৱা নাযায়।

অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মূল একে মাগধী প্ৰাকৃত হোৱা বাবে তিনিওটা ভাষাৰে ধ্বনিতাত্ত্বিক বিচাৰ কৰিলে স্বৰ আৰু ব্যঞ্জনৰ উচ্চাৰণ তথা প্ৰয়োগত ভালেমান সাদৃশ্য দেখা পোৱা যায়। কিন্তু ভাষাকেইটাৰ প্ৰচলন ক্ষেত্ৰ চৌপাশৰ চুবুৰীয়া ভাষা বা অন্যান্য প্ৰভাৱৰ ফলত ইয়াত কিছু স্বতন্ত্ৰ বৈশিষ্ট্য গঢ় লোৱাটো নিতান্তই স্বাভাৱিক। উদাহৰণস্বৰূপে অসমত ব্যাপকভাৱে প্ৰচলন থকা আৰ্যভিন্ন ভাষাৰ প্ৰভাৱত অসমীয়া ভাষাৰ আন মাগধীয় ভাষাত নথকা বহুকেইটা বৈশিষ্ট্য বিৰাজমান। এনে কাৰণৰ বাবেই একে মূল হোৱা সত্ত্বেও অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিৰ উচ্চাৰণ আৰু প্ৰয়োগৰ ক্ষেত্ৰত অনেক পাৰ্থক্যও পৰিলক্ষিত হয়। অৰ্থাৎ তিনিওটা ভাষাৰ ধ্বনিতত্ত্বত সমধৰ্মী গুণ আৰু বিষমধৰ্মী গুণ দুয়োটাই বিৰাজমান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষাত ঘৃষ্ট ধ্বনিৰ উচ্চাৰণ আছেনে?

.....

৬.৩.২ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতত্ত্বৰ তুলনা

অসমীয়া, বাংলা, উড়িয়া— এই তিনিটা ভাষাৰ ৰূপতাত্ত্বিক দিশৰ আলোচনা কৰিলে এটা কথা পৰিলক্ষিত হয় যে আটাইকেইটা ভাষাৰ মাজত ৰূপতত্ত্বৰ বিভিন্ন দিশত কিছুমান সাদৃশ্য আৰু কিছুমান বৈসাদৃশ্য আছে। তলত তিনিও ভাষাৰে ৰূপতাত্ত্বিক দিশৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ উল্লেখ কৰা হ'ল—

- অসমীয়া, বাংলা আৰু উড়িয়া এই তিনিও ভাষাতে বচন দুবিধ— একবচন আৰু বহুবচন। তিনিওটা ভাষাতে দ্বিবচনৰ প্ৰয়োগ নাই যদিও 'দুই' বুজোৱা শব্দেৰে আটাইকেইটা ভাষাতে দ্বিবচন বুজোৱা হয়। তিনিও ভাষাতে একবচন আৰু বহুবচন বুজাবলৈ বিভিন্ন প্ৰত্যয় সংযোগ কৰা হয় যদিও তিনিও ভাষাতো প্ৰয়োগ হোৱা প্ৰত্যয়সমূহৰ মাজত কিছু পাৰ্থক্য আছে। অৱশ্যে সংস্কৃতমূলীয় প্ৰত্যয়সমূহ তিনিওটা ভাষাতে একে। আনহাতে উড়িয়া ভাষাত বচন ব্যাকৰণগত বিষয়। কিন্তু অসমীয়া

আৰু বাংলা ভাষাত বচন ব্যাকৰণগত নহয়।

- অসমীয়া, বাংলা আৰু উড়িয়া এই তিনিওটা ভাষাতে পুংলিংগ আৰু স্ত্রীলিংগ এই দুবিধ লিংগ পোৱা যায় আৰু তিনিওটা ভাষাৰে লিংগ অর্থৰ ওপৰত নির্ভৰশীল। তিনিওটা ভাষাতে লিংগ নিৰূপণৰ উপায়বোৰ প্রায় একেই। মাত্র তিনিও ভাষাতে প্রয়োগ হোৱা শব্দ বা প্রত্যয়সমূহ সুকীয়া সুকীয়া। তিনিওটা ভাষাতে কিছুমান নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ প্রয়োগ পোৱা যায় যদিও উড়িয়া ভাষাৰ তুলনাত অসমীয়া আৰু বাংলা ভাষাত এনে শব্দৰ প্রয়োগ অধিক দেখা যায়।
- অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিও ভাষাতে নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে আৰু 'টা', 'টি' আদি দুটামান নির্দিষ্টতাবাচক প্রত্যয় তিনিওটা ভাষাতে একে হোৱা দেখা যায়। অৱশ্যে তিনিওটা ভাষাতে কিছুমান সুকীয়া সুকীয়া নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ পোৱা যায় আৰু সেইবোৰে ভাষিক স্বকীয়তা প্রতিপন্ন কৰে। নির্দিষ্টতাবাচক প্রত্যয় প্রয়োগৰ ক্ষেত্রত বাংলা আৰু উড়িয়া ভাষাৰ তুলনাত অসমীয়া ভাষা যথেষ্ট চহকী। এক কথাত ক'ব পাৰি — অসমীয়া ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগৰ ক্ষেত্রত যি বিচিত্রতা দেখা যায় সেই বৈচিত্র্য আন আধুনিক ভাৰতীয় আর্যভাষাত পোৱা নাযায়।
- অসমীয়া, বাংলা, উড়িয়া— এই তিনিওটা ভাষাতে বিভিন্ন বিশেষণ শব্দৰ প্রয়োগ আছে আৰু তিনিওটা ভাষাৰে এই বিশেষণবোৰক কেইবাটাও ভাগত ভগাব পাৰি। ক্রিয়া বিশেষণ গঠনৰ ক্ষেত্রত বাংলা ভাষাত বৈচিত্র্য দেখা যায়। তিনিওটা ভাষাতে বিশেষণৰ তুলনা কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰা হয়— এটা সংস্কৃতীয়া, আনটো নিজা। বিশেষণৰ তুলনা কৰোঁতে তিনিওটা ভাষাৰে নিজস্ব পদ্ধতিৰ ক্ষেত্রত বিচিত্রতা পৰিলক্ষিত হয়। অৱশ্যে উড়িয়া ভাষাৰ তুলনাত অসমীয়া আৰু বাংলা ভাষাত বিশেষণৰ তাৰতম্যৰ ক্ষেত্রত অধিক বৈচিত্র্য দেখা যায়। উড়িয়া ভাষাত বিশেষ বৈচিত্র্য নাই বুলিবই পাৰি।
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাত ছবিধ কাৰক আৰু এবিধ সম্বন্ধ পদ পোৱা যায়। তিনিওটা ভাষাতে কাৰক আৰু সম্বন্ধ পদ চিনি উলিয়াবৰ বাবে শব্দবিভক্তি আৰু অনুসর্গ ব্যৱহাৰ কৰা হয়। কিছুমান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ তিনিওটা ভাষাতে শূন্য বিভক্তিৰ প্রয়োগ এটা মন কৰিবলগীয়া বিশেষত্ব। বাংলা আৰু উড়িয়া ভাষাৰ সম্প্রদান কাৰকৰ বিপৰীতে অসমীয়া ভাষাত নিমিত্ত কাৰকৰ ব্যৱহাৰ আছে। অসমীয়া ভাষাত অপাদান কাৰক আছে যদিও পঞ্চমী বিভক্তিৰ প্রয়োগ নাই। অপাদান কাৰকৰ অর্থ প্রকাশ কৰিবলৈ অসমীয়া ভাষাত ষষ্ঠী 'ৰ'ৰ পাছত 'পৰা' পৰসর্গ সংযোগ কৰা হয়। আনহাতে বাংলা আৰু উড়িয়া ভাষাত অপাদান কাৰক আৰু পঞ্চমী বিভক্তি দুয়োটাই আছে।

- অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিওটা ভাষাতে প্ৰয়োগ হোৱা সৰ্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। তিনিওটা ভাষাতে যথেষ্ট ব্যক্তিবাচক সৰ্বনামৰ প্ৰয়োগ আছে আৰু এই ব্যক্তিবাচক সৰ্বনামবোৰৰ তিনিওটা ভাষাতে তিৰ্যক ৰূপ পোৱা যায়। তিনিওটা ভাষাতে বচন অনুযায়ী সৰ্বনামৰ ৰূপবোৰ বেলেগ বেলেগ। তিনিওটা ভাষাতে দ্বিতীয় পুৰুষৰ সৰ্বনামৰ ক্ষেত্ৰত তুচ্ছ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়। সৰ্বনামৰ ক্ষেত্ৰত বাংলা আৰু উড়িয়া ভাষাতকৈ অসমীয়া ভাষা অধিক চহকী।
- ক্ৰিয়াৰূপৰ ক্ষেত্ৰত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মাজত বহুতো সাদৃশ্য আছে। তিনিওটা ভাষাতে ধাতুসমূহৰ শ্ৰেণীবিভাজন একেই। আনকি ধাতুসমূহৰ মাজতো মিল লক্ষ্যণীয়। মাত্ৰ অজ্ঞাতমূলৰ (সংশয়াত্মক) ধাতুসমূহৰ মাজতহে পাৰ্থক্য দেখা যায়। তিনিওটা ভাষাৰে ক্ৰিয়াৰ প্ৰকাৰৰ ক্ষেত্ৰত সাদৃশ্য দেখা যায়। মাত্ৰ ক্ৰিয়া ৰূপবোৰ গঠন হোৱা ক্ৰিয়া বিভক্তিবোৰ ভিন্ ভিন্। ক্ৰিয়াৰ কালৰ ক্ষেত্ৰত তিনিওটা ভাষাৰে শ্ৰেণী বিভাজন প্ৰায় একে হোৱা দেখা যায়। মাত্ৰ ভৱিষ্যৎ কালৰ ক্ষেত্ৰত উড়িয়া ভাষাত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। ভৱিষ্যৎ কালৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰথম পুৰুষত কাল নিৰ্দেশক 'ম' ৰূপটো সংযোগ হয়, কিন্তু বাংলা আৰু উড়িয়া ভাষাত 'ব' ৰূপটো লগ লগা দেখা যায়। ক্ৰিয়া ভাব আৰু বাচ্যৰ ক্ষেত্ৰত তিনিওটা ভাষাৰ মাজত যথেষ্ট সাদৃশ্য দেখিবলৈ পোৱা যায়।

গতিকে একে মূলৰ পৰা উদ্ভৱ আৰু বিকাশ লাভ কৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতাত্ত্বিক দিশত যথেষ্ট সাদৃশ্য আছে। অৱশ্যে তিনিওটা ভাষাতে এনে কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয় যিবোৰে আটাইকেইটা ভাষাৰে স্বকীয়ত্ব প্ৰতিপন্ন কৰে। উড়িয়া আৰু বাংলা ভাষাৰ তুলনাত অসমীয়া ভাষাই আৰ্যভিন্ন ভাষাৰ প্ৰভাৱত ৰূপতাত্ত্বিক দিশত কিছু বিচিত্ৰতা লাভ কৰিছে। অৰ্থাৎ অসমীয়া ভাষাৰ ৰূপতত্ত্বই বিভিন্ন দিশত আৰ্যভিন্ন উপাদান আহৰণ কৰিছে আৰু এইবোৰে সমগোত্ৰীয় বাংলা আৰু উড়িয়া ভাষাৰ তুলনাত অসমীয়া ভাষাক সুকীয়া বৈশিষ্ট্যৰে সমুজ্জ্বল কৰি তুলিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিওটা ভাষাতে প্ৰয়োগ হোৱা সৰ্বনামসমূহৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক। (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া, বাংলা আৰু উড়িয়া ভাষা যে একে মূলৰ পৰা উদ্ভৱ হোৱা ভাষা সেয়া আমি এই পাঠটিৰ পৰা গম পালোঁ।
- বাংলা আৰু উড়িয়া ভাষাৰ পৰিচয়মূলক টোকা আৰু বিকাশৰ ইতিহাস সম্পৰ্কে চমুকৈ আলোচনা কৰি প্ৰত্যেকটো ভাষাতে কেনেদৰে যুগ বিভাজন কৰা হয় সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিলে।
- অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্ব তুলনামূলক বিশ্লেষণৰ জৰিয়তে সাদৃশ্য-বৈসাদৃশ্যসমূহ অধ্যায়টিত ফঁহিয়াই দেখুওৱা হৈছে।
- বাংলা আৰু উড়িয়া ভাষাৰ ৰূপতাত্ত্বিক দিশৰ লগত অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ কি কি ক্ষেত্ৰত সাদৃশ্য আৰু বৈসাদৃশ্য আছে সেইখিনি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।
- এই তুলনামূলক অধ্যয়টোৰ পৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষা গাঁথনিক দিশত কিমান ওচৰ চপা সেই কথাও প্ৰতিপাদিত হৈছে।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৫); *প্ৰত্ন অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) গোস্বামী, গোলোকচন্দ্ৰ (১৯৯৩); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) গোস্বামী, গোলোকচন্দ্ৰ (২০০০); *অসমীয়া ব্যাকৰণৰ প্ৰবেশ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) নেওগ, মহেশ্বৰ (১৯৯৯); *নিকা অসমীয়া ভাষা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৮) পাঠক, ৰমেশ (১৯৮৮); *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৯) পাটগিৰি, দীপ্তি ফুকন (১৯৯৯); *আধুনিক অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বুক হাইভ।

১০) পাটগিৰি, দীপ্তি ফুকন (২০০৪); *অসমীয়া বাংলা আৰু উড়িয়া ভাষা ঃ তুলনামূলক অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

১১) বৰা, লীলাৱতী শইকীয়া (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

বাংলা গ্রন্থ ঃ

১২) গোস্বামী, কৃষ্ণপদ (২০০১); *বাংলা ভাষাতত্ত্বের ইতিহাস;* কলকাতা ঃ করুনা প্রকাশনী।

১৩) ঘোষ, জগদীশ এবং অনিলচন্দ্র (২০০৩); *আধুনিক বাংলা ব্যাকরণ ও রচনা;* কলকাতা ঃ প্রসিডেন্সী লাইব্রেরী।

১৪) চট্টোপাধ্যায়, সুনীতি কুমার (১৯৮৯); *বাংলা ভাষা প্রসঙ্গে;* কলকাতা ঃ জিজ্ঞাসা এজেন্সিজ লিমিটেড।

১৫) চক্রৱর্তী, বামনদেৱ (২০০৩); *উচ্চতর বাংলা ব্যাকরণ;* কলকাতা ঃ অক্ষয় মালঞ্চ।

১৬) চাকী, জ্যোতিভূষণ (১৯৯৬); *বাংলা ভাষার ব্যাকরণ;* কলকাতা ঃ আনন্দ পাব্‌লিচার্স প্রাইভেট লিমিটেড।

১৭) মজুমদার, পরেশচন্দ্র (১৯৮৭); *আধুনিক ভারতীয় ভাষা প্রসঙ্গে;* কলকাতা ঃ দে'জ পাব্‌লিশিং।

১৮) মুখোপাধ্যায়, বৈদ্যনাথ (১৯৯৬); *বাংলা মাধ্যমিকী;* কলকাতা ঃ প্রান্তিক প্রকাশন।

১৯) শ, রামেশ্বৰ (১৯৯৬); *সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা;* কলকাতা ঃ পুস্তক বিপণি।

২০) সেন, সুকুমাৰ (১৯৯৯); *ভাষাৰ ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাব্‌লিশার্স প্রাইভেট লিমিটেড।

উড়িয়া গ্রন্থ ঃ

২১) প্রধান, কৃষ্ণচন্দ্র (২০১২); *সাৰস্বত ব্যৱহাৰিক উড়িয়া ব্যাকৰণ;* কটক ঃ সত্যনাৰায়ণ বুক ষ্ট'ৰ, বিনোদ বিহাৰী।

ইংৰাজী গ্রন্থ ঃ

২২) Bhattacharjy, K. (1993). *Bengali-Oriya Verb-Morphology : A Constructive Study.* Calcutta: Das Gupta Co. Pvt. Ltd.

২৩) Chatterji, S. K. (1979). *Origin and Development of the Bengali Language.* London: George Allen & Unwin

২৪) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya.* (Ph. D. Thesis). Guwahati: Gauhati University.

২৫) Kakati, B (2007). *Assamese Its Formation and Development.* Guwahati: L.B.S. Publication.



৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদর্শনৰ ওপৰত নির্ভৰ কৰি তিনিটা প্রধান ভাগত ভাগ কৰা হৈছে— প্রাচীন বাংলা (খ্রীঃ দশম — খ্রীঃ দ্বাদশ শতিকা), মধ্য বাংলা (খ্রীঃ ত্রয়োদশ — খ্রীঃ ঊনবিংশ শতিকা) আৰু আধুনিক বাংলা (খ্রীঃ ঊনবিংশ শতিকাৰ পৰা বর্তমানলৈকে)।

২ নং প্রশ্নৰ উত্তৰ ঃ পণ্ডিতসকলে উড়িয়া ভাষা-সাহিত্যৰ যুগ বিভাজন তলত দিয়াৰ দৰে দেখুৱাইছে— প্রাক্ শাৰলা যুগ (খ্রীঃ নৱম — চতুর্দশ শতিকা), শাৰলা যুগ (খ্রীঃ পঞ্চদশ — ষোড়শ শতিকা), পঞ্চসখা যুগ (খ্রীঃ ষোড়শ — সপ্তদশ শতিকা), ৰীতি যুগ (খ্রীঃ সপ্তদশ — ঊনবিংশ শতিকা) আৰু আধুনিক যুগ (খ্রীঃ ঊনবিংশৰ পৰা বর্তমানলৈ)।

৩ নং প্রশ্নৰ উত্তৰ ঃ নাই।

৪ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা আৰু উড়িয়া— এই তিনিওটা ভাষাতে প্রয়োগ হোৱা সর্বনামসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। তিনিওটা ভাষাতে যথেষ্ট ব্যক্তিবাচক সর্বনামৰ প্রয়োগ আছে আৰু এই ব্যক্তিবাচক সর্বনামবোৰৰ তিনিওটা ভাষাতে তির্যক ৰূপ পোৱা যায়। তিনিওটা ভাষাতে বচন অনুযায়ী সর্বনামৰ ৰূপবোৰ বেলেগ বেলেগ। তিনিওটা ভাষাতে দ্বিতীয় পুৰুষৰ সর্বনামৰ ক্ষেত্রত তুচ্ছ, মান্য আৰু অধিক মান্য— এই তিনিটা ৰূপ পোৱা যায়। সর্বনামৰ ক্ষেত্রত বাংলা আৰু উড়িয়া ভাষাতকৈ অসমীয়া ভাষা অধিক চহকী।



৬.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ মূল কি?

খ) কোন সময়ৰ পৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষাই স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰে?

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ দ্বিস্বৰ পোৱা যায়নে? আছে যদি দেখুৱাওক।

প্রশ্ন ২ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ক্রিয়াভাব সম্পর্কে এটি তুলনা দাঙি ধৰক।

প্রশ্ন ৩ ঃ অসমীয়া বাংলা আৰু উড়িয়া ভাষাৰ বচনবাচক প্রাকৃতিসমূহৰ বিষয়ে এটি তুলনামূলক আলোচনা যুগুত কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ পৰিচয়মূলক টোকা লিখি তিনিওটাৰে উদ্ভৱৰ ইতিহাস আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ স্বৰধ্বনিসমূহৰ বর্ণনা আগবঢ়াই তুলনামূলক আলোচনা যুগুত কৰক।

প্রশ্ন ৩ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জনৰ প্রয়োগ কেনেদৰে হয় দেখুওৱাক।

প্রশ্ন ৪ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ বিশেষণৰ প্রকাৰভেদ সম্পর্কে লিখি তিনিওটা ভাষাৰে বিশেষণৰ তাৰতম্যৰ পার্থক্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৫ ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ শব্দ বিভক্তিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

*** ***** ***

অধ্যায় ৭ ঃ নব্য ভাৰতীয় আর্যভাষা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ নব্য ভাৰতীয় আর্যভাষা
৭.৪ নব্য ভাৰতীয় আর্যভাষাৰ শ্রেণীবিভাগ
৭.৫ নব্য ভাৰতীয় আর্যভাষাৰ উমৈহতীয়া বৈশিষ্ট্য
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নব্য ভাৰতীয় আর্যভাষাৰ উৎপত্তিৰ সময় ব্যাখ্যা কৰিব পাৰিব
- নব্য ভাৰতীয় আর্যভাষাৰ বিভিন্ন শাখাসমূহৰ পৰিচয় লাভ কৰাৰ লগতে প্রতিটো শাখাৰ অন্তর্গত ভাষাবিলাকৰ অৱস্থান সম্পর্কে জানিব পাৰিব
- ভাষাসমূহৰ মাজত সংৰক্ষিত সাহিত্যিক নিদর্শনসমূহৰ সম্ভেদ পাব
- প্রতিটো শাখাৰ প্রতিটো ভাষাৰ সৈতে থকা উমৈহতীয়া ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিত আপুনি পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে। লগতে আপুনি জানিব পাৰিলে যে 'ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী'ৰ এটা প্রধান শাখা হ'ল 'ইণ্ডো-ইৰাণীয়' বা 'আর্য'। এই 'ইণ্ডো-ইৰাণীয়' বা 'আর্য'ৰ উপশাখা হৈছে 'ভাৰতীয় আর্য'। ভাৰতীয় আর্য শাখাই খ্রীঃ পূঃ পঞ্চদশ শতাব্দীমানৰ পৰা বর্তমান পর্যন্ত উত্তৰ ভাৰতত বিভিন্ন ৰূপত পৰিৱর্তন লাভ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন ভাষাৰ জন্ম দিছে। ভাৰতীয় আর্যভাষাৰ ক্রমবিকাশৰ যি ইতিহাস, সেই ইতিহাসৰ পৰিৱর্তনৰ গতি-চপ্রগতিৰ ওপৰত ভিত্তি কৰি ঘাইকৈ তিনিটা স্তৰত ভাগ কৰা হৈছে। সেয়া হ'ল — (ক) প্রাচীন ভাৰতীয় আর্যভাষা, (খ) মধ্য ভাৰতীয় আর্যভাষা আৰু (গ) নব্য ভাৰতীয় আর্যভাষা। দৰাচলতে, প্রাচীন ভাৰতীয় আর্যৰ পৰা মধ্য ভাৰতীয় আর্য আৰু তাৰে পৰা নব্য ভাৰতীয় আর্যভাষাবোৰ ওলাইছে। সেই

অধ্যায়কেইটিত ইয়াৰ প্ৰথম দুটা শাখা— প্ৰাচীন ভাৰতীয় আৰ্যভাষা আৰু মধ্য ভাৰতীয় আৰ্যভাষাৰ বিষয়ে আপুনি বিশদভাৱে অধ্যয়ন কৰিলে। এই অধ্যায়টিত তাৰে শেষৰটো স্তৰ নব্য ভাৰতীয় আৰ্যভাষা সম্পৰ্কে আপুনি অধ্যয়ন কৰিব।

নব্য ভাৰতীয় আৰ্যভাষাৰ সময় ধৰা হৈছে খ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমান সময়লৈকে। আপুনি অধ্যয়ন কৰি থকা 'অসমীয়া' ভাষাটোৰ লগতে ভাৰতত বৰ্তমান প্ৰচলিত বহু ভাষা (যেনে — বাংলা, ওড়িয়া, হিন্দী, ৰাজস্থানী, গুজৰাটী, ভোজপুৰী, পাঞ্জাৰী ইত্যাদি) প্ৰকৃততে নব্য ভাৰতীয় আৰ্যভাষাহে। এই নব্য ভাৰতীয় আৰ্যভাষাৰ পৰিচয় আৰু বৈশিষ্ট্যৰাজি এই অধ্যায়ৰ আলোচনাৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। আপুনি অধ্যায়টি অধ্যয়নৰ অন্তত এই বিষয়ে কিছু তথ্য আহৰণ কৰিবলৈ সমৰ্থ হ'ব।

৭.৩ নব্য ভাৰতীয় আৰ্যভাষা

ভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰটোৰ নামেই নব্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ। প্ৰাকৃত ভাষাই খ্ৰীঃ পূঃ ষষ্ঠ শতাব্দীৰ পৰা ক্ৰমবিকাশ লাভ কৰি খ্ৰীষ্টীয় দশম-দ্বাদশ শতাব্দীমানৰ ভিতৰত অপভ্ৰংশৰ মাজেদি পৰিণতি লাভ কৰে। ইয়াৰ লগে লগে নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ সূচনা হয়। আচলতে মধ্য ভাৰতীয় আৰ্যভাষাৰ সাহিত্যিক প্ৰাকৃতসমূহে ক্ৰমে প্ৰাদেশিক ৰূপ লাভ কৰি বিভিন্ন নব্য ভাৰতীয় আৰ্যভাষাৰ জন্ম দিয়ে। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা দশম শতাব্দীলৈ এই সময়ছোৱা অপভ্ৰংশৰ স্তৰ হিচাপে নিৰ্ণীত হৈছে। এই স্তৰটোৱে নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ প্ৰত্নৰূপ সংৰক্ষণ কৰিছে। খ্ৰীষ্টীয় দশম শতিকাৰ পৰা নব্য ভাৰতীয় আৰ্যভাষাৰ যুগ নিৰ্ধাৰণ কৰা হৈছে যদিও প্ৰকৃতাৰ্থত দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত এই ভাষাৰ সাহিত্যিক নিদৰ্শন পোৱাটো বৰ জটিল। প্ৰকৃততে অপভ্ৰংশ আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ মাজৰ সময় সীমা নিৰ্ধাৰণ কৰা বৰ টান কাম। সেইবাবেই অপভ্ৰংশ আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ মাজত প্ৰত্ন নব্য ভাৰতীয় আৰ্যভাষা (Proto-New-Indo-Aryan) নামৰ এটা উপস্তৰৰ কল্পনা কৰা হৈছে। অৱশ্যে প্ৰত্ন স্তৰটোৰে সৈতে আধুনিক স্তৰটোৰ ভাষিক ব্যৱধান বৰ কম। নব্য ভাৰতীয় আৰ্যৰ ইতিহাসৰ আলোচনাতেই প্ৰত্নস্তৰৰ কথাও উল্লেখ কৰা হয়। সি যি কি নহওক, অপভ্ৰংশ-অৱহট্‌ঠৰ পৰা নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ হ'লেও প্ৰথম স্তৰত তাৰ মাজত নানা বিষয়ৰ বহু সাদৃশ্যই দেখা গৈছিল, কাৰণ ইটো স্তৰৰ পৰা সিটো স্তৰলৈ পাৰস্পৰিক ব্যৱধান বেছি নাছিল। মুঠতে খ্ৰীষ্টীয় দশম-দ্বাদশ শতাব্দীত ভাৰতীয় আৰ্যভাষাই স্বকীয় ৰূপ লাভ কৰিবলৈ সক্ষম হয়। সেই হিচাপে মহাৰাষ্ট্ৰীৰ পৰা মাৰাঠী; শৌৰসেনীৰ পৰা পশ্চিমা হিন্দী, ৰাজস্থানী, গুজৰাটী, মাগধীৰ পৰা ভোজপুৰী, মৈথিলী, মগহী, অসমীয়া, বাংলা, ওড়িয়া; অৰ্ধ-মাগধীৰ পৰা পূৰ্বী হিন্দী আৰু শৌৰসেনীৰ প্ৰভাৱত হিমালয়ী বা পাহাৰী, পাঞ্জাৰী আদি আধুনিক ভাষাবোৰ গঢ় লৈ উঠা বুলি কোৱা হৈছে।

৭.৪ নব্য ভাৰতীয় আৰ্যভাষাৰ শ্ৰেণীবিভাগ

গ্ৰীয়াৰ্ছনে নব্য ভাৰতীয় আৰ্যভাষাবোৰক বহিৰঙ্গ আৰু অন্তৰঙ্গ এই দুটা ভাগত ভাগ কৰিছে। তেওঁৰ মতে বহিৰঙ্গ ভাষা কোৱা লোকসকলৰ পূৰ্বপুৰুষসকলে তেওঁলোকৰ নিজৰ ভাষা লৈ ভাৰতত প্ৰৱেশ কৰিছিল। অন্তৰঙ্গ ভাষা কোৱা লোকসকলৰ পূৰ্বপুৰুষসকল পিছত ভাৰতত সোমাই আগতে অহা আৰ্যসকলক সীমান্ত অঞ্চললৈ ঠেলি পঠিয়াইছিল। অৱশ্যে এনে অনুমানৰ ওপৰত ভিত্তি কৰি নব্য ভাৰতীয় আৰ্যভাষাবোৰক অন্তৰঙ্গ-বহিৰঙ্গ ভাগত বিভক্ত কৰাটো সমীচীন নহ'ব বুলি আন ভাষাবিদসকলে মত পোষণ কৰে। কাৰণ ভাৰতীয় আৰ্যভাষাৰ প্ৰতিটো স্তৰ আৰু উপস্তৰত পাৰস্পৰিক মিশ্ৰণ যথেষ্ট ঘটিছে আৰু মান্য ভাষায়ো যথেষ্ট প্ৰভাৰ পেলাইছে। অন্তৰঙ্গ আৰু বহিৰঙ্গ ভাষাৰ মাজত একেবাৰে যে মিল নাই এনেও নহয়। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি অসমীয়া বহিৰঙ্গ ভাষাৰ অন্তৰ্গত আৰু পাঞ্জাৰী অন্তৰঙ্গ ভাষাৰ অন্তৰ্গত। অথচ দুয়োটাৰে মাজত মিল ভালেখিনি দেখিবলৈ পোৱা যায়। যেনে — 'ডিঙি' বুজোৱা 'গল' শব্দ অসমীয়া (কামৰূপী) আৰু পাঞ্জাৰীত একে; সেইদৰে 'লোন' বুজোৱা 'নুন' শব্দ, মই বুজোৱা 'মুইহ্', ৰূপ বুজোৱা 'ৰূপা' অথবা কামৰূপীত 'লহ্ৰা' পাঞ্জাৰীত 'লোহড়া' শব্দ প্ৰায় একে। গতিকে অন্তৰঙ্গ-বহিৰঙ্গত ভাগ কৰিলেও এই পদ্ধতি নিখুঁত বুলিব নোৱাৰি।

আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ আধাৰত ভিত্তি কৰি কেইবাটাও ভাগত ভাগ কৰা হৈছে। ভাগকেইটা এনেদৰে দেখুৱাব পাৰি —

- **উত্তৰ-পশ্চিমা শাখা ঃ** এই উত্তৰ-পশ্চিমা শাখাৰ পৰাই পশ্চিমী-পাঞ্জাৰী বা লহন্দী, পূৰ্বী-পাঞ্জাৰী বা হিন্দ্‌কী আৰু সিন্ধী ভাষাৰ সূচনা হয়।
- **দক্ষিণী শাখা ঃ** ইয়াৰ পৰা জন্ম হৈছে মাৰাঠী আৰু কোংকনী ভাষা।
- **মধ্য শাখা ঃ** কথ্য হিন্দুস্তানী, বংগাৰু, ব্ৰজভাষী, কনৌজী, বুন্দেলী, গুজৰাটী, ৰাজস্থানী, ভীলী আদি মধ্য শাখাৰ অন্তৰ্গত।
- **মধ্য পূৰ্বী শাখা ঃ** অৱধী, বঘেলী, ছত্তিশগড়ী ভাষা এই শাখাৰ অন্তৰ্গত।
- **পূৰ্বী শাখা ঃ** এই শাখাৰ ভিতৰত পৰে — অসমীয়া, বাংলা, ওড়িয়া, মৈথিলী, মগহী আৰু ভোজপুৰী।
- **পাহাৰী বা হিমালয়ী শাখা ঃ** নেপালী, গাড়োৱালী, চমায়ালী, মণ্ডেয়ালী, কুমায়ুনী আদি ভাষা এই শাখাৰ অন্তৰ্গত।
- **বিদেশী শাখা ঃ** শ্ৰীলংকাত প্ৰচলিত সিংহলী আৰু পশ্চিম এছিয়াৰ যাযাবৰী ভাষা এই শাখাৰ ভিতৰুৱা।

তলত প্ৰতিটো শাখাৰ অন্তৰ্গত ভাষাসমূহৰ এটি পৰিচয়মূলক টোকা আগবঢ়োৱা হ'ল—

- **উত্তৰ-পশ্চিমা শাখা ঃ** এই শাখাৰ ভিতৰত কেইবাটাও ভাষা অন্তৰ্ভুক্ত। তাৰ ভিতৰত পশ্চিমী-পাঞ্জাৰী বা লহন্দী, পূৰ্বী-পাঞ্জাৰী বা হিন্দ্‌কী আৰু সিন্ধী অন্যতম। ইয়াৰে পশ্চিমী বা পূৰ্বী-

পাঞ্জাৰী অথবা লহন্দী বা হিন্দ্‌কী দুয়োটা ভাষাই পৈশাচী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা বুলি ঠাৱৰ কৰা হৈছে। পশ্চিমী-পাঞ্জাৰীত দৰদীয় শাখাৰ প্ৰভাৱ আছে। এই ভাষাৰ উল্লেখযোগ্য সাহিত্য সম্পদ হ'ল *জনম-সাখী*। ৰচনা কাল ষোড়শ শতিকাৰ মাজ ভাগ। উল্লেখযোগ্য যে এই ভাষা পাকিস্তানতো কথ্যভাষাৰূপে প্ৰচলিত।

পূৰ্বী-পাঞ্জাৰীৰ মূল পৈশাচী যদিও শৌৰসেনীৰ প্ৰভাৱো আছে। বৰ্তমান পঞ্জাবত প্ৰচলিত পাঞ্জাৰী ভাষাকে পূৰ্বী-পাঞ্জাৰীৰ অন্তৰ্গত বুলি ধৰা হৈছে। পূৰ্বী-পাঞ্জাৰীৰ প্ৰাচীনতম নিদৰ্শন হ'ল শিখসকলৰ ধৰ্মগ্ৰন্থ *গ্ৰন্থচাহেব*। সপ্তদশ শতিকাৰ পৰা এই ভাষাৰ সাহিত্যৰ ধাৰাবাহিক নিদৰ্শন পোৱা যায়। এই ভাষা লিখা হৈছে শাৰদা লিপিৰ ৰূপভেদ 'লণ্ডা'ৰ অন্য এক ৰূপান্তৰ দেৱনাগৰী প্ৰভাৱিত 'গুৰুমুখী'ত। দুয়োবিধ পাঞ্জাৰীতে প্ৰাকৃতৰ সংযুক্ত ব্যঞ্জন এতিয়াও ৰক্ষিত হৈছে। যেনে — ৰক্ত > ৰত্ত।

সিন্ধী ভাষা হৈছে সিন্ধু আৰু কচ্ছ অঞ্চলত প্ৰচলিত। এই ভাষাত ভাৰতীয় আৰ্যভাষাৰ বহুখিনি প্ৰাচীন বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা যায়। আনহাতে সিন্ধীত আৰৱী-ফাৰ্চী ভাষাৰ শব্দও বহু পৰিমাণে দেখিবলৈ পোৱা যায়। তদুপৰি পাঞ্জাৰীৰ সৈতে সিন্ধীৰ ওচৰ সম্বন্ধ আছে। এই ভাষা প্ৰাৰম্ভিক স্তৰত 'লণ্ডা' লিপিত লিখা হৈছিল যদিও বৰ্তমান ই ফাৰ্চী লিপিতহে লিখিত। পূৰ্বী-পাঞ্জাৰীৰ দৰে সপ্তদশ শতাব্দীৰ পৰাই এই ভাষাৰ সাহিত্যৰ ধাৰা প্ৰবাহিত হ'বলৈ ধৰে। ইয়াৰ প্ৰাচীন সাহিত্য প্ৰধানতঃ চুফী কবিসকলৰ ৰচনাৰে সমৃদ্ধ।

- **দক্ষিণী শাখা ঃ** দক্ষিণী শাখাৰ উল্লেখযোগ্য ভাষা হ'ল — মাৰাঠী আৰু কোংকনী। মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা মাৰাঠী মহাৰাষ্ট্ৰৰ উপৰি বেৰাৰ, হাইদৰাবাদ তথা মধ্য প্ৰদেশৰ কোনো কোনো অঞ্চলত চলে। দ্বাদশ শতাব্দীৰ কিছুমান অনুশাসনৰ মাজত মাৰাঠীৰ প্ৰাচীনতম নিদৰ্শন পোৱা গ'লেও সাহিত্যৰ সৰ্ব প্ৰাচীন নিদৰ্শন দ্বাদশ শতাব্দীৰ শেষ ভাগত মুকুণ্ডৰাজৰ *বিবেক সিন্ধু* আৰু *পৰামামৃতৰ* মাজত পোৱা যায়। তদুপৰি ১২৯১ খ্ৰীষ্টাব্দত ৰচিত জ্ঞানদেৱৰ *জ্ঞানেশ্বৰী* হৈছে মাৰাঠী ভাষাৰ উল্লেখযোগ্য প্ৰাচীনতম গ্ৰন্থ। বৰ্তমান মাৰাঠী ভাষা বিবিধ সাহিত্য সম্ভাৰেৰে সমৃদ্ধিশালী ভাষা হিচাপে পৰিগণিত হৈছে।

  গোৱা, কোংকন অঞ্চলত প্ৰচলিত ভাষাই কোংকনী ভাষা। কোংকনীক পোনতে মাৰাঠীৰ উপভাষা হিচাপে গণ্য কৰা হৈছিল। কিন্তু কোংকনীৰ কিছুমান মৌলিক বৈশিষ্ট্যই এই ভাষাক স্বতন্ত্ৰ ভাষাৰূপে ভাবিবলৈ অৱকাশ দিয়ে। গোৱাৰ খ্ৰীষ্টান পাদুৰীসকলৰ দ্বাৰা কোংকনীৰ চৰ্চা ষোড়শ শতাব্দীৰ পৰাই চলি আহিছে। গোৱাৰ ইংৰাজ পাদুৰী ষ্টিভেন্‌চে লিখা *ক্ৰীস্ত পুৰাণ* ১৬১৬ খ্ৰীষ্টাব্দত ছপা হৈ ওলাইছিল।

- **মধ্য শাখা ঃ** মধ্য শাখাৰ অন্তৰ্গত ভাষাসমূহক 'পশ্চিমা-হিন্দী' আৰু 'গুজৰাটী-ৰাজস্থানী'— এই দুটা প্ৰধান উপভাগত ভাগ কৰিব পাৰি। পশ্চিমা-হিন্দীৰ অন্তৰ্গত ভাষাসমূহ হ'ল — বংগাৰু, বুন্দেলী, ব্ৰজভাষা, কনৌজী, কথ্য-হিন্দুস্তানী বা হিন্দুস্তানী। সেইদৰে গুজৰাটী-ৰাজস্থানীৰ অন্তৰ্গত ভাষাসমূহ হ'ল— গুজৰাটী, মাৰোৱাৰী, মেৰাৰী, মালয়ী, জয়পুৰী আদি ।

  পশ্চিমা-হিন্দীৰ অন্তৰ্গত ভাষাসমূহৰ মূল শৌৰসেনী অপভ্ৰংশ। বঙ্গাৰু ভাষা দিল্লী,

পাতিয়ালা, ৰোহটক্ আদি অঞ্চলত প্ৰচলিত। বঙ্গাৰুৰ আন এটা নাম হ'ল 'হৰিয়ানী'। বুন্দেলী ভাষা ভূপাল, ঝাঁছী, গোৱালিয়ৰ আদি অঞ্চলত কথিত ভাষা হিচাপে প্ৰচলিত। ব্ৰজভাষা মথুৰা, বৃন্দাবন, নৈনিতাল, বেৰেলী আদিৰ কথিত ভাষা। সাহিত্যিক নিদৰ্শনৰ দিশত ব্ৰজভাষা পশ্চিমা হিন্দীৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰতে সমৃদ্ধিশালী। কথ্য হিন্দুস্তানী বা হিন্দুস্তানী দিল্লী, মীৰাট, মোৰদাবাদ, চাহাৰানপুৰ প্ৰভৃতি অঞ্চলৰ কথিত ভাষা হিচাপে প্ৰচলিত আছে। কথ্য হিন্দুস্তানীৰ আন এটা নাম হ'ল 'খড়ীবুলি'। খড়ীবুলি একেলগে হিন্দী আৰু উৰ্দুৰ কথিত ভাষা। উল্লেখযোগ্য যে পশ্চিমা হিন্দীৰ অন্তৰ্গত হিন্দী ভাষাই ৰাষ্ট্ৰীয় ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ উপৰি সাহিত্যৰ বিভিন্ন ৰূপেৰেও সমৃদ্ধি লাভ কৰিছে। হিন্দী ভাষাই ভাৰতবৰ্ষৰ এক বুজন অংশ আৱৰি আছে। বিশেষকৈ উত্তৰ প্ৰদেশ, দিল্লী, হিমাচল প্ৰদেশ, ৰাজস্থান, মধ্য প্ৰদেশ, বিহাৰকে আদি কৰি পাঞ্জাৱৰ একাংশত হিন্দী ভাষাই প্ৰাধান্য বিস্তাৰ কৰি আছে। ভাৰতৰ বিভিন্ন ৰাজ্যৰ যোগাযোগৰ মাধ্যমো এই হিন্দী ভাষা। ১০০০ খ্ৰীষ্টাব্দৰ পৰা হিন্দী ভাষাৰ বিকাশৰ ধাৰা আৰম্ভ হয়। হিন্দীৰ বিকাশৰ ধাৰাটো মূলতঃ তিনিটা। সেয়া হ'ল প্ৰাচীন কাল (সময় ১০০০ ৰ পৰা ১৫০০ খ্ৰীষ্টাব্দলৈ), মধ্যকাল (১৫০০-ৰ পৰা ১৮০০ খ্ৰীষ্টাব্দলৈ) আৰু আধুনিক কাল (খ্ৰীষ্টাব্দ ১৮০০ ৰ পৰা বৰ্তমানলৈ)। হিন্দী ভাষাটোৱে ভাৰতবৰ্ষৰ এক বিস্তৃত অঞ্চল আৱৰি থকা কাৰণে অঞ্চলভেদে হিন্দী ভাষাৰ সুকীয়া সুকীয়া ৰূপ গঢ়ি উঠিছে। ইয়াক লিখা হয় দেৱনাগৰী লিপিত। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সংস্কৃত ভাষাও দেৱনাগৰী লিপিতে লিখা হয়।

পশ্চিমা হিন্দীৰ আন এক উল্লেখযোগ্য ভাষা হ'ল উৰ্দু। উৰ্দুত আৰৱী আৰু পাৰ্চী ভাষাৰ শব্দৰ প্ৰাধান্য বেছি। উৰ্দু সাহিত্য প্ৰথমতে দাক্ষিণাত্যত উদ্ভৱ হয়। সেই সময়ত ভাষাটোৰ নাম আছিল দক্খিনী। আমিৰ খুচৰোৰ ৰচনা দক্খিনী ভাষাত লিখিত। উৰ্দুত আৰবী-ফাৰ্চী শব্দ থাকিলেও এই ভাষা নিঃসন্দেহে এটা নব্য ভাৰতীয় আৰ্যভাষা। মুছলমান কবিসকলৰ সাহিত্যচৰ্চাৰ ক্ষেত্ৰত এই ভাষা বিশেষভাৱে ব্যৱহৃত হৈছিল। উৰ্দু লিখিবলৈ আৰবী লিপি ব্যৱহাৰ কৰা হয়।

পশ্চিমা-হিন্দীৰ অন্তৰ্গত আন এটা ভাষা হ'ল — 'কনৌজী'। 'কনৌজী' ভাষা ইটাৰা, ফৰৰুক্কাবাদ, ছাহজাঁহাবাদ আদিত কথিত ভাষাৰূপে প্ৰচলিত। প্ৰাচীন কনৌজৰ নাম অনুসৰি এই ভাষাৰ নামকৰণ কৰা হৈছে।

ৰাজস্থান-গুজৰাটী শাখাৰ ভাষাৰ ভিতৰত গুজৰাটী ভাষা গুজৰাটত চলে। আনফালে ৰাজস্থানৰ ভাষা ৰাজস্থানী। শৌৰসেনী অপভ্ৰংশৰ পৰাই গুজৰাটী ভাষাৰ বিকাশ হোৱা বুলি অনুমান কৰা হৈছে। এই ভাষাৰ প্ৰাচীনতম নিদৰ্শন হৈছে ১৩৯৪ চনত ৰচিত সংস্কৃত ব্যাকৰণ *মুখাববোধঔক্তিক*। চতুৰ্দশ শতিকামানৰ পৰাই এই ভাষাত গদ্য আৰু পদ্য উভয় সাহিত্য ৰচিত হৈছে আৰু ষোড়শ শতাব্দীৰ পৰাই গুজৰাটী শাখা ৰাজস্থানী শাখাৰ পৰা স্বতন্ত্ৰ হৈ পৰে। অৱশ্যে ১০০০ খ্ৰীষ্টাব্দৰ পৰা গুজৰাটী সাহিত্যৰ পৰম্পৰা চলি আহিছে। গুজৰাটী ভাষাটো লিখিবলৈ ব্যৱহাৰ কৰা লিপিটো দেৱনাগৰীৰে এটা ৰূপ। লিপিটো মহাজনী লিপি

নামেৰেও পৰিচিত। আহমদাবাদ আৰু ইয়াৰ আশে-পাশে কোৱা ভাষাটো মান্য গুজৰাটী ভাষাত পৰিণত হৈছে। প্ৰাচীন যুগত সৌৰাষ্ট্ৰৰ ভাষাটোৱে মান্যৰ মৰ্যাদা লাভ কৰিছিল।



জানি থোৱা ভাল

গুজৰাটী ভাষা মহাত্মা গান্ধীৰ মাতৃভাষা আছিল। প্ৰাকৃত যুগৰ পৰা গুজৰাটী ভাষাৰ চৰ্চা আছিল। বিখ্যাত প্ৰাকৃত বৈয়াকৰণ হেমচন্দ্ৰ গুজৰাটৰ লোক আছিল।

মাৰৱাৰ অঞ্চলত প্ৰচলিত মাৰোৱাৰী, মেৱাৰত প্ৰচলিত মেৱাৰী, মালৱত প্ৰচলিত মালৱী, জয়পুৰত প্ৰচলিত জয়পুৰী ৰাজস্থানী ভাষাৰ অন্তৰ্গত। শৌৰসেনী অপভ্ৰংশৰ গুৰ্জৰ ৰূপৰ পৰাই গুজৰাটীৰ বিকাশ হৈছে। ৰাজস্থানী উপশাখাৰ ভাষাসমূহৰ ভিতৰত মাৰোৱাৰী ভাষা কোৱা লোকৰ সংখ্যাই সৰ্বাধিক। ৰাজস্থানী ভাষাসমূহৰ সাহিত্যিক স্থান লৈছে হিন্দী ভাষাই। 'গুজৰাটী-ৰাজস্থানী' শাখাৰ অন্তৰ্গত আন এটা ভাষা হ'ল 'ভিলী'। 'ভিলী' গুজৰাট-ৰাজস্থান'ৰ সীমান্ত অঞ্চলত প্ৰচলিত। লৌকিক গীতপদৰ বাহিৰে অন্য সাহিত্য সম্পদৰ প্ৰমাণ 'ভিলী'ত পোৱা নাযায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নব্য ভাৰতীয় আৰ্যভাষাক প্ৰধানতঃ কেইটা শাখাত ভগাব পাৰি?

.....

প্ৰশ্ন নং ২ ঃ পূৰ্বী-পাঞ্জাৰীৰ প্ৰাচীনতম নিদৰ্শন কি?

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা কি? এই ভাষাৰ বিষয়ে চমুকৈ লিখক। (৮০ টা শব্দ ৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....

- **মধ্য পূর্বী শাখা ঃ** মধ্য পূর্বীৰ ভাষা গুচ্ছ তিনিটা প্রধান ভাষাৰে গঠিত। সেইকেইটা হ'ল — অৱধী, বঘেলী আৰু ছত্তিশগড়ী। এইকেইটাক একেলগে 'পূর্বী-হিন্দী' বা 'কোশলী' নামেৰেও জনা যায়। এই তিনিটা ভাষাই 'অর্ধ-মাগধী'ৰ পৰা বিকাশ লাভ কৰিছে। উত্তৰ প্রদেশৰ একাংশ, মধ্য প্রদেশৰ দক্ষিণ-পশ্চিম আৰু পূব অঞ্চলজুৰি মধ্য ভাৰতৰ বিশাল অংশত এই তিনি ভাষা ৰূপৰ প্রচলন আছে। প্রাচীন অৱধী সাহিত্য-সম্পদত বৰ চহকী। মালিক মোহম্মদ জায়সীৰ *পদুমাৱতী* আৰু তুলসীদাসৰ *ৰামচৰিত মানস* প্রাচীন অৱধীৰ উল্লেখযোগ্য সাহিত্য-সম্পদ। প্রথমখনৰ ৰচনা কাল ষোড়শ শতাব্দীৰ প্রথম ভাগ আৰু দ্বিতীয়খনৰ ৰচনা কাল সেই একে শতাব্দীৰ শেষ ভাগ। 'বঘেলী' অৱধীৰ সৈতে ওচৰ সম্বন্ধ যুক্ত। অৱশ্যে ছত্তিশগড়ী এই দুটাতকৈ কিছু বেলেগ। ওড়িয়া ভাষাৰ সৈতে কিছু প্রভাৱ থকা ছত্তিশগড়ী ভাষা মধ্য প্রদেশৰ ৰায়পুৰ, বিলাসপুৰ জিলাৰে গঠিত ছত্তিশগড়ত চলে। এই তিনি ভাষাৰে সাহিত্যিক স্থান হিন্দী ভাষাই লৈছে।
- **পূর্বী শাখা ঃ** পূর্বী শাখাৰ ভাষাসমূহৰ ভিতৰত অসমীয়া, বাংলা, ওড়িয়া, মৈথিলী, মগহী আৰু ভোজপুৰী উল্লেখযোগ্য। পূর্বী শাখাৰ এই আটাইবোৰ ভাষা 'মাগধী প্রাকৃত'ৰ অপভ্রংশ ৰূপৰ পৰা ওলাইছে। সেয়ে এই ভাষাসমূহক একেলগে 'মাগধীয় ভাষাগুচ্ছ' বোলা হয়। মাগধী অপভ্রংশৰ প্রাচ্য শাখাৰ পৰা অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ, মধ্য শাখাৰ পৰা মৈথিলী আৰু মগহী ভাষাৰ, পশ্চিম শাখাৰ পৰা ভোজপুৰী ভাষাৰ বিকাশ হৈছে।

ভাৰতৰ পূব প্রান্তত অৱস্থিত অসম প্রদেশৰ কথিত ভাষা অসমীয়া। অসমীয়া ভাষাৰ উদ্ভৱৰ সময় ধৰা হৈছে দশম-দ্বাদশ শতাব্দী। অৱশ্যে স্বকীয় লিখিত সাহিত্যৰ ধাৰা মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ পৰা অর্থাৎ চতুর্দশ শতাব্দীৰ পৰাহে প্রবাহিত হয়। প্রাচীন সাহিত্য সৃষ্টিত অসমীয়া ভাষা বিশেষ সমৃদ্ধিশালী।

বাংলা ভাষা পশ্চিমবঙ্গ আৰু বাংলাদেশত প্রচলিত। খ্রীঃ দশম-দ্বাদশ শতিকাত বাংলা ভাষাৰ নিজস্ব সাহিত্যৰ ঐতিহ্য আৰম্ভ হয়। চর্যাপদ, মঙ্গল কাব্য, বৈষ্ণৱ পদাৱলী আদি বাংলা ভাষা-সাহিত্যৰ প্রাচীনতম নিদর্শন। আধুনিক বাংলা সাহিত্য বিবিধ সাহিত্যৰে পৰিপুষ্ট আৰু ঐশ্বর্যশালী। বর্তমান বাংলা ভাষা ভাৰতবর্ষৰ বিভিন্ন অঞ্চলত প্রচলন হোৱা দেখা গৈছে।

পূর্বী শাখাৰ আন এটি উল্লেখযোগ্য ভাষা হ'ল ওড়িয়া। খ্রীঃ দশম-দ্বাদশ শতিকাতে ওড়িয়া ভাষা আৰু সাহিত্যৰ সূচনা হয়। ষোড়শ শতাব্দীৰ শ্রীচৈতন্যদেৱৰ দ্বাৰা প্রৱর্তিত বৈষ্ণৱ ধর্মৰ প্রভাৱে ওড়িয়া সাহিত্যৰ সমৃদ্ধিত বিশেষ সহায় কৰে। মাগধী অপভ্রংশৰ প্রাচ্য শাখাৰ পৰা অসমীয়া, বাংলা, ওড়িয়া ভাষা উদ্ভৱ হোৱা বাবে তিনিওৰে মাজত বহুতো সাদৃশ্য দেখা গ'লেও উচ্চাৰণৰ বৈশিষ্ট্য আৰু লিপিৰ দিশত অসমীয়া আৰু বাংলাৰ সৈতে ওড়িয়াৰ পার্থক্য দেখা যায়।

মৈথিলী ভাষা প্রচলিত অঞ্চল হ'ল — মজঃফৰপুৰ, পূর্ণিয়া, মুংগেৰ, ভগলপুৰ আদি। প্রাচীন মৈথিলী সাহিত্য যথেষ্ট সমৃদ্ধিশালী আছিল। বিদ্যাপতি, উমাপতি, জ্যোতিৰীশ্বৰ ঠাকুৰ আদিয়ে মৈথিলী ভাষা-সাহিত্যক সমৃদ্ধিশালী কৰি থৈ গৈছে। মগহী মগধ অঞ্চলৰ

কথিত ভাষা। মগধৰ পাটনা, গয়াৰ তথা ছোটনাগপুৰ আদিত এই ভাষা বিশেষভাৱে প্ৰচলিত।

পূৰ্বী শাখাৰ অন্তৰ্গত ভোজপুৰীৰ কেন্দ্ৰস্থল কাশী আৰু পাৰ্শ্বৱৰ্তী এলেকা হ'লেও বিহাৰৰ মোতিহাৰী, চাপৰা, বালিয়া আদিৰ উপৰি উত্তৰপ্ৰদেশৰ মিৰ্জাপুৰ, আজমগঞ্জ, গোৰক্ষপুৰ আদি অঞ্চলতো এই ভাষাৰ প্ৰচলন থকা দেখা যায়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ভোজপুৰী ভাষাত কোনো বিশেষ উল্লেখযোগ্য সাহিত্য ৰচনা হোৱাৰ প্ৰমাণ পোৱা নাযায়। ভোজপুৰী ভাষাৰ 'নাগপুৰীয়া' নামৰ উপভাষাটি ৰাঁছী, পালমৌৰ উপৰি ওড়িশাৰ সুন্দৰপুৰ, গাংপুৰ আদি অঞ্চলতো কথিত ভাষা ৰূপে প্ৰচলিত হৈ আছে।

- **হিমালয়ী শাখা ঃ** হিমালয় পৰ্বতৰ দাঁতি কাষৰীয়া অঞ্চলত প্ৰচলিত আধুনিক আৰ্যভাষাৰ ৰূপকেইটা হ'ল — নেপালী, কুমায়ুনী, ছমেয়ালী, মন্দেৱালী, কুলুই আদি। নেপালী পাহাৰী শাখাৰ উল্লেখযোগ্য আৰু হিমালয়ী শাখাৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰত প্ৰধান। ই নেপালৰ ৰাজভাষা। হিমালয় পৰ্বতৰ দক্ষিণ অঞ্চলৰ দাঁতি কাষৰীয়া ঠাইত প্ৰচলিত বাবে আৰ্যমূলীয় এই ভাষাসমূহক একেলগে 'পাহাৰী' বা 'হিমালয়ী' বুলি অভিহিত কৰা হৈছে।
- **বিদেশী শাখা ঃ** কেৱল ভাৰতৰ ভিতৰতে যে নব্য ভাৰতীয় আৰ্যভাষাৰ আধুনিক ৰূপৰ প্ৰচলন আছে তেনে নহয়, ভাৰতৰ বাহিৰতো ভাৰতীয় আৰ্যভাষাৰ সৈতে সম্পৰ্কিত কেইটামান ভাষাৰ প্ৰচলন আছে। তাৰে ভিতৰত 'সিংহলী' আৰু 'যাযাবৰী' বা 'জিপ্‌ছী' ভাষা উল্লেখযোগ্য। ভাৰতৰ বাহিৰত প্ৰচলিত বাবে এই ভাষাসমূহক আৰ্যভাষাৰ বিদেশী ৰূপ বুলি অভিহিত কৰা হয়। আন ভাৰতীয় আৰ্যভাষাতকৈ সিংহলী ভাষা বেলেগ ধাৰাত বিকাশ হোৱা দেখা গৈছে। ইয়াত এপিনে পালি আৰু সংস্কৃতৰ আৰু আনপিনে তামিল ভাষাৰ প্ৰভাৱ অনুভূত হয়।

  সিংহলী শ্ৰীলংকাৰ সিংহলৰ ভাষা। খ্ৰীঃ পূঃ চতুৰ্থ শতিকামানতে আৰ্যভাষাৰ এটা ফৈদ মগধ অঞ্চলৰ পৰা সিংহল দ্বীপত উপৰিষ্ট হয়। ইয়াৰ জৰিয়তেই সিংহলত ভাৰতীয় আৰ্যৰ বিকাশ ঘটে। পৰৱৰ্তী কালত সিংহলী ভাষাত তামিল ভাষাৰ প্ৰভাৱ পৰে। শ্ৰীলংকাৰ প্ৰাচীনতম ভাষা এলু (Elu) অৱহট্‌ঠৰ পৰ্যায়ভুক্ত। অষ্টম শতাব্দীত সিংহলী ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা যায়।

  বিদেশী আৰ্যৰ আন এটা ভাষা ৰূপ হ'ল যাযাবৰী বা জিপ্‌ছী। ই ইউৰোপৰ বিভিন্ন স্থান আৰু পশ্চিম এছিয়াৰ কোনো কোনো অঞ্চল, যেনে — আৰ্মেনিয়া, তুৰ্কী, ছিৰিয়া আদিত প্ৰচলিত। খ্ৰীঃ তৃতীয়-পঞ্চম শতাব্দীৰ ভিতৰত যাযাবৰ আৰ্য দলে উত্তৰ-পশ্চিম ভাৰতৰ পৰা এই সমূহ অঞ্চললৈ যাত্ৰা কৰে। ইউৰোপীয় আৰু এছীয় ভাষাবোৰৰ লগত মিশ্ৰণৰ ফলত যাযাবৰী ভাষাত বহু পৰিমাণে বিদেশী শব্দ সোমাইছে বা ব্যাকৰণৰ ঠাঁচৰ সলনি হৈছে। তথাপি মূল প্ৰৱাহটো ভাৰতীয় আৰ্যভাষাৰ পৰা অহা বুলি সহজে অনুধাৱন কৰিব পাৰি।



জানি থোৱা ভাল

"নব্য ভাৰতীয় আৰ্যভাষাবোৰক কিছুমান প্ৰাকৃত বা সেইবোৰৰ পৰৱৰ্তী অপভ্ৰংশৰ পৰা উদ্ভৱৰূপেও দেখুওৱা হয়; যেনে, মহাৰাষ্ট্ৰীৰ পৰা মাৰাঠী; শৌৰসেনীৰ পৰা পশ্চিমা হিন্দী, ৰাজস্থানী, গুজৰাটী; মাগধীৰ পৰা ভোজপুৰী, মৈথিলী, মগহী, বাংলা, অসমীয়া, ওড়িয়া ইত্যাদি। আচলতে নব্য ভাৰতীয় আৰ্যভাষাবোৰৰ কোনো এটাকে বিশেষ এবিধ প্ৰাকৃত বা অপভ্ৰংশৰ পৰিণতি বুলি কোৱা টান।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া ভাষা প্ৰাকৃত ৰূপৰ কোনটো শ্ৰেণীবিভাগৰ অন্তৰ্গত?

.....

প্ৰশ্ন নং ৫ ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা বিদেশী ভাষাৰ নাম উল্লেখ কৰক।

.....

৭.৫ নব্য ভাৰতীয় আৰ্যভাষাৰ উমৈহতীয়া বৈশিষ্ট্য

আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ প্ৰতিটো ভাষাই স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ। কিন্তু বহুকেইটা দিশতেই ভাষিক ৰূপসমূহৰ মাজত একোটা পাৰস্পৰিক সম্পৰ্ক দেখা যায়। এই পাৰস্পৰিক বা উমৈহতীয়া বৈশিষ্ট্যবোৰৰ জৰিয়তে আৰ্যভাষাৰ এই নব্য ৰূপবোৰ যে একেটা মূলৰ পৰা উদ্ভৱ হোৱা সেই সিদ্ধান্তলৈ আহিব পাৰি। আধুনিক বা নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ এই উমৈহতীয়া বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল—

- **ধ্বনিগত ঃ**
  - নব্য ভাৰতীয় আৰ্যভাষাত সংযুক্ত ব্যঞ্জন একক ব্যঞ্জন ধ্বনিলৈ ৰূপান্তৰ আৰু কিছুমান শব্দত পূৰ্বৱৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ হয়। যেনে— নৃত্য > নচ্চ > নাচ; হস্ত > হাত; মধ্য > মাঝ, মাজ; দীৰ্ঘ > দীঘ; পক্ক > পাক ইত্যাদি।
  - সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী নাসিক্য ধ্বনি, যেনে— ঙ্, ঞ্, ন্, ম্, ং কমি আহি শেষত স্বৰধ্বনিক অনুনাসিক কৰি লুপ্ত হয়। যেনে— দন্ত > দাঁত; সন্ধ্যা > সঞ্ঝ > সাঁজ; কন্টক > কাঁইট।
  - পদৰ মাজত শ্ৰুতিৰ ব্যৱধান নাথাকিলে ওচৰা-উচৰিকৈ থকা স্বৰধ্বনিৰ সন্ধি প্ৰৱণতা বা সংকোচন ঘটে। যেনে— ঘৃত > প্ৰা. ঘিঅ > ঘি, ঘী; মৃত্তিকা > প্ৰা. মাট্টিআ > মাটি, মাটী।
  - পদান্ত স্বৰধ্বনি বিকৃত অথবা লুপ্ত হ'ল।

- **ৰূপগত**
  - পদান্ত স্বৰধ্বনি বিকৃত অথবা লুপ্ত হোৱাত পূৰ্বৰ লিঙ্গ পাৰ্থক্য প্ৰায় নাথাকিলগৈ। গুজৰাটী আৰু মাৰাঠীৰ বাহিৰে আন ভাষাবোৰত ক্লীৱ লিঙ্গ লোপ পালে। সিংহলীত আকৌ সপ্ৰাণ আৰু অপ্ৰাণ — এই দুই লিঙ্গৰ সৃষ্টি হ'ল। আনবোৰ পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গৰ উপস্থিতি থাকিল। কিন্তু এই দুই লিঙ্গৰ মাজত থকা পাৰ্থক্যও সংস্কৃতৰ দৰে নহয়। যেনে— সংস্কৃত পুংলিঙ্গবাচক 'দেহ' শব্দ হিন্দী, পাঞ্জাৱী আৰু গুজৰাটীত স্ত্ৰীলিঙ্গ হয়। নতুন স্ত্ৰীলিঙ্গবাচক শব্দৰ সৃষ্টি নব্য ভাৰতীয় আৰ্যস্তৰৰ ভাষাৰ এটি প্ৰধান বৈশিষ্ট্য।
  - প্ৰাতিপদিকৰ ক্ষেত্ৰত দুটা কাৰকৰ ব্যৱস্থা আছে — মুখ্য (Direct) আৰু গৌণ (Oblique)। কৰ্তাকাৰকৰ অৰ্থত ব্যৱহৃত কৰণৰ বিভক্তি মিলি মুখ্য কাৰক হৈছে সম্প্ৰদান, কৰণ আৰু অধিকৰণ বিভক্তি মিলি গৌণ কাৰক হৈছে। অনুসৰ্গ (post position) আৰু অনুসৰ্গজাত নতুন বিভক্তিসমূহ গৌণৰূপেই প্ৰয়োগ হোৱা দেখা যায়।
  - বচনৰ সংখ্যা সকলোতে দুটা — একবচন আৰু বহুবচন; বহুবচন বুজোৱা নতুন প্ৰত্যয় আৰু বহুত্ববাচক শব্দৰ প্ৰয়োগ দেখা যায়।
  - ল-কাৰ আৰু গনবিভাজন নাইকিয়া হ'ল। নিষ্ঠা অথবা শতৃ প্ৰত্যয়ৰ সংযোগত অতীত কালৰ আৰু কেতিয়াবা তব্য প্ৰত্যয়ৰ সংযোগত ভৱিষ্যত কালৰ পদ গঠন হ'বলৈ ধৰিলে। যেনে — চলিত, চলিল, (চলিব) (অসমীয়া, বাংলা, ওড়িয়া)।
  - প্ৰাচীন কাল আৰু ভাবৰ ভিতৰত কেৱল বৰ্তমান আৰু অনুজ্ঞা ভাব ৰক্ষিত হ'ল। যৌগিক কালৰ ব্যৱহাৰ এই স্তৰৰ ভাষাৰ এটি বৈশিষ্ট্য।
  - আৰৱী, পাৰ্চী, ইংৰাজী আদি ভাষাৰ শব্দৰ পৰ্যাপ্ত ব্যৱহাৰ হ'ল।
  - ছন্দৰ পদ্ধতি মূলতঃ সমমাত্ৰিক আৰু মাত্ৰামূলক আৰু ক'ৰবাত অক্ষৰমূলক।

এইদৰে আলোচনা কৰিলে দেখা যায় যে ভাৰতীয় আৰ্যভাষাই খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকামানলৈ বিকশিত হৈ নব্য ভাৰতীয় আৰ্যভাষালৈ ৰূপান্তৰ হৈছে। আগৰ অধ্যায়টিৰ লগতে এই অধ্যায়টি অধ্যয়ন কৰি আমি এটা স্পষ্ট ধাৰণা লাভ কৰিলোঁ যে আৰ্যভাষাৰ প্ৰতিটো স্তৰতে ভাষাগত বৈশিষ্ট্যৰ পৰিৱৰ্তন হৈছে; অৰ্থাৎ ভাষা পৰিৱৰ্তনশীল, ই সদায় জটিলতাৰ পৰা সৰলতাৰ পিনে গতি লাভ কৰে।



জানি থোৱা ভাল

নব্য ভাৰতীয় আৰ্যভাষাৰ সময়ত এটা মহত্ত্বপূৰ্ণ বিশেষত্ব হৈছে আৰৱী, পাৰ্চী, ইংৰাজী আদি অনেক ভাষাৰ শব্দ ভাৰতীয় ভাষাবোৰত প্ৰৱেশ কৰে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৬ ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী নাসিক্য ধ্বনি কিহলৈ পৰিৱৰ্তন ঘটিল।

.....

প্ৰশ্ন নং ৭ ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ বচনৰ সংখ্যা কিমান?

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- নব্য ভাৰতীয় আৰ্যভাষা হৈছে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ৰমপৰিণতি লাভৰ ফল।
- নব্য ভাৰতীয় আৰ্যভাষাৰ সময় হ'ল খ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমানলৈকে।
- প্ৰতিটো প্ৰাকৃতৰ অপভ্ৰংশ ৰূপৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ জন্ম হৈছে বুলি কোৱা হয়।
- ভৌগোলিক আৰু পাৰস্পৰিক সম্পৰ্কৰ ভেটিত আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ শ্ৰেণীবিভাগ কৰা হৈছে।
- আৰ্যভাষা ভাৰততে নহয়, ভাৰতৰ বাহিৰতো যে প্ৰচলন আছিল সেই কথা আমি সিংহলী আৰু যাযাবৰী ভাষাৰ পৰাই প্ৰমাণ পালোঁ।
- আধুনিক ভাৰতীয় আৰ্যভাষাসমূহ প্ৰত্যেকেই একোটা স্বকীয় ভাষা যদিও প্ৰত্যেকৰে মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্যও বিৰাজমান।



৭.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (২০০২); *পালি-প্ৰকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এম. পাৱলিছিং।

২) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৪) ফুকন পাটগিৰি, দীপ্তি (২০০৬); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জাৰ্ণল এম্প'ৰিয়াম।

বাংলা গ্ৰন্থ ঃ

৬) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

৭) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.

৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৬ টা শাখাত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্বী-পাঞ্জাৱীৰ প্ৰাচীনতম নিদৰ্শন হ'ল শিখসকলৰ ধৰ্মগ্ৰন্থ *গ্ৰন্থচাহেব।*

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পশ্চিমা হিন্দীৰ অন্তৰ্গত হিন্দী ভাষা হ'ল ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা। হিন্দী ভাষাই ভাৰতবৰ্ষৰ এক বুজন অংশ আ�ৰি আছে; বিশেষকৈ উত্তৰপ্ৰদেশ, দিল্লী, হিমালয়প্ৰদেশ, ৰাজস্থান, মধ্যপ্ৰদেশ, বিহাৰকে আদি কৰি পঞ্জাবৰ একাংশত হিন্দী ভাষাই প্ৰাধান্য বিস্তাৰ কৰি আছে। ১০০০ খ্ৰীষ্টাব্দৰ পৰা হিন্দী ভাষাৰ বিকাশৰ ধাৰা আৰম্ভ হয়। হিন্দীৰ বিকাশৰ ধাৰা মূলতঃ তিনিটা— প্ৰাচীন কাল (১০০০-১৫০০ খ্ৰীষ্টাব্দলৈ), মধ্যকাল (১৫০০-১৮০০ খ্ৰীষ্টাব্দলৈ) আৰু আধুনিক কাল (খ্ৰীষ্টাব্দ ১৮০০ ৰ পৰা বৰ্তমানলৈ)। হিন্দী ভাষাই ভাৰতবৰ্ষৰ এক বিস্তৃত অঞ্চল আৰৰি থকা কাৰণে অঞ্চলভেদে, সময়ে সময়ে ইয়াৰ সুকীয়া ৰূপ গঢ়ি উঠিছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃপূৰ্বী শাখাৰ ভাষাসমূহৰ অন্তৰ্গত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 'সিংহলী' আৰু 'যাযাবৰী' বা 'জিপ্‌ছী' ভাষা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী নাসিক্য ধ্বনি, যেনে— ঙ, ঞ, ন্, ম্, ং কমি আহি শেষত স্বৰধ্বনিক অনুনাসিক কৰি লুপ্ত হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বচনৰ সংখ্যা সকলোতে দুটা।



৭.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) নব্য ভাৰতীয় আৰ্যভাষা মানে কি বুজে?

(খ) কিহৰ ওপৰত ভিত্তি কৰি নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ শ্ৰেণীবিভাজন কৰা হৈছে?

(গ) অসমীয়া, বাংলা, ওড়িয়া ভাষাক একেলগে কি নামেৰে জনা যায়? ইহঁতৰ মূল কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

(ক)	মাৰাঠী	(খ)	কথ্য হিন্দুস্তানী
(গ)	ব্ৰজভাষা	(ঘ)	অৱধী
(ঙ)	মৈথিলী	(চ)	ভোজপুৰী
(ছ)	বংগাৰু	(জ)	গাড়োৱালী
(ঝ)	সিংহলী	(ঞ)	যাযাবৰী

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ শ্ৰেণীবিভাগ সম্পৰ্কে বিতং আলোচনা দাঙি ধৰক। লগতে প্ৰতিটো শ্ৰেণীতে অন্তৰ্গত ভাষাৰ ভৌগোলিক অৱস্থানসমূহ নিৰ্ণয় কৰি দেখুৱাওক।

প্ৰশ্ন ২ ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ উমৈহতীয়া ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৮ ঃ অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশ
৮.৩.১ উদ্ভৱকালৰ অসমীয়া ভাষা
৮.৩.২ প্রাচীন অসমীয়া ভাষা
৮.৩.৩ মধ্যযুগৰ অসমীয়া ভাষা
৮.৩.৪ আধুনিক অসমীয়া ভাষা
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্রমবিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামতসমূহ উল্লেখ কৰিব পাৰিব
- উদ্ভৱকালৰ অসমীয়া ভাষাৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত ‘চৰিত সাহিত্য’ৰ ভাষা আৰু ‘বুৰঞ্জী সাহিত্য’ৰ ভাষাৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- অসমীয়া ভাষাৰ আধুনিক যুগ কেতিয়াৰ পৰা আৰম্ভ হৈছে সেয়া নিৰূপণ কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিৰ জৰিয়তে, প্রাচীন ভাৰতীয় আর্যভাষাৰ পৰা কেনেদৰে ক্রমবিকাশ হৈ মধ্য ভাৰতীয় আর্যভাষাৰ মাজেদি আহি নব্য ভাৰতীয় আর্যভাষাসমূহৰ জন্ম হৈছে, সেই বিষয়ে আপুনি অধ্যয়ন কৰিলে। অসমীয়া ভাষাও যে নব্য ভাৰতীয় আর্যভাষাৰ অন্তর্গত সেই সম্পর্কেও কিছু তথ্য আপুনি লাভ কৰি আহিছে। এই অধ্যায়টিত আপুনি অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে বিভিন্ন পণ্ডিতসকলে আগবঢ়োৱা মতামতসমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। অসমীয়া ভাষাই কিদৰে ক্রমবিকশিত হৈ বর্তমানৰ ৰূপ পৰিগ্রহণ কৰিছে, সেই বিষয়েও অৱগত

হ'ব। অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন সময়ত বহুকেইজন পণ্ডিতে মতামত আগবঢ়াই আহিছে। তেওঁলোকৰ মতামতসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে অধিকাংশ পণ্ডিতে অসমীয়া ভাষাৰ মূল 'মাগধী অপভ্রংশ' বুলি মানি লৈছে।

অসমীয়া ভাষাৰ বিকাশৰ ইতিহাসক বিভিন্ন পণ্ডিতে বিভিন্ন ভাগত বিভক্ত কৰিছে। ড° বাণীকান্ত কাকতিয়ে তিনিটা ভাগৰ কথা উল্লেখ কৰিছে। ড° ৰমেশ পাঠকে ড° বাণীকান্ত কাকতিৰ ভাগ তিনিটাক পুনৰ বিশ্লেষণ কৰি চাৰিটা ভাগত ভাগ কৰি দেখুৱাইছে। যথা — উদ্ভৱকালৰ অসমীয়া ভাষা, প্ৰাচীন অসমীয়া ভাষা, মধ্যযুগৰ অসমীয়া ভাষা আৰু আধুনিক অসমীয়া ভাষা।

উদ্ভৱকালৰ অসমীয়া ভাষাৰ নিদৰ্শন — তামৰফলিৰ ভাষা, চৰ্যাপদৰ ভাষা আৰু *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষা। এই নিদৰ্শনসমূহত প্ৰয়োগ হোৱা ভাষাৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক অতি নিবিড়ভাৱে ৰক্ষিত হৈছে। প্ৰাচীন অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ঘাইকৈ প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ ভাষা, শংকৰী যুগৰ সাহিত্যৰ ভাষা আৰু ভট্টদেৱৰ গদ্যৰ ভাষাৰ মাজেৰে সংৰক্ষিত হৈছে। শংকৰদেৱ আৰু মাধৱদেৱৰ অংকীয়া নাট, বৰগীতসমূহত ব্যৱহৃত ভাষাটোক ব্ৰজাৱলী ভাষা বোলা হয়। ভট্টদেৱৰ গদ্যত অসমীয়া ভাষাৰ অন্য এক ৰূপ প্ৰকাশিত হৈছে। মধ্যযুগৰ অসমীয়া ভাষাৰ নিদৰ্শন প্ৰধানতঃ চৰিতপুথিৰ ভাষা আৰু বুৰঞ্জী সাহিত্যৰ ভাষাৰ মাজেৰে প্ৰতিফলিত হৈছে। আধুনিক যুগৰ অসমীয়া ভাষাক — অৰুণোদয় (*অৰুনোদই*) স্তৰৰ ভাষা, জোনাকী স্তৰৰ ভাষা আৰু যুদ্ধোত্তৰ যুগৰ ভাষা, এই তিনিটা ভাগত বিভক্ত কৰিব পাৰি।

এই অধ্যায়টিত অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে। অধ্যায়টি অধ্যয়ন কৰি আপুনি অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কীয় মতামতসমূহ আৰু অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰাসমূহৰ বিষয়ে অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

৮.৩ অসমীয়া ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ

ভাৰতবৰ্ষৰ পূব-প্ৰান্তত অৱস্থিত অসম প্ৰদেশৰ মুখ্য কথিত ভাষা হ'ল 'অসমীয়া'। ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদত স্বীকৃত অসমীয়া ভাষাটোৱেই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ মাজৰ প্ৰধান সংযোগী ভাষাৰূপে প্ৰচলিত হৈ আহিছে।

অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ আভাস চীনা পৰিব্ৰাজক হিউৱেন চাঙে আগবঢ়োৱা মন্তব্যটোৰ জৰিয়তে পোৱা গৈছে। যথা — "Their (People of Kamrup) speech differed a little from that of Mid-India." এইজনা পৰিব্ৰাজকে খ্ৰীষ্টীয় সপ্তম শতিকাত ভাৰতলৈ আহি সেই সময়ৰ কামৰূপত কিছুদিন থাকে। হিউৱেন চাঙৰ এই মন্তব্যটোৱেই বৰ্তমানলৈকে প্ৰাপ্ত অসমীয়া ভাষা সম্বন্ধে প্ৰথম মন্তব্য।

অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণৰ মত পোষণ কৰিছে। এই বিষয়ে ঘাইকৈ যিকেইটা মত পোৱা যায় সেয়া তলত উল্লেখ কৰা হ'ল —

- প্ৰথম চাম পণ্ডিতৰ মতে — অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা ভাষা। গ্ৰীয়াৰ্ছন, ড° সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু ড° বাণীকান্ত কাকতি আদি বহুকেইজন বিশিষ্ট পণ্ডিতে

এই মত পোষণ কৰে।

- দ্বিতীয় চাম পণ্ডিতৰ মতে — অসমীয়া ভাষা মাগধী প্রাকৃতৰ পৰা জন্ম হোৱা নাই, কামৰূপী প্রাকৃতৰ পৰাহে জন্ম হৈছে। এই মত পোষণ কৰে বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ আদিয়ে।
- তৃতীয় মতটো হ'ল — 'অসমীয়া ভাষাৰ জন্ম অকল মাগধী প্রাকৃতৰ পৰাই হোৱা নাই — প্রাচ্য আৰু পশ্চিমা প্রাকৃতৰ মিশ্রণতহে ইয়াৰ জন্ম হৈছে।' কালিৰাম মেধিয়ে এই মত আগবঢ়াইছে।
- চতুর্থ মতটো হ'ল — অসমীয়া ভাষাৰ জন্ম পৈশাচী প্রাকৃতৰ পৰা হৈছে। এই মত কনকলাল বৰুৱাৰ।
- পঞ্চম মতটো হৈছে — 'অধুনালুপ্ত কোনো এক অনা-আর্যভাষাৰ ওপৰত সংস্কৃত ভাষাৰ গাঁথনি জাপি দিয়াৰ ফলত ইয়াৰ জন্ম।' নাথান ব্রাউনে এনে সম্ভাৱনাৰ কথা ব্যক্ত কৰিছিল।
- ষষ্ঠ মতটোৰ পৃষ্ঠপোষক দেবানন্দ ভৰালী। তেওঁৰ মতে, অসমীয়া ভাষাটো বিভিন্ন প্রাকৃতৰ সংমিশ্রণত উদ্ভৱ হৈছে। তেওঁ অসমীয়া ভাষাৰ উৎপত্তিৰ আলোচনা সন্দর্ভত সৌমাৰ প্রাকৃত আৰু কামৰূপী প্রাকৃতৰ অস্তিত্বৰ কথা উল্লেখ কৰিছে।

উল্লিখিত মন্তব্যসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে অধিকাংশ পণ্ডিতে 'মাগধী প্রাকৃত'কে অসমীয়া ভাষাৰ মূল বুলি মানি লৈছে। আনহাতে যিসকলে অসমীয়া ভাষাৰ মূল কামৰূপী প্রাকৃত বুলি কৈছে তেওঁলোকে কিন্তু কামৰূপী প্রাকৃতৰ অস্তিত্ব আৰু বিশেষত্ব সম্পর্কে তথ্যসহ বিশেষ যুক্তি আগবঢ়াব পৰা নাই। তদুপৰি অসমীয়া ভাষাৰ তদ্ভৱ শব্দবোৰৰ গঠন আৰু বিকাশ মাগধী প্রাকৃতৰ জৰিয়তে সুন্দৰকৈ ব্যাখ্যা কৰি দেখুৱাব পাৰি। এনে কাৰণতেই পণ্ডিতসকলে অসমীয়া ভাষাৰ জন্ম মাগধীৰ পৰাই হৈছে বুলি অভিমত প্রকাশ কৰিছে। এইখিনিতে মনত ৰাখিব যে অসমীয়া ভাষাটো মূলতঃ মাগধীয় ভাষা বুলি কোৱা হৈছে যদিও ক্রমবিকাশৰ বিভিন্ন স্তৰত অসমীয়া ভাষাই বিভিন্ন থলুৱা উপাদান গ্রহণ কৰিছে।

পণ্ডিতসকলে মন্তব্য কৰিছে যে মগধকেন্দ্রিক প্রাচ্য উপভাষাই বিশাল জনজাতীয় লোকৰ মাজত বিকাশ লাভ কৰিছিল। এনে ভাষাই বিভিন্ন ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক পৰিৱর্তনেৰে খ্রীষ্টাব্দ সপ্তম শতিকামানৰ পৰাই সুকীয়া ৰূপ পৰিগ্রহণ কৰে আৰু সম্ভৱতঃ দশম-একাদশ শতিকামানৰ ভিতৰত মাগধী প্রাকৃতৰ পূর্ব-মাগধী অপভ্রংশৰ পৰা নানা স্থানগত বৈশিষ্ট্যৰে অসমীয়া ভাষাই স্বতন্ত্র ৰূপত আত্মপ্রকাশ কৰিলে।

অসমীয়া ভাষাই প্রাচীন কালৰে পৰাই বিভিন্ন স্তৰত বিভিন্ন ৰূপত পৰিৱর্তিত আৰু পৰিৱর্ধিত হৈ আহি বর্তমান অৱস্থাত উপনীত হৈছেহি।

অসমীয়া ভাষাৰ ইতিহাসক ড° বাণীকান্ত কাকতিয়ে তিনিটা প্রধান ভাগত বিভক্ত কৰিছে। যথা —

- প্রাচীন অসমীয়া (চতুর্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ শেষ ভাগলৈকে)
- মধ্য অসমীয়া (সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আদি ভাগ)
- আধুনিক অসমীয়া (ঊনবিংশ শতিকাৰ প্রাৰম্ভৰ পৰা বর্তমানলৈকে)

ড° বাণীকান্ত কাকতিৰ যুগ-বিভাজনলৈ লক্ষ্য কৰিলে দেখা যায় যে কাকতিয়ে অসমীয়া সাহিত্যৰ নিভাঁজ চানেকি পোৱা সময়ৰ পৰাই অসমীয়া ভাষাৰ যুগৰ আৰম্ভ হোৱা বুলি দেখুৱাইছে। কিন্তু লিখিত সাহিত্যৰ আৰম্ভণিৰ আগতেই নিশ্চয় অসমীয়া ভাষাৰ জন্ম হৈছে। সেয়ে ড° বাণীকান্ত কাকতিয়ে আগবঢ়োৱা উপর্যুক্ত অসমীয়া ভাষাৰ যুগ বিভাজনক কিছু সালসলনি কৰিছে *অসমীয়া ভাষাৰ ইতিহাস* গ্ৰন্থৰ ৰচয়িতা ড° ৰমেশ পাঠকে। ড° ৰমেশ পাঠকে অসমীয়া ভাষাৰ বিকাশৰ ধাৰাটোক চাৰিটা যুগত ভাগ কৰিছে। আমিও আলোচনাৰ সুবিধার্থে অসমীয়া ভাষাৰ বিকাশক প্ৰধানতঃ চাৰিটা ভাগ কৰি ল'ব পাৰোঁ।

- উদ্ভৱকালৰ অসমীয়া ভাষা বা প্ৰত্ন অসমীয়া ভাষা। (খ্ৰীষ্টীয় ষষ্ঠ/সপ্তম শতিকাৰ পৰা চতুৰ্দশ শতিকা)
- পুৰণি অসমীয়া বা প্ৰাচীন অসমীয়া ভাষা। (খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকা)
- মধ্যযুগৰ অসমীয়া ভাষা। (সোতৰ শতিকাৰ পৰা ঊনৈশ শতিকাৰ আৰম্ভণিলৈ)
- আধুনিক অসমীয়া ভাষা। (ঊনৈশ শতিকাৰ পৰা বৰ্তমানলৈকে)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ হিউৱেন চাঙ্ ক'ৰ ব্যক্তি আৰু কেতিয়া কামৰূপলৈ আহিছিল ?

.....

প্ৰশ্ন নং ২ ঃ শুদ্ধটো লিখক —"অসমীয়া ভাষা কামৰূপী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে" — মন্তব্যটো কৰিছিল বাণীকান্ত কাকতি/বেণীমাধৱ বৰুৱাই।

.....



চিন্তা-চৰ্চা কৰক — ৮.১

'অসমীয়া ভাষাৰ উৎপত্তি' সম্বন্ধে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামতসমূহ বিশ্লেষণ কৰি এটি আলচ যুগুত কৰক।

.....

.....

.....

.....

৮.৩.১ উদ্ভৱকালৰ অসমীয়া ভাষা

উদ্ভৱকালৰ অসমীয়া ভাষাৰ নিদৰ্শন প্ৰধানতঃ তামৰ ফলিসমূহৰ ভাষাত,

চৰ্যাপদসমূহৰ ভাষাত আৰু *শ্ৰীকৃষ্ণ কীৰ্তনৰ* ভাষাত দেখিবলৈ পোৱা যায়। খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ প্ৰদত্ত তামৰ ফলিসমূহৰ ভাষাই অসমৰ প্ৰাচীনতম ভাষাৰ প্ৰতিনিধিত্ব কৰিছে। তেওঁবিলাকৰ এই শাসনসমূহত অসমীয়া ভাষাৰ প্ৰত্ন-ৰূপটো ৰক্ষিত হৈছে। তামৰ ফলিৰ ভাষাত অসমৰ কিছুমান ঠাইৰ নাম, মানুহৰ নাম, গছ-গছনিৰ নাম আৰু অন্যান্য অসমীয়া শব্দৰ লগতে, স্ৱৰধ্বনিৰ হ্ৰস্ব-দীৰ্ঘৰূপৰ মাজত পাৰ্থক্যহীনতা, স্ৱৰ সমীভৱন আৰু ব্যঞ্জন সমীভৱনৰ প্ৰয়োগ উল্লেখযোগ্য।

ইয়াৰ পাছতেই আহে প্ৰথম অসমীয়া সাহিত্যৰ নিদৰ্শন স্ৱৰূপ চৰ্যাপদসমূহৰ ভাষা। চৰ্যাপদৰ ভাষাত 'ঋ' ৰ ঠাইত 'অ' আৰু 'উ'ৰ ব্যৱহাৰ; কৰ্ম কাৰকত 'ক'ৰ ব্যৱহাৰ লোপ; বিশেষণ দুবাৰ প্ৰয়োগ কৰি বহুবচন সৃষ্টি, স্ত্ৰীলিংগৰ ক্ষেত্ৰত স্ত্ৰীপ্ৰত্যয় '-ঈ' আৰু '-নী'ৰ প্ৰয়োগৰ উপৰি কিছুমান অতি ঘৰুৱা অসমীয়া শব্দও ব্যৱহাৰ হোৱা দেখা যায়।

ইয়াৰ পাছতেই আহে মিশ্ৰ অসমীয়া সাহিত্যৰ অন্তৰ্ভুক্ত সাহিত্যৰাজিৰ ভাষা। তাৰে ভিতৰত অন্তৰ্ভুক্ত হ'ল— *শ্ৰীকৃষ্ণ-কীৰ্ত্তন* আৰু *শূন্যপুৰাণ*। বাংলা ভাষাত ব্যৱহাৰ নোহোৱা অথচ অসমীয়া ভাষাত এতিয়াও প্ৰচলিত ভালেমান শব্দ বা পদ *শ্ৰীকৃষ্ণ-কীৰ্ত্তনত* পোৱা যায়; যেনে — বাটে বাটে, আছিলা, আই, পেলাইয়া, বিচনি, বুঢ়া, তিৰী, পো, নাতিনী, ঘঁৰিয়াল, লাজ, ঘৰ, পানী ইত্যাদি। অসমীয়াত উত্তম পুৰুষৰ বৰ্তমান কালৰ ক্ৰিয়াত 'ওঁ' বা 'উ' (যেনে — জাঁউ, দেখাওঁ, কৈলো); ক্ৰিয়াৰ আগত নিষেধাৰ্থক 'ন' সংযোগ (নাবোলসি, নহোঁ); অপাদান কাৰকত পঞ্চমী বিভক্তিৰ চিন 'হন্তে'ৰ ব্যৱহাৰ; ভৱিষ্যত ক্ৰিয়াৰ্থা ক্ৰিয়া বুজাবলৈ 'ইত' আৰু 'ইব্' প্ৰত্যয়ৰ প্ৰয়োগ অসমীয়া ভাষাৰ স্বকীয় বিশেষত্বও এইখন পুথিত ৰক্ষিত হৈছে। ঠিক সেইদৰে *শূন্যপুৰাণৰ* ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ ক্ষেত্ৰত মন কৰিবলগীয়া বিশেষত্ব হ'ল ইয়াৰ প্ৰতিলিপিত পেটকটা 'ৰ' আৰু 'ৱ'ৰ ব্যৱহাৰ হৈছে উল্লেখযোগ্য। আনহাতে এই পুথিখনত প্ৰথমাবিভক্তিৰ চিন '-এ', ষষ্ঠীৰ '-ৰ', সপ্তমীৰ '-ত' আদি শব্দবিভক্তিৰ উপৰি বহুত অসমীয়া ক্ৰিয়া বিভক্তিৰ ব্যৱহাৰ কৰা দেখা যায়। এই বিষয়ে পৰৱৰ্তী অধ্যায়ত বহলাই আলোচনা কৰা যাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ চৰ্যাপদৰ ভাষাত ব্যৱহৃত এটি ৰূপতত্ত্বমূলক বৈশিষ্ট্য উল্লেখ কৰি তাৰ উদাহৰণ দিয়ক।

.....

৮.৩.২ প্রাচীন অসমীয়া ভাষা

খ্রীষ্টীয় চতুর্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ শেষভাগলৈকে প্রাচীন অসমীয়া ভাষাৰ সময় নির্ধাৰণ কৰা হৈছে। অসমীয়া সাহিত্যৰ ইতিহাসত এই সময়খিনিক প্রাক্-শঙ্কৰী আৰু শঙ্কৰী — এই দুটা প্রধান ভাগত ভাগ কৰা হৈছে। প্রাক্-শংকৰী যুগৰ ভাষাত যুক্তাক্ষৰৰ সৰলীকৰণ আৰু হ্রস্ব-দীর্ঘ স্বৰৰ পার্থক্যহীনতা দেখিবলৈ পোৱা যায়। স্বৰভক্তিৰ সহায়ত কঠিন শব্দ ভাঙি সৰল ৰূপত প্রকাশ কৰা হৈছে। ঠিক সেইদৰে দন্ত্যমূলীয় বর্ণ বা আখৰৰ প্রয়োগ সর্বাধিক। প্রায় ক্ষেত্রতেই 'ণ'-ৰ ঠাইত 'ন'-ৰ ব্যৱহাৰ হৈছে। প্রাক্-শঙ্কৰী যুগৰ কবি মাধৱ কন্দলীৰ *ৰামায়ণত* 'গণ', 'সব', 'সকল' আৰু 'চয়' আদি বহুবচনাত্মক প্রত্যয় ব্যৱহাৰ হৈছে। যেনে — তাৰাগণ, আমিসৱ, পাপীচয়, ইত্যাদি। '-ঈ' আৰু '-নী' আদি স্ত্রীবাচক প্রত্যয়ৰ প্রয়োগ প্রাক্-শঙ্কৰী যুগৰ ভাষাত দেখিবলৈ পোৱা যায়।

আনহাতে পঞ্চদশ শতিকাৰ শেষৰফালে মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে বৈষ্ণৱ ধর্ম প্রচাৰৰ উদ্দেশ্যে নানা গীত, পদ নাট, কাব্য আদি ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। গুৰুজনাই ৰচনা কৰা বৰগীত আৰু অংকীয়া নাটসমূহত ব্রজাৱলী ভাষা প্রয়োগ কৰিছিল। শংকৰদেৱেই অংকীয়া নাটসমূহত এটি লয়যুক্ত গদ্যৰ প্রয়োগ কৰে, অসমীয়া সাহিত্যত গদ্য সৃষ্টিৰ এয়া প্রথম প্রয়াস। অৱশ্যে পৰৱর্তী সময়ত ভট্টদেৱৰ হাততহে অসমীয়া গদ্যই পূর্ণতা লাভ কৰে। সেই দিশৰ পৰা ভট্টদেৱকে অসমীয়া গদ্য সাহিত্যৰ জনক হিচাপে অভিহিত কৰা হয়। শংকৰদেৱৰ প্রিয় শিষ্য মাধৱদেৱ আছিল শঙ্কৰী যুগৰ এজন শ্রেষ্ঠ সাহিত্যিক। মাধৱদেৱেও নিজৰ নাট আৰু বৰগীতসমূহত ব্রজাৱলী ভাষা ব্যৱহাৰ কৰিছিল। শঙ্কৰীযুগৰ অন্যান্য কবিসকল ভিতৰত অনন্ত কন্দলী, শ্রীধৰ কন্দলী, ৰাম সৰস্বতী আৰু পাঁচালি কবিসকল যথা পীতাম্বৰ কবি, দুর্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ নাম উল্লেখযোগ্য। এই সাহিত্যিকসকলৰ ৰচনাৰাজিৰ ভাষাত প্রাচীন অসমীয়া ভাষাৰ নিদর্শন সংৰক্ষিত হৈ আছে। মন কৰিবলগীয়া বৈশিষ্ট্য যে শঙ্কৰী যুগৰ কবিসকলে প্রাক্-শঙ্কৰী কবিসকলৰ পৰা অসমীয়া ভাষাৰ এটি নির্দিষ্ট সাহিত্যিক ৰূপ আৰু ছন্দৰ আদর্শ লাভ কৰিছিল। শঙ্কৰদেৱ প্রমুখ্যে অন্যান্য বৈষ্ণৱ কবিসকলে সেই সাহিত্যিক ৰূপক অধিক মনোগ্রাহী কৰি নতুন নতুন ছন্দ প্রয়োগেৰে বৈষ্ণৱ সাহিত্যৰ বিবিধ শ্রেণীৰ সাহিত্য প্রকাশৰ ক্ষেত্র মুকলি কৰিছিল। এই বিষয়ে পৰৱর্তী অধ্যায়ত বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শংকৰদেৱে বৰগীত আৰু অংকীয়া নাটসমূহত প্ৰয়োগ কৰা ভাষাটো কি?

.....

প্ৰশ্ন নং ৫ ঃ কাক অসমীয়া গদ্যসাহিত্যৰ জনক বুলি আখ্যা দিয়া হৈছে? তেওঁৰ সাহিত্যকৃতি কি কি?

.....



চিন্তা-চৰ্চা কৰক — ৮.২

ভট্টদেৱৰ গদ্যৰ ভাষাৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

.....

.....

.....

.....

৮.৩.৩ মধ্যযুগৰ অসমীয়া ভাষা

মধ্যযুগটো মূলতঃ অসমীয়া গদ্যসাহিত্যৰ বিকাশৰ যুগ। এই যুগতে অসমীয়া ভাষা সাহিত্যৰ এক নতুন ৰূপ প্ৰকাশ পাইছে। *কথা গুৰুচৰিত, কথা ৰামায়ণ,* বুৰঞ্জী আৰু ব্যৱহাৰিক জ্ঞানৰ বহুতো পুথি মধ্যযুগতে ৰচিত হৈছিল। সপ্তদশ শতিকাৰ আদিভাগতে আহোম ৰজাসকলৰ অনুপ্ৰেৰণাত বুৰঞ্জী সাহিত্য সৃষ্টি হয় আৰু সত্ৰসমূহৰ আশ্ৰয়ত চৰিত সাহিত্যৰ বিকাশ হয়। প্ৰধানতঃ বুৰঞ্জী আৰু চৰিত সাহিত্যৰ যুগটোৱেই অসমীয়া ভাষাৰ বুৰঞ্জীৰ মধ্যযুগ আৰু ই সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰাৰম্ভলৈকে পৰিব্যাপ্ত। এই সময়ৰ ভাষাৰ কেইটামান প্ৰধান বৈশিষ্ট্য হ'ল —

- চৰিত সাহিত্যবোৰত ব্যৱহৃত গদ্য ভকতীয়া ঠাঁচৰ। সত্ৰীয়া মাৰ্জিত কথনভংগীত ৰচিত এই সাহিত্যৰাজিত জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগৰ ফলত গদ্যই নিভাঁজ অসমীয়া ভাষাৰ ৰূপ পৰিগ্ৰহণ কৰিছে।
- বুৰঞ্জীসমূহৰ ৰচনাত ব্যৱহৃত ভাষাটো আছিল সহজ-সৰল, অনাড়ম্বৰ আৰু কথিত ভাষাৰ ওচৰ চপা। ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত এই সাহিত্যৰাজিত এক গাম্ভীৰ্য লক্ষ্য কৰা যায়।

- *কথা ৰামায়ণ* আৰু অন্যান্য গদ্যৰ জৰিয়তে অসমীয়া গদ্য সাহিত্যই বিকাশ লাভ কৰে। প্ৰাচীন বৈশিষ্ট্যবোৰ ৰক্ষিত হোৱাৰ লগতে এই সময়ৰ অসমীয়া ভাষালৈ কেতবোৰ নতুন বৈশিষ্ট্যৰ আগমন ঘটে।
- ইয়াৰ উপৰি ভাষাগত দিশতো মধ্যযুগীয় অসমীয়া ভাষাৰ কেতবোৰ বিশেষত্ব দেখা পোৱা গ'ল। পৰৱৰ্তী অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা কৰা হৈছে।

৮.৩.৪ আধুনিক অসমীয়া ভাষা

ছশবছৰীয়া আহোম ৰাজত্বৰ শেষৰ কেইদশকমানত অসমত ৰাজনৈতিক অস্থিৰতা সৃষ্টি হোৱাত সামাজিক, অৰ্থনৈতিক জীৱনলৈ অচলাৱস্থা আহি পৰিল। ঠিক তাৰ লগে লগে অসমীয়া ভাষা-সংস্কৃতিৰ ক্ষেত্ৰখনলৈও বিপৰ্যয় নামি আহে। আহোম ৰাজত্বৰ অন্তত (১৮২৬ খ্ৰীঃৰ ইয়াণ্ডাবু সন্ধিৰ পাছত) ৰাজনৈতিক উত্থান-পতনৰ বাবে অসমীয়া মানুহে ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত উদাসীন হৈ কটাবলগীয়া হৈছিল। তেনে সময়তে ১৮৩৬ চনত শাসনৰ সুবিধাৰ বাবে ইংৰাজ চৰকাৰে অসমত বাংলা ভাষাৰ প্ৰচলন কৰিলে। পঢ়াশালি, আদালতৰ পৰা অসমীয়া ভাষা বিতাৰিত কৰি তাৰ ঠাইত বাংলা ভাষা বহুৱালে। অসমীয়া ভাষাৰ এনে অন্ধকাৰাচ্ছন্ন সময়তে অসমলৈ আমেৰিকাৰ বেপ্তিষ্ট মিছন সমাজৰ শুভাগমন ঘটে। তেওঁলোকৰ প্ৰচেষ্টাতে ১৮৪৬ চনত প্ৰথম মাহেকীয়া বাৰ্তালোচনী *অৰুনোদই* প্ৰকাশ পায়। এই *অৰুনোদই* সংবাদপত্ৰৰ মাজেৰেই অসমীয়া ভাষা-সাহিত্যৰ ভেটি সুদৃঢ় হোৱাৰ উপৰি অসমীয়া সাহিত্যত আধুনিকতাৰ বীজ ৰোপণ হ'ল; এক নতুন যুগৰ সূচনা হ'ল। আনন্দৰাম ঢেকিয়াল ফুকন আদি সচেতন ব্যক্তি আৰু মিছনেৰীসকলৰ প্ৰচেষ্টাত ১৮৭৩ চনত অসমৰ স্কুল, আদালতত অসমীয়া ভাষাৰ পুনৰ্বাসন হয়।

আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলেই অসমীয়া ব্যাকৰণ, অভিধান আদি প্ৰণয়ন কৰি অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি কৰিবলৈ যত্নপৰ হৈছিল। তেওঁলোকে সাহিত্য ৰচনাৰ ক্ষেত্ৰত শিৱসাগৰ অঞ্চলত প্ৰচলিত অসমীয়া ভাষাটিকে ভিত্তি হিচাপে গ্ৰহণ কৰিছিল। তেওঁলোকে সাহিত্য ৰচনাত ব্যৱহাৰ কৰা বৰ্ণবিন্যাস ৰীতি বা আখৰ-জোঁটনি আছিল ঘাইকৈ উচ্চাৰণ ভিত্তিক। পৰৱৰ্তীকালত হেমচন্দ্ৰ-গুণাভিৰামৰ প্ৰচেষ্টাত এই আখৰ-জোঁটনিৰ সংস্কাৰ সাধন হয়। অৰুণোদয়ৰ ভাষাত তৎসম, তদ্ভৱ, অৰ্ধ-তৎসম আদিৰ উপৰি বিবিধ ভাষাৰ শব্দৰ সমাহাৰ ঘটিছে। তদুপৰি প্ৰয়োজন সাপেক্ষে তেওঁলোকে কিছুমান নতুন অসমীয়া শব্দও সৃষ্টি কৰিছিল। এনেদৰেই *অৰুনোদই*ৰ বুকুতে অসমীয়া ভাষাই আধুনিকতাৰ দিশলৈ ধাৱমান হয়।

হেমচন্দ্ৰ-গুণাভিৰামৰ প্ৰচেষ্টা তথা অৰুনোদই কাকতৰ জৰিয়তে নিৰ্মাণ হোৱা

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটিটোক অধিক সুদৃঢ় কৰিবৰ বাবে চন্দ্রকুমাৰ আগৰৱালা, হেমচন্দ্র গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা প্রমুখ্যে কেইবাজনো ব্যক্তি আগবাঢ়ি আহিল। তেওঁলোকে ১৮৮৮ চনত কলকাতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' প্রতিষ্ঠা কৰে। এই সভাৰ (অঃ ভাঃ উঃ সাঃ) মুখপাত্র হিচাপে *জোনাকী* কাকতখন ১৮৮৯ চনত প্রকাশ পায়। *জোনাকী* কাকতৰ জৰিয়তে অসমীয়া সাহিত্যলৈ পাশ্চাত্যত জন্ম লাভ কৰা ৰমন্যাসবাদৰ পৰিপ্রকাশ ঘটে আৰু অসমীয়া কাব্য সাহিত্যলৈ এক নতুন ধাৰা প্রবাহিত হয়। তদুপৰি চুটিগল্প আৰু উপন্যাসো অসমীয়া ভাষাত ৰচিত হ'বলৈ ধৰে। *জোনাকী* তথা সমসাময়িক কেইবাখনো কাকত-আলোচনীক কেন্দ্র কৰি এই সময়তে অসমীয়া ভাষাত বিপুল সাহিত্যৰাজিৰ সৃষ্টি হয়। সুসংহত বাক্য গঠনৰ ৰীতি, কবিতাৰ বিবিধ ছন্দ ৰীতি, লোকসাহিত্যৰ অলংকাৰস্বৰূপ ফকৰা-যোজনা, প্রবাদ-প্রবচন, জতুৰা ঠাঁচ আদিৰ প্রয়োগৰ ফলত অসমীয়া ভাষালৈ নতুন প্রাণ আহিল, ভাষাৰ প্রকাশিকা শক্তি বৃদ্ধি পালে। ক্রমান্বয়ে *অৰুনোদই*ত ব্যৱহৃত ভাষাশৈলীৰ পৰিৱর্তন ঘটি অসমীয়া ভাষাই সাহিত্য উপযোগী নতুন ৰূপ পৰিগ্রহ কৰে।

দ্বিতীয় মহাসমৰৰ (১৯৩৯) অবর্ণনীয় ধ্বংসলীলাই গোটেই বিশ্বতে ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক দিশত নানা সমস্যাৰ সৃষ্টি কৰিলে। সমাজত নৈতিকতাৰ অপমৃত্যু ঘটিল আৰু মূল্যবোধৰ চৰম অৱক্ষয় আৰম্ভ হ'ল। মহাযুদ্ধৰ এই দুৰৱস্থাৰ সময়তে, দুর্যোগৰ মাজেৰে অসমীয়া ভাষা-সাহিত্যই নতুন উন্নতিৰ পথত খোজ পেলালে। যুদ্ধৰ পৰৱর্তীকালত অসমীয়া কবিতাৰ ক্ষেত্রত নতুনত্বৰ সংযোজন ঘটিল। *জোনাকী* কাকতৰ জৰিয়তে অসমীয়া সাহিত্যত প্রৱেশ ঘটা ৰোমাণ্টিক কবিতাৰ ঠাইত জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকী খুলি ৰখাটোৱেই সাম্প্রতিক কবিসকলৰ ধর্ম হৈ পৰিল। এই সময়ছোৱাতে কবিতাৰ লগতে সাহিত্যৰ বিভিন্ন শাখাসমূহতো নতুন ভাৱধাৰাৰ সূচনা হয়। সাহিত্যই বাস্তৱমুখী দৃষ্টিভংগীৰে সমাজৰ বিবিধ সমস্যাক মুক্তভাৱে প্রকাশ কৰিবলৈ আৰম্ভ কৰে আৰু ভাষা অধিক বাস্তৱধর্মী হৈ পৰিল। পূর্বে প্রচলিত মানসচিত্রৰ ঠাইত নতুন নতুন চিত্রকল্প তথা প্রতীকৰ ব্যৱহাৰেৰে অসমীয়া ভাষা জীপাল হৈ পৰে। তদুপৰি বিভিন্ন ভাষাৰ পৰা অহা নতুন নতুন শব্দই অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ চহকী আৰু অধিক ব্যঞ্জনাময় কৰি তোলে। সময়ৰ পৰিৱর্তনৰ লগে লগে অসমীয়া ভাষাৰো প্রকাশক্ষমতা ক্রমান্বয়ে বৃদ্ধি পায়। পৰৱর্তী অধ্যায়টিত এই বিষয়ে বহলাই আলোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ কোনখন কাকতৰ জৰিয়তে অসমীয়া সাহিত্যলৈ পাশ্চাত্যত জন্ম লাভ কৰা ৰমন্যাসবাদৰ পৰিপ্রকাশ ঘটে ?

.....

প্ৰশ্ন নং ৭ ঃ অসমীয়া সাহিত্যৰ মধ্যযুগটোৰ সাহিত্যৰাজিত দেখা পোৱা কেইটামান বৈশিষ্ট্য উল্লেখ কৰক। (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্নজনে বিভিন্ন মত আগবঢ়াইছে।
- 'মাগধী অপভ্রংশই অসমীয়া ভাষাৰ মূল' বুলি অধিকাংশ পণ্ডিতে যুক্তি দৰ্শাইছে।
- অসমীয়া ভাষাৰ বিকাশৰ ইতিহাসক চাৰিটা যুগৰ মাজেৰে আলোচনা কৰিব পাৰি। যথা —
  - (ক) উদ্ভৱকালৰ অসমীয়া ভাষা,
  - (খ) প্ৰাচীন অসমীয়া ভাষা,
  - (গ) মধ্যযুগৰ অসমীয়া ভাষা,
  - (ঘ) আধুনিক অসমীয়া ভাষা
- উদ্ভৱকালৰ অসমীয়া ভাষাৰ নিদৰ্শন প্ৰধানতঃ তামৰ ফলিসমূহৰ ভাষা, চৰ্যাপদৰ ভাষা আৰু শ্ৰীকৃষ্ণ কীৰ্তনৰ ভাষাত দেখিবলৈ পোৱা যায়।
- প্ৰাক্-শংকৰী যুগৰ ভাষা, শংকৰী যুগৰ ভাষা আৰু ভট্টদেৱৰ ভাষাত প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শন লিপিবদ্ধ হৈছে।
- মধ্যযুগৰ অসমীয়া ভাষাক প্ৰধানতঃ চৰিত সাহিত্যৰ ভাষা আৰু বুৰঞ্জী সাহিত্যৰ ভাষা — এই দুটা ভাগত বিভক্ত কৰিব পাৰি।
- আধুনিক অসমীয়া ভাষাৰ অন্তৰ্গত স্তৰকেইটা হ'ল *অৰুনোদই* স্তৰৰ ভাষা, জোনাকী স্তৰৰ ভাষা আৰু যুদ্ধোত্তৰ স্তৰৰ ভাষা।
- *অৰুনোদই* কাকতৰ জৰিয়তে অসমীয়া সাহিত্যত আধুনিক যুগৰ উন্মেষ ঘটে। তেতিয়াৰে

পৰা বৰ্তমানলৈকে বিভিন্ন নতুন নতুন বৈশিষ্ট্যৰে সমৃদ্ধ হৈ অসমীয়া ভাষা প্ৰৱাহিত হৈ আছে।



৮.৫ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০৭); *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশন।

৩) গোস্বামী, গোলোকচন্দ্ৰ (২০০৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৬) বৰুৱা, ভীমকান্ত (১৯৯৭); *অসমীয়া ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৮.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ চীনদেশৰ। খ্ৰীষ্টীয় সপ্তম শতিকাত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ড° বাণীকান্ত কাকতি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ স্বৰধ্বনিৰ হ্ৰস্ব-দীৰ্ঘৰূপৰ মাজত পাৰ্থক্যহীনতা। যেনে — কামৰূপ > কামৰুপ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰজাৱলী ভাষা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱ, তেওঁৰ গ্ৰন্থ দুখন হ'ল — *কথাভাগৱত* আৰু *কথাগীতা*।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ *জোনাকী* কাকতৰ জৰিয়তে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মধ্যযুগৰ অসমীয়া ভাষাৰ কেইটামান প্ৰধান বৈশিষ্ট্য হ'ল —

ক) চৰিত সাহিত্যবোৰত ব্যৱহৃত গদ্য ভকতীয়া ঠাঁচৰ। সত্ৰীয়া মাৰ্জিত কথনভংগীত ৰচিত এই সাহিত্যৰাজিত জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগৰ ফলত গদ্যই নিভাঁজ অসমীয়া ভাষাৰ ৰূপ পৰিগ্ৰহ কৰিছে।

(খ) বুৰঞ্জীসমূহৰ ৰচনাত ব্যৱহৃত ভাষাটো আছিল সহজ-সৰল, অনাড়ম্বৰ আৰু কথিত ভাষাৰ ওচৰ চপা। ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত এই সাহিত্যৰাজিত এক গাম্ভীৰ্য লক্ষ্য কৰা যায়।

(গ) *কথা ৰামায়ণ* আৰু অন্যান্য গদ্যৰ জৰিয়তে অসমীয়া গদ্য সাহিত্যই বিকাশ লাভ কৰে। প্ৰাচীন বৈশিষ্ট্যবোৰ ৰক্ষিত হোৱাৰ লগতে এই সময়ৰ অসমীয়া ভাষালৈ কেতবোৰ নতুন বৈশিষ্ট্যৰ আগমন ঘটে।



৮.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অসমীয়া ভাষাৰ ইতিহাসক ড° বাণীকান্ত কাকতিয়ে কেইটা ভাগত ভাগ কৰিছে?

(খ) চৰিত সাহিত্যবোৰত ব্যৱহৃত গদ্যশৈলী কেনেধৰণৰ?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উদ্ভৱকালৰ অসমীয়া ভাষা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক — (ক) উদ্ভৱকালৰ অসমীয়া ভাষা (খ) প্ৰাচীন অসমীয়া ভাষা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ জন্ম আৰু ক্ৰমবিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ২ ঃ "মাগধী অপভ্ৰংশই অসমীয়া ভাষাৰ মূল' — মন্তব্যটিৰ সাৰ্থকতা নিৰূপণ কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে ঘাইকৈ কি কি মত পোৱা যায়? এই মতবোৰৰ ভিতৰত কোনটো মত অধিক গ্ৰহণযোগ্য বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৯ ঃ উদ্ভৱ কালৰ আৰু প্ৰাচীন অসমীয়া ভাষা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ উদ্ভৱকালৰ অসমীয়া ভাষা
৯.৪ প্ৰাচীন অসমীয়া ভাষা
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্ৰগতিৰ খতিয়ান
৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- তামৰ ফলিৰ ভাষা, চৰ্যাপদৰ ভাষা, *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষা, *শূন্য পুৰাণ*ৰ ভাষা আৰু নাথ সাহিত্যৰাজিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে অৱগত হ'ব পাৰিব
- প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শন — প্ৰাক্-শংকৰী যুগৰ ভাষা, শংকৰী যুগৰ ভাষা আৰু ভট্টদেৱৰ ভাষাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামতসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে অসমীয়া ভাষাই কিদৰে ক্ৰমবিকশিত হৈ বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছে, সেই বিষয়েও অৱগত হ'ল। সেই মতামতসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে অধিকাংশ পণ্ডিতে অসমীয়া ভাষাৰ মূল 'মাগধী অপভ্ৰংশ' বুলি মানি লৈছে। সেই অধ্যায়টোত অসমীয়া ভাষাৰ বিকাশৰ ইতিহাসক বিভিন্ন পণ্ডিতে বিভিন্ন ভাগত বিভক্ত কৰাৰ কথা উল্লেখ কৰি ৰমেশ পাঠকে কৰা চাৰিটা ভাগ — উদ্ভৱকালৰ অসমীয়া ভাষা, প্ৰাচীন অসমীয়া ভাষা, মধ্যযুগৰ অসমীয়া ভাষা আৰু আধুনিক অসমীয়া ভাষা সম্পৰ্কে উল্লেখ কৰা হ'ল। লগতে থোৱতে গোটেইকেইটা ভাগৰো চমু পৰিচিতি আগবঢ়োৱা হ'ল। এই অধ্যায়টোত আমি তাৰে দুটা ভাগ — উদ্ভৱকালৰ অসমীয়া ভাষা আৰু প্ৰাচীন অসমীয়া ভাষাৰ বৈশিষ্ট্য ৰক্ষিত হোৱা সৃষ্টিৰাজিত সেয়া কেনেদৰে ৰক্ষিত হৈছে সেই বিষয়ে বহলাই আলোচনা কৰিম।

উদ্ভৱকালৰ অসমীয়া ভাষাৰ নিদৰ্শন দেখা পাওঁ আমি — সেই সময়ৰ তামৰ ফলি, চৰ্যাপদ, মিশ্ৰ অসমীয়া সাহিত্যৰ অন্তৰ্ভুক্ত *শ্ৰীকৃষ্ণ কীৰ্তন* আৰু *শূন্য পুৰাণত*। এই নিদৰ্শনসমূহত

প্ৰয়োগ হোৱা ভাষাৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক অতি নিবিড়ভাৱে ৰক্ষিত হৈছে। ঠিক সেইদৰে প্ৰাচীন অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ঘাইকৈ প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ ভাষা, শংকৰী যুগৰ সাহিত্যৰ ভাষা আৰু ভট্টদেৱৰ গদ্যৰ ভাষাৰ মাজেৰে সংৰক্ষিত হৈছে। শংকৰদেৱ আৰু মাধৱদেৱৰ অংকীয়া নাট, বৰগীতসমূহত ব্যৱহৃত ভাষাটোক ব্ৰজাৱলী ভাষা বোলা হয়। ভট্টদেৱৰ গদ্যত অসমীয়া ভাষাৰ অন্য এক ৰূপ প্ৰকাশ হৈছে। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে। অধ্যায়টোৰ অধ্যয়নে আপোনাক উত্তৰ তথা প্ৰাচীন কালৰ অসমীয়া ভাষা সম্পৰ্কে গভীৰ ধাৰণা প্ৰদান কৰিব।

৯.৩ উত্তৰকালৰ অসমীয়া ভাষা

ইতিমধ্যেই আমি উল্লেখ কৰি আহিছোঁ যে উত্তৰকালৰ অসমীয়া ভাষাৰ নিদৰ্শন প্ৰধানতঃ ৰক্ষিত হৈছে সেই সময়ত উৎকীৰ্ণ কৰা তামৰ ফলিসমূহত, চৰ্যাপদসমূহত, মিশ্ৰ অসমীয়া সাহিত্যৰ নিদৰ্শনমূলক সাহিত্যৰ অন্তৰ্গত *শ্ৰীকৃষ্ণ কীৰ্তন* আৰু *শূন্য পুৰাণৰ* ভাষাত। তলত এই সাহিত্যৰাজিৰ ভাষাত কেনেদৰে অসমীয়া ভাষাৰ বৈশিষ্ট্য ৰক্ষিত হৈছে সেই বিষয়ে ভাষাতাত্ত্বিক বিশ্লেষণ আগবঢ়োৱা হ'ল —

- **তামৰ ফলিৰ ভাষা** ঃ খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে কামৰূপত ৰাজত্ব কৰা হিন্দু ৰজাসকলৰ প্ৰদত্ত তামৰ ফলিসমূহৰ ভাষাই অসমৰ প্ৰাচীনতম ভাষাৰ প্ৰতিনিধিত্ব কৰিছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে।

  তামৰ ফলিসমূহত সেই সময়ৰ অসমৰ কিছুমান ঠাইৰ নাম, মানুহৰ নাম, গছ-গছনিৰ নাম আৰু অন্যান্য অসমীয়া শব্দ তথা বৈশিষ্ট্যমূলক নিদৰ্শন সংৰক্ষিত হৈ আছে। তামৰ ফলিৰ শব্দ আৰু অসমীয়া শব্দ কেইটামান তলত উল্লেখ কৰা হ'ল —

তামৰ ফলিৰ শব্দৰূপ	*আধুনিক শব্দৰূপ*
ওড়িঅম্ম	উৰিয়াম
জটি	জৰী
হস্থি	হাতী
ভটাৰক	গিৰীয়েক, ভতাৰ (কামৰূপী)
ঢনি	ধনী
সুৱর্ণদাৰু	সোণাৰু
পাক্ৰি	পাকৰি

  ঠিক সেইদৰে — অনিস সনি, কালিয়া কৈৱর্ত্ত আদি মানুহৰ নাম বুজোৱা শব্দ; দক্ষিণপাত, হাটপ্লেশ্বৰ আদি ঠাইৰ নাম বুজোৱা শব্দ; সোৱৰি (পুখুৰী), চম্যলা (জান), সিঙ্গড়ি (নদী)ৰ দৰে পুখুৰী-নদীৰ নাম বুজোৱা শব্দ; অম্ব, আম্ব (আম), জোল (জান) ডোল, নাক্ক (নাক) ইত্যাদি শব্দৰ ব্যৱহাৰ হোৱা দেখা গৈছিল। তাম্ৰলিপিসমূহত পোৱা অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহ এনে ধৰণৰ—

- স্বৰধ্বনিৰ হ্ৰস্ব-দীৰ্ঘৰূপৰ মাজত পাৰ্থক্যহীনতা। যেনে — কামৰূপ > কামৰুপ, ঈশ্বৰ > ইশ্বৰ, ময়ূৰ > ময়ুৰ, স্বামী > স্বামি।
- স্বৰ সমীভৱন আৰু ব্যঞ্জন সমীভৱনৰ প্ৰয়োগ। যেনে— পুষ্কৰিণী > পুষ্কিৰিণী (স্বৰ সমীভৱন), কৰ্ণসুৱৰ্ণ > কণ্ণসুৱণ্ণ, সৰ্বা > সব্বা (ব্যঞ্জন সমীভৱন)।
- 'ৱ' আৰু 'ব', 'য' আৰু 'জ', 'ড়' আৰ 'ৰ', 'শ', 'ষ', 'স'-ৰ এটাৰ ঠাইত আনটো প্ৰয়োগ হৈছে এনেদৰে; যেনে —

  ৱ > ব = ৱীর্য > বীজ্জ

  য > জ = যজুর্বেদী > যযুর্বেদী

  ড় > ৰ = ক্রীড়ৎ > ক্রীৰৎ

  শ,য > স = শনি > সনি

  মখেষু > মখেসু
- 'ক্ষ' ৰ 'খ' ৰূপত ব্যৱহাৰ হৈছে। যেনে — ক্ষিতিমথ > খিমথ
- 'ঔ' ৰ ঠাইত 'ও' ধ্বনিৰ ব্যৱহাৰ। যেনে — ধৌতেশ্বৰ > ধোতেশ্বৰ।
- 'ম' ৰ ঠাইত 'ন' আৰু 'ল' ঠাইত 'ন' ধ্বনিৰ ব্যৱহাৰ। যেনে — যৌৱনম্ > যৌবনন্, মণ্ডলং > মণ্ডনং।
- যুক্ত ব্যঞ্জনৰ লোপ। যেনে — তন্ত্র > তন্ত।
- অল্পপ্ৰাণ ধ্বনিৰ ঠাইত মহাপ্ৰাণ ধ্বনি ব্যৱহাৰ। যেনে — প্রান্ত > প্রান্ঠ।
- মূৰ্ধন্য ধ্বনিৰ ঠাইত দন্ত্য ধ্বনিৰ ব্যৱহাৰ। যেনে — বিষ্ণু > বিষ্নু।

তাম্ৰলিপিসমূহত অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ লগতে ৰূপতাত্ত্বিক বিশেষত্বও ৰক্ষিত হোৱা দেখা গৈছে। তেনে এটি উল্লেখযোগ্য ৰূপতাত্ত্বিক বিশেষত্ব হ'ল — সপ্তম শতিকাৰ ভাস্কৰবর্মাৰ তামৰ ফলিত 'কালিয়া' শব্দ তথা নৱম শতিকাৰ বনমালদেৱৰ তামৰ ফলিত পোৱা 'কুৱা' (নৌকুৱা) শব্দই স্বাৰ্থিক 'আ' প্ৰত্যয়ৰ ব্যৱহাৰৰ সাক্ষ্য বহন কৰে। উল্লেখযোগ্য যে ভাস্কৰবর্মাৰ তামৰ ফলিৰ 'কালিয়া' শব্দটোতে অসমীয়া ভাষাৰ প্ৰথম ৰূপতাত্ত্বিক নিদৰ্শন ৰক্ষিত হৈছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে।

- **চর্যাপদৰ ভাষা** ঃ উদ্ভৱকালৰ অসমীয়া ভাষাৰ সাক্ষ্য স্বৰূপে আমি চর্যাপদসমূহত ব্যৱহৃত ভাষাটিৰ কথা বিবেচনা কৰিব পাৰোঁ। চর্যাপদসমূহৰ ভাষাৰ লগত আধুনিক অসমীয়া ভাষাৰ ধ্বনিতত্ত্বমূলক, ৰূপতত্ত্বমূলক, শব্দতত্ত্বমূলক আৰু বাক্যবিন্যাস প্ৰভৃতি সকলো দিশতে ওচৰ সম্পৰ্ক ৰক্ষিত হৈছে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল —
  - মান্য অসমীয়া ভাষাত স্বৰভক্তিৰ সহায়ত ***তৎসম*** শব্দবোৰ ***অর্ধ-তৎসম*** শব্দলৈ পৰিৱর্তন হোৱাটো নিয়ম। চর্যাপদতো এনে পৰিৱর্তনৰ নিয়ম মানি চলে। যেনে—

চর্যাপদ	*অসমীয়া*
প্রাণ > পৰাণ	পৰাণ
যত্ন > যতন	যত্ন/যতন



তৎসম শব্দ ঃ যিবিলাক সংস্কৃত শব্দ বৈদিক সংস্কৃতৰ পৰা কোনো পৰিৱর্তন নোহোৱাকৈ অসমীয়া ভাষালৈ আহিছে, সেইবোৰ শব্দই তৎসম শব্দ। যেনে— কর্ম, সত্য

অর্ধ-তৎসমঃ যিবিলাক সংস্কৃত শব্দ অবিকৃত ৰূপত নাথাকি কিছু পৰিৱর্তিত হৈ অসমীয়া ভাষাত প্ৰচলিত হৈছে, সেইবোৰ শব্দক অর্ধ-তৎসম শব্দ বোলা হয়। যেনে — ধর্ম > ধৰম

গ্ৰাহক > গৰাহক গ্ৰাহক (পুৰণি অসমীয়া— গৰাহক)

- প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ উষ্মবৰ্ণ তিনিটা। যথা — শ, ষ, স; ই চৰ্যাপদ আৰু অসমীয়া ভাষা উভয়তে স্বকীয় ৰূপৰ পৰা আঁতৰি অহাটো দেখা গৈছে। যেনে— শবৰ, সবৰ, ষৰবালী ইত্যাদি।
- প্ৰাচীন ভাৰতীয় আৰ্যভাষাত থকা দন্ত্য, মূৰ্ধন্য ধ্বনিৰ পাৰ্থক্য মান্য অসমীয়াত লোপ পাইছে। তেনেদৰে চৰ্যাপদতো লোপ হোৱাৰ আভাস আছে। যেনে — মন, মণ।
- স্বৰ পৰিৱৰ্তনৰ নিয়ম মতে, মান্য অসমীয়াত ওচৰা-উচৰিকৈ দুটা 'আ' থাকিলে আগৰ আ-ধ্বনি অ-ত পৰিণত হয়। চৰ্যাপদত এই ৰীতি বিদ্যমান। যেনে — চাকা > চকা, বাপা > বপা ইত্যাদি।
- আধুনিক অসমীয়া ভাষাৰ প্ৰায়বোৰ শব্দ বিভক্তিৰ প্ৰয়োগ চৰ্যাপদৰ ভাষাত দেখিবলৈ পোৱা যায়। যেনে —

প্ৰথমা -এ	ঃ	কুম্ভীৰে খাঅ
দ্বিতীয়া -ক	ঃ	ঠাকুৰক পৰিণিৱিত্তা
তৃতীয়া -ৰে	ঃ	কুমৰেঁ চিজঅ
চতুৰ্থী -লৈ	ঃ	মেৰু শিখৰলই গঅণ পইসই
ষষ্ঠী -ৰ	ঃ	হৰিণীৰ নিলঅ
সপ্তমী -ত	ঃ	বাটত, গঅণত, হাড়ীত, ইত্যাদি

- অসমীয়া স্ত্ৰী-প্ৰত্যয় 'ই' আৰু 'অনী'-ৰ প্ৰয়োগ চৰ্যাপদতো দেখা যায়। যথা—

চৰ্যাপদ	*আধুনিক অসমীয়া*
সবৰী	শবৰী
শিয়ালী	শিয়ালী
হৰিণী	হৰিণী

- আধুনিক অসমীয়া ভাষাৰ দৰে চৰ্যাপদতো অতীত কাল বুজাবলৈ '-ইল' আৰু ভৱিষ্যৎ কাল বুজাবলৈ '-ইব' প্ৰত্যয় যোগ কৰা হৈছে। যেনে —

আধুনিক অসমীয়া	*চৰ্যাপদ*
কৰিব	কৰিব
আছিলোঁ	আছিলোঁ

- বহুবচন বুজাবৰ বাবে ব্যৱহৃত 'সকল' শব্দৰ প্ৰয়োগ আধুনিক অসমীয়া আৰু চৰ্যাপদ উভয় ভাষাতে একেটা ৰূপতে প্ৰয়োগ হয়। যেনে —

মণ্ডল সঅল — চৰ্যাপদ

মণ্ডল সকল — অসমীয়া

চৰ্যাপদত ব্যৱহাৰ হোৱা বহু শব্দ আধুনিক অসমীয়াত পোৱা যায়। উল্লেখযোগ্য যে চৰ্যাত থকা অধিকাংশ শব্দ পুৰণি অসমীয়াত ব্যৱহৃত হৈছিল।

যেনে — ঘৰ, চকা, ঘৰিণী (গৃহিণী), চান্দ (চন্দ্ৰ), আখি (অক্ষি), কাম, খেলই (ক্ৰীড়তি), গঅণ (গগন), গাজই (গর্জতি), ঘিণ, চাউদিস, সোণ, পোথী (পুস্তক), অভাৰ, কমল, নৌকা ইত্যাদি।

- ***শ্ৰীকৃষ্ণ কীৰ্তনৰ* ভাষা ঃ** চর্যাপদৰ পৰৱর্তী ৰচনা বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্তন*। *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষাত উত্তৰকালৰ অসমীয়া ভাষাৰ নিদর্শন দেখিবলৈ পোৱা গৈছে। উল্লেখযোগ্য যে *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষাক বাঙালী পণ্ডিতসকলে বাংলা ভাষাৰ নিদর্শন বুলি কৈ আহিছে। ড° বাণীকান্ত কাকতিয়ে *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষা সন্দর্ভত মন্তব্য কৰিছে যে অসমীয়া আৰু বাংলা ভাষা স্পষ্টৰূপে পৃথক হৈ বিকাশ হোৱাৰ পূর্বে দুয়োটা ভাষাৰ যিটো সাধাৰণ ৰূপ আছিল *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ মাজত সেই ৰূপটো প্ৰতিফলিত হৈছে। *শ্ৰীকৃষ্ণ কীৰ্তন* পুথিখন বসন্তৰঞ্জন বিদ্যুৎ বল্লভ ৰায়ৰ সম্পাদনাত প্ৰকাশ পাইছিল। বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষা আৰু মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ ভাষাৰ মাজত গভীৰ সাদৃশ্য পৰিলক্ষিত হয়। সেয়ে বড়ু চণ্ডীদাসক মাধৱ কন্দলীৰ সমসাময়িক কবি ৰূপে প্ৰতিষ্ঠা কৰা যায়।

  *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষাতাত্ত্বিক বিশেষত্বসমূহ তলত উল্লেখ কৰা হ'ল —

  - শব্দ বিভক্তি প্ৰয়োগৰ ক্ষেত্ৰত প্ৰথমা '-এ' চতুর্থী '-লাগি'(অসঃ-লৈ), ষষ্ঠী '-ৰ' আৰু সপ্তমী '-ত' ৰ ব্যৱহাৰ হয়। যেনে— তোৰ মুখে, তা লাগি, সাধুৰ, হিয়াত, ইত্যাদি।
  - নিষেধাত্মক বুজাবলৈ ক্ৰিয়াৰ আগত 'ন'ৰ ব্যৱহাৰ হয়। যেনে —

শ্ৰীকৃষ্ণ কীৰ্তন	*আধুনিক অসমীয়া*
নপাওঁ	নাপাওঁ
নহোঁ	নহওঁ

  - প্ৰাচীন অসমীয়াত অপাদান অর্থত ব্যৱহৃত 'হন্তে'ৰ প্ৰয়োগ *শ্ৰীকৃষ্ণ কীৰ্তন* পুথিতো পোৱা যায়। যেনে —

    আজি হন্তে — শ্ৰীকৃষ্ণ কীৰ্তন
    আজি হন্তে — পুৰণি অসমীয়া

  - উত্তম পুৰুষৰ বর্তমান কালৰ ক্ৰিয়াত 'ওঁ'-ৰ ব্যৱহাৰ হৈছে। যেনে — জাওঁ (আধুনিক অসমীয়া — যাওঁ)
  - *শ্ৰীকৃষ্ণ কীৰ্তন*ৰ ভাষাতো মান্য অসমীয়া ভাষাৰ দৰে স্বৰভক্তিৰ জৰিয়তে তৎসম শব্দবোৰে অর্ধ-তৎসম ৰূপ লাভ কৰে। যেনে—

শ্ৰীকৃষ্ণ কীৰ্তন	*অসমীয়া*
জতন	যতন
পৰাণ	পৰাণ
তপত	তপত

  - বহুবচন বুজাবলৈ গণ ব্যৱহৃত হয়। যেনে —

পিকগণে — *শ্ৰীকৃষ্ণ কীৰ্তন*

তাৰাগণে — পুৰণি অসমীয়া

➢ আধুনিক অসমীয়া ভাষাৰ শব্দ আৰু *শ্ৰীকৃষ্ণ কীৰ্তনৰ* ভাষাৰ শব্দৰ মাজত সাদৃশ্য আছে।

শ্ৰীকৃষ্ণ কীৰ্তনৰ ৰূপ	*আধুনিক অসমীয়া ৰূপ*
কমলা	কমলা
পাথৰ	পাথৰ
শিআল	শিয়াল
বেজ	বেজ

এইবোৰৰ উপৰি সেই সমছোৱাত ৰচিত বুলি বিবেচনা কৰা *শূন্য পুৰাণতো* উত্তৰ কালৰ অসমীয়া ভাষাৰ নিদৰ্শন ৰক্ষিত হোৱা দেখা যায়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই পুথিখনৰ ৰচনাৰ সময়সীমা সম্পৰ্কে পণ্ডিতসকলৰ মাজতে মতবিৰোধ থকা পৰিলক্ষিত হয়। ডিম্বেশ্বৰ নেওগৰ ভাষাৰে ক'ব পাৰি — "ভাষামূলক বিচাৰ আৰু ঘাইকৈ অসমীয়া মন্ত্ৰ সাহিত্যৰ লগত ইয়াৰ ভাব-ভাষাৰ মিলৰ পৰা *শূন্য পুৰাণৰ*ৰচনা ত্ৰয়োদশ শতিকাৰ পাছৰ বুলি অনুমান কৰা হয়"। এইখন পুথিক যে মিশ্ৰ অসমীয়া ভাষাৰ প্ৰতিভূ হিচাপে বিবেচনা কৰা হয় সেই বিষয়ে ইতিমধ্যে আপুনি প্ৰথম ষাণ্মাসিকতে অধ্যয়ন কৰি আহিছে। পুথিখনত পুৰণি অসমীয়া ভাষাৰ কিছু বিশেষত্ব ৰক্ষিত হৈছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — ইয়াৰ প্ৰতিলিপিত পেটকটা 'ৰ' আৰু 'ৱ'ৰ ব্যৱহাৰ, প্ৰথমা বিভক্তিৰ চিন '-এ', সপ্তমী বিভক্তিৰ-ত, ষষ্ঠীৰ -ৰ, উত্তম পুৰুষৰ 'ওঁ', নিজ অৰ্থত 'আপুনি' সৰ্বনামৰ প্ৰয়োগ, তুমুনাৰ্থক বিভক্তিৰ 'ব' আৰু 'ইব'ৰ প্ৰয়োগ; খৰিকা, টোপোলা, দেউল, দৰব, জীয়ৰী, বেগেতে আদি অসমীয়া শব্দৰ প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। ঠিক সেইদৰে 'সংখ উপজিল কৰ সংখৰ বিচাৰ, পিতাক খুৱাক কৰিলন্ত নমস্কাৰ' আদি বাক্যৰ গঢ়ত অসমীয়া ব্যাকৰণৰ গঢ় দেখা পোৱা গৈছে বুলি যতীন্দ্ৰনাথ গোস্বামীয়ে মন্তব্য কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তামৰ ফলিত 'ঔ' ধ্বনিটো কি ৰূপলৈ পৰিৱৰ্তন ঘটিছে?

.....

প্ৰশ্ন নং ২ ঃ *শ্ৰীকৃষ্ণ কীৰ্তনত* বহুবচন বুজাবলৈ কি ব্যৱহাৰ কৰা হৈছে?

.....

প্ৰশ্ন নং ৩ ঃ চৰ্যাপদৰ ভাষাত ব্যৱহৃত এটি ৰূপতত্ত্বমূলক বৈশিষ্ট্য উল্লেখ কৰি তাৰ উদাহৰণ দিয়ক।

.....

৯.৪ প্ৰাচীন অসমীয়া ভাষা

ইয়াৰ আগৰ শাখাটোত আপুনি উদ্ভৱ কালৰ অসমীয়া ভাষা সম্পৰ্কে অধ্যয়ন কৰিলে। এই শাখাটোত আপুনি প্ৰাচীন অসমীয়া ভাষা সম্পৰ্কে বহলাই অধ্যয়ন কৰিব। ইতিমধ্যে আপুনি অৱগত যে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা ষোড়শ শতিকাৰ শেষভাগলৈকে প্ৰাচীন অসমীয়া ভাষাৰ সময় নিৰ্ধাৰণ কৰা হৈছে। অসমীয়া সাহিত্যৰ ইতিহাসত এই সময়খিনিক প্ৰাক্-শংকৰী আৰু শংকৰী — এই দুটা প্ৰধান ভাগত ভাগ কৰা হৈছে। তলত এই দুয়োটা ভাগৰে সাহিত্যিক নিদৰ্শনসমূহৰ আধাৰত অসমীয়া ভাষাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰা হ'ব।

- **প্ৰাক্-শংকৰী যুগৰ ভাষা ঃ** সাহিত্যৰ বুৰঞ্জীত ইতিমধ্যে অধ্যয়ন কৰি আহিছে যে প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰাজি বুলি ক'লে আমি পাঁচজন সাহিত্যিকৰ সাহিত্যকৰ্মৰ কথাই বুজি পাওঁ। তেওঁলোক হ'ল — হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, হৰিবৰ বিপ্ৰ আৰু মাধৱ কন্দলী। ত্ৰয়োদশ শতিকাৰ শেষ বা চতুৰ্দশ শতিকাৰ আদিভাগৰ কবি হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত* কাব্যখনেই আছিল নিভাঁজ অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন। হৰিবৰ বিপ্ৰৰ *অশ্বমেধ পৰ্ব*, কবিৰত্ন সৰস্বতীৰ *জয়দ্ৰথ বধ*, ৰুদ্ৰ কন্দলীৰ *দ্ৰোণ পৰ্ব* আৰু মাধৱ কন্দলীৰ বাল্মীকি *ৰামায়ণ*ৰ অসমীয়া অনুবাদ এই যুগৰ উল্লেখযোগ্য সাহিত্যৰাজি। প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবিজনা হ'ল 'মাধৱ কন্দলী'। এই বিষয়ে ইতিমধ্যে আপুনি প্ৰথম যাণ্মাসিকতে বহলাই অধ্যয়ন কৰি আহিছে। আমি তেওঁলোকৰ সাহিত্যৰাজিৰ আধাৰতে সেইসময়ত অসমীয়া ভাষাৰ স্বৰূপ কেনে আছিল সেই বিষয়ে বহলাই আলোচনা কৰিম। তলত সেয়া উল্লেখ কৰা হ'ল।

  প্ৰাক্-শংকৰী যুগৰ ভাষাৰ মন কৰিবলগীয়া ভাষাতাত্ত্বিক বিশেষত্বসমূহ এনে ধৰণৰ —

  - যুক্তাক্ষৰৰ সৰলীকৰণ আৰু হ্ৰস্ব-দীৰ্ঘ স্বৰৰ পাৰ্থক্যহীনতা এই সময়ৰ সাহিত্যৰাজিৰ উল্লেখযোগ্য বৈশিষ্ট্য। 'উ' ধ্বনিৰ প্ৰয়োগ অতি কম। 'ই'ৰ ঠাইত 'ঈ' আৰু 'ঈ'ৰ ঠাইত 'ই' ব্যৱহাৰ মন কৰিবলগীয়া।
  - স্বৰসংগতি — অ > এ — নেউল, অ > আ — আনুপাম; স্বৰভক্তি — অগ্নি > অগনি, স্বপ্ন > সোপন; মহাপ্ৰাণীকৰণ — থেথেলায় (থেতেলায়), সমীভৱন — বিজুলী (বিদ্যুৎ)— ৰ সহায়ত কঠিন শব্দ ভাঙি সৰল ৰূপত প্ৰকাশ কৰা হৈছে।
  - সংযুক্ত ব্যঞ্জনৰ বিশেষ ব্যৱহাৰ — কৰ্ন্মু, মন্যু, বসুন্ধৰী, ক্ৰোধিলেক আদি এই সময়ৰ সাহিত্যৰ উল্লেখযোগ্য বিশেষত্ব।
  - বিভিন্ন সময়ত একে ধৰণৰ শব্দত বেলেগ বেলেগ ধ্বনিৰ প্ৰয়োগ কৰি বানান লিখা দেখা যায়; যেনে — আকায, আকাশ, পৰিল, পড়িল।
  - বিভিন্ন ধ্বনি পৰিৱৰ্তন এই সময়ৰ সাহিত্যৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য বুলি সমালোচকসকলে ঠাৱৰ কৰে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল —

    ৰ > ল — পুলি (পুৰি)

শ, ষ, স > খ — বিখ (বিষ), কাষ (কাখ)

ৰ > অ, য়, ই — গোদাঅৰি (গোদাৰৰী), দিয়স (দিৱস)

ক্ষ > খ, খ্য — খিৰোদ (ক্ষিৰোদ), খেমা (ক্ষমা)

ম > ৱ — নাৱ (নাম), ইত্যাদি।

- দন্ত্যমূলীয় বৰ্ণ বা আখৰৰ প্ৰয়োগ সৰ্বাধিক। প্ৰায় ক্ষেত্ৰতেই 'ণ'-ৰ ঠাইত 'ন'-ৰ ব্যৱহাৰ হৈছে।
- এই সময়ত বিভিন্ন ধৰণৰ বিশেষ্য শব্দৰ প্ৰয়োগ ঘটিছিল। উদাহৰণস্বৰূপে — ৰাম, পুত্ৰ, গৌতম, ৰাজহংস, বাঘিনীস চক্ৰৱাক, নেপুৰ, ভেৰী, পাণ্ডুস পিম্পৰা ইত্যাদি।
- এই সময়ৰ ভাষাত ক্ৰিয়াবিশেষণৰ প্ৰয়োগ মন কৰিবলগীয়া। কাল নিৰ্দেশক, স্থান নিৰ্দেশক আৰু লক্ষণবাচক ক্ৰিয়াবিশেষণৰ বিভিন্ন প্ৰয়োগ দেখা পোৱা গৈছিল। যেনে — এহিমতে, তৈসানি, তেখনে, সচকিত, জিমতে, ইহাতে, কেনে কেমনে ইত্যাদি।
- ব্যক্তিবাচক, সম্বন্ধবাচক, প্ৰশ্নবাচক, নিশ্চয়তাবাচক, নিৰ্দেশক আদি বিভিন্ন সৰ্বনামৰ প্ৰয়োগ হৈছিল। যেনে — আমি, আমিসব, আপুনি, তোহো, সি, তাই, তাহাৰ, ইহা, সেই, সেহি, কমন, কেঅ, কোন, যাহাৰ ইত্যাদি।
- মুখ্য আৰু গৌণ ধাতুৰ প্ৰয়োগেৰে সকৰ্মক, অকৰ্মক, সমাপিকা, অসমাপিকা, নাস্ত্যৰ্থক, অনিয়মিত, সহায়কাৰী, ধ্বন্যাত্মক, যৌগিক, কৃদন্ত আদি ক্ৰিয়াৰ প্ৰয়োগ ঘটিছিল।
- প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ ভাষাৰ শব্দৰ ক্ষেত্ৰত তৎসম শব্দৰ লগতে অৰ্ধতৎসম আৰু তদ্ভৱ শব্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। তাৰ লগতে দেশী, বিদেশী আদি বিভিন্ন শব্দ ৰূপৰো প্ৰয়োগ ঘটা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে — গীত, নৃত্য, বদল, চুত, দোকান, মনোহৰ, নতি, তাৰা, ওকণি, ৰজনী, ৰাতি ইত্যাদি।
- প্ৰাক্-শংকৰী যুগৰ কবি মাধৱ কন্দলীৰ *ৰামায়ণত* 'গণ', 'সব', 'সকল' আৰু 'চয়' আদি বহুবচনাত্মক প্ৰত্যয় ব্যৱহাৰ হৈছে। যেনে — তাৰাগণ, আমিসৱ, পাপীচয় ইত্যাদি।
- '-ঈ' আৰু '-নী' আদি স্ত্ৰীবাচক প্ৰত্যয়ৰ প্ৰয়োগ প্ৰাক্-শংকৰী যুগৰ ভাষাত দেখিবলৈ পোৱা যায়। যেনে — তৰুণী, সৰ্পিনী, বাঘিনী, পিশাচিনী, সুকোমলী ইত্যাদি।
- খান, খনি, জুৰি, গোট, গুটি, জন, জনা আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ এই সময়ৰ সাহিত্যত দেখা পোৱা গৈছিল। যেনে — ৰথখান, দুইগোট, পাদুকাজুৰি, চৈধ্যগুটি, অগ্নিকুণ্ড, সেইজনা ইত্যাদি।
- এই সময়ৰ সাহিত্যত শূন্য বিভক্তিৰ প্ৰয়োগ দেখা পোৱা গৈছিল।

● **শংকৰী যুগৰ ভাষা ঃ** প্ৰাচীন অসমীয়া ভাষাৰ দুটা প্ৰধান ভাগৰ দ্বিতীয়টো হৈছে শংকৰী যুগ। পঞ্চদশ শতিকাৰ শেষৰফালে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে

নানা গীত, পদ, নাট, কাব্য আদি ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। এই বিষয়ে ইতিমধ্যে আপুনি সাহিত্যৰ বুৰঞ্জীত বহলাই অধ্যয়ন কৰি আহিছে। গুৰুজনাই ৰচনা কৰা বৰগীত আৰু অংকীয়া নাটসমূহত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰিছিল। শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱ আছিল শংকৰী যুগৰ অন্যতম শ্ৰেষ্ঠ সাহিত্যিক। মাধৱদেৱেও নিজৰ নাট আৰু বৰগীতসমূহত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰিছিল। শংকৰী যুগৰ অন্যান্য কবিসকলৰ ভিতৰত অনন্ত কন্দলী, শ্ৰীধৰ কন্দলী, ৰাম সৰস্বতী আৰু পাঁচালি কবিসকল যথা পীতাম্বৰ, দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ নাম উল্লেখযোগ্য। এই সাহিত্যিকসকলৰ ৰচনাৰাজিৰ ভাষাত প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শন সংৰক্ষিত হৈ আছে। মন কৰিবলগীয়া বৈশিষ্ট্য যে শংকৰী যুগৰ কবিসকলে প্ৰাক্-শংকৰী কবিসকলৰ পৰা অসমীয়া ভাষাৰ এটি নিৰ্দিষ্ট সাহিত্যিক ৰূপ আৰু ছন্দৰ আদৰ্শ লাভ কৰিছিল। শংকৰদেৱ প্ৰমুখ্যে অন্যান্য বৈষ্ণৱ কবিসকলে সেই সাহিত্যিক ৰূপক অধিক মনোগ্ৰাহী কৰি নতুন নতুন ছন্দ প্ৰয়োগেৰে বিবিধ শ্ৰেণীৰ সাহিত্য প্ৰকাশৰ ক্ষেত্ৰ মুকলি কৰিছিল। অৱশ্যে বৈষ্ণৱ কবিসকলতকৈ পাঁচালি কবিসকলৰ ৰচনাত লৌকিক উপাদান বেছি আছিল।

শংকৰী যুগৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ দাঙি ধৰা হ'ল —

- যুক্তাক্ষৰৰ সৰলীকৰণ আৰু হ্ৰস্ব-দীৰ্ঘ স্বৰৰ পাৰ্থক্যহীনতা প্ৰাক্-শংকৰী যুগৰ দৰে শংকৰী যুগৰ সাহিত্যৰাজিৰ উল্লেখযোগ্য বৈশিষ্ট্য।
- স্বৰসংগতি — অ > ও — ভোমৰা (ভ্ৰমৰ), অ > আ — আগু (অগ্ৰ), ই > এ — বেল (বিল্ব), উ > ও — আমোল্য (অমূল্য); স্বৰভক্তি — বৰ্ণ > বৰণ, কৃষি > কিৰিষি; স্বৰলোপ — ভিতৰ (অভ্যন্তৰ), সমীভৱন — অপাৰ (আপাৰ)— ৰ আদিৰ সহায়ত কঠিন শব্দ ভাঙি সৰল ৰূপত প্ৰকাশ কৰা হৈছে।
- দন্ত্য আৰু মূৰ্ধন্য বৰ্ণ বা আখৰৰ মাজত পাৰ্থক্যহীনতা এই সময়ৰ ভাষাৰ প্ৰণিধানযোগ্য বৈশিষ্ট্য।
- শ, ষ, স-ৰ অভেদ ব্যৱহাৰ। পদৰ মাজত বা শেষত থকা 'ষ' বা 'শ' কেতিয়াবা 'খ'-ৰূপেও ব্যৱহৃত হয়। যেনে — শোনিত > সোনিত, দোষ > দোস।
- অনুকাৰ শব্দ, উপসৰ্গ, পাঁচনি ক্ৰিয়া, নিষেধবাচক ক্ৰিয়া, অসমাপিকা ক্ৰিয়া, সমাপিকা ক্ৰিয়া আদিৰ ব্যৱহাৰ দেখা গৈছে।
- শংকৰী যুগৰ সাহিত্যত প্ৰথমা -এ; দ্বিতীয়া -ক; তৃতীয়া, -ই, -এ; চতুৰ্থী -তে, -ইতে; ষষ্ঠী -ৰ আৰু সপ্তমী -এ, -ই আদি শব্দবিভক্তি ৰক্ষিত হোৱা দেখা গৈছে। যেনে— সত্ৰাজিতে, ক্ষত্ৰিয়ক, ঘোড়াই সহিতে পেলাইলা মাৰি, যাকেৰি নাহিকে উপাম, কান্দিতে লাগিল, হামুসৰ তাহেৰ প্ৰাৰ্থনা ভংগ কয়লো, চাৰি দিকি দৃষ্টি ভৰি ইত্যাদি।
- অব্যয় শব্দৰ প্ৰয়োগ ঘটিছে। যেনে— অতযে, অবহু ইত্যাদি।
- -লোক, -পাল, -সব, -গণ, -বৃন্দ আদিৰে বহুবচনৰ ৰূপ কৰা হৈছে।
- কুচি, খান, খানি, গাছ, গাছি, গুটি, গোট, টা, ধাৰ আদি বিভিন্ন নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ

ব্যৱহাৰ হোৱা দেখা যায়। যেনে — এক কুচি, ধ্বজাখান, ৰথখানি, খেৰগাছ, এক গাছি খেৰ, দুগুটি, একগোট, দশোটা, মালাধাৰ আদি।

শংকৰদেৱৰ হাততে অংকীয়া নাটৰ সূত্রধাৰী বচনত অসমীয়া গদ্য সাহিত্য অংকুৰিত হৈছিল যদিও কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ হাততহে প্রকৃত অর্থত অসমীয়া গদ্য সাহিত্যই জন্ম লাভ কৰে। সেয়ে তেওঁক অসমীয়া গদ্যৰ জনক বুলি কোৱা হয়। অসমীয়া ভাষাৰ ক্রমবিকাশৰ ইতিহাসত ভট্টদেৱৰ গীতা আৰু ভাগৱতৰ অসমীয়া গদ্য অনুবাদ বিশেষ উল্লেখযোগ্য। সুদূৰ ষোড়শ শতিকাতে *গীতা* আৰু *ভাগৱতৰ* দৰে দুখন বিখ্যাত সংস্কৃত গ্রন্থ অসমীয়া ভাষাত গদ্যাকাৰে অনুবাদ কৰাৰ কাৰণে ভট্টদেৱৰ কৃতিত্ব বিশেষভাৱে প্রকাশ পাইছিল আৰু লগতে নব্য ভাৰতীয় আর্যভাষাসমূহৰ মাজত অসমীয়া ভাষাৰ ভেটি সুদৃঢ় হৈ পৰিছিল। তেওঁৰ গদ্যত ব্যৱহৃত ভাষাটো ভট্টদেৱৰ ভাষাৰূপে প্রতিষ্ঠিত হৈছে। *কথাভাগৱতত* কথিত ভাষাৰ থূল-মূল নিদর্শন এটা দেখিবলৈ পোৱা যায়। *কথাগীতাত* গভীৰ ভক্তিতত্ত্ব প্রকাশ পাইছে। ভট্টদেৱৰ বাক্য-গঠন প্রণালী সংস্কৃতৰ দ্বাৰা প্রভাৱান্বিত আৰু সংস্কৃত ব্যাকৰণ অনুসৃত। তৎসম আৰু তদ্ভৱ শব্দ অধিক ব্যৱহৃতহোৱাও পৰিলক্ষিত হৈছে। ভট্টদেৱৰ ভাষাৰ বিশেষত্বসমূহ হৈছে—

- সংযোজক অব্যয় হিচাপে যেমনে, তেমনে, তেখনে আদি শব্দ ৰূপৰ প্রয়োগ।
- সর্বনাম পদৰ ৰূপ — মই, মোৰা, আমি, মঞি, আক, তোৰা, তুমি, ইহাৰ, আৰা ইত্যাদি ব্যৱহৃত হৈছে।
- সাধাৰণতে যেৱে, তেৱে, যি, সি, যদি, বোলে আদি ৰূপৰ জৰিয়তে বক্তব্য আৰম্ভ কৰা হৈছে।
- নির্দিষ্টতাবাচক প্রত্যয় প্রয়োগ হৈছে। যেনে —

  গোট — গদাগোট

  টা — সাতটা
- নঞৰ্থক ‘ন’ ক্রিয়াৰ আগত অপৰিৱর্তিত ৰূপত বহিছে।
- ভট্টদেৱৰ গদ্যভাষাত আধুনিক অসমীয়াৰ দৰে সাতোটা কাৰক আৰু ছটা বিভক্তি দেখা যায়। কর্তা কাৰকত ১মা -এ (ব্রাহ্মণে), কর্ম কাৰকত ২য়া -ক (অচ্যুতক), কৰণ কাৰকত ৩য়া -ৰে (ৰুধিৰে), সম্প্রদান কাৰকত ৪র্থী -লৈ (তাললৈ দলি), সম্বন্ধ পদত ৬ষ্ঠী -ৰ (জলৰ) আৰু অধিকৰণ কাৰকত ৭মী -ত (তোমাত) ব্যৱহৃত হৈছে। উল্লেখযোগ্য যে পদ-কাব্য আৰু আধুনিক অসমীয়া ভাষাৰ দৰে ভট্টদেৱৰ গদ্যভাষাতো অপাদান কাৰক আছে, কিন্তু ৫মী বিভক্তি নাই।
- বহুবচনাত্মক প্রত্যয় সব, ৰা, গুলা, গণ, সকল আদিৰ ব্যৱহাৰ হৈছে। যেনে — সভাসদসব, তোৰা, কতোগুলা, তোৰাগণ, সকল দেৱগণো ইত্যাদি
- কালৰ ক্রিয়াৰূপ এনেদৰে ব্যৱহৃত হৈছে —

কাল	*ব্যৱহৃত ৰূপ*
বৰ্তমান কাল	কৰোঁ, কৰে, ধাৰে, পাৰে, কৰন্ত
ভূত কাল বা অতীত কাল	গৈলা, হৈল, গুচিল, পাইলো
ভৱিষ্যৎ কাল	হৈবা, পাইবো, হৈবো, হৈব্

- ক্ৰিয়া বিশেষণৰ ৰূপ — একলাই, সদায়, নাইকা আদিৰ ব্যৱহাৰ।
- সংযুক্ত ধাতুৰূপৰ ব্যৱহাৰ আছে। যেনে — বাদ্যকৰ, ধ্বনিকৰ, শব্দকৰ, পূজাকৰ, জোৰা দি ইত্যাদি।

প্ৰণিধানযোগ্য যে ভট্টদেৱৰ ভাষাৰ জৰিয়তেই অসমীয়া ভাষাৰ এটি ব্যাকৰণসঙ্গত সুনিৰ্দিষ্ট ৰূপ প্ৰকাশিত হৈছে।

উল্লেখযোগ্য যে এই সময়ছোৱাত পাঁচালী সাহিত্যৰাজি ৰচিত হৈছিল। সাহিত্যৰ বুৰঞ্জীত আপুনি এই বিষয়ে ইতিমধ্যে বহলাই অধ্যয়ন কৰি আহিছে। সেই সাহিত্যৰাজিৰ মাজতো কিছুমান বিশেষ ভাষাতাত্ত্বিক বৈশিষ্ট্য ৰক্ষিত হৈছিল। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল —

- হ্ৰস্ব-দীৰ্ঘৰ মাজত কোনো পাৰ্থক্য দেখা নাযায়। 'ই', 'ঈ', 'উ', 'ঊ'-ৰ পাৰ্থক্যহীন প্ৰয়োগ কৰা দেখা যায়।
- পাঁচালী সাহিত্যত সততে দেখা পোৱা কিছুমান ধ্বনিগত পৰিৱৰ্তন —

অ > আ	ঃ	অনুপামা < অনুপম
অ > উ	ঃ	ভ্ৰুমৰ < ভ্ৰমৰ
অ > ও	ঃ	লোকোপতি < লোকপতি
আ > অ	ঃ	কটঅক্ষে < কটাক্ষ
ই > এ	ঃ	খেতিতলে < ক্ষিতিতলে
ব > ভ	ঃ	বিবাহ > বিভা
ল > ৰ	ঃ	অঙ্গুৰি < অঙ্গুলি

- পাঁচালী সাহিত্যত ব্যৱহৃত কেইটামান বহুবচনাত্মক প্ৰত্যয় হ'ল — আৱলী (পত্ৰাৱলী), গন (দ্বাৰিগন), চয় (সুখচয়), দল (কুৰঙ্গদল)।
- -ই/-ঈ; নী/-ইনি/-ইনী; আৰু -আ— স্ত্ৰীপ্ৰত্যয় পাঁচালী সাহিত্যত প্ৰয়োগ হৈছে। যেনে —

-ই	ঃ	দাসি
-ঈ	ঃ	ব্ৰাহ্মনী
-নী	ঃ	পক্ষিনী
-ইন	ঃ	জক্ষিনি

- পাঁচালী সাহিত্যত তৎসম শব্দ (অনল, আদিত্য), অৰ্ধ-তৎসম (কৰম, যতন), তদ্ভৱ শব্দ (ঘৰ, সাত)ৰ উপৰি বিভিন্ন আৰ্যভিন্ন ভাষাৰ শব্দৰ প্ৰয়োগ কৰা দেখা গৈছে।

বিশেষকৈ —অষ্ট্ৰিক ভাষাৰ শব্দ, দ্ৰাবিড় ভাষাৰ শব্দ, তিব্বত বৰ্মী ভাষাৰ শব্দ আৰু মূল চিনাক্ত নোহোৱা শব্দৰ প্ৰয়োগ বেছি। উদাহৰণস্বৰূপে — আচাৰি, চুম্বন, মালা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শংকৰদেৱে ৰৱগীত আৰু অংকীয়া নাটসমূহত প্ৰয়োগ কৰা ভাষাটো কি?

.....

প্ৰশ্ন নং ৫ ঃ কাক অসমীয়া গদ্যসাহিত্যৰ জনক বুলি আখ্যা দিয়া হৈছে? তেওঁৰ সাহিত্য কৃতি কি কি?

.....



চিন্তা-চৰ্চা কৰক — ৯.১

ভট্টদেৱৰ গদ্যৰ ভাষাৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

.....

.....

.....

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ কালৰ অসমীয়া ভাষাৰ নিদৰ্শন প্ৰধানতঃ তামৰ ফলিসমূহৰ ভাষা, চৰ্যাপদৰ ভাষা আৰু *শ্ৰীকৃষ্ণ কীৰ্তনৰ* ভাষাত দেখিবলৈ পোৱা যায়। সেই সাহিত্যৰাজিত কেনেদৰে অসমীয়া ভাষাৰ বৈশিষ্ট্য ৰক্ষিত হৈছে সেই বিষয়ে বহলাই আলোচনা কৰা হ'ল।
- প্ৰাক্-শংকৰী যুগৰ ভাষা, শংকৰী যুগৰ ভাষা আৰু ভট্টদেৱৰ ভাষাত প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শন লিপিবদ্ধ হৈছে। তাৰ লগতে পাঁচালী সাহিত্যৰ মাজতো বিশেষ কেইটামান দিশ ৰক্ষিত হোৱা দেখা গৈছে। সেই বিষয়ে বহলাই আলোচনা কৰা হ'ল।



৯.৬ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

২) গোস্বামী, উপেন্দ্রনাথ (২০০৭); *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশন।

৩) গোস্বামী, গোলোকচন্দ্র (২০০৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্ৰকাশ।

৫) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৬) বৰ্মন, শিৱনাথ (সম্পাঃ)(১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৭) বৰুৱা, ভীমকান্ত (১৯৯৭); *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

৮) শৰ্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ)(২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'ঔ'ৰ ঠাইত 'ও' ধ্বনিৰ ব্যৱহাৰ। যেনে — ধৌতেশ্বৰ > ধোতেশ্বৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বহুবচন বুজাবলৈ 'গণ' ব্যৱহৃত হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ স্বৰধ্বনিৰ হ্রস্ব-দীৰ্ঘৰূপৰ মাজত পাৰ্থক্যহীনতা। যেনে — কামৰূপ > কামৰুপ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্রজাৱলী ভাষা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভট্টদেৱ, তেওঁৰ গ্রন্থ দুখন হ'ল — *কথাভাগৱত* আৰু *কথাগীতা*।



৯.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অসমীয়া ভাষাৰ ইতিহাসক ড° বাণীকান্ত কাকতিয়ে কেইটা ভাগত ভাগ কৰিছে?

(খ) চৰিত সাহিত্যবোৰত ব্যৱহৃত গদ্যশৈলী কেনেধৰণৰ?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰ্যাপদৰ ভাষা আৰু *শ্ৰীকৃষ্ণ কীৰ্তনৰ* ভাষাৰ মাজৰ পাৰ্থক্য বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ উদ্ভৱকালৰ অসমীয়া ভাষা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মাধৱ কন্দলীৰ ভাষাৰ বৈশিষ্ট্য কেনে আছিল? সেই সম্বন্ধে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ প্ৰাক্-শংকৰীযুগৰ ভাষা আৰু শংকৰীযুগৰ ভাষাৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ দাঙি ধৰক।

*** ***** ***

অধ্যায় ১০ ঃ মধ্যযুগৰ অসমীয়া ভাষা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ মধ্যযুগীয় অসমীয়া ভাষা
১০.৩.১ চৰিত সাহিত্যৰ ভাষা
১০.৩.২ বুৰঞ্জী সাহিত্যৰ ভাষা
১০.৩.৩ অন্যান্য গদ্য সাহিত্যৰ ভাষা
১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৫ অধিক জানিবলৈ
১০.৬ অগ্রগতিৰ খতিয়ান
১০.৭ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষা-সাহিত্যৰ মধ্য যুগটোৰ ৰচনাৰাজিৰ লগত পৰিচিত হ'ব
- অসমীয়া ভাষাৰ মধ্যযুগটোত বিকাশ লাভ কৰা সাহিত্যৰাজিৰ সমৃদ্ধিশালী ভাষাতাত্ত্বিক ৰূপটোৰ এটি স্পষ্ট ধাৰণা লাভ কৰিব
- অসমীয়া ভাষাৰ মধ্যযুগটোত প্ৰসাৰ লাভ কৰা সাহিত্যৰ শাখাসমূহৰ চৰ্চা তথা বিকশিত ৰূপৰ আভাস পাব তথা মধ্যযুগৰ অসমীয়া ভাষাৰ প্ৰধান বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- চৰিত সাহিত্যৰ ভাষা আৰু বুৰঞ্জী সাহিত্যৰ ভাষাৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব

১০.২ পৰিচয়

পূৰ্বৰ অধ্যায়কেইটিৰ পৰা ইতিমধ্যে আপুনি অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে জানিব পাৰিলে। এইটো অধ্যায়ত আমি অসমীয়া ভাষাৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ সময় মধ্যযুগৰ অসমীয়া ভাষাৰ বিষয়ে আলোচনা কৰিম। আপুনি নিশ্চয় পূৰ্বৰ অধ্যায়টিত পাই আহিছে যে অসমীয়া ভাষাৰ মধ্যযুগটো সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰাৰম্ভলৈ ধৰা হৈছে।

মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যক পল্লৱিত কৰি সমৃদ্ধ কৰিছিল গদ্য-পদ্য উভয়তে ৰচিত বিচিত্ৰ আৰু বৰ্ণাঢ্য সাহিত্যৰাজিয়ে। দৰাচলতে, "বিষয়বস্তু, ৰচনাৰীতি, গদ্যশৈলী আদি নতুন অভিলেখ সৃষ্টি কৰি মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্য আগবাঢ়ি গৈ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ জন্মৰ পৃষ্ঠভূমি তৈয়াৰ কৰিছে।"

এই অধ্যায়টিত মধ্যযুগৰ অসমীয়া ভাষাৰ সাধাৰণ আলোচনা দাঙি ধৰা হৈছে। অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি উক্ত বিষয় সম্পৰ্কে কিছু কথা জানিবলৈ সক্ষম হ'ব।

১০.৩ মধ্যযুগীয় অসমীয়া ভাষা

অসমীয়া সাহিত্যৰ সুদীৰ্ঘ পৰিক্ৰমাত মধ্যযুগৰ সাহিত্যৰাজিৰ গুৰুত্ব সুকীয়া ধৰণৰ। মধ্যযুগটোৰ অন্তৰ্গত সাহিত্যৰাজিৰ ভিতৰত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক জ্ঞান শাস্ত্ৰমূলক সাহিত্য, বিভিন্ন গীত-পদ আৰু কাব্য সাহিত্য, অংকীয়া নাট আৰু বিবিধ বিষয়ৰ অন্যান্য সাহিত্য উল্লেখযোগ্য। এই সকলো শ্ৰেণীৰ সাহিত্যৰ ভিতৰত চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যই সমান্তৰালভাৱে দুটি সুকীয়া ধাৰাৰ সৃষ্টি কৰি মধ্যযুগটোক সমৃদ্ধ কৰি তুলিছে। এই বিষয়ে ইতিমধ্যে অসমীয়া সাহিত্যৰ বুৰঞ্জীত আপুনি অধ্যয়ন কৰি আহিছে। সপ্তদশ শতিকাৰ আদিভাগত চৰিতপুথি ৰচনা আৰম্ভ হয়। অষ্টাদশ শতিকাত ঐতিহাসিক গদ্য, চৰিত-পুথি আৰু বংশাৱলীৰ গদ্য, ধৰ্মপুথিৰ গদ্য, ৰজাঘৰীয়া পেৰাকাকত, ভূমিদান আৰু নানা বিষয়ক গদ্যৰ আলমত সাহিত্য চৰ্চা হ'বলৈ লয়। এই যুগতে আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বুৰঞ্জী-সাহিত্যৰ চৰ্চা হোৱাৰ লগতে ব্যৱহাৰিক জ্ঞান বিষয়ক পুথি ৰচনা হোৱাৰ উপৰি জ্যোতিষ চিকিৎসা আৰু নীতি বিষয়ক পুথিও ৰচিত হ'বলৈ লয়। এই সময়ৰ ৰচিত সাহিত্যৰ মন কৰিবলগীয়া দিশটো হ'ল পূৰ্বৰ পদ্যধৰ্মী ৰচনাশৈলীৰ বিপৰীতে কথিত ভাষাক সাহিত্য ৰচনাত ব্যৱহাৰ কৰা দিশটো। মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ আলোচনাৰ সুবিধাৰ্থে আমি এনেদৰে শ্ৰেণীবিভাজন কৰি দেখুৱাব পাৰোঁ —

- চৰিত সাহিত্যৰ ভাষা
- বুৰঞ্জী সাহিত্যৰ ভাষা
- অন্যান্য গদ্য সাহিত্যৰ ভাষা (ব্যৱহাৰিক জ্ঞান শাস্ত্ৰমূলক সাহিত্যৰ ভাষা, বিবিধ বিষয়ক সাহিত্যৰ ভাষা, অংকীয়া নাটৰ ভাষা আৰু অন্যান্য সাহিত্যৰ ভাষা এই বিভাগত অন্তৰ্ভুক্ত কৰা হৈছে।)

১০.৩.১ চৰিত সাহিত্যৰ ভাষা

যুগনায়ক শংকৰদেৱ আৰু তেওঁৰ শিষ্য মাধৱদেৱকে প্ৰমুখ্য কৰি অন্যান্য বৈষ্ণৱ ধৰ্মপ্ৰচাৰকসকলৰ জীৱন চৰিত মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ এক অপূৰ্ব সাহিত্য-কৰ্ম। ষোড়শ শতিকাৰ শেষভাগৰ পৰাই ৰচিত হ'বলৈ আৰম্ভ কৰা চৰিত সাহিত্যই ইয়াৰ পূৰ্ণবিকশিত ৰূপ লাভ কৰে অষ্টাদশ শতিকাত। অসমীয়া ভাষা-সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰাত গদ্য-পদ্য উভয়তে ৰচিত চৰিতপুথিসমূহৰ সাহিত্যিক গুৰুত্বৰ লগতে ভাষাতাত্ত্বিক গুৰুত্বও মন কৰিবলগীয়া।

গদ্য আৰু পদ্যত ৰচিত পুথিসমূহৰ ভিতৰত প্ৰধান চৰিতপুথিসমূহ হ'ল — ৰামচৰণ ঠাকুৰৰ *শংকৰ চৰিত*, দৈত্যাৰি ঠাকুৰৰ *শংকৰদেৱ-মাধৱদেৱ চৰিত*, ভূষণ দ্বিজৰ

শংকৰ-চৰিত, ৰামানন্দ দ্বিজৰ *গুৰুচৰিত*, ৰামৰায়ৰ *গুৰুলীলা* ইত্যাদি।

চৰিতপুথিসমূহত মহাপুৰুষ দুজনা আৰু সন্ত-মহন্তসকলৰ জীৱন আৰু সমসাময়িক সময় সম্পর্কে আভাস পোৱা যায়। চৰিতপুথিৰ ভাষা ভট্টদেৱৰ ভাষা আৰু বুৰঞ্জীৰ ভাষাৰ পৰা পৃথক। ইয়াত কথিত ভাষাৰ এটা পৰিমার্জিত ৰূপ পোৱা যায়। ইয়াৰ ভাষা সত্রীয়া ভকত সমাজত প্রচলিত গম্ভীৰ ভকতীয়া ঠাঁচৰ ভিত্তিত প্রতিষ্ঠিত। মধ্যযুগীয় অসমৰ সমাজ আৰু সাংস্কৃতিক দিশৰ বহু গুৰুত্বপূর্ণ দিশ চৰিতপুথিসমূহত উন্মোচিত হৈছে। চৰিতপুথিসমূহৰ ভিতৰত লেখত ল'বলগীয়া *কথা গুৰুচৰিতৰ* ভাষাক সমালোচকসকলে সমন্বয়ৰ ভাষা হিচাপে অভিহিত কৰিছে। ইয়াত পুৰণি অসমীয়া, উজনি আৰু নামনি অসমৰ অসমীয়া ভাষাৰ এক সুন্দৰ সংমিশ্রণ ঘটিছে। তদুপৰি দেশী আৰু বিদেশী ভাষাৰ শব্দও ব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে।

কথিত ভাষাৰ মার্জিত ৰূপ; উপমা, ৰূপক, ফকৰা-যোজনা, খণ্ড-বাক্য, পদ-পুথিৰ উদ্ধৃতি; চুটি চুটি বাক্যৰ প্রয়োগ; প্রত্যক্ষ উক্তিৰ ব্যৱহাৰ আদিয়ে চৰিতপুথিৰ ভাষাক পৰিশীলিত ৰূপত তুলি ধৰিছে।

চৰিতপুথিসমূহৰ ভিতৰত *কথা গুৰুচৰিত* বা *গুৰু চৰিত কথা* পুথিখন ভাষাৰ অধ্যয়নৰ ফালৰ পৰা বিশেষ উল্লেখযোগ্য। এই পুথিখনিৰ ভাষাই সত্রীয়া পৰিৱেশত গঢ় লৈ উঠা বিশেষ ভাষা ৰূপ এটিৰ প্রতিনিধিত্ব কৰে। জনসাধাৰণৰ স্বাভাৱিক কাব্য-ভংগিমাতকৈ এই পুথিৰ ভাষা সামান্য পৰিমার্জিত। "একবচনৰ পৰিৱর্তে বহুবচনৰ প্রয়োগ, প্রত্যক্ষ উক্তিতকৈ পৰোক্ষ উক্তিৰ প্রাচুর্য, ধর্মীয় বিশ্বাসেৰে সিক্ত খণ্ডবাক্যৰ প্রয়োগ, শাস্ত্রীয় পদৰ সঘন উদ্ধৃতি — এইবোৰে চৰিতপুথিখনৰ ভাষাক এক অনন্য ৰূপ দিছে।" অপিনিহিতি, বর্ণবিপর্যয়, অঘোষীভৱন, অল্পপ্রাণীভৱন, স্বৰভক্তি আদিৰ প্রয়োগ গদ্যত ৰচনা কৰা চৰিতসমূহত বিশেষভাৱে পৰিলক্ষিত হয়। তদুপৰি 'চ, ছ'; 'শ, ষ, স'; 'ত, ট', 'জ, য, ঝ'-ৰ উচ্চাৰণৰ পার্থক্যহীনতাক ইয়াৰ ধ্বনিগত বিশেষত্ব ৰূপে দেখুৱাব পাৰি। যথা — হাটি/হাতি, হাজো/হাযো, ওজা/ওঝা, পাচে/পাছে আদি।

গদ্যত ৰচিত চৰিতপুথিসমূহৰ ৰূপগত বিশেষত্ব এনেধৰণৰ —

- *লিঙ্গ ঃ* -ই-, -অনী আদি স্ত্রী-প্রত্যয়ৰ প্রয়োগ; যথা — বুৰা/বুৰি, দাস/দাসী, বৰা/বৰানি, কছাৰি/কছাৰিণি ইত্যাদি।
- *সম্বন্ধবাচক শব্দ ঃ* পিতা/মাতা, পো/বহাৰি, দদা/বউ আদি সম্বন্ধবাচক শব্দৰ প্রয়োগো চৰিতপুথিত পোৱা যায়।
- *বহুবচনাত্মক প্রত্যয় ঃ* চৰিতপুথিত পোৱা বহুবচনাত্মক প্রত্যয়বোৰ হ'ল — -ভোৰ, -হান, -সব, -গণ আদি। যথা — জিভোৰ, সাৰাহান, বাপুসব, মুনিগণ।
- *সর্বনাম শব্দ ঃ* মই, মোৰ, মঞ, আমি, তেঞে, তাৰাসৰ, এখেলৈ, সেইটে, তাৰে আদি সর্বনাম শব্দৰ প্রয়োগ চৰিতপুথিত প্রচুৰ।

কাৰক আৰু বিভক্তিৰ ব্যৱহাৰো চৰিতপুথিৰ বিশেষভাৱে মন কৰিবলগীয়া

দিশ। উদাহৰণস্বৰূপে —

প্ৰথমা - এ	ঃ	কছাৰিএ
দ্বিতীয়া - ক	ঃ	নৰনাৰায়ণক
তৃতীয় - ৰে	ঃ	স্নেহ শ্ৰদ্ধাৰে
চতুৰ্থী - লৈ, লকু, লাগি	ঃ	জনার্দনলৈ, আইলকু
পঞ্চমী - তে, ৰ্ত্তে, পৰা	ঃ	ঠাইতে, তাৰৰ্ত্তে
ষষ্ঠী - ৰ	ঃ	আৰ
সপ্তমী - ত	ঃ	তীৰে

ক্ৰিয়াৰ প্ৰয়োগৰ ক্ষেত্ৰতো চৰিতপুথিৰ বৈশিষ্ট্য লক্ষ্য কৰিবলগীয়া। সম্ভাব্য অতীত কালৰ ক্ষেত্ৰত পুৰণি অসমীয়াত প্ৰয়োগ হোৱা 'হন্তে' প্ৰত্যয়ৰ ঠাইত ইয়াত 'হঁতে'ৰ প্ৰয়োগ কৰা দেখা যায়। যথা — চালহঁতে/চালেহতে, নুবুইলোহতে ইত্যাদি। ন্যস্তাৰ্থক ক্ৰিয়াৰ প্ৰয়োগত বিশেষভাৱে — নুৱাৰি, নজৱা, নমানে আদিৰ প্ৰয়োগ পোৱা যায়। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ক্ষেত্ৰত — -জনা, -খন, -জুপি, -টুপি, -ফেৰি আদি প্ৰত্যয়ৰ ব্যৱহাৰ আছে। ক্ৰিয়াপদত মধ্যৱৰ্তী 'ৰ' লোপ পোৱাটো আন এটা মন কৰিবলগীয়া বিশেষত্ব, যেনে— কৈলে (কৰিলে), ধৈলে (ধৰিলে), পৈল (পৰিল) ইত্যাদি। সেইদৰে ভিন্ ভিন্ সৰ্বনাম পদৰ ব্যৱহাৰেও ইয়াৰ গদ্যক নিটোল ৰূপ দিছে। তেনে কিছুমান সৰ্বনাম হ'ল— আমি, তাৰা, তোম্ৰা, মোৰ, আপুনাৰ, তোমাক, তুমি, মই, তেঞে, ই, ইয়াৰ, তাৰে, জি, সি, মোত, সেই ইত্যাদি।

চৰিতপুথিৰ ভাষাশৈলীত কৃত্ৰিমতাৰ বিপৰীতে কথিত ভাষাৰ প্ৰয়োগ ঘটিছে। *কথাগুৰু চৰিতৰ* ভাষাৰ প্ৰসংগত বিৰিঞ্চি কুমাৰ বৰুৱাই তিনিটা বিশেষ দিশৰ কথা উল্লেখ কৰিছে— "কথা-বতৰাৰ বাক্য-ভংগিমাৰ প্ৰয়োগত, চলিত সৰ্বনাম আৰু ক্ৰিয়াপদৰ সংযোগত আৰু ঘৰুৱা শব্দৰ প্ৰাচুৰ্যত।" সেয়া যিকোনো গদ্যত ৰচিত চৰিতপুথিৰ ক্ষেত্ৰতে প্ৰযোজ্য। গদ্যত ৰচিত চৰিতপুথিৰ একেটি দফাতে নিৰ্দেশক, আজ্ঞাসূচক, প্ৰশ্নসূচক, বিবৃতিমূলক আদি বিবিধ প্ৰকাৰৰ বাক্যৰীতিৰ ব্যৱহাৰ কৰা দেখা গৈছিল। ঠিক সেইদৰে ***অনিয়মিত বাক্যৰ*** ব্যৱহাৰো মন কৰিবলগীয়া।

কথাই কথাই প্ৰবাদ-পটন্তৰ, ফকৰা-যোজনা ব্যৱহাৰ কৰাটো লোকভাষাৰ বা আন কথাত সৰ্বসাধাৰণৰ মাজত প্ৰচলিত কথ্য ভাষাৰ আন এক বৈশিষ্ট্য। চৰিত সাহিত্যৰ গদ্যৰীতিত লোকজীৱনৰ অভিজ্ঞতালব্ধ ব্যঞ্জনাধৰ্মী ভাষাৰূপৰ প্ৰয়োগৰ প্ৰচুৰ উদাহৰণ পোৱা যায়। ছন্দোবদ্ধ ফকৰা, দৃষ্টান্ত, উপমা আদি দৈনন্দিন কথ্য ভাষাত যি ৰূপত পোৱা যায় তেনে ৰূপেই ব্যৱহাৰ হৈছে। যেনে — "ৰাজাৰ হেংদান পাত্ৰৰ কি, বাপু সূৰ্যক কুহলিএ ঢকাদি অগ্নিক ভস্মে ঢকাদি ঢাকিচিল।" সাধাৰণতে 'পাচে' আৰু 'বোলে'ৰে বাক্য আৰম্ভ হৈছে। বাক্য-গাঁথনিয়ে বৰ্তমানৰ অসমীয়া মান্য ভাষাকে অনুসৰণ কৰা বুলি পতিয়ন যাব পাৰি যদিও শব্দ-চয়নত কামৰূপত, বিশেষকৈ ববপেটা অঞ্চলত



অনিয়মিত বাক্য ঃ স্বাভাৰিক বাক্যৰীতিত আৰম্ভণিত কৰ্তাপদ আৰু শেষত ক্ৰিয়াপদ বহে। ইয়াৰ বিপৰীতে অনিয়মিত বাক্যত বক্তাৰ অভীপ্সা অনুসাৰে যি পদক প্ৰাধান্য দিবৰ মন সেই পদ হয় বাক্যৰ আৰম্ভণিত, নহয় একেবাৰে শেষত ব্যৱহাৰ হয়।

কথিত ভাষাৰ স্পষ্ট ছাপ লক্ষ্য কৰিব পাৰি। আপী (হৰিপ্ৰিয়া আপি জগাইগৈ), দহো (ইয়াক দহো লাৰিবৰ নৌ হই), দাউৰি, দেখালেহে আদি তাৰ নিদৰ্শন।

বিভিন্ন প্ৰকাৰৰ যুৰীয়া শব্দৰ ব্যৱহাৰ কথা-চৰিতৰ গদ্যৰ আন এক বৈশিষ্ট্য। এনেবোৰ অভ্যাসজাত শব্দৰ (Reduplicated word) সাৰ্থক ব্যৱহাৰে নিৰস আৰু অনাড়ম্বৰ কথাশৈলীক অতিশয় প্ৰাণৱন্ত কৰি তুলিছে। এনে শব্দ কেতবোৰ হ'ল— ফুল-পাত, শৌচ-সুধি, মাচ-গাখীৰ, ইনাই-বিনাই, খেতি-কিৰিষি, গীত-ৰাগ, খান-পিন্ধন, কাশী-বাৰানসী, হোম-আহুতি, জাল-জকাই, খুজি-বাড়ি, বিস্ময়-বিশ্ৰুতি, ঘাটৰ-বাটৰ ইত্যাদি।

শব্দ প্ৰয়োগৰ ক্ষেত্ৰতো চৰিতপুথিসমূহত তৎসম, অৰ্ধ-তৎসম, তদ্ভৱ, আৰ্যভিন্ন শব্দ, কামৰূপী শব্দ আৰু দুই এক বিদেশী শব্দৰ প্ৰয়োগ ঘটা দেখিবলৈ পোৱা যায়। আনহাতেদি যুৰীয়া আৰু অনুৰূপ শব্দৰ প্ৰয়োগে ইয়াৰ ভাষাক বিশেষ ৰূপ দান কৰিছে। চৰিতপুথিত চুটি চুটি বাক্য, কেতিয়াবা দীঘল বাক্য, কথিত ভাষাৰ ব্যৱহাৰ, জতুৱা ঠাঁচ, খণ্ডবাক্য ইত্যাদিৰ প্ৰয়োগো মন কৰিবলগীয়া। মধ্যযুগৰ অসমীয়া সাহিত্য ক্ষেত্ৰলৈ চৰিতপুথিসমূহৰ ভাষাই এনেদৰেই বৰঙণি আগবঢ়াই আহিছে।



জানি থোৱা ভাল

বৈষ্ণৱ সত্ৰসমূহত ৰচিত চৰিতপুথিসমূহৰ পৰা মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ আৰু সন্ত-মহন্তসকলৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন কাহিনীৰ লগতে সমসাময়িক সমাজ জীৱনৰ বিভিন্ন অৱস্থাৰ কথা জানিব পাৰি। ভক্তি ভাবত ৰচিত এই চৰিতপুথিসমূহতো বুৰঞ্জীৰ দৰেই সমসাময়িক সামাজিক, ৰাজনৈতিক চিত্ৰ পোৱা যায়। সেয়েহে চৰিতপুথিসমূহক বুৰঞ্জীৰ পৰিপূৰক নতুবা ভক্তিৰ ৰহণসনা জীৱনী প্ৰধান বুৰঞ্জী বুলি ক'ব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *শংকৰ চৰিতৰ* ৰচনাকাৰ কোন ?

.....

প্ৰশ্ন নং ২ ঃ চৰিতপুথিত প্ৰয়োগ হোৱা কেইটিমান সৰ্বনাম শব্দ উল্লেখ কৰক।

.....

১০.৩.২ বুৰঞ্জী সাহিত্যৰ ভাষা

চৰিত সাহিত্যৰ সমান্তৰালভাৱে আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বিকাশ লাভ কৰা আন এক শ্ৰেণীৰ সাহিত্য হ'ল বুৰঞ্জী সাহিত্য। বুৰঞ্জীসমূহে অসমীয়া সাহিত্যৰ মধ্যযুগটোক ঐশ্বৰ্যময় কৰি তুলিছে। অসমৰ বুৰঞ্জীসমূহ আহোমসকলৰ অসমীয়া

সাহিত্যলৈ বিশিষ্ট দান। এই বিষয়ে আপুনি সাহিত্যৰ বুৰঞ্জীত অধ্যয়ন কৰি আহিছে। বুৰঞ্জীৰ ভাষাত ৰজাঘৰীয়া গাম্ভীৰ্য আৰু শালীনতা স্পষ্টভাৱে অনুভূত হয়। প্ৰথমাৱস্থাত বুৰঞ্জীসমূহ আহোম ভাষাতে লিখা হৈছিল যদিও সপ্তদশ শতিকাৰ পৰা অসমীয়াতো লিখা নিয়ম প্ৰচলন কৰা হয়। এই বুৰঞ্জীসমূহো চৰিত সাহিত্যৰ দৰে গদ্য-পদ্য উভয়তে ৰচিত। তাৰ ভিতৰত গদ্যত ৰচনা কৰা বুৰঞ্জীসমূহৰ অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰাত বিশিষ্ট স্থান আছে।

এতিয়ালৈকে প্ৰকাশিত বুৰঞ্জীসমূহৰ ভিতৰত *পুৰণি অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী (শ্ৰীনাথ দুৱৰা, ১৪০৩), দেওধাই অসম বুৰঞ্জী, অসম বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, পাদশ্যাহ বুৰঞ্জী, সদৰামিনৰ বুৰঞ্জী* আদি উল্লেখযোগ্য। এই বুৰঞ্জীসমূহে মধ্যযুগৰ অসমীয়া গদ্যক বিশেষভাৱে গতি প্ৰদান কৰিছে। গদ্যত ৰচিত বুৰঞ্জীসমূহৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যও মন কৰিবলগীয়া।

তলত বুৰঞ্জীৰ ভাষাৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰা হ'ল —

- বিভিন্ন ধ্বনি পৰিৱৰ্তন এই সময়ৰ সাহিত্যৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য বুলি সমালোচকসকলে ঠাৱৰ কৰে। তৰে কেইটামান তলত উল্লেখ কৰা হ'ল —

অ > আ	ঃ	নবাব > নাবাব, সফল > সাফল
আ > অ	ঃ	কুমাৰ > কুমৰ
ই > এ, ঞ	ঃ	যেখন (যিখন), তঞি (তই)
ক্ষ > খ	ঃ	পৰীখিত, দখিন, খেমাশীল
শ > খ	ঃ	দখৰথী আখা (আশা)
য > হ	ঃ	শেহ, দুহী (দোষী)
স > খ	ঃ	প্ৰখন (প্ৰসন্ন)
ৰ > ল	ঃ	শৰীল (শৰীৰ)
স > হ	ঃ	বহতি (বসতি), ইত্যাদি।

- নিম্ন স্ৱৰধ্বনিৰ ঠাইত উচ্চ স্ৱৰধ্বনিৰ প্ৰয়োগ — ভুৰ/ভোৰ (বোৰ), গাটখুৱা/হাটখোৱা, তামুল (তামোল) ইত্যাদি। বুৰঞ্জীৰ গদ্যত 'য়' আৰু 'ৱ' শ্ৰুতিধ্বনিৰ আগম পৰিলক্ষিত নহয়। যথা — ঘৰিণীএকৰ, জীএক, দিএ নোআৰো ইত্যাদি। উল্লেখযোগ্য যে '-এক' সমূহ বুজোৱা ৰূপ হিচাপেও ব্যৱহাৰ কৰা হৈছিল।
- 'পাচে', 'বোলে', 'পূৰ্বে' আদি শব্দৰে বাক্যাৰম্ভ। যেনে — পাছে পূজাৰ অন্তত ৰাজা আহি কামদেৱৰ মূৰ্ত্তিক সেৱা কৰি সোণৰ নাল দিয়া মোটেৰে কামদেৱৰ গালৈ পানী মাৰিলে।
- সমস্ৱৰ ব্যৱহাৰ হ্ৰাস কৰিবৰ বাবে বাক্য গাঁথনিত ই, ইও, এথেলৈ, এখেৰ, এখেক, সিবোৰ, তোমাৰা, তৈৰ, তাৰ আদি নানা ৰূপৰ সৰ্বনামৰ প্ৰয়োগ।

- আধুনিক অসমীয়া ভাষাত ন্যস্তার্থক 'ন' ক্রিয়াৰ আগত বহে। পুৰণি অসমীয়া ভাষাত এনে 'ন' অপৰিৱর্তিত ৰূপত বহিছিল। বুৰঞ্জীত এইবোৰৰ সমীভৱন হৈছে। যেনে — নকৰোঁ, নাযাওঁ, নি-দিয়ে, নো-সোধে।
- -বোৰ, -বিলাক, -হঁত, -হেঁত, -সকল, -ভোৰ, -সমস্ত আদি বহুবচনাত্মক প্রত্যয় বহুলভাৱে ব্যৱহাৰ হৈছে। যথা — সিবোৰ, বাপাহঁত, ইহেঁত, ইভোৰ, যিভোৰ, ডাঙ্গৰীয়াসকল ইত্যাদি।
- -খন, -খান, -জন, -জনা, -জনী, -টা, -টি, -টো, -ডাল, -মখা, -যোৰ ইত্যাদি নির্দিষ্টতাবাচক প্রত্যয় ব্যৱহাৰ কৰা হৈছে। যথা — লৰাটি, দৰাটো, তিনিজনা, বৰকুঁৱৰীজনী, সৰুজনা, কাপোৰ এযোৰ ইত্যাদি।
- মান, চেৰেক, চাৰিয়েক আদি অনির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ। যথা — দিন চাৰিয়েক, এহাতমান ইত্যাদি।
- বুৰঞ্জীৰ ভাষাত প্রাচীন অসমীয়া ভাষাৰ ৰূপ কিছুমান সংৰক্ষিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে — কহিলন্ত, বোলন্ত, কৈক, কৈত, তেবেসে, দিয়া, হুয়া, হইয়া, হৈল, গৈল, দিয়োক, পাতিলেক ইত্যাদি।
- বুৰঞ্জীৰ ভাষাত পশ্চিম অসমৰ ভাষাৰ কথিত ৰূপো সংৰক্ষিত হৈ থকা দেখা যায়। যথা — জন্মো, আঘণ(মাহ), বেলা (হ'ল), চপকৰে (তৎক্ষণাৎ) দিছি, গেল, দামাল (দলং) ইত্যাদি।
- একেটা কর্তাৰ সৈতে কেইবাটাও ক্রিয়া যুক্ত কৰি বাক্য ৰচনা কৰাৰ ভংগী বুৰঞ্জীত ভালেমান দেখা যায়। যেনে—"পাচে ৰাজাদেৰে তিনিজনা ডাঙ্গৰীয়া সহিতে বৰুৱা, ফুকন সমস্তৰে আলচ কৰি ভটিয়াই গৈ বিশ্বনাথ ৰহি তাৰ পৰা মৰঙ্গিৰ নগা-চকীৰ বাটে পাঁচিলে, কুঁৱৰগঞা দৰৱধৰা বুঢ়াগোহাঞি, মৰঙ্গিখোৱা বাঁহবৰীয়া বৰচেটিয়া গোহাঞিক দিলে, চাউল কঢ়িওৱাকৈ দিহিঙ্গীয়া আলুন বৰবৰুৱাৰ পুতেক ডেকা-বৰবৰুৱাৰ দুইক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সমস্তকে পঠালে।"
- বুৰঞ্জীৰ গদ্য জনজীৱনৰ ভাষাৰ ওচৰ চপা। ইয়াত অহেতুক কৃত্রিমতা নাই। মানুহৰ মুখৰ ভাষাৰ দৰে ইয়াৰ ভাষা সৰল। আনহাতে সৰল বা বস্তুনিষ্ঠ হ'লেও আকৌ ইয়াৰ ভাষাত সাহিত্যিক সৌন্দর্য আৰু মাধুর্য বিদ্যমান। এনে সাহিত্যিক সৌন্দর্যপূর্ণ ভাষাৰ নিদর্শন হৈছে—"সিটো ওৰেষা ৰাজা হয় জগন্নাথৰ সেৱক, তথাচো মোৰ সমান নহয়। আৰ হৰিদাস, তঞি ফিৰি কহ যাই, মোৰ বেটী সুধর্মা যেনাই তেনাই সাধ্বী ৰূপৱতী নুই।"
- শব্দমালাৰ বৈশিষ্ট্যৰ ফালে মন কৰিলে মধ্যযুগৰ বুৰঞ্জীৰ ভাষাত বিভিন্ন ধৰণৰ শব্দৰ সংমিশ্রণ হোৱা দেখা যায়। তৎসম, অর্ধ-তৎসম, তদ্ভৱ, আৰবী-পার্চী, হিন্দী

শব্দৰ উপৰি আহোম আৰু আন জনজাতীয় ভাষাৰ শব্দ বুৰঞ্জীত ব্যৱহাৰ হৈছে। উদাহৰণস্বৰূপে —

- তৎসম শব্দ ঃ দধি, দুগ্ধ, দন্ত, পুত্র, ৰাত্রি, সর্প, দেৱতা, জন্ম, বৈদ্য ইত্যাদি।
- অর্ধ-তৎসম শব্দ ঃ শুকিলা/শুকুলা, মুকুতা, কিৰিষি, বৰিষণ, জনম ইত্যাদি।
- তদ্ভৱ শব্দ ঃ হাতী, দাঁত, বামুণ, কলিতা, বর্চ্চা, কঁহাৰ ইত্যাদি।
- আৰবী-পার্চী ঃ চর্দ্দাৰ, ডৰ, আদামি, গোলাম, খুব, নাবাব, খাজানা, ৰূপীয়া, ছফেদ, খাতিৰ, খুচি, মাল্লুম, পয়দা ইত্যাদি।
- আহোম শব্দ ঃ খুনবাৰ, মাইহাং, চকলং ইত্যাদি।

➢ বুৰঞ্জীৰ ভাষাৰ বাক্য-ৰীতিৰ নিদর্শন হিচাপে তলৰ কেইটিমান বাক্য দেখুওৱা হ'ল—

- মহাৰাজাই শদিয়া নগৰলৈ গ'ল।
- একে হাবিতে দুটা মতা বাঘ, হাতী নাথাকে।
- একে পাটতে দুটা ৰজাও নাথাকে।
- লাউ তল যাব, শিল উপঙ্গিব, কোৱা বগা হ'ব, বগ কলা হ'ব আৰু ব্রহ্মপুত্রে উভতি গতি কৰিব, তেবে কি মোৰ কবুল ছাৰিবে? ইত্যাদি।

➢ বুৰঞ্জীত ঠায়ে ঠায়ে কেতবোৰ অতি সাৰগর্ভ কথাৰ সন্নিৱেশ পোৱা যায়। এনে কথাই লেখকৰ বুদ্ধিমত্তা আৰু চিন্তাৰ স্বাক্ষৰ বহন কৰাৰ লগতে বুৰঞ্জীৰ গদ্যকো মর্যাদা আৰু গাম্ভীর্য লাভত সহায় কৰিছে। এনে ব্যৱহাৰৰ উদাহৰণ হৈছে — "কেঁচা বৰলক জোকালে গা-সাৰিবলৈ টান।"

➢ বুৰঞ্জীৰ গদ্যত কথোপকথনৰ যথেষ্ট প্রয়োগ আছে। দীর্ঘ পৰিসৰৰ কথাবস্তু বহুসময়ত কথোপকথনৰ জৰিয়তে আগবঢ়াই নিয়া হৈছে। প্রত্যক্ষ উক্তিযুক্ত এনে কথোপকথনৰ বাবে স্থানবিশেষে গদ্যই নাটকীয় গুণ অর্জন কৰিছে। বুৰঞ্জীত উভৈনদীকৈ থকা এনে কথোপকথনৰ উদাহৰণ হৈছে—"পাছে ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে—'আমাৰ তিনিৰ ভিতৰত যেমতে ভেদ নহয় সেইৰূপে কৰাৰ কবুল কৰিব লাগে, তেবেসে চিতৰ সংশয় গুছে।' "



জানি থোৱা ভাল

আহোম ৰজাসকলে অসমীয়া ভাষা ৰাজভাষা হিচাপে লোৱাৰ আগতে আহোম ভাষা আৰু আহোম লিপিতে বুৰঞ্জীবোৰ প্রণয়ন কৰা হৈছিল। কিন্তু অসমীয়া ভাষা গ্রহণ কৰাৰ পিছৰেপৰা অসমীয়া ভাষা আৰু অসমীয়া লিপিতেই বুৰঞ্জী ৰচিত হ'বলৈ ধৰে। বর্তমান পর্যন্ত উদ্ধাৰ হোৱা বুৰঞ্জীৰ ভিতৰত এই দুই ভাষাৰ বুৰঞ্জীয়ে সৰহ। ১৯৩০ চনত গোপাল বৰুৱাই আহোম ভাষাত লিখা কেইবাখনো বুৰঞ্জী সম্পাদনা কৰি উলিয়ায়। অসমীয়া ভাষাত

লিখা প্ৰাপ্ত বুৰঞ্জীবোৰৰ ভিতৰত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত প্ৰকাশিত *পুৰণি অসম বুৰঞ্জী*(১৯২২)-কে প্ৰাচীনতম বুলি অনুমান কৰি অহা হৈছে। বুৰঞ্জীৰ পুথিবোৰ পোহৰলৈ অনাত সূর্য্য কুমাৰ ভূঞাৰো উল্লেখনীয় অৱদান আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ *পুৰণি অসম বুৰঞ্জী*কাৰ সম্পাদনাত প্ৰকাশিত হয়?

.....

প্ৰশ্ন নং ৪ঃ বুৰঞ্জী গদ্যৰ কেইটিমান ৰূপতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰক। (৭০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

১০.৩.৩ অন্যান্য গদ্য সাহিত্যৰ ভাষা

চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্যৰ সমান্তৰালভাৱে মধ্যযুগত আৰু এবিধ বিশেষ সাহিত্য ৰচিত হ'বলৈ ধৰে, যিবিধ সাহিত্যক ব্যৱহাৰিক জ্ঞান-শাস্ত্ৰমূলক সাহিত্য আখ্যা দিয়া হয়। অষ্টাদশ শতিকাত ব্যৱহাৰিক জ্ঞান শাস্ত্ৰৰ কেইবাখনো পুথি ৰচিত হোৱাৰ উপৰি ভালেমান গ্ৰন্থ অসমীয়ালৈ অনূদিতও হয়। তাৰ ভিতৰত জ্যোতিষ, নিদান, আয়ুৰ্বেদ শাস্ত্ৰ, অংকৰ আর্যা, নৃত্যগীতৰ পুথি, গৃহ নির্মাণ আদি বিষয়ৰ পুথি পোৱা যায়। এইবিধ সাহিত্যও গদ্য আৰু পদ্য উভয়তে ৰচিত। ভাষাৰ ক্ষেত্ৰলৈ গদ্যত ৰচনা কৰা পুথিৰ ভূমিকা বিশেষভাৱে মন কৰিবলগীয়া। এই সম্পর্কেও আপুনি ইতিমধ্যে সাহিত্যৰ বুৰঞ্জীত অধ্যয়ন কৰি আহিছে।

ব্যৱহাৰিক জ্ঞান-শাস্ত্ৰমূলক সাহিত্যৰ অন্তর্গত উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল — সুকুমাৰ বৰকাথৰ *হস্তীবিদ্যার্ণৱ*আৰু *ঘোঁৰা নিদান*, কবিৰাজ চক্ৰৱর্তীৰ *ভাস্বতী*, শুভংকৰৰ *শ্ৰীহস্তমুক্তাৱলী*, কাশীনাথৰ *অংকৰ আর্যা*, মধুমিশ্ৰ বাগীশৰ *নীতি লতাঙ্কুৰ*, অনন্ত আচার্যৰ *আনন্দ লহৰী*, কবিৰত্ন দ্বিজৰ *লীলাৱতী*, বকুল কায়স্থৰ *কিতাবৎ মঞ্জৰী* আদি।

এই ব্যৱহাৰিক সাহিত্যসমূহৰ ভাষাগত বৈশিষ্ট্যসমূহ এনেদৰে দেখুৱাব পৰা যায়—

- বুৰঞ্জীত ধ্বনিতত্ত্বৰ ক্ষেত্ৰত স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ প্ৰয়োগত দেখা পোৱা বিশেষত্ববোৰ হ'ল —

  নৰিয়া > নুৱৰিয়া (অ > উ) — *হস্তীবিদ্যাৰ্ণৱ*

  ক'লা > কলা (অ' > অ) — *হস্তীবিদ্যাৰ্ণৱ*

  হতুৱাই > হতুৱাএ (ই > এ) — *নীতি লতাঙ্কুৰ*

  এজোপা > এঝোপা (জ > ঝ) — *হস্তীবিদ্যাৰ্ণৱ, নীতি লতাঙ্কুৰ*

  কাষত > কাখত (ষ > খ) — *নীতি লতাংকুৰ*

- যুক্ত ব্যঞ্জনৰ প্ৰয়োগো ব্যৱহাৰিক সাহিত্যৰ এটি মন কৰিবলগীয়া দিশ। উদাহৰণস্বৰূপে— টাঙ্গন, ভাঙ্গৰ, ডিঙ্গি আদি।
- ৰূপতাত্ত্বিক দিশতো ক্ৰিয়া, শব্দবিভক্তি আৰু কাৰক, বচন, সৰ্বনাম, লিঙ্গ, নিৰ্দিষ্টতাবাচক প্ৰত্যয় আদিৰ বুৰঞ্জীৰ ভাষাৰ লগত ভালেমান মিল পোৱা যায়।
- তঞি, মোতে, মই, আম্ৰা, সিহঁত, মোক, আমি, সি, তাক, তুমি, আপুনি আদি সৰ্বনামৰ প্ৰয়োগ ঘটা দেখা যায়।
- খন, টো, টা, গচ, মহা, জোৰ আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়; অনেক, কিছু, বহুত আদি অনিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ হোৱা দেখা যায়।
- শব্দৰ ক্ষেত্ৰত তৎসম, তদ্ভৱ আদি শব্দৰ উপৰি কামৰূপী উপভাষাৰ শব্দৰ প্ৰাধান্য মন কৰিবলগীয়া।
- বাক্যৰীতিৰ ক্ষেত্ৰত সৰল, কোমল আৰু পোনপটীয়া বাক্যৰ প্ৰয়োগৰ লগতে মাজে মাজে সংস্কৃত বাক্যৰ প্ৰয়োগো লক্ষ্য কৰা যায়।

অসমীয়া ভাষাৰ ইতিহাস আলোচনাত গোপালচৰণ দ্বিজৰ *কথা ভক্তি ৰত্নাকৰ* আৰু ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণ* — এই দুখন গ্ৰন্থৰো সুকীয়া তাৎপৰ্য আছে। গোপালচৰণ দ্বিজৰ *কথা ভক্তি ৰত্নাকৰত* আছে ভট্টদেৱৰ গদ্যৰ প্ৰৱাহ ৰক্ষাৰ প্ৰচেষ্টা। আনহাতে ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণৰ* শব্দ প্ৰয়োগত অপ্ৰমাদী কবি মাধৱ কন্দলীক কৰা অনুসৰণ লক্ষ্য কৰা যায়। অৱশ্যে বাক্য গাঁথনিৰ দিশত ই অংকীয়া নাটবোৰৰহে ওচৰ চপা। মন কৰিব যে গদ্যত ৰচিত ৰামায়ণ হিচাপে ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণ* কেৱল অসমীয়া ভাষাৰে নহয়, সমগ্ৰ ভাৰতীয় ভাষাবোৰৰ ইতিহাসতে এক গুৰুত্বপূৰ্ণ ৰচনা। এইখন কাব্যত 'স' (সৰ, কৈসোৰ, পসি), 'চ' (কৰিচ, আচে, জৈচে), 'জ' (তজু, জেৰে, অজোধ্যা), 'ন' (চৰন, ৰাবন, গুন, হৰন) আৰু ৰেফযুক্ত দ্বিত্বৰ প্ৰয়োগ (দৰ্প্প, পুৰ্ন্ন, সুৰ্প্পানখা) অধিক দেখা পোৱা যায়।

মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ অন্তৰ্গত গদ্য-পদ্য উভয়তে ৰচিত কেইখনমান বিবিধ বিষয়ক গ্ৰন্থ পোৱা যায়। এই যুগতে ৰচিত ভক্তিতত্ত্ব সম্পৰ্কীয় পুথি *পূৰ্ণ ভাগৱত, ৱৈষ্ণৱী গীতা, ভক্তি প্ৰেমাৱলী* আদিত নানান প্ৰকাৰৰ প্ৰেমৰ কথা বৰ্ণিত হৈছে। *অশোক চৰিত, লক্ষ্মী চৰিত, খোৱা-খুৱীৰ আখ্যান, মহামোহ কাব্য* আদি জনপ্ৰিয়

পুথিসমূহ এই যুগৰে ৰচনা। আন এখনি অতি আমোদজনক লৌকিক কাব্য হ'ল কবিৰাজ মিশ্ৰৰ *শিয়াল গোঁসাই*।

এই বিবিধ বিষয়ক সাহিত্যৰাজিৰ মাজত অসংখ্য যোজনা, পটন্তৰ আৰু খণ্ডবাক্যৰ প্ৰয়োগ দেখা যায়। এই শ্ৰেণীৰ সাহিত্যৰ ভাষাৰ লগত বুৰঞ্জী ভাষাৰ সাদৃশ্য মন কৰিবলগীয়া। স্বৰধ্বনি, ব্যঞ্জনধ্বনিৰ প্ৰয়োগ, শব্দৰূপ, ক্ৰিয়াৰূপ আদি সকলোতে আধুনিক অসমীয়া ভাষাৰ ৰূপ লাভ কৰাৰ প্ৰয়াস দেখা যায়।

অসমীয়া সাহিত্যৰ প্ৰাচীন যুগটোতে শংকৰদেৱে অংকীয়া নাট ৰচনাৰে নাট্য সাহিত্যৰ এটি সুকীয়া ধাৰা প্ৰৱৰ্তন কৰি অসমীয়া সাহিত্যৰ মধ্যযুগৰ ৰচনাকাৰসকলৰে এক সুকীয়া সাহিত্য-চৰ্চাৰ আৰ্হি দেখুৱাই থৈ যায়। পৰৱৰ্তী সময়ত তেওঁৰ একান্ত অনুগামী মাধৱদেৱকে ধৰি আন আন শিষ্য-প্ৰশিষ্যসকলেও এই শ্ৰেণীৰ নাট ৰচনাত মনোনিৱেশ কৰে।

শংকৰ-পৰৱৰ্তী (শংকৰোত্তৰ) যুগটোৰ অংকীয়া নাটসমূহত কিন্তু বিষয়বস্তু, চৰিত্ৰ চিত্ৰণ আৰু ৰচনাভঙ্গীৰ বিশেষ অভিনৱত্ব দেখিবলৈ পোৱা নাযায়। এই কালৰ নাটসমূহৰ মাজত সংস্কৃত শ্লোক, নান্দীশ্লোক আদিৰো প্ৰয়োগ কমি আহে। এই কালৰ উল্লেখযোগ্য অংকীয়া নাটসমূহৰ কেইখনমান হ'ল — ৰুচিদেৱৰ *কুমৰ হৰণ*, গোপাল আতাৰ *নন্দোৎসৱ*, গোপাল মিশ্ৰৰ *শঙ্খচূড় বধ*, লক্ষ্মীনাথ দাসৰ *কুমৰ হৰণ*, গোপীকান্তৰ *কৰ্ণবধ*, লক্ষ্মীদেৱৰ *ৰাৱণ বধ*, লক্ষ্মীকান্ত দাসৰ *হৰমোহন*, দৈত্যাৰি ঠাকুৰৰ *নৃসিংহ যাত্ৰা*, শ্ৰীৰাম আতাৰ *সুভদ্ৰা হৰণ*, ৰামচৰণ ঠাকুৰৰ *কংসবধ*, ভূষণ দ্বিজৰ *অজামিল উপাখ্যান*ইত্যাদি।

পূৰ্বৰ নাট্যকাৰসকলক অনুকৰণ কৰি ৰচনা কৰাৰ বাবে এই যুগৰ নাটত মৌলিকতাৰ স্বাক্ষৰ কম। ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ অংকীয়া নাটৰ প্ৰধান বৈশিষ্ট্য যদিও এই যুগৰ নাটৰ ভাষাই কথিত অসমীয়া ভাষাৰ পিনেহে ধাৱমান হোৱা দেখা যায়। ধ্বনিতত্ত্বৰ ক্ষেত্ৰত স্বৰ আৰু ব্যঞ্জনৰ পৰিৱৰ্তন (অ>আ, আ>এ, ত>ন্ত), ৰূপতাত্ত্বিক ক্ষেত্ৰতো শব্দবিভক্তি, ক্ৰিয়া-বিভক্তি, ক্ৰিয়াৰ বিভিন্ন ৰূপ, বহুবচনাত্মক প্ৰত্যয় আদি সকলোতে আধুনিক অসমীয়া ভাষাৰ ফাললৈ গতি কৰা দেখা যায়।

ওপৰত আলোচনা কৰি অহা সাহিত্যৰাজিৰ উপৰি বিবিধ পুৰাণ, মহাভাৰত আৰু ৰামায়ণ আদি গ্ৰন্থৰ অনুবাদ এই সময়ৰ সাহিত্যিকসকলৰ উল্লেখযোগ্য কৃতি। এই কালৰ ৰচনাত অসমীয়া ব্ৰজবুলি আৰু প্ৰাচীন অসমীয়া ভাষা এই দুয়োৰে সংমিশ্ৰণ দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সুকুমাৰ বৰকাথে প্রণয়ন কৰা ব্যৱহাৰিক জ্ঞান-শাস্ত্রমূলক পুথি দুখনিৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ ঃ ৰঘুনাথ মহন্তই ৰচনা কৰা *কথা ৰামায়ণ* নামৰ গ্রন্থখনত শব্দ প্রয়োগৰ ক্ষেত্রত কাৰ প্রভাৱ অনুভূত হয়?

.....



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ মধ্যযুগটো খ্রীষ্টীয় সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্রাৰম্ভলৈ ধৰা হৈছে। গদ্য-পদ্য উভয়তে ৰচিত বিচিত্র আৰু বর্ণাঢ্য সাহিত্যৰাজিয়ে মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰি তুলিছিল।
- এই যুগৰ চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্যৰ গদ্যৰীতিয়ে অসমীয়া গদ্যক নব্য ৰূপ দান কৰে। ভাষাৰীতিৰ ফালৰ পৰা এই যুগৰ সাহিত্যৰ ভাষাই প্রাচীন ৰূপৰ পৰিৱর্তন ঘটাই নতুন ৰূপত প্রতিষ্ঠিত হৈছিল। বুৰঞ্জীসমূহ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচনা কৰা হৈছিল। ইয়াৰ ভাষাত বৈষ্ণৱ পদপুথিৰ ভাষা প্রয়োগ হোৱা নাই; বুৰঞ্জীৰ গদ্যই সমসাময়িক কথ্য ভাষাৰহে প্রতিনিধিত্ব কৰিছে। আনহাতে বৈষ্ণৱ সত্রসমূহৰ আশ্রয়ত ৰচিত চৰিতপুথিবোৰে সত্রীয়া সমাজৰ সম্ভ্রান্ত কথনভঙ্গী নিৰূপণ কৰে।



১০.৫ অধিক জানিবলৈ

১) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য*; গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ*; গুৱাহাটী ঃ বৰুৱা এজেন্সী।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) নেওগ, মহেশ্বৰ (সম্পাঃ)(১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৫) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৭) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙনি;* গুৱাহাটী ঃ বনলতা।

৮) শইকীয়া বৰা, লীলাৱতী(২০০৭); *সাহিত্য আৰু সাহিত্যিকৰ ভাষা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্চ্।

৯) শৰ্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৰামচৰণ ঠাকুৰ।

২ নং প্রশ্নৰ উত্তৰ ঃ মই, মোৰ, মঞ, আমি, তেঞে, তাৰাসৰ, এখেলৈ, সেইটে, তাৰে আদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ হেমচন্দ্র গোস্বামী।

৪ নং প্রশ্নৰ উত্তৰ ঃ বুৰঞ্জী গদ্যৰ কেইটিমান ৰূপতাত্ত্বিক বৈশিষ্ট্য হ'ল—

- 'পাচে', 'বোলে', 'পূৰ্বে' আদি শব্দৰে বাক্যাৰম্ভ।
- সমস্বৰ ব্যৱহাৰ হ্রাস কৰিবৰ বাবে বাক্য গাঁথনিত ই, ইও, এথেলৈ, এখেৰ, এখেক, সিবোৰ, তোমাৰা, তৈৰ, তাৰ আদি নানা ৰূপৰ সর্বনামৰ প্রয়োগ।
- আধুনিক অসমীয়া ভাষাত ন্যস্তার্থক 'ন' ক্রিয়াৰ আগত বহে। পুৰণি অসমীয়া ভাষাত এনে 'ন' অপৰিৱর্তিত ৰূপত বহিছিল। বুৰঞ্জীত এইবোৰৰ সমীভৱন হৈছে। যেনে — নকৰোঁ, নাযাওঁ, নি-দিয়ে, নো-সোধে।
- বোৰ, -বিলাক, -হঁত, -হেঁত, -সকল, -ভোৰ, -সমস্ত আদি বহুবচনাত্মক প্রত্যয় বহুলভাৱে ব্যৱহাৰ হৈছে। যথা — সিবোৰ, বাপাহঁত, ইহেঁত, ইভোৰ, যিভোৰ, ডাঙৰীয়াসকল ইত্যাদি।

৫ নং প্রশ্নৰ উত্তৰ ঃ *হস্তীবিদ্যার্ণৱ* আৰু *ঘোঁৰা-নিদান*।

৬ নং প্রশ্নৰ উত্তৰ ঃ অপ্রমাদী কবি মাধৱ কন্দলীৰ।



১০.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) চৰিত সাহিত্য মানে কি?

(খ) বুৰঞ্জী পুথিসমূহ কেতিয়াৰ পৰা ৰচনা কৰাৰ প্ৰমাণ পোৱা যায়?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰিত সাহিত্যৰ ভাষাগত বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'বুৰঞ্জীৰ ভাষা এক সমন্বয়ৰ ভাষা'— কথাষাৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বুৰঞ্জী সাহিত্যৰ ভাষিক বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰিতপুথিৰ ভাষা আৰু বুৰঞ্জীৰ ভাষাৰ মাজত এটি তুলনামূলক বিচাৰ আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমীয়া সাহিত্যলৈ মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ অৱদান সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৩ ঃ মধ্যযুগীয় অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্য নিৰ্ণয় কৰি এটি চমু আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১১ ঃ আধুনিক যুগৰ অসমীয়া ভাষা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ আধুনিক যুগৰ অসমীয়া ভাষা
১১.৩.১ 'অৰুণোদয়' স্তৰৰ অসমীয়া ভাষা
১১.৩.২ 'জোনাকী' স্তৰৰ অসমীয়া ভাষা
১১.৩.৩ যুদ্ধোত্তৰ স্তৰৰ অসমীয়া ভাষা
১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৫ অধিক জানিবলৈ
১১.৬ অগ্রগতিৰ খতিয়ান
১১.৭ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষা-সাহিত্যৰ আধুনিক যুগৰ ৰচনাৰাজিৰ লগত পৰিচিত হ'ব
- আধুনিক যুগৰ অসমীয়া ভাষাৰ স্বৰূপ নির্ণয় কৰিব পাৰিব
- অৰুণোদয়, জোনাকী আৰু যুদ্ধোত্তৰ স্তৰৰ অসমীয়া ভাষাৰ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

পূৰ্বৰ অধ্যায়কেইটিত পাই আহিছে যে অসমীয়া ভাষাৰ মধ্যযুগটো সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰাৰম্ভলৈ ধৰা হৈছে। মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যক পল্লৱিত কৰি সমৃদ্ধ কৰিছিল গদ্য-পদ্য উভয়তে ৰচিত বিচিত্ৰ আৰু বর্ণাঢ্য সাহিত্যৰাজিয়ে। সেই অধ্যায়কেইটাত আপুনি মধ্যযুগৰ অসমীয়া সাহিত্যৰ ভাষা সম্পর্কে অধ্যয়ন কৰিলে। তাতে উল্লেখ কৰি অহা হৈছে যে আধুনিক যুগটো ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা বর্তমান সময়লৈকে নির্ধাৰণ কৰা হৈছে। এই অধ্যায়ত আপুনি আধুনিক যুগৰ অসমীয়া ভাষা সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

আধুনিক অসমীয়া ভাষাৰ বিকাশক আলোচনাৰ সুবিধার্থে অৰুণোদয় (*অৰুনোদই*) স্তৰৰ ভাষা, জোনাকী স্তৰৰ ভাষা আৰু যুদ্ধোত্তৰ স্তৰৰ অসমীয়া ভাষা — এই তিনিটা স্তৰত ভাগ কৰিব পাৰি। এই বিষয়ে সাহিত্যৰ বুৰঞ্জীত বহলাই আলোচনা কৰি অহা হৈছে। এই অধ্যায়টিত আধুনিক যুগৰ অসমীয়া ভাষাৰ সাধাৰণ আলোচনা দাঙি ধৰা হৈছে। অধ্যায়টি অধ্যয়নৰ অন্তত

আপুনি উক্ত বিষয় সম্পর্কে কিছু কথা জানিবলৈ সক্ষম হ'ব।

১১.৩ আধুনিক যুগৰ অসমীয়া ভাষা

জাতি এটাৰ জাতীয় ভাষা, সাহিত্য আৰু সংস্কৃতিৰ পৰিব্যাপ্তি আৰু গভীৰতাই সেই জাতিৰ ইতিহাস হৈ ৰয়। ঊনবিংশ শতিকাৰ প্ৰথমার্ধৰ পৰা অসমীয়া সমাজত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ দ্ৰুত পৰিৱৰ্তন সূচিত হয়। সামন্ততান্ত্ৰিক শাসনৰ পতন আৰু ঔপনিবেশিক শাসনৰ আৰম্ভণিৰ লগে লগে অসমীয়া ভাষা-সাহিত্যৰো বিষয়বস্তু, আদৰ্শ, আংগিকৰ বিশেষ পৰিৱৰ্তন হ'ল। অসমীয়া ভাষা-সাহিত্যই প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাবধাৰাক আত্মস্থ কৰি ক্ৰমে বিশ্বসাহিত্যৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ লয়। এনে ঘটনা-পৰিঘটনাৰ ফলতে অসমীয়া ভাষায়ো ক্ৰমে আধুনিকতাৰ পিনে গতি কৰে। এই সময়ছোৱাত আলোচনীসমূহে অসমীয়া ভাষাক আধুনিক ৰূপ প্ৰদান কৰাত বিশেষ ভূমিকা পালন কৰে। *অৰুনোদই, জোনাকী, জয়ন্তী* আদি আলোচনীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা লেখক তথা পাঠক সমাজে অসমীয়া ভাষাটোক আধুনিক ৰূপ লাভ কৰাত প্ৰভূত বৰঙণি যোগায়।

আধুনিক অসমীয়া ভাষাৰ বিকাশক আলোচনাৰ সুবিধাৰ্থে অৰুণোদয় (*অৰুনোদই*) স্তৰৰ ভাষা, জোনাকী স্তৰৰ ভাষা আৰু যুদ্ধোত্তৰ স্তৰৰ ভাষা — এই তিনি ভাগত বিভক্ত কৰিব পাৰি। তলত এই তিনিটা ভাগৰ অসমীয়া ভাষা সম্পৰ্কে আলোচনা কৰা হ'ল।

১১.৩.১ 'অৰুণোদয়' স্তৰৰ অসমীয়া ভাষা

অৰুনোদই-ৰ বুকুতে অসমীয়া ভাষাই আধুনিকতাৰ দিশলৈ ধাৱমান হয়। পশ্চিমৰ বিজ্ঞানমুখী সভ্যতা আৰু ভাৱধাৰাৰে পুষ্ট নতুন দৃষ্টিভঙ্গীৰ প্ৰকাশ ঘটে এই *অৰুনোদই* বাৰ্তালোচনীৰ যোগেদি। খ্ৰীষ্টীয় ১৮৪৬ চনৰ পৰা ১৮৮৮ চনলৈকে এই বিস্তৃত দুকুৰি পাঁচ বছৰ কালছোৱাকে 'অৰুণোদয় যুগ' বুলি সমালোচকসকলে অভিহিত কৰিছে। এই কালছোৱাত সামাজিক, ৰাজনৈতিক পশ্চাদপট আৰু ভাষিক প্ৰত্যাহ্বানৰ মাজতো ড° নাথান ব্ৰাউন, অলিভাৰ টি. কট্টৰ, মাইলচ্ ব্ৰন্সন, এ. কে. গাৰ্ণী আদি কেইজনমান বিদেশী পণ্ডিত চিন্তাবিদ আৰু আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাৰ দৰে দূৰদৰ্শী স্বাধীন মনৰ অসমীয়া লোকৰ অহোপুৰুষাৰ্থত আধুনিক অসমীয়া ভাষাই পুনৰ প্ৰাণ পাই উঠে।

১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰথম অসমীয়া আলোচনী *অৰুনোদই* প্ৰকাশ হৈ ওলায়। ইয়াৰ প্ৰথম সম্পাদক আছিল ৰেভাৰেণ্ড ড° নাথান ব্ৰাউন। ১৮৫৭ চনলৈকে *অৰুনোদই* ক্ৰমে আলোচনী আৰু সংবাদপত্ৰ এই দুটা খণ্ডত প্ৰকাশ হৈছিল। পৰৱৰ্তী কালত সংবাদপত্ৰ অংশ উঠাই দিয়া হয়। ভাষা-সাহিত্যৰ পথ-প্ৰদৰ্শক হিচাপে *অৰুনোদই*-ৰ বিশেষ স্থান অসমীয়া সাহিত্যৰ ইতিহাসত সোণালী

অধ্যায়ৰূপে জিলিকি থাকিব। অসমীয়া সমাজক দেশ-বিদেশৰ জ্ঞান-ভাণ্ডাৰৰ সম্ভেদ দি এখন বিশাল জগতৰ লগত পৰিচয় কৰি দিয়াৰ উপৰি বাংলা ভাষাৰ প্ৰচলনৰ বিৰোধিতা কৰি অসমীয়া ভাষাক প্ৰাপ্য মৰ্যাদা প্ৰদান কৰাত *অৰুনোদই* বাৰ্তালোচনীয়ে বিশেষ ভূমিকা পালন কৰিছিল।

অৰুনোদই বাৰ্তালোচনীয়ে অসমীয়া ভাষাত ধৰ্ম, বিজ্ঞান, শিক্ষা, বাণিজ্য, বুৰঞ্জী, ভূগোল, নীতিশিক্ষা, নাৰীবিষয়ক প্ৰৱন্ধ, আখ্যান, কাহিনী সাহিত্য ৰচনাৰ বাট মুকলি কৰি অসমীয়া ভাষাত নতুন নতুন বিষয়ৰ সংযোজন কৰে। এই সময়খিনিতে আনন্দৰাম ঢেকিয়াল ফুকন, নিধিৰাম ফাৰৰেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা প্ৰভৃতি লেখকসকলৰ সৃষ্ট সাহিত্যৰাজিত অসমীয়া ভাষাই এক নব্য ৰূপ লাভ কৰিবলৈ লয়।

অৰুনোদই বাৰ্তালোচনীত একান্তভাৱে লাগি থকা মিছনেৰীসকলে যত্ন কৰি অসমীয়া ভাষা শিকিছিল যদিও অসমীয়া জতুৱা ঠাঁচটো সম্পূৰ্ণৰূপে আয়ত্ত কৰিব পৰা নাছিল। ইংৰাজী ভাষাৰ ঠাঁচটো অজানিতভাৱেই অসমীয়া লিখোঁতেও প্ৰকাশ পাইছিল। সেয়ে তেওঁলোকৰ ৰচনাৰাজিত আচহুৱা ধৰণৰ বাক্যৰীতিও পৰিলক্ষিত হয়। যথা — 'পাৰমার্থিক মানুহ হৈ ভয় নকৰিবা।', 'তেওঁৰ বিৰোদ্ধে আচৰা হৈ তেওঁ দিন নিয়াইছিল।' ইত্যাদি।



জানি থোৱা ভাল

অৰুনোদই কাকতৰ ভাষাৰ মাজত সাধাৰণতে চকুত পৰা এটি ভাষিক বিশেষত্ব হ'ল উচ্চাৰণ ভিত্তিক আখৰ জোঁটনি। ড° নাথান ব্ৰাউন আৰু মাইলচ্ ব্ৰম্পনে পুৰণি অসমীয়া সাঁচিপতীয়া পুথিবোৰ পঢ়ি হ্ৰস্বস্বৰ আৰু দীৰ্ঘস্বৰৰ মাজত প্ৰভেদ দেখা পোৱা নাছিল। 'চ/ছ'; 'জ/য়', 'ন/ণ', 'শ/ষ/স' আদি ধ্বনিবোৰৰ ইটোৰ ঠাইত সিটোৰ ব্যৱহাৰ হৈছিল যদিও মানুহৰ মুখত ইয়াৰ শুদ্ধ উচ্চাৰণ হোৱা নাছিল।

আনহাতে মিছনেৰীসকলেই অসমীয়া ভাষাত কমা, চেমিক'লন, প্ৰশ্নবোধক চিন আদি যতি চিনৰ প্ৰৱর্তন কৰে। অৰুণোদয় যুগৰ ভাষাত আহোম যুগৰ ভাষাৰ উপৰি তাৰ পূৰ্বৱর্তী ভাষাৰো প্ৰভাৱ সংৰক্ষিত হৈ আছে। তাৰে কিছু বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল।

- বিভিন্ন ধ্বনি পৰিৱর্তন এই সময়ৰ সাহিত্যৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য বুলি সমালোচকসকলে ঠাৱৰ কৰে। তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল —

  ষ > খ ঃ বৰখিছিল, বৰখুন

  ক্ষ > খ ঃ নখেত্ৰ, খেমা

  জ > ঝ ঃ মাঝ (মাজ), ঝাল (জাল)

- পূর্ণ ভূত কালৰ ক্রিয়া বিভক্তি -ইচ-ইল-এ — কাকতি ফৰিঙ্গবোৰ উজাই গৈচিলে।
- ভূত কালৰ ক্রিয়াবিভক্তি - (ই)লে — আগৰ কালত কিমান সুখ আচিলে, আৰু এতিয়া... ...হৈছে।
- 'নিজ' সর্বনামৰ ঠাইত 'আপুনি'ৰ প্রয়োগ — মানুহে আপুনি আপুনি জানিব পাৰে।
- নির্দিষ্টতাবাচক প্রত্যয় —

  (ক) টে/ট — মানুহটে ক'লে; গৰুটেৰে হ'লে ওৰে দিনটো বন কৰাব পাৰি।

  (খ) 'খন'ৰ ঠাইত 'টা' — এটা কিতাপ লিখিছে।

  (গ) 'জনী'ৰ ঠাইত 'টো' — মাইকীটো আনিবলৈ আজ্ঞা কৰোক।
- দ্বিতীয়া বিভক্তিৰ ঠাইত সপ্তমীৰ ব্যৱহাৰ — ৰজাত ক'লে; আইত সোধক।
- বহুবচনৰ প্রত্যয়ৰ বিশিষ্ট প্রয়োগ — লৰাসকল, পত্রসকল, পুথিসকল, গুণসকল ইত্যাদি।
- অনির্দিষ্টতাবাচক প্রত্যয়— -চাৰেক — ভকতচাৰেক, দিনচাৰেক ইত্যাদি।
- অৰুণোদয় যুগৰ ভাষাত তৎসম, তদ্ভৱ, অর্ধ-তৎসম, হিন্দী, আৰবী, পার্চী, পর্তুগীজ, ইংৰাজী, ইত্যাদি বিবিধ ভাষাৰ শব্দৰ সমাহাৰ ঘটিছে। তদুপৰি কিছুমান নতুন অসমীয়া শব্দ সৃষ্টি কৰিও ব্যৱহাৰ কৰিছিল। যথা — সুখ, জগত, সন্তান, খিয়াতি, ইচা (ইচ্ছা), ৰিদয় (হৃদয়), ৰূপ, সোন, শিলপানী (বৰফ), লতাপনিয়ল (আঙুৰ), নাগমাটি (কয়লা), ঘাম কাল (গ্রীষ্ম), মেঘৰ বিদুলি (ব্রজপাত), সহাই (এছিষ্টেণ্ট), ভাপৰ ৰথ/ধুআৰ ৰথ (ৰেলগাড়ী), দেসাধিকাৰ (প্রেছিডেণ্ট), বিজুলি ডাক (টেলিগ্রাম), ৰাজমেল (পার্লিয়ামেণ্ট), অফিচ, কলেজ, প্রাইজ, গিলাচ ইত্যাদি।
- পর্তুগীজ ভাষাৰ পাদুৰি, গীর্জা, ধৰমপুথি (Bible) ইত্যাদি শব্দ ব্যৱহাৰ হোৱাৰ উপৰি পশ্চিম অসমৰ উপভাষাৰ বহুতো শব্দ অৰুণোদয়ৰ বুকুত সংৰক্ষিত হৈছে।

মন কৰিবলগীয়া যে মিছনেৰীসকলে আমাৰ ভাষাক এটা নতুন সুৰ শিকাই থৈ গ'ল। সেই সুৰটি অসমীয়া ভাষাই আগতে নাজানিছিল। ভাৰতবর্ষৰ কোনো ভাষাই নাজানিছিল। ই পাশ্চাত্য সাহিত্যৰ নিজা সৃষ্টি আৰু মিছনেৰীসকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আহি ভাৰতবর্ষৰ ভাষাবোৰক শিকাই দিলেহি। বর্তমান যুগৰ ভাৰতবর্ষৰ আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো য'তে টোকৰ মৰা যায় ত'তেই এই বিলাতী সুৰটোৰ গুণগুণনি শুনিবলৈ পোৱা যায়। সেই বাবেই হেমচন্দ্র গোস্বামীয়ে মন্তব্য কৰিছে— "তুমি সেই সুৰটিৰ স্বভাৱ নুবুজিব পাৰা, কিন্তু শংকৰদেৱক মাতা, মাধৱদেৱক মাতি অনা তেওঁলোকে ততালিকে বুজাই দিব যে এইটো ভাৰতবর্ষীয় সুৰ নহয়, বিলাতী সুৰ।" আন কথাত ক'বলৈ হ'লে মিছনেৰীসকলৰ লেখাৰ যোগেদিয়েই পাশ্চাত্য ভাবধাৰাই অসমীয়া ভাষাত প্রৱেশ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *অৰুনোদই* বার্তালোচনীৰ প্রথম সম্পাদক কোন আছিল ?

.....

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাত কমা, চেমিক'লন, প্রশ্নবোধক চিন আদি যতি চিনৰ প্রৱর্তন কোনে কৰিছিল ?

.....

১১.৩.২ 'জোনাকী' স্তৰৰ অসমীয়া ভাষা

অৰুনোদই কাকতৰ সহায়ত অসমীয়া ভাষাই স্কুল-আদালতত পুনৰ প্রতিষ্ঠা লাভ কৰাৰ পিছত হেমচন্দ্র-গুণাভিৰাম আৰু তেওঁলোকৰ সহযোগীসকলে গঢ়ি যোৱা ভেটি টনকিয়াল কৰি তুলিবৰ বাবে কেইজনমান প্রবাসী অসমীয়া ছাত্রই ১৮৮৮ চনত কলিকতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (অঃ ভাঃ উঃ সাঃ) প্রতিষ্ঠা কৰি কিছুমান গঠনমূলক কাম হাতত লয়। তাৰ ভিতৰত উল্লেখযোগ্য কেতবোৰ হ'ল —

- পুৰণি পুথি সংগ্রহ আৰু প্রকাশ
- অসমৰ সকলো শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ প্রচলন
- অশুদ্ধ ব্যাকৰণ আৰু বাক্য-বিন্যাসৰ ঠাইত শুদ্ধ ব্যাকৰণ আৰু বর্ণবিন্যাসৰ প্রচলন
- সংস্কৃত বা আন ভাষাৰ পৰা ভাল পুথিৰ অনুবাদকৰণ
- অসমৰ সামাজিক আৰু ধার্মিক ৰীতি-নীতিৰ বৃত্তান্ত সংগ্রহ আৰু বুৰঞ্জী প্রণয়ন
- সাহিত্যৰ আৰু পাঠ্যপুথিৰ অভাৰ দূৰীকৰণ ইত্যাদি।

এই উদ্দেশ্যসমূহ কার্যত ৰূপায়ণ কৰিবৰ বাবে ১৮৮৯ চনত অঃ ভাঃ উঃ সাঃ সভাৰ মুখপত্র হিচাপে *জোনাকী* নামৰ কাকতখনি মাহেকীয়াকৈ প্রকাশ কৰিবলৈ লয়। *জোনাকী* প্রকাশৰ লগত বিশেষভাৱে জড়িত আছিল তিনিগৰাকী ব্যক্তি — চন্দ্রকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী। এই তিনিওগৰাকীক সেয়ে একেলগতে 'জোনাকীৰ ত্রিমূর্তি' বুলিও কোৱা হয়। *জোনাকী*-ৰ প্রথম সম্পাদক আছিল চন্দ্রকুমাৰ আগৰৱালা। *জোনাকীৰ* প্রথম সংখ্যাতে 'আত্মকথা'ত লিখা হৈছে এনেদৰে — "এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা আৰু পৰাধীন — কিন্তু আমি নিজ শক্তি হইহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছো আন্ধাৰৰ

বিপক্ষে। উদ্দেশ্য দেশৰ উন্নতি, 'জোনাক'।"

জোনাকী কাকতৰ যোগেদি অসমীয়া সাহিত্যত এক নব্য জোৱাৰৰ সূচনা হয়, যাৰ ফলস্বৰূপে এক নতুন সাহিত্যিক শৈলীয়ে আত্মপ্রকাশ কৰে। একেদৰে ইংৰাজী সাহিত্যৰ যোগেদি অসমত প্রতিষ্ঠা হোৱা নতুন সাহিত্যিক অভিব্যক্তি পূর্বৱর্তী সাহিত্যিক পৰম্পৰাৰ পৰা সম্পূর্ণ সুকীয়াৰূপত অসমীয়া সাহিত্যলৈ ভুমুকি মাৰে। এই সময়ৰ সাহিত্য-চর্চাত মনোনিৱেশ কৰা অসমীয়া লোকসকলে ইংৰাজী সাহিত্যৰ লগতে বাংলা সাহিত্য গভীৰভাৱে অধ্যয়ন কৰি তাৰ আর্হিত সাহিত্য ৰচনা কৰিবলৈ লয়। ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ দ্বাৰা এইসকল সাহিত্যিক অনুপ্রাণিত হৈছিল আৰু বঙ্গ সাহিত্যৰ আর্হিৰে বিভিন্ন ভাবাদর্শক অসমীয়াত ৰূপ দিয়াৰ প্রয়াস কৰিছিল।

১৮৮৯ খ্রীষ্টাব্দৰ পৰা প্রায় ১৯৪০ খ্রীষ্টাব্দলৈ এই অর্ধশতাব্দী কাল *জোনাকী*ৰ নৱতম সাহিত্যিক আন্দোলনৰ নেতৃত্ব বহন কৰিছিল লক্ষ্মীনাথ বেজবৰুৱাই। পৰৱর্তী সময়ত *বাঁহী*সম্পাদনাৰেও জোনাকীৰ ধাৰাটোক তেওঁ আগবঢ়াই নিছিল। সেইকাৰণে এই কালছোৱাক 'জোনাকী যুগ' অথবা 'বেজবৰুৱাৰ যুগ' বুলি কোৱা হয়।

জোনাকী স্তৰৰ ভাষাত প্রধানকৈ দুটা প্রবাহ লক্ষ্য কৰা যায়; এটা পদ্মনাথ গোহাঞিবৰুৱাৰ পৰম্পৰাবাদী আৰু আনটো লক্ষ্মীনাথ বেজবৰুৱাৰ গতিশীল ভাষা। বেজবৰুৱাৰ ভাষাত প্রৱহমানতা বিৰাজমান। তেওঁৰ বিবিধ ৰচনাৰাজিত শব্দচয়নৰ ক্ষেত্রত আচৰিত ধৰণে উদাৰতা অৱলম্বন কৰা দেখা যায়। জাতে-পাতে ঘৰুৱা অসমীয়া শব্দৰ পৰা আৰম্ভ কৰি উপভাষাৰ শব্দ, বিদেশী শব্দ সকলো নিজৰ ৰচনাত প্রয়োগ কৰিছে। এনে ধৰণৰ প্রয়োগে অসমীয়া ভাষাৰ সমৃদ্ধি সাধনত বিশেষভাৱে সহায় কৰিছে।

ভাষাৰ প্রকাশিকা শক্তি বৃদ্ধিৰ বাবে বেজবৰুৱাই নিজা ধৰণে ভালেমান শব্দ সৃষ্টি কৰি লৈছিল; যথা — নিপনীয়া গাখীৰ, লগৰিয়ানী, চয়তানীজনী, বুদ্ধিয়ে বিজুলীয়ালে ইত্যাদি। ঠিক একেদৰে, তেওঁৰ ৰচনাৰ অনেক ঠাইত ইংৰাজী ভাষাৰ শব্দ কিছুমানৰ প্রতিশব্দ হিচাপে ভালেমান নতুন শব্দ সৃষ্টি কৰি প্রয়োগ কৰা দেখা যায়। যেনে — অঙ্কবিদ্যা (Mathematics), অপ্রীতিকৰ (unpleasant), কল্পিত (supposed), কল-কাৰখানা (workshop), চুপ (silence), ধাৰা (section), বিজুলী ডাক (telegram) ইত্যাদি। কেতিয়াবা প্রতিশব্দৰ আৱশ্যকতা অনুভৱ নকৰি ইংৰাজী শব্দটোকে লিপ্যন্তৰ কৰি প্রয়োগ কৰা পোৱা যায়; যথা — ৰোমাণ্টিক (romantic), ফেশ্যন (fashion), চেক (cheque) ইত্যাদি।

লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত বৈষ্ণৱ সাহিত্যৰ পৰা লোকসাহিত্যলৈ, ফকৰা-যোজনা, প্রবাদ-প্রবচনৰ পৰা জতুৱা ঠাঁচলৈ, হাস্য-ব্যঙ্গৰ পৰা অলংকাৰযুক্ত ৰচনালৈ, তত্ত্বৰ পৰা তথ্যলৈ সকলো এক স্বকীয় ৰীতিত প্রকাশক্ষম হৈ উঠিছে।

পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া ভাষাত বিদেশী ভাষাৰ ভাঁজ নপৰাকৈ গঢ় দিবলৈ প্রয়াস কৰা দেখা যায়। তেওঁৰ *নীতিশিক্ষা* প্রভৃতি পঢ়াশলীয়া পুথিয়ে এই

বিষয়ত আনকো অনুপ্রেৰণা যোগাইছিল। তেওঁৰ জীৱনৰ ব্ৰত আছিল "অসমীয়া ভাষা আৰু সাহিত্য পৰিপুষ্ট কৰা, অসমীয়া সমাজক কিতাপ কিনি পঢ়িবলৈ শিকোৱা, বৰঙণি সোধাই বাতৰি-কাকত পঢ়া অভ্যাস অৰ্জন কৰোৱা, আৰু নিৰক্ষৰক অক্ষৰী কৰোৱা।"

বেজবৰুৱাৰ লেখীয়াকৈ গোহাঞিবৰুৱাৰ ৰচনাতো ভালেমান নিভাঁজ অসমীয়া শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়; যথা — অনতিপলমে, ইতিক্ষণত, তদুত্তৰত, স্বৰূপকৈ, শেহান্তত, ইতিসময়ত, বাজে-বাজে, হাতজোকাৰণি (handsake), ৰাইজীয়া মত (public opinion) ইত্যাদি।

বেজবৰুৱাৰ পদাংক অনুসৰণ কৰি বেণুধৰ শৰ্মা, অতুলচন্দ্ৰ হাজৰিকা, অম্বিকাগিৰি ৰায়চৌধুৰী, সত্যনাথ বৰা আদিয়ে অসমীয়া ভাষাৰ সমৃদ্ধি সাধনত বিশেষভাৱে বৰঙণি আগবঢ়ায়। বেণুধৰ শৰ্মাৰ ৰচনাত এক বিশিষ্ট শৈলীৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তেওঁৰ ভাষাত শব্দ-প্ৰয়োগৰ নিজস্ব ৰূপ বিদ্যমান। তেওঁৰ ৰচনাৰ নিদৰ্শন এনেধৰণৰ — "মানুহজন কথাবতৰাত পাগত উঠা। দুয়োঘৰ শিৱফুটা। মানুহৰ নিদানে বিৰ দিও বাট পাবলৈ নোহোৱা হয়। বোলে, বেৰৰো কাণ আছে। এতিয়া সেই ৰামো নাই অযোধ্যাও নাই। সঁচা কথা যি লাই বাঢ়িব তাৰ দুপতীয়াতেই চিন। মাউখে উটিলে গুড়ি পৰুৱাৰো যে মৰণ নাই, এয়ে তাৰ প্ৰমাণ।" ইত্যাদি।

বেণুধৰ শৰ্মাৰ পাছতেই বেজবৰুৱাৰ আৰ্হি অনুসৰণ কৰি অসমীয়া ভাষাৰ উন্নতি সাধনত অৰিহণা যোগোৱা আনগৰাকী বিশিষ্ট লেখক হৈছে অতুলচন্দ্ৰ হাজৰিকা। হাজৰিকাৰ ভাষাত অসমীয়া ভাষা "অসমীয়া ৰাইজৰ প্ৰাণৰ ভাষা, ই একেদিনে পাবত গজা নাই। অসমৰ মাজ বুকুৰেদি বৈ যোৱা বৰ লুইতখনৰ সমান গভীৰ, প্ৰশান্ত আৰু প্ৰাচীন এই অসমীয়া ভাষা।" বেজবৰুৱাৰ লেখীয়াকৈ শব্দ-চয়নৰ ক্ষেত্ৰত হাজৰিকাই উদাৰ পন্থা অৱলম্বন কৰিছিল। তেওঁৰ ৰচনাত ঘৰুৱা অসমীয়া শব্দৰ পৰা আৰম্ভ কৰি উপভাষাৰ শব্দ, বিদেশী শব্দ, সংযুক্ত শব্দ, প্ৰতিধ্বন্যাত্মক শব্দ, জনজাতীয় ভাষাৰ শব্দ, সৃষ্ট শব্দ আদি সকলো উপযুক্ত স্থানত ব্যৱহাৰ কৰিছে।

অসমীয়া ভাষাৰ সংবৰ্ধনত অৰিহণা যোগোৱা আন এগৰাকী বিশিষ্ট সাহিত্যিক হ'ল অম্বিকাগিৰি ৰায়চৌধুৰী। ৰায়চৌধুৰীৰ ভাষা "তীব্ৰ-তেজালৰ উপৰিও সৈন্যৰ পদ বিক্ষেপৰ দৰে কঠিন, নিৰ্ভীক আৰু অতি সঞ্চৰণশীল। তেখেতৰ ভাষা প্ৰাণৰ, তেখেতৰ ভাষা স্পষ্টবাদিতাৰ আদৰ্শ।" তৎসম শব্দৰ প্ৰাচুৰ্য ৰায়চৌধুৰীৰ ভাষাৰ এটি মন কৰিবলগীয়া দিশ। তেওঁৰ ৰচনাত সংযুক্ত শব্দৰ প্ৰচুৰ প্ৰয়োগ ঘটিছে।

"নিভাঁজ অসমীয়া ভাষাক বস্তুনিষ্ঠ আধুনিক গদ্য বিশিষ্ট আৰ্টৰূপত প্ৰতিষ্ঠা কৰোঁতাসকলৰ ভিতৰত সত্যনাথ বৰাৰ কৃতকাৰ্যতা সৰ্বাধিক।" তেওঁৰ ৰচনাত বেকনৰ আৰ্হি বিদ্যমান। তেওঁৰ গদ্যৰ চানেকি এনে ধৰণৰ — "শাহুৰ বিবেচনাত বোৱাৰী শিলৰ মানুহ। তাইৰ বনতো ভাগৰ নাই, গালিতো বেজাৰ নাই, পেটতো ভোক নাই। মাছে গচকা আঞ্জা খাবা, শাহুৱে গচকা বোৱাৰী বাবা।" ইত্যাদি।

এনেদৰেই বেজবৰুৱাকে প্ৰমুখ্য কৰি বেণুধৰ শৰ্মা, পদ্মনাথ গোহাঞিবৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী, সত্যনাথ বৰা প্ৰভৃতি সাহিত্যিকসকলৰ যোগেদি অসমীয়া ভাষাই বিবিধ ৰচনাৰ মাজেদি নতুন ৰূপত মান্য ভাষা ৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। তদুপৰি জোনাকী যুগটোৱেই অসমীয়া সাহিত্যলৈ নতুন ভাৱধাৰাৰ উপৰি সাহিত্যৰ নতুন নতুন ধাৰাও কঢ়িয়াই আনিলে। কবিতা, নাটক, উপন্যাস, চুটিগল্প, ব্যঙ্গৰচনা আৰু নানাবিধ সাহিত্য— সকলো দিশতে এক নতুন উদ্যমভৰা সাহিত্যধাৰা সৃষ্টি হ'ল। অসমীয়া সাহিত্যত ৰোমাণ্টিকতাৰ আগমন ঘটিল। অৰুণোদয় যুগত অসমীয়া সাহিত্যত প্ৰৱেশ কৰা এই ঠালসমূহে জোনাকী যুগত অধিক প্ৰস্ফুটিত হৈ উঠে। তাৰ লগে লগে অসমীয়া ভাষাই নিজৰ প্ৰকাশিকা শক্তিৰ বিকাশ সাধন কৰিবলৈ ধৰিলে। অসমীয়া সাহিত্যৰ লগতে অসমীয়া ভাষাটোৱেও আধুনিক ৰূপ লাভ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষা উন্নতি সাধিনী সভা (অঃ ভাঃ উঃ সাঃ) ৰ প্ৰতিষ্ঠা কিমান চনত ক'ত হৈছিল?

.....

প্ৰশ্ন নং ৪ ঃ লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ ৰচনাৰাজিত ব্যৱহাৰ কৰা নতুন শব্দ কেইটামান উল্লেখ কৰক।

.....

১১.৩.৩ যুদ্ধোত্তৰ স্তৰৰ অসমীয়া ভাষা

দ্বিতীয় মহাসমৰে সমগ্ৰ বিশ্বজুৰি যি ধ্বংসৰ বিভীষিকা নমাই আনি ৰাজনৈতিক আৰু সামাজিক দিশত আমূল পৰিৱৰ্তনৰ সূচনা কৰিছিল তাৰ প্ৰভাৱ আহি অসমতো পৰিছিলহি। জনসাধাৰণৰ আৰ্থিক দুৰৱস্থা, মূল্য বৃদ্ধি, খাদ্যবস্তুৰ নাটনি, চোৰাং বজাৰ আদিয়ে শৈক্ষিক আৰু সাংস্কৃতিক বিকাশ ধ্বংসমুখী কৰি তুলিলে। সমাজত নৈতিকতাৰ অপমৃত্যু আৰু মূল্যবোধৰ চৰম অৱক্ষয় ঘটিলে। দেশৰ এনে দুৰ্যোগপূৰ্ণ অৱস্থাত অসমীয়া ভাষা-সাহিত্যয়ো নতুন বাটেৰে আগবাঢ়িবলৈ ধৰিলে। মহাযুদ্ধৰ পৰৱৰ্তী কালছোৱাত অসমীয়া ভাষাৰ প্ৰকাশভঙ্গীৰ দিশত, বিশেষকৈ কবিতাৰ ক্ষেত্ৰত নতুনত্বৰ সূচনা হ'ল। জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকী খুলি ৰখাটোৱেই সাম্প্ৰতিক কবিতাৰ ধৰ্ম হৈ পৰিল। এই সময়ৰ সাহিত্যত ৰোমাণ্টিক ভাৱধাৰাৰ প্ৰভাৱ ক্ৰমে কমি আহিল। তাৰ পৰিৱৰ্তে বাস্তৱবাদী দৃষ্টিভঙ্গীয়ে সাহিত্যিকসকলৰ দৃষ্টি আকৰ্ষণ কৰিলে। সেয়েহে ৰোমাণ্টিক সাহিত্যৰ তুলনাত যুদ্ধোত্তৰ সাহিত্যৰ আদৰ্শ, দৃষ্টিভঙ্গী আৰু প্ৰকাশ ৰীতিৰ ক্ষেত্ৰত নতুনত্বৰ সঞ্চাৰ হয়। অৱশ্যে দুই এক লেখকৰ ৰচনাত তেতিয়াও ৰোমাণ্টিক সুৰৰ প্ৰবাহ বৈ থকা দেখা পোৱা যায়।

মহাযুদ্ধৰ শেষৰ পৰাই অসমীয়া উপন্যাস সাহিত্যতো নতুনত্বৰ সূচনা হয়। পূৰ্বৰ ৰোমাণ্টিক দৃষ্টিভঙ্গীৰ পৰিৱৰ্তে বাস্তৱমুখী দৃষ্টিভঙ্গীয়ে লেখকসকলক বিশেষভাৱে আকৰ্ষিত কৰিলে। সমাজৰ বিভিন্ন সমস্যাৰ প্ৰতি সচেতন হৈ লেখকসকলে গ্ৰাম্য আৰু নগৰীয়া জীৱনৰ বিবিধ চিত্ৰ-অংকনেৰে পাঠকৰ চিত্ত আকৰ্ষিত কৰিলে। চুটিগল্প আৰু নাটকতো নতুনত্ব পৰিলক্ষিত হ'ল।

জয়ন্তী কাকতৰ পুনৰ প্ৰকাশে পুৰণি আৰু নতুন কাব্যধাৰাৰ মাজত সংযোগ বিচ্ছিন্ন কৰি কবিতাৰ ক্ষেত্ৰত এক নতুন ভঙ্গী স্থাপন কৰিলে। ভৱানন্দ দত্ত, অমূল্য বৰুৱা, হেম বৰুৱা, কেশৱ মহন্ত আদিৰ হাতত আধুনিক অসমীয়া কবিতাই নতুন গতি লাভ কৰিলে। "আঙ্গিকৰ ক্ষেত্ৰত ৰোমাণ্টিকৰ তীব্ৰ বিৰোধ, প্ৰচলিত কবি-প্ৰসিদ্ধি বৰ্জন, সৰ্বপ্ৰকাৰ শুচিবায়ু পৰিহাৰ কৰা মিশ্ৰিত বাক্‌ৰীতি, যত্ৰ তত্ৰ উদ্ধৃতি-প্ৰয়োগ, যুক্তি গ্ৰথিত মানসচিত্ৰৰ ঠাইত আৱেগ গ্ৰথিত নতুন চিত্ৰকল্প সৃষ্টি আৰু ইন্দ্ৰিয়ানুভূতিৰ মিশ্ৰণেৰে ইন্দ্ৰিয়াস্বাদৰ আয়তন বৃদ্ধি, বোলছবিৰ আঙ্গিক প্ৰয়োগ, বাক্য গঠনত অৰ্থঘনত্বৰ সৃষ্টি আৰু সেইবাবে উল্লম্ফন আৰু আপাত-অসংবদ্ধতা, প্ৰচলিত ছন্দৰ ৰূপান্তৰকৰণ আৰু গদ্যছন্দ প্ৰয়োগ, ব্যঙ্গ-বিতৰ্কাদিৰ বহুল ব্যৱহাৰ ইত্যাদি বৈশিষ্ট্য স্পষ্ট হৈ উঠে।" নতুন কবিসকলে যেনেকৈ ন ন উপমা, চিত্ৰকল্প সৃষ্টি কৰিছে, তেনেকৈ শব্দ-ভাণ্ডাৰৰো আমদানি কৰিছে। আগৰ চাম কবিয়ে ব্যৱহাৰ নকৰা বহুতো সংস্কৃত শব্দই অসমীয়া কবিতাত প্ৰৱেশৰ অধিকাৰ পাইছে। ইয়াৰ লগতে বিভিন্ন জনগোষ্ঠীয় শব্দমালায়ো অসমীয়া সাহিত্যত স্থান লাভ কৰি অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰ শ্ৰীবৃদ্ধি ঘটালে।

*জয়ন্তী*ৰ পাততে সমসাময়িক ভাৱ অনুভূতিক নতুন ৰূপত প্ৰকাশ কৰি কবিতাৰ গঢ় আৰু ছন্দৰূপে পৰিৱৰ্তনৰ পথত আগবাঢ়ে। *জয়ন্তী*ত আৰম্ভ হোৱা পৰিৱৰ্তনৰ সামগ্ৰিক বিকাশ ঘটে *ৰামধেনু*ত। কেৱল কবিতাতে নহয় — গল্পৰ বিষয়বস্তু, আঙ্গিক আৰু প্ৰকাশভঙ্গীৰ লগতে উপন্যাস, নাটক আৰু জীৱনীৰ আঙ্গিকৰো যথেষ্ট পৰিৱৰ্তন সাধন হয়।

যুদ্ধোত্তৰ কালছোৱাত মনৰ ভাবক সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰাৰ প্ৰচেষ্টা অব্যাহত থকাত ভালেমান নতুন নতুন সংযুক্ত শব্দৰ সৃষ্টি হয়। এনে সংযুক্ত শব্দৰ ভিতৰত অশনি-গৰ্ভ, আঙুৰ ওঁঠ, কালি-শগুণ, কেঁচা-পোহৰ, কুঁৱলী-সনা, কামনা-ৰঙীন, দেহা-গঙ্গা, মৰম-মুকুতা, ৰামধেনু ছেগ, সময়-দৈত্য ইত্যাদি উল্লেখযোগ্য। বিশেষণাত্মক নতুন প্ৰয়োগ কিছুমানেও দেখা দিয়ে — আবেলি আবেলি (গোন্ধ), কাজল বুলীয়া (চকু), কোমল (পুৱা), তিৰ্যক (চকু), তামৰঙী (আকাশ), দুৰন্ত (দুপৰ), স্বপ্নিল, ফেনিল ইত্যাদি।

ইংৰাজী বিশেষণ শব্দকো বিশেষণৰূপে ব্যৱহাৰ কৰা হ'ল। যথা — ব্ৰাউন (চকু)। কিছুমান আলংকাৰিক আৰু নতুন প্ৰয়োগো ঘটিল — এমুঠি হাঁহি, অশৃংখল, (তেওঁৰ) অজান্তে, তোমাৰ আঙুলিৰ শিখা যেন ৰঙা, চকুৰ চেকুৰ, ৰ'দৰ নিমজ আঙুলি ইত্যাদি।

বৌদ্ধিক পৰিৱৰ্তনৰ ফলস্বৰূপে যুদ্ধোত্তৰ কালছোৱাত অসমীয়া ভাষাতো ভালেমান দেশী-বিদেশী শব্দৰ প্ৰয়োগ ঘটা লক্ষ্য কৰা যায়। ইয়াৰে কিছুমান হুবহু বিদেশী ৰূপতে লিপ্যন্তৰ কৰি আৰু কিছুমান অসমীয়া ভাষালৈ ভাঙনি কৰি ব্যৱহাৰ কৰা হয়। বৌদ্ধিক চিন্তাচৰ্চাৰ লগতে চৰকাৰী ভাষা আইন আৰু শিক্ষাৰ মাধ্যমৰ সালসলনিয়ে অসমীয়া ভাষাত পাৰিভাষিক শব্দৰ প্ৰয়োগ যথেষ্ট পৰিমাণে বঢ়াই তুলিলে আৰু ফলস্বৰূপে অসমীয়া ভাষালৈ বিবিধ শব্দ-সম্ভাৰৰ আগমন ঘটিল। এনে শব্দৰ ভিতৰত উপাযুক্ত, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, অধিবক্তা, ন্যায়ালয়, ন্যায়াধীশ, কাৰ্যালয়, অধ্যক্ষ, কৰ্মচাৰী, বিধায়ক, বিধেয়ক, তদৰ্থ, প্ৰশাসন আদি শব্দ উল্লেখ কৰিব পাৰি। যুদ্ধোত্তৰ যুগৰ ভালেমান প্ৰতিভাৱান লেখকে আৱশ্যক অনুসৰি বিদেশী ভাষাৰ শব্দ প্ৰয়োগ কৰিলেও সেইবোৰ নিজৰ ভাষাৰ সৈতে এনেদৰে জীণ নিয়াইছে যে পঢ়িলে ক'তো খোকোজা নালাগে।

যুদ্ধোত্তৰ সময়ছোৱাত অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি যথেষ্ট পৰিমাণে বৃদ্ধি পায়। বিদেশী আৰু তৎসম শব্দৰ ব্যৱহাৰো বাঢ়ে। মুঠৰ ওপৰত এই সময়ছোৱাত অসমীয়া ভাষাই সকলো দিশত যথেষ্ট সমৃদ্ধি লাভ কৰে আৰু অধিক ব্যঞ্জনাময় হৈ পৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ *জয়ন্তী* আলোচনীত সূচনা হোৱা পৰিৱৰ্তনৰ পূৰ্ণ বিকাশ পৰৱৰ্তী সময়ৰ কোনখন আলোচনীত ঘটা দেখিবলৈ পোৱা যায়?

.....

প্ৰশ্ন নং ৬ ঃ যুদ্ধোত্তৰ কালছোৱাত সৃষ্টি হোৱা কেতবোৰ সংযুক্ত শব্দ উল্লেখ কৰক।

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪৬ চনত বেপ্তিষ্ট মিছনেৰীসকলে প্ৰকাশ কৰা আলোচনী *অৰুণোদই*-ৰ জৰিয়তে আধুনিক অসমীয়া ভাষাৰ বিকাশ হয়।
- আলোচনাৰ সুবিধাৰ্থে আধুনিক অসমীয়া ভাষাৰ বিকাশক তিনিটা স্তৰত ভাগ কৰিব পাৰি — অৰুণোদয় স্তৰ, জোনাকী স্তৰ আৰু যুদ্ধোত্তৰ স্তৰ। ইয়াৰে যুদ্ধোত্তৰ স্তৰত অসমীয়া ভাষাই সকলো দিশতে সমৃদ্ধি লাভ কৰিছেহি।
- মিছনেৰীসকলে আমাৰ ভাষাক এটা নতুন সুৰ শিকাই থৈ গ'ল। সেই সুৰটি অসমীয়া ভাষাই

আগতে নাজানিছিল। ভাৰতবৰ্ষৰ কোনো ভাষাই নাজানিছিল। ই পাশ্চাত্য সাহিত্যৰ নিজা সৃষ্টি আৰু মিছনেৰীসকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আহি ভাৰতবৰ্ষৰ ভাষাবোৰক শিকাই দিলেহি। বৰ্তমান যুগৰ ভাৰতবৰ্ষৰ আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো য'তে টোকৰ মৰা যায় ত'তেই এই বিলাতী সুৰটোৰ গুণগুণনি শুনিবলৈ পোৱা যায়।

- জোনাকী যুগটোৱেই অসমীয়া সাহিত্যলৈ নতুন ভাৱধাৰাৰ উপৰি সাহিত্যৰ নতুন নতুন ধাৰাও কঢ়িয়াই আনিলে। কবিতা, নাটক, উপন্যাস, চুটিগল্প, ব্যঙ্গৰচনা আৰু নানাবিধ সাহিত্য— সকলো দিশতে এক নতুন উদ্যমভৰা সাহিত্যধাৰা সৃষ্টি হ'ল। অসমীয়া সাহিত্যত ৰোমাণ্টিকতাৰ আগমন ঘটিল। অৰুণোদয় যুগত অসমীয়া সাহিত্যত প্ৰৱেশ কৰা এই ঠালসমূহে জোনাকী যুগত অধিক প্ৰস্ফুটিত হৈ উঠে। তাৰ লগে লগে অসমীয়া ভাষাই নিজৰ প্ৰকাশিকা শক্তিৰ বিকাশ সাধন কৰিবলৈ ধৰিলে।
- যুদ্ধোত্তৰ সময়ছোৱাত অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি যথেষ্ট পৰিমাণে বৃদ্ধি পায়। বিদেশী আৰু তৎসম শব্দৰ ব্যৱহাৰো বাঢ়ে। মুঠৰ ওপৰত এই সময়ছোৱাত অসমীয়া ভাষাই সকলো দিশত যথেষ্ট সমৃদ্ধি লাভ কৰে আৰু অধিক ব্যঞ্জনাময় হৈ পৰে।



১১.৫ অধিক জানিবলৈ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

২) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য;* গুৱাহাটী ঃ বনলতা।

৩) নেওগ, মহেশ্বৰ (সম্পাঃ)(১৯৮৬); *গুৰু-চৰিত-কথা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙনি;* গুৱাহাটী ঃ বনলতা।

৭) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৮) শইকীয়া বৰা, লীলাৱতী (২০০৭); *সাহিত্য আৰু সাহিত্যিকৰ ভাষা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্চ্।

৯) শৰ্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ড° নাথান ব্রাউন।

২ নং প্রশ্নৰ উত্তৰ ঃ মিছনেৰীসকলে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৮৮৮ চনত কলিকতাত।

৪ নং প্রশ্নৰ উত্তৰ ঃ নিপনীয়া গাখীৰ, লগৰিয়ানী, চয়তানীজনী, বুদ্ধিয়ে বিজুলীয়ালে ইত্যাদি।

৫ নং প্রশ্নৰ উত্তৰ ঃ *ৰামধেনু* আলোচনীৰ জৰিয়তে।

৬ নং প্রশ্নৰ উত্তৰ ঃ অশনি-গর্ভ, আঙুৰ ওঁঠ, কালি-শগুণ, কেঁচা-পোহৰ, কুঁৱলী-সনা, কামনা-ৰঙীন।



১১.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) আধুনিক অসমীয়া ভাষাৰ বিকাশক কেইটা ভাগত বিভক্ত কৰিব পাৰি?

(গ) অসমীয়া ভাষাৰ আধুনিক যুগ কেতিয়াৰ পৰা আৰম্ভ হৈছে?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ *অৰুনোদই*ৰ পাতত দেখা পোৱা বিভিন্ন ধ্বনি পৰিৱর্তনসমূহ উল্লেখ কৰক।

প্রশ্ন ২ ঃ 'জোনাকী স্তৰৰ অসমীয়া ভাষা' নামকৰণৰ মূল ভেটি কি? বুজাই লিখক।

প্রশ্ন ৩ ঃ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (অঃ ভাঃ উঃ সাঃ)ই হাতত লোৱা গঠনমূলক কামসমূহ কি কি?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জোনাকী যুগৰ ভাষা আৰু অৰুণোদয় যুগৰ ভাষাৰ মাজত এটি তুলনামূলক বিচাৰ আগবঢ়াওক।

প্রশ্ন ২ ঃ অৰুণোদয় স্তৰৰ অসমীয়া ভাষা সম্পর্কে এটি চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ জোনাকী স্তৰৰ অসমীয়া ভাষা সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৪ ঃ যুদ্ধোত্তৰ যুগত অসমীয়া ভাষাৰ ক্ষেত্রলৈ হোৱা পৰিৱর্তন সম্পর্কে এটি চমুটোকা লিখক।

*** ***** ***

অধ্যায় ১২ ঃ অসমীয়া ভাষাত আর্যভিন্ন উপাদান

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অসমীয়া ভাষাত আর্যভিন্ন উপাদান
১২.৩.১ অষ্ট্রিক ভাষাগোষ্ঠীয় উপাদান
১২.৩.২ চীন তিব্বতীয় ভাষাগোষ্ঠীয় উপাদান
১২.৩.৩ দ্রাবিড় ভাষাগোষ্ঠীয় উপাদান
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাত থকা বিবিধ আর্যভিন্ন ভাষাৰ উপাদান সম্বন্ধে জ্ঞাত হ'ব
- অসমীয়া ভাষাত অষ্ট্রিক ভাষাৰ উপাদানসমূহ নির্ণয় কৰিব পাৰিব
- অসমীয়া ভাষাত দ্রাবিড় ভাষাৰ উপাদান সম্বন্ধে বিশ্লেষণ আগবঢ়াব পাৰিব।
- চীন তিব্বতীয় ভাষাগোষ্ঠীক প্রধানতঃ কেইটা ভাগত ভাগ কৰা হৈছে সেই বিষয়ে অৱগত হ'ব
- থাই-চীনীয় বা শ্যাম- চীনীয় ভাষাসমূহে কেনেদৰে অসমীয়া ভাষাক সমৃদ্ধ কৰিছে সেই বিষয়ে জানিব পাৰিব
- অসমীয়া ভাষাত তিব্বতবর্মী ভাষাগোষ্ঠীয় অৱদানৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিব পাৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিৰ জৰিয়তে আপুনি ভাৰতীয় আর্য ভাষাৰ পৰা কেনেদৰে ক্রমবিকশিত হৈ অসমীয়া ভাষাৰ উৎপত্তি হ'ল সেই সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে। তদুপৰি অসমীয়া ভাষাৰ ক্রমবিকশিত ৰূপ সম্পর্কেও কিছু কথা জানিব পাৰিলে। এই অধ্যায়টিত অসমীয়া ভাষাত থকা আর্য-ভিন্ন বা অনার্য উপাদানসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

অতি প্রাচীন কালৰে পৰা অসমভূমি আছিল বিভিন্ন অনার্য ভাষাগোষ্ঠীয় লোকৰ বাসভূমি। আর্য সভ্যতাৰ বিস্তাৰৰ লগে লগে অসমতো আর্যভাষী লোকৰ প্রৱেশ ঘটিল। উল্লেখযোগ্য যে

অসম বিভিন্ন অনার্য ভাষাগোষ্ঠীয় লোকৰ বাসভূমি। সেয়ে অসমত প্ৰৱেশ কৰা আর্যমূলীয় ভাষাটোৰ লগত থলুৱা ভাষাবোৰৰ মিশ্ৰণ হ'ল আৰু ভাষাটোৱে সুকীয়া ৰূপ পৰিগ্ৰহ কৰিলে। আনকি ৫৪৩ খ্ৰীষ্টাব্দত কুমাৰ ভাস্কৰবৰ্মাৰ ৰাজত্বকালত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙেও অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে মন্তব্য আগবঢ়াইছিল এনেদৰে— "Their Speech differed a little from that of mid India"।

অসমীয়া ভাষাক প্ৰভাৱিত কৰা বিভিন্ন আর্যভিন্ন ভাষাগোষ্ঠীৰ ভিতৰত — অষ্ট্ৰিক ভাষাগোষ্ঠী, চীন তিব্বতীয় ভাষাগোষ্ঠী আৰু দ্ৰাবিড় ভাষাগোষ্ঠীৰ ভাষাৰ প্ৰভাৱ বেছি। অসমীয়া ভাষাটো বিভিন্ন ভাষাগোষ্ঠীৰ উপাদানেৰে এনে দৰে সমৃদ্ধ হৈছে যে সেই উপাদানসমূহ এতিয়া কোনটো ভাষাৰ উপাদান সেয়া নিৰ্ণয় কৰাও কঠিন। আনকি বহু সময়ত, বহু উপাদান চীন তিব্বতীয় ভাষা পৰিয়ালৰ ভাষাসমূহলৈ গৈছে নে সেই ভাষাসমূহৰপৰা অসমীয়ালৈ আহিছে সেয়াও চিহ্নিত কৰা টান হৈ পৰিছে। সেয়ে বহু উপাদান সম্পৰ্কে সম্ভাৱনাহে উল্লেখ কৰিব পাৰি, নিশ্চিত কৰা টান। এতিয়া এইটো অধ্যায়ত আমি এই তিনিওটা ভাষাগোষ্ঠীৰে উপাদানেৰে অসমীয়া ভাষা কেনেদৰে সমৃদ্ধ হৈছে সেই বিষয়ে বহলাই আলোচনা কৰিম।

১২.৩ অসমীয়া ভাষাত আর্যভিন্ন উপাদান

আমি পূৰ্বতেই উল্লেখ কৰিছোঁ যে অসম দেশ বিভিন্ন ভাষিক জনগোষ্ঠীৰ মিলনভূমি। অসমত প্ৰচলিত প্ৰধান ভাষাটো অসমীয়া। অসমীয়া ভাষাৰ মূল প্ৰবাহৰ উৎস আর্য ভাষা হ'লেও এই ভাষা অকল আর্যমূলীয় উপাদানেৰে গঠিত নহয়। অসমীয়া ভাষাৰ গঠন আৰু বিকাশত বিবিধ আর্যভিন্ন উপাদান সোমাই আছে। ঘাইকৈ ধ্বনি, ৰূপ আৰু শব্দগত দিশসমূহত থকা আর্যভিন্ন ভাষিক উপাদানেৰে অসমীয়া ভাষা পুষ্ট। এই আর্যভিন্ন উপাদানসমূহে অসমীয়া ভাষাটোক কেৱল ঐশ্বৰ্যশালী কৰি তোলাই নহয় সম্পূৰ্ণৰূপে প্ৰস্ফুটিত হোৱাতো যথেষ্ট অৰিহণা যোগাইছে। ড° বাণীকান্ত কাকতিয়ে কৈছে — 'অসমীয়া ভাষাটো বিভিন্ন অনাআর্য ভাষাৰ সাগৰৰ মাজত এটা সৰু দ্বীপৰ নিচিনা।' (...Assamese is a small island in a sea of diverse non-Aryan language)। গতিকে অসমীয়া ভাষাটোৰ ওপৰত ইয়াৰ চাৰিও দিশে থকা বিভিন্ন অনা-আর্য ভাষাবোৰৰ প্ৰভাৱ পৰিছিল। ফলত অসমীয়া ভাষাটোৱে অন্যান্য নব্য ভাৰতীয় আর্যভাষাতকৈ সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছিল।

ইতিমধ্যে আমি অসমত থকা আর্যভিন্ন ভাষিক জনগোষ্ঠীসমূহৰ নাম উল্লেখ কৰি আহিছোঁ। সেইকেইটা হ'ল —

- অষ্ট্ৰিক ভাষাগোষ্ঠী
- চীন তিব্বতীয় ভাষাগোষ্ঠী
- দ্ৰাবিড় ভাষাগোষ্ঠী

এই তিনিটা ভাষাগোষ্ঠীৰ অৱদান অসমীয়া ভাষাৰ হাড়ে-হিমজুৰে সোমাই আছে। আনকি

এনে অৱস্থা হৈছে যে পানী নসৰকা ধৰণে বিভাজন কৰাটোও অসম্ভৱ হৈ পৰিছে। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১২.৩.১ অষ্ট্রিক ভাষাগোষ্ঠীয় উপাদান

অষ্ট্রিক ভাষাগোষ্ঠী পৃথিৱীৰ ভাষাগোষ্ঠীসমূহৰ মাজৰ এক উল্লেখযোগ্য ভাষাগোষ্ঠী। ইয়াক ভাৰতবৰ্ষৰ প্ৰাচীনতম ভাষাগোষ্ঠী বুলিও কোৱা হয়। এই ভাষাগোষ্ঠীটো প্ৰজাতিগত দিশেৰে 'অষ্ট্রোলোইড' শাখাৰ অন্তৰ্ভুক্ত। এই শাখাটোক বিভিন্ন নামেৰে — প্ৰাক্-দ্ৰাবিড়ীয়, ৰেড্ডিক, নিষাদ নামেৰে জনা যায়। অষ্ট্রিক ভাষাগোষ্ঠী প্ৰধানতঃ দুটা শাখাত বিভক্ত — অষ্ট্র-এছীয় আৰু অষ্ট্র-নেছীয়। অষ্ট্র-নেছীয় শাখাৰ অন্তৰ্গত ভাষাসমূহ হ'ল ইণ্ডোনেছীয়, মেলানেছীয়, মেক্ৰোনেছীয়, পলিনেছীয় ইত্যাদি। এই শাখাৰ ভাষাসমূহৰ প্ৰচলন অসমত নাই। উল্লেখযোগ্য যে ভাৰতত কেৱল অষ্ট্র-এছীয় শাখাৰ ভাষাবোৰবহে প্ৰচলন আছে। এই গোষ্ঠীৰ ভিতৰত খাচী আৰু কোল-মুণ্ডা ভাষাভাষী লোক অসমত আছে। অসমীয়া ভাষাৰ গঠন, শব্দ-ভাণ্ডাৰ আৰু ৰূপতত্ত্বগত দিশত অষ্ট্রিকসকলৰ প্ৰভাৱ গভীৰভাৱে অনুভূত হয়। অৱশ্যে দুই এক পণ্ডিতে মত পোষণ কৰে যে অসমত চাহ-বাগিচা খোলাৰ পিছত অহা চাওতালী, কোল, মুণ্ডা ভাষী লোকসকল অসমলৈ প্ৰব্ৰজন কৰিছিল আৰু তেতিয়াহে ইয়াৰ প্ৰভাৱ অসমীয়া ভাষাত পৰে। কিন্তু বহুসংখ্যক পণ্ডিতে সেই মত খাৰিজ কৰি ক'ব খোজে যে তেওঁলোক পূৰ্বতে অসমৰ বাসিন্দা আছিল আৰু তাৰ প্ৰভাৱ তেতিয়াই অসমীয়া ভাষাৰ কোঁহে কোঁহে সোমাই পৰে।

অষ্ট্র এছীয় শাখাৰ উপশাখা দুটা —কোল বা মুণ্ডা আৰু মনখমেৰ।

- কোল বা মুণ্ডা ঃ কোল বা মুণ্ডা উপশাখাৰ অন্তৰ্গত ভাষাসমূহ হ'ল — চাওতালী, মুণ্ডাৰী, ভূমিজ, হো, খৰিয়া, জয়াং, কৰ্কু, শবৰ ইত্যাদি। ইয়াৰে চাওতালী ভাষাটো প্ৰধানকৈ অসমত প্ৰচলিত। হো, খৰিয়া, ভূমিজ আদি ভাষা ভাৰতবৰ্ষৰ বিহাৰৰ সিংভূম জিলা, দক্ষিণ অঞ্চলৰ লোকৰ কথিত ভাষা।
- মনখমেৰ ঃ মনখমেৰৰ ভিতৰুৱা ভাষাসমূহৰ ভিতৰত উল্লেখযোগ্য ভাষাসমূহ হ'ল — নিকোবৰী, খাচী, চীনেটং, মন, পালৌঙ, খমেৰ, স্তিয়েঙ, বাহনাৰসাকায় আদি। ইয়াৰ ভিতৰত খাচী ভাষাটো অসমত বেছিকৈ প্ৰচলিত। খাচীসকল প্ৰধানতঃ বৰ্তমানৰ মেঘালয়ৰ খাচীয়া জয়ন্তীয়া পাহাৰত বসতি কৰি আছে যদিও অসমৰ গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলতো তেওঁলোকৰ বসতি আছে।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে অষ্ট্রিকসকল অসমৰ আদিম অধিবাসী। তেওঁলোকে কোন সময়ৰ পৰা অসমত বসতি স্থাপন কৰিছিল, সেই বিষয়ে স্পষ্টকৈ জানিব পৰা নাযায়। অসমত বসবাস কৰা আদিম কালৰ অষ্ট্রিক ভাষাগোষ্ঠীৰ লোকসকল

সম্ভৱতঃ আৰ্য সংস্কৃতি গ্ৰহণ কৰি অসমৰ মূল সুঁতিৰ লগত বিলীন হৈ গ'ল। বৰ্তমান বসবাস কৰি থকা কোল-মুণ্ডাৰী, চাওতালী জনগোষ্ঠীসমূহৰ অসম আগমন আপেক্ষিকভাৱে অৰ্বাচীন। এওঁলোকৰ ভাষাৰ প্ৰভাৱো অসমীয়া ভাষাত পৰিছে। প্ৰাচীন অসমৰ খাচীয়া জয়ন্তীয়া পাহাৰত বাস কৰি থকা খাচী জনগোষ্ঠীটোৰ প্ৰধান ভাষা খাচী। এই খাচী জনগোষ্ঠীটোৱে পাহাৰত বসবাস কৰিলেও বিভিন্ন সময়ত ঘাইকৈ ৰাজনৈতিক আৰু বাণিজ্যিক কাৰণত ভৈয়ামৰ লোকৰ লগত সঘনাই মিলামিছা কৰি আহিছে। তাৰ ফলস্বৰূপে পৰ্বত-ভৈয়ামৰ ভাষাৰ মাজত পাৰস্পৰিক বিনিময় ঘটাত বহুতো অষ্ট্ৰিক উপাদান অসমীয়া ভাষাত সোমাই পৰিছিল।

Assamese : Its Formation and Development গ্ৰন্থত ড° বাণীকান্ত কাকতিয়ে কৈছে — "অন্য অনাৰ্য ভাষাৰ প্ৰভাৱতকৈ অসমীয়াত কোলাৰীয় ভাষাবোৰৰ প্ৰভাৱ বেছি গভীৰ ফলকাৰক যেন লাগে।" ড° এছ. লেভিয়ে *বায়ুপুৰাণ*ৰ উদ্ধৃতি দি পূব ভাৰতৰ প্ৰাগজ্যোতিষপুৰ আৰু বিদেহৰ (তিৰহুটৰ) মাজত কোল জাতিৰ বসতি আছিল বুলি উল্লেখ কৰিছে। কোলসকল পূব ভাৰতৰ বাসিন্দা আছিল বুলি মহাভাৰততো উল্লেখ আছে। ঠিক সেইদৰে বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁৰ *অসমীয়া ভাষা আৰু সংস্কৃতি* গ্ৰন্থৰ লগতে ডিম্বেশ্বৰ নেওগে *The Growth of the Assamese Language* গ্ৰন্থত অসমীয়া ভাষাত অষ্ট্ৰিক প্ৰভাৱৰ কথা ভালেখিনি আলোচনা কৰিছে। পৰৱৰ্তী সময়ত কেইবাখনো গ্ৰন্থত ৰমেশ পাঠকে আৰু উপেন্দ্ৰনাথ গোস্বামীয়ে *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ* গ্ৰন্থত এই বিষয়ে বহলাই আলোচনা আগবঢ়াইছে।

অসমত বৰ্তমানে বসতি কৰি থকা কোল জনগোষ্ঠীৰ অন্তৰ্গত চাহ বাগিচাৰ বনুৱাসকল আৰু থলুৱা কোলগোষ্ঠীসকলে অসমীয়া ভাষাটোকে নিজৰ ভাষা হিচাপে আঁকোৱালি লৈছে। প্ৰাচীন অসমীয়া আৰু আধুনিক অসমীয়া ভাষাৰ দুয়োটা ৰূপ এই বনুৱাসকলৰ মাজত প্ৰচলিত গীতসমূহত (কৰমপূজাৰ গীত, ঝুমুৰ গীত ইত্যাদি) সংৰক্ষিত হৈ আছে। উদাহৰণস্বৰূপে — ৰাঙা (ৰঙা), কাঁচা (কেঁচা), ইন্দুৰ (এন্দুৰ), ছাতা (ছাতি), গাম্‌চা (গামোচা), গাছ (গছ), ডাক (মাত), আজু (আজি) ইত্যাদি।

অসমীয়া সমাজত ব্যৱহৃত সম্বন্ধবাচক শব্দ 'ককাই', 'বাই' অষ্ট্ৰিক ভাষাৰ পৰা অহা বুলি মানি লোৱা হৈছে। ঠিক সেইদৰে পাহাৰৰ লগত সম্পৰ্কিত 'টিলা', 'টিং', 'ঢিপ' আদি শব্দ অষ্ট্ৰিক ভাষাৰ পৰাই অহা বুলি ৰমেশ পাঠকে মন্তব্য কৰে। "সৰ্ব-সাধাৰণ মানুহে গুপ্তাংগবাচক যিবোৰ শব্দ ব্যৱহাৰ কৰে সেইবোৰ অষ্ট্ৰিক ভাষাৰ; সমান্তৰাল সংস্কৃতমূলক শব্দবোৰক কিন্তু পৰিমাৰ্জিত বুলি ভবা হয়।" বুলিও ৰমেশ পাঠকে মন্তব্য কৰিছে।

অৱশ্যে প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ধ্বনিৰ ক্ষেত্ৰত অসমীয়া ভাষাত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰভাৱ নিৰ্ণীত হোৱা নাই। ৰূপতত্ত্বৰ প্ৰভাৱো সীমিত। তলত সেয়া বহলাই আলোচনা কৰা হ'ল —

- অসমীয়া ভাষাৰ ৰূপতত্ত্বমূলক দিশত অষ্ট্ৰিক ভাষাৰ অৱদান আছে। অসমীয়া ভাষাৰ অনুৰূপ শব্দ গঠনত খাচী, কোল, মালয় প্ৰভৃতি ভাষাগোষ্ঠীৰ প্ৰভাৱ আছে। সংখ্যাবাচক শব্দৰ পাছত নিৰ্দিষ্টতাবাচক প্ৰত্যয় সংযোগ ৰীতি অষ্ট্ৰিক ভাষাৰ পৰাই সৃষ্টি হৈছে। অসমীয়া ভাষাৰ অন্য এটি বৈচিত্ৰ্যপূৰ্ণ ৰীতি হ'ল সম্বন্ধবাচক শব্দৰ পাছত পুৰুষ অনুসৰি সুকীয়া সুকীয়া প্ৰত্যয়ৰ ব্যৱহাৰ হয়। যেনে— মোৰ দেউতা, তোমাৰ দেউতাৰা, তাৰ দেউতাক ইত্যাদি। ড° বাণীকান্ত কাকতিৰ মতে এই বৈশিষ্ট্য কোলাৰীয় ভাষাৰ পৰা আহিব পাৰে। মন কৰিবলগীয়া যে অষ্ট্ৰিকমূলীয় চাওতালী ভাষাত সম্বন্ধ বুজোৱা ৰূপৰ পাছত সদায় প্ৰথম পুৰুষত 'n' (এন), দ্বিতীয় পুৰুষত 'm'(এম), আৰু তৃতীয় পুৰুষত 't' (টি) প্ৰত্যয় যোগ হয়। যেনে — apu-n (my father), apu-m (thy father), apu-t (his father)
- অষ্ট্ৰিক ভাষাগোষ্ঠীৰ কোল-মুণ্ডাৰী, খাচী, চাওতালী প্ৰভৃতি ভাষাৰ শব্দৰ প্ৰভাৱ অসমীয়া ভাষাত যথেষ্ট পৰিমাণে আছে। ড° বাণীকান্ত কাকতিয়ে অসমৰ বহুতো ঠাইৰ নামৰ শব্দ, যেনে — কামাখ্যা, কামৰূপ, হাৰূপেশ্বৰ আদি মূলতে অষ্ট্ৰিক হ'ব পাৰে বুলি সন্দেহ কৰিছে।
- খাচী ভাষাৰ পৰা অসমীয়া ভাষালৈ অহা বুলি অনুমান কৰা কেতবোৰ শব্দ হ'ল — কাৰৌ, কিংখাপ, খামোচ, খং, কমা (যেনে — পানীত মাছ কমায়), দোং (সৰু খাল), হেনো, জপা, জঞ্জাল, জহা, মেথোন, নেই, চোকোৰা (কণীৰ চোকোৰা), শালমন, নোদোকা, টোকোনা আদি।
- কোল-মুণ্ডাৰী ভাষাৰ লগত মিল থকা অসমীয়া শব্দ কেতবোৰ হ'ল — আটোম টোকাৰি, ভঙ্গুৰা, জুনা, জুঁতি, লাটুম, চিকাৰ, ঠেঁটুৰৈ, ভোদা, আলাবাদু, ঢোপ, ঘুটমুট, গোহাৰি, তেজপিয়া, বিলা (বিতৰণ কৰা), মুগা, মাইকী, কাষলতি, -লেখীয়া ইত্যাদি।
- চাওতালী ভাষাৰ লগত সাদৃশ্য থকা শব্দ কেতবোৰ হ'ল —

শব্দ	*অৰ্থ*
আঁকোৰ গোজ/আকো-গোজ	নেৰা নেপেৰাকৈ কিবা এটা কামত লাগি থকা
আলাবাদু	অকামিলা
আঠ্‌কুৰিয়া	নিঃসন্তান/বঁজা
ভোদা	মূৰ্খ
গোঙ্গোৰা	খঙাল
জঞ্জাল্‌	লেঠা
জুগত্‌	সাজু

ধুমা	ডাঙৰ
ভূত-কোৱা	বাওনা
ঢিপ্	সীমাৰ চিন
ঘুত্-মুট্	চুটি আকৃতিৰ, ইত্যাদি।

- মালয় ভাষাৰ শব্দৰ লগত সাদৃশ্য ৰক্ষিত হোৱা অসমীয়া শব্দ কেতবোৰ হ'ল— আঁচুসূতা, বগা, বোকা, বেজবেজ, বিলাক, বুঢ়ী, চোং, গাহৰি, বতল্ (বুতলিল), চেলাউৰি, চেঙা, সাঁফৰ, জহামাল, গাহৰি ইত্যাদি।
- ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দ কেতবোৰৰ লগত অষ্ট্রিক ভাষাৰ সাদৃশ্যৰ কথা উল্লেখ কৰিছে। যথা —

অসমীয়া	*অষ্ট্রিক*
আতা	আতোৱ্ / অ্ত
আবু	অবুহ্ / অবু
বোপাই / বাপা	বপাই / বপ
আমৈ	অমৈ
ককাই / কাকা	কক
বৌ, মাক (উপভাষীয়)	বো / বু / বেউ
তাৰৈ	তত / ত , ইত্যাদি ।

- চাহ জনগোষ্ঠীৰ ভাষাৰ শব্দ আৰু মান্য অসমীয়া ভাষাৰ শব্দৰ মাজত সাদৃশ্য আছে। এই শব্দবোৰ চাহ জনগোষ্ঠীৰ ভাষাৰ পৰা আহিছে বুলি ক'ব নোৱাৰি। মাথোঁ সাদৃশ্যহে উল্লেখ কৰা হৈছে —

চাহ জনজাতিৰ ভাষা	*মান্য অসমীয়া*
ইন্দুৰ	এন্দুৰ
কাচা	কেঁচা
কাটা	কাঁইট
চক্ৰা	ল'ৰা
চানা	পোৱালি
ভালকৰি	ভালকৈ
ছাতা	ছাতি
ধানগিলা	ধানবোৰ
বহু	বোৱাৰী

- অসম আৰু বংগদেশত 'কুৰি' হিচাপে বস্তু গণনাৰ যি ৰীতি আছে সেই ৰীতিৰ লগতে সংখ্যাবাচক 'কুৰি' অষ্ট্রিক ভাষাৰ পৰা অহা বুলি বিৰিঞ্চি কুমাৰ বৰুৱাই মত

পোষণ কৰে। ঠিক সেইদৰে 'পোন' আৰু 'গণ্ডা'ও অষ্ট্রিকৰ পৰাই পোৱা। প্রসংগক্রমে উল্লেখ কৰি থোৱা হ'ল যে — অসমীয়া সংস্কৃতিৰ এৰাব নোৱৰা সংস্কৃতিক উপাদান তামোল-পাণৰ ব্যৱহাৰ এই অষ্ট্রিকসকলৰ পৰা অহা। সেই বাবে সংস্কৃত 'তাম্বুল' শব্দটো অষ্ট্রিক 'বুল', 'ম্বুৰ', 'বউল', 'মলু অ', 'ব্লু প্লু' শব্দৰ পৰা সৃষ্টি হৈছে বুলি অনুমান কৰা হয়।

অসমীয়া ভাষাৰ গঠন প্রক্রিয়াৰ দিশত অষ্ট্রিক ভাষাগোষ্ঠীৰ অৱদান যথেষ্ট। এই ভাষাগোষ্ঠীয়ে অসমীয়া ভাষাৰ সমৃদ্ধি আৰু বিকাশত বহু পৰিমাণে অৰিহণা যোগাইছে। সেয়েহে অসমীয়া ভাষাত অষ্ট্রিক ভাষাৰ অৱদানৰ কথা নুই কৰিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কামৰূপ, কামাখ্যা, হাৰূপেশ্বৰ প্রভৃতি ঠাইৰ নামসমূহ কোনটো ভাষাগোষ্ঠীৰ পৰা অহা বুলি কোৱা হৈছে?

.....

প্রশ্ন নং ২ ঃ তলত দিয়া চাহ জনজাতীয় ভাষাৰ শব্দকেইটাৰ মান্য অসমীয়াত কি ৰূপ হয় লিখক — (ক) চানা (খ) কাচা (গ) চক্ৰা (ঘ) ধানগিলা (ঙ) ইন্দুৰ

.....



চিন্তা-চর্চা কৰক — ১২.১

'অসমীয়া ভাষাত অষ্ট্রিক ভাষাগোষ্ঠীৰ উপাদান' সম্পর্কে এটি আলচ যুগুত কৰক।

১২.৩.২ চীন তিব্বতীয় ভাষাগোষ্ঠীয় উপাদান

পৃথিৱীৰ ভাষাগোষ্ঠীসমূহৰ ভিতৰত অন্যতম সুবৃহৎ ভাষাগোষ্ঠী হ'ল চীন তিব্বতীয় বা তিব্বত চীনীয়। চীন তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তর্গত এটা শাখা হ'ল তিব্বতবর্মী। এওঁলোক মংগোলীয় জাতিৰ লোক আছিল। চীন তিব্বতীয় ভাষাগোষ্ঠীক প্রধানতঃ দুটা ভাগত ভাগ কৰা হৈছে — থাই-চীনীয় বা শ্যাম- চীনীয় আৰু তিব্বতবর্মী।

- *থাই-চীনীয় বা শ্যাম- চীনীয় ঃ* এই শাখাৰ প্রধান উপ-শাখা টাই বা থাই, চীনীয়, কৰেণ, চি-লো-নো আদি কেইবাটাও আছে যদিও টাই বা থাই আৰু চীনীয় এই দুটাহে বিশেষ উল্লেখযোগ্য। থাই বা টাই উপশাখাৰ অন্তর্গত ভাষাসমূহ হ'ল — শ্যামী বা ছিয়ামী বা থাই, ফাকিয়াল, লু, খামযাং, য়াও, খামতি, নৰা, তাইৰাং (টুৰুং), শ্বান, আইতনিয়া, আহোম, লাও ইত্যাদি। অসমত পোৱা থাই-চীন শাখাৰ ভাষাকেইটা হ'ল — খামতি, আহোম, খামযাং, আইতন, ফাকে, টুৰুং। বর্তমান

অসমৰ পূব অঞ্চলত আৰু অৰুণাচলৰ লোহিত জিলাত খামতি-ভাষী লোকৰ বসতি আছে। আহোম ভাষা এসময়ত উজনি অসমৰ কথিত ভাষা আছিল। নৰা, টুৰুং, আইতনিয়া, শ্বান ভাষা ব্ৰহ্মদেশ আৰু অৰুণাচলৰ দাঁতিকাষৰীয়া অঞ্চলত প্ৰচলিত। টাই আহোম ভাষাৰ ভালেমান শব্দই অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ চহকী কৰিছেহি। তেনে ধৰণৰ শব্দসমূহ হ'ল — খাং, ফাং, ফাউ, লাং, পাঙ, পিং, পুং, জান, জিন, বুৰঞ্জী, কাৰেং, ৰংঘৰ, ডোঙা, টুপ, লিকচৌ, চকলং, জাপ্, পম্, ফুট, থাপ, হাই, চিপ, চুপ্, খুতুৰা, চোক, আফু, কাকিনী, কেৰু, খাপ, খেদ, খোৰোং, চং, জাঁই, টোম, ঠন, মাইহাং, ৰাইজাই, চাংমাই, জেঙা, জাঙুৰ, টং, টাং-টিঙালি, টাং-বাং, টাপলি, টেৰ, টোকোন, টোকোনা, খুনুপাক, দ'ম, পৈ, পম, ফুকন, ফুকা, ফেঁহু, বিতং, ৰাপ, ৰিং, ৰিহা, লিগিৰী, হিলৈ, হেংদান ইত্যাদি।

টাই ভাষাৰ অন্তৰ্গত খামতি ভাষাৰ বহুতো শব্দ অসমীয়ালৈ আহিছে। যেনে— ফই (ডাঙৰ ৰছী), ফাঁই (খামতিত ফাঁই মানে জুই), ফাক (দাৰ), মান (ব্ৰহ্মদেশৰ লোক), মিট (দা), টকৌ ইত্যাদি।

'টি' বা 'তি'-ৰে গঠিত স্থানবাচক শব্দ কিছুমান টাই আহোম ভাষাৰ পৰা অসমীয়া ভাষালৈ আহিছে বুলি ধৰা হয়। যেনে — টিয়ক, টিপাম, টিংখাং, টিৰাপ আদি স্থানবাচক শব্দসমূহ। ড° বাণীকান্ত কাকতিয়ে 'অসম' শব্দটোৰ মূল 'টাই' ভাষাৰ 'শ্বাম্' ধাতু বুলি কৈছে। টাই ভাষাৰ অন্তৰ্গত ফৈদ, যথা — ফাকিয়াল, নৰা, টুৰুং, আইতনিয়া এই লোকসকলৰ মাজত নিজস্ব ভাষাটো কিছু পৰিমাণে সংৰক্ষণ হৈ আছে যদিও সৰহ সংখ্যক লোকেই অসমীয়া ভাষা ক'ব পাৰে। 'টাই' শাখাৰ আহোমভাষী লোকসকলে শব্দৰ আদ্য অৱস্থানত থকা পশ্চ-তালব্য উষ্ম ধ্বনিকেইটা 'হ' হিচাপে উচ্চাৰণ কৰে। যেনে — হত্যে হত্যে (সত্যে, সত্যে), হইচ (শইচ), ইত্যাদি। অন্যফালে আহোম বা আন তিব্বতবর্মীয় ভাষাত 'খ' ধ্বনিহে উচ্চাৰণ হয়। যেনে— বিখ (বিষ), অখম (অসম) ইত্যাদি।

- *তিব্বতবর্মীয় ভাষাগোষ্ঠী ঃ* চীন তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত তিব্বতবর্মীয় শাখাৰ লোকসকলে অসমীয়া ভাষা-ভাষী লোকসকলৰ মাজত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত অতীতৰে পৰা এটা নিবিড় সম্পৰ্ক ৰক্ষা কৰি আহিছে। মন কৰিবলগীয়া যে দক্ষিণ এছিয়াত প্ৰচলিত অসংখ্য ভাষাৰ ভিতৰত এই পৰিয়ালৰ ভাষা আটাইতকৈ বেছি। এই ভাষা পৰিয়ালৰ লোকসকলৰ প্ৰাচীন বাসভূমি আছিল উত্তৰ-পশ্চিম চীনৰ ইয়াংচিকিংয়া আৰু হোৱাংহো নদীৰ উৎপত্তিস্থল। তাৰ পৰাই কালক্ৰমত বিভাজিত হৈ মেকং, মৈনাম, ইৰাৱতী, ছিন্দুইন, ব্ৰহ্মপুত্ৰৰ গতি অনুসৰণ কৰি শ্যাম দেশ, ব্ৰহ্মদেশ আৰু ভাৰতত বিয়পি পৰে।

  অসমত প্ৰচলিত তিব্বতবর্মী শাখাৰ ভাষাবোৰ হ'ল— বড়ো, কাৰ্বি, ডিমাছা, ৰাভা, তিৰা, মিচিং, দেউৰী আদি। ইয়াৰ উপৰি অসমত ভালেমান নগা গাঁও আছে

য'ত নগাভাষী লোক বাস কৰি আছে। তিব্বতবর্মী শাখা চাৰিটা উপশাখাত বিভক্ত — হিমালয়ী, অসমবর্মী, উত্তৰ অসম আৰু তিব্বতী।

- হিমালয়ী ঃ হিমালয়ী উপশাখাৰ অন্তর্গত ভাষাসমূহ হ'ল —লেপ্চা, পাহাৰী, লিম্বু, নেৱাৰী। এই ভাষাসমূহ নেপাল, ভূটান, চিকিম, উত্তৰ প্রদেশ আৰু হিমাচল প্রদেশৰ অঞ্চল বিশেষত প্রচলিত।
- অসমবর্মী ঃ অসমবর্মী উপশাখাৰ অন্তর্গত ভাষাসমূহক বড়ো, নগা, কুকি-চীন আৰু বর্মী — এইকেইটা ভাগত ভাগ কৰিব পাৰি। ইয়াৰে বড়ো শাখাৰ আকৌ কেইবাটাও ভাষা পোৱা যায়। যথা— গাৰো, ৰাভা, ত্রিপুৰী, লালুং, ডিমাছা, দেউৰী, চুতীয়া, কছাৰী (বড়ো-কছাৰী)। আংগামী, চেমা, ৰেংমা, আও, মাও, টাংচা, ৰাঞ্চু, নক্টে প্রভৃতি ভাষাসমূহ নগা ভাষাৰ অন্তর্গত। কুকি-চীন ভাষাৰ ভিতৰুৱা ভাষাকেইটা হ'ল — মেইতেই, লুছাই (মিজো), কুকি আদি।
- উত্তৰ অসম ঃ হ্রাছো, নিচি, আদি, মিচিং, ইদু ইত্যাদি ভাষা এই শাখাৰ অন্তর্গত। এই ভাষাসমূহৰ অসম আৰু ঘাইকৈ অৰুণাচলত প্রচলন আছে।
- তিব্বতী ঃ তিব্বতী, লাডাখী, বাল্টী ইত্যাদি ভাষা কেতবোৰ এই শাখাৰ অন্তর্গত। তিব্বতী উপ-শাখাৰ ভাষাসমূহ তিব্বত আৰু ভাৰতৰ পশ্চিম-হিমালয় অঞ্চলত প্রচলিত।

অসমীয়া ভাষাত থকা তিব্বতবর্মী ভাষাগোষ্ঠীৰ উপাদানসমূহক তিনিটা দিশৰ জৰিয়তে বিশ্লেষণ কৰিব পৰা যায়। দিশকেইটা তলত উল্লেখ কৰা হ'ল —

- ধ্বনিগত উপাদান
- ৰূপগত উপাদান আৰু
- শব্দগত উপাদান

- ধ্বনিগত উপাদান ঃ অসমীয়া ভাষাৰ ধ্বনি-ৰীতিত ভাৰতীয় আর্যভাষাৰ লগতে মূল সংস্কৃত ভাষাত নথকা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য নিহিত হৈ আছে। ড° বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্রন্থত তিব্বতবর্মী ভাষাই অসমীয়া ভাষাত প্রভাৱ পেলোৱা পাঁচটা ধ্বনিতাত্ত্বিক উপাদান লিপিবদ্ধ কৰিছিল। ড° প্রমোদচন্দ্র ভট্টাচার্যই এই উপাদান পাঁচটাক পুনৰবিন্যাস কৰিছে এনেদৰে —

(ক) প্রাচীন ভাৰতীয় আর্যভাষাৰ মূর্ধন্য আৰু দন্ত্য ধ্বনিসমূহ অসমীয়াত চীন তিব্বতীয় (বড়ো) প্রভাৱত দন্তমূলীয় ধ্বনিলৈ হোৱা পৰিৱর্তন

(খ) প্রাচীন ভাৰতীয় আর্যভাষাৰ তালব্য ধ্বনিসমূহৰ অসমীয়াত দন্তমূলীয় হিচাপে হোৱা উচ্চাৰণ

(গ) তিব্বতবর্মীয় প্রভৃতি আর্য-ভিন্ন ভাষাৰ প্রভাৱত অসমীয়াতো স্বৰ-সংগতি (Vowel Harmony) আৰু অভিশ্রুতি (Vowel-mutation) এই দুটা ধ্বনিতাত্ত্বিক পৰিঘটনা বিশেষভাৱে পৰিলক্ষিত হোৱা

(ঘ) অসমীয়া, বাংলা, উড়িয়া, মৈথিলী প্রভৃতি ভাষাত ঘটা স্বতঃ অনুনাসিকীভৱনত আর্যভিন্ন ভাষাৰ প্রভাৱ

(ঙ) প্রাচীন ভাৰতীয় আর্যভাষাৰ স্পর্শ ধ্বনিসমূহৰ (আদ্য আৰু মধ্য অক্ষৰত) মহাপ্রাণীভৱন হোৱা পৰিঘটনাও আর্যভিন্ন ভাষাৰ প্রভাৱৰ ফল বুলি ক'ব পাৰি।

অসমীয়া ভাষাৰ লিখিত ৰূপত ব্যৱহৃত চ, ছ, জ, ঝ, ৰ, ঢ়, ড় আখৰসমূহৰ উচ্চাৰণ সংস্কৃতৰ দৰে ৰক্ষিত হোৱা নাই।

চ, ছ, জ, ঝ, ৰ, ঢ় বর্ণসমূহৰ সৰলীকৃত উচ্চাৰণ বা পৃথক পৃথক উচ্চাৰণ অসমীয়াত হ্রাস পোৱাটো তিব্বতবর্মী ভাষাৰ প্রভাৱ বুলি অনুমান কৰা হৈছে।

শ, স, ষ আদি সংস্কৃত উষ্ম ধ্বনিসমূহে অসমীয়া ভাষাত নিজস্ব ধ্বনিৰূপ হেৰুৱাইছে। এই ধ্বনিৰূপ কেইটাই পশ্চ-তালব্য উষ্মধ্বনি 'স' ৰূপে ব্যৱহৃত হৈছে। এই উচ্চাৰণৰ বৈশিষ্ট্যটোও তিব্বত-চীন পৰিয়ালৰ ভাষাৰে পৰিণতি বুলি ভবাৰ থল আছে। কিয়নো এই পৰিয়ালৰ ভাষাত উক্ত তিনিওটা উষ্ম বর্ণৰ সুকীয়া উচ্চাৰণ পোৱা নাযায়। উল্লেখযোগ্য যে তদ্ভৱ শব্দৰ আদ্য অৱস্থানৰ বাহিৰে মধ্য আৰু অন্ত্য অৱস্থানত শ, ষ, স — এই ধ্বনিকেইটা 'হ'লৈ পৰিৱর্তন হৈছে। উদাহৰণস্বৰূপে --

শ্বশুৰ	>	শহুৰ
কলস	>	কলহ
বিষ	>	বিহ
বিশ	>	বিহ আদি।

ড° সুনীতি কুমাৰ চেটার্জীয়ে এনে হোৱাৰ মূলতেই তিব্বতবর্মীয় প্রভাৱ বুলি ভাবে। কিন্তু মূল তিব্বতবর্মী ভাষাবোৰত মধ্য আৰু অন্ত্য অৱস্থানত 'হ'-ৰ ব্যৱহাৰ বিৰল; গতিকে এই ক্ষেত্রত ড° সুনীতি কুমাৰ চেটার্জীৰ মত পৰৱর্তীকালৰ পণ্ডিতসকলে গ্রহণযোগ্য বুলি নাভাবে।

অসমীয়া ভাষাত আদি আৰু মধ্যৱর্তী স্থানত অল্পপ্রাণ বর্ণ মহাপ্রাণ বর্ণলৈ পৰিৱর্তন হৈছে। অসমীয়া ভাষাৰ এই মহাপ্রাণীভৱনৰ বৈশিষ্ট্যটো তিব্বতবর্মীৰ বড়ো ভাষাৰ প্রভাৱত হোৱা বুলি ড° গ্রীয়ার্ছনে মত প্রকাশ কৰিছে। ড° বাণীকান্ত কাকতিয়েও অসমীয়া ভাষাৰ মহাপ্রাণীভৱনত বড়ো ভাষাৰ প্রভাৱ স্বীকাৰ কৰিছে। যথা—

বড়ো	*অসমীয়া*
থালু	তালু
ফোআল্	পোৱাল

খামাই	কমা (আজ্)
খাম্‌ৰি	কামোৰণি
থোথি	ঠোঁট ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ মহাপ্রাণীভৱনৰ বৈশিষ্ট্যটো কোন ভাষাৰ পৰা আহিছে বুলি কোৱা হৈছে?

.....

❍ ৰূপগত উপাদান ঃ ড° বাণীকান্ত কাকতিয়ে, তেওঁৰ গৱেষণা গ্রন্থ *Assamese : Its Formation and Development*-ত তিব্বতবর্মী ভাষাৰ বহুতো ৰূপগত উপাদান অসমীয়া ভাষাত সোমাই আছে বুলি সন্দেহ প্রকাশ কৰিছে। তলত তাৰে কেতবোৰ উল্লেখ কৰা হ'ল —

(১) অসমীয়া ভাষাৰ যৌগিক ক্রিয়াৰূপ কিছুমান বড়ো ভাষাৰ পৰা আহিছে। যেনে — খামবান্ধ, গবামাৰ, বিৰ দি, থলামুৰি মাৰ ইত্যাদি।

(২) কিছুমান ক্রিয়াৰ ধাতু (Verbal roots) ৰূপ বড়োমূলীয়। যেনে— চেলেক্, জিৰা, ৰেপ্, আগ্‌চ, গচক, চেঁকুৰ, ভেঁকুৰ, বখলিয়া, গোৰা, চেপ ইত্যাদি।

(৩) অসমীয়া ভাষাত ব্যৱহৃত গঠনমূলক প্রত্যয় -মা আৰু -চা বড়োমূলৰ পৰা আহিছে। যেনে — লোধোমা, লুৰুমা, ধেপেচা ইত্যাদি। বড়ো প্রত্যয় -মা আৰু -চা ই যথাক্রমে ডাঙৰ আৰু সৰু বুজায়; যেনে —

ৰুং (নাও) — ৰুংমা (ডাঙৰ নাও)
ৰুংচা (সৰু নাও)

অসমীয়া ভাষাৰ গঠনমূলক প্রত্যয়বোৰৰ ভিতৰত -উৰা প্রত্যয়ো ব্যৱহৃত হয়। এই -উৰা প্রত্যয়টোৱে সাধাৰণতে কোনো এটা কাম বহু দীঘলীয়া দিন বা সময় ধৰি অত্যধিকভাৱে কৰা অর্থ বুজায়। মিছিং ভাষাত একে অর্থতেই -উৰা বা -দুৰা প্রত্যয় অসমীয়া ভাষাৰ দৰেই প্রয়োগ হয় —

অসমীয়া	*মিছিং*
কান্দুৰা	কাপ্‌দুৰাঃ; কাপ্‌দুৰাং
মুতুৰা	চিদুৰাঃ
খঁকুৰা	দদুৰাঃ

আধুনিক অসমীয়া ভাষাৰ বহুবচনৰ প্রত্যয় 'বোৰ' আৰু 'বিলাক'-ৰ প্রয়োগত, বৈয়াকৰণিক লিংগ প্রকৰণৰ ঠাইত বিশেষ বিশেষ শব্দৰ প্রয়োগেৰে

অথবা বিশেষ্যৰ আগত পুৰুষ আৰু স্ত্রীনির্দেশক শব্দৰ প্রয়োগেৰে লিংগ নিৰূপণ কৰা ৰীতিত তিব্বতবর্মীয় বড়ো, গাৰো, ডিমাচা আদি ভাষাৰ প্রভাৰ আছে বুলি কোৱা হয়।

- শব্দগত উপাদান ঃতিব্বতবর্মী ভাষাৰ অন্তর্গত বড়ো ভাষা আৰু মিছিং ভাষাৰ শব্দগত উপাদান অসমীয়া ভাষাত অধিকভাৰে লক্ষ্য কৰা যায়। ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাত থকা বহুতো বড়োমূলীয় শব্দৰ নাম উল্লেখ কৰিছে। সেই শব্দসমূহ এনে ধৰণৰ —

শব্দ	*অর্থ*
হাফলু	টিলা, উঁই টিলা (বড়ো — হা-ফ্লউ)
হাবাং	অজলা
হামাহি	সোৰোপালি, পলম কৰা
জখলা	জখলা
খমলা	লদা বন্ধা (বড়ো — খাম-লই একেলগ কৰা)
হোজা	সহজ সৰল (বড়ো — হোজাই)
হেঙ্গাৰ	জেওৰা (বড়ো — হেংৰা)
বোন্দা	মতামেকুৰী
খোকা	মাছ ধৰা বাঁহৰ সঁজুলি (বড়ো খৌখা)
ডাউক	এবিধ চৰাই (বড়ো — দাও -চৰাই)
লফা	লফা শকা (লৈফাং)

এনেদৰে বড়ো মূলৰ ঠাইৰ নাম কিছুমানো ড° বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে। যেনে— হাজো, হাকামা, বিহাম্পুৰ, দিচ্পুৰ।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা কেতবোৰ স্থানবাচক শব্দ আৰু নদীবাচক শব্দ মিছিং ভাষাৰ পৰা আহিছে। মিছিং ভাষাৰ শব্দ কিছুমানৰ সৈতে অসমীয়া ভাষাৰ সাদৃশ্য এনে ধৰণৰ —

অসমীয়া ভাষা	*মিছিং ভাষা*
বোকা	বুকাদ
কালি	কালি
উৰুকা	উৰুকা
চেঁউৰি	চেঙৰি
পেঁপা	পেম্পা
তামোল - ছালি	চালি
টোকাৰী	তুকাৰি

তিয়ঁহ	তিয়ঙ, ইত্যাদি।

চি-ৰে আৰম্ভ হোৱা নদীৰ নাম কিছুমান মিছিং ভাষাৰ বুলি ধৰা হৈছে। উল্লেখযোগ্য যে মিছিং ভাষাত 'চি' মানে পানী। উদাহৰণস্বৰূপে তলত কেইখনমান নদীৰ নাম উল্লেখ কৰা হ'ল—

শব্দ	*অর্থ*
চিয়াং	চিয়াং নদী
চিচি	লক্ষীমপুৰৰ এখন নদীৰ নাম
চিমেন	চিলাপথাৰৰ এখন নদীৰ নাম
চিয়ম্	আলঙৰ ওচৰৰ চিয়াঙৰ নাম
চিলুক	পাছিঘাটত আছে।

অসমীয়া ভাষাৰ জেং, জাবৰ, থেকেৰা আদি শব্দৰ সৈতে গাৰো ভাষাৰ জেং -জাবোল, থেকনা ইত্যাদি শব্দৰ সাদৃশ্য আছে।

তিব্বতবর্মীয়ৰ অন্তর্গত আন এটা ভাষা হ'ল ডিমাছা। এই ডিমাছাৰ আঞ্চলিক ৰূপ হ'ল দিজুৰাচা, দেম্ৰাচা, হৰাৰচা ইত্যাদি। ডিমাছা ভাষা আৰু অসমীয়া ভাষাৰ শব্দৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল —

(ক) মাছমৰা সঁজুলি আৰু মাছ —

অসমীয়া	*ডিমাছা*
জাকৈ	জেখাই
চেপা	চেফা
প'ল	পল
নৰা	নৰাউ

(খ) গছ-গছনিৰ নাম —

অসমীয়া	*ডিমাছা*
সিজু	চি-গুজু
ৰবাব	ৰেবা
লফা	লাংফাই

(গ) অন্যান্য —

অসমীয়া	*ডিমাছা*
জালি	জালাই কোমোৰা
খৰলুটি	খাৰো
খামি	খামাউ -খাজি - ডাঁঠ
জোং	জোং, ইত্যাদি।

এনেদৰে তিৱা ভাষা, দেউৰী-চুতীয়া প্ৰভৃতি ভাষাৰ পৰাও বহুতো শব্দ আহি অসমীয়া ভাষাত প্ৰৱেশ কৰিছেহি ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলত দিয়া অসমীয়া শব্দকেইটা ডিমাছা ভাষাত কি হ'ব লিখক — (ক) সিজু (খ) নৰা (গ) লফা

.....

প্ৰশ্ন নং ৫ ঃ ড° বাণীকান্ত কাকতিয়ে তিব্বতবৰ্মী ভাষাৰ কি কি ৰূপগত উপাদান অসমীয়া ভাষাত সোমাই আছে বুলি সন্দেহ প্ৰকাশ কৰিছে? চমুকৈ লিখক। (৭০ টা শব্দ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....



চিন্তা-চৰ্চা কৰক — ১২.২

অসমীয়া ভাষাত তিব্বতবৰ্মীয় ভাষাৰ উপাদান সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

.....

.....

.....

.....

১২.৩.৩ দ্ৰাবিড় ভাষাগোষ্ঠীয় উপাদান

দ্ৰাবিড় ভাষাগোষ্ঠীৰ লোকসকল খ্ৰীঃ পূঃ ৩০০০-৩৫০০ বছৰৰ পূৰ্বে ভাৰতলৈ আহিছিল বুলি অনুমান কৰা হৈছে। দ্ৰাবিড় ভাষাৰ লোকসকল জাতিগতভাৱে মেডিটেৰানিয়ান বা ভূমধ্যসাগৰীয় প্ৰজাতি (Race)-ৰ অন্তৰ্গত। এওঁলোকে প্ৰথম অৱস্থাত উত্তৰ ভাৰতত বসতি কৰি আছিল আৰু আৰ্যসকলৰ দ্বাৰা প্ৰতাৰিত হৈ দক্ষিণ ভাৰতলৈ গতি কৰিছিল। সেইবাবে দ্ৰাবিড় ভাষাৰ প্ৰাধান্য দক্ষিণ ভাৰততে সৰ্বাধিক।

ব্রাহুই, তামিল, মালায়ালম, কন্নড়, তেলেগু, মাল্‌তো, গোণ্ডী, কোটা প্রভৃতি ভাষাসমূহ দ্রাবিড় ভাষাগোষ্ঠীৰ অন্তর্গত। উত্তৰ পশ্চিম ভাৰতৰ বেলুচিস্তান অঞ্চলত ব্রাহুই ভাষা প্রচলিত। তামিল ভাষা তামিলনাড়ু আৰু সিংহলত প্রচলিত। মালতো ভাষা বংগদেশৰ ৰাজমহল পাহাৰত আৰু টোডা তথা কোটা ভাষা নীলগিৰি পর্বতৰ এচাম আদিবাসীৰ মাজত প্রচলিত। দ্রাবিড় ভাষাগোষ্ঠীৰ অন্তর্গত ভাষাসমূহৰ ভিতৰত তামিল আৰু মালায়ালম ভাষা দুটা অধিক সমৃদ্ধ।

অসমীয়া ভাষাত দ্রাবিড়ৰ উপাদান নথকা নহয়। এই উপাদানসমূহে অসমীয়া ভাষাটোৰ গঠন আৰু বিকাশত অৰিহণা যোগাইছেহি। উল্লেখযোগ্য যে দ্রাবিড় ভাষাৰ উপাদানবোৰে সংস্কৃত ভাষাৰ মাজেদি আহি অসমীয়া ভাষাত প্রৱেশ কৰিছেহি। এওঁলোকৰ ভাষাই আর্যভাষাৰ অন্তর্গত 'সংস্কৃত' ভাষাক বিশেষভাৱে প্রভাৱিত কৰিছিল। দ্রাবিড়সকলেই ভাৰতবর্ষত প্রথমে নগৰ নির্মাণ কৰিছিল। অস্ত্রাদি ব্যৱহাৰ কার্যতো এওঁলোক সিদ্ধহস্ত আছিল।

অসমীয়া ভাষালৈ দ্রাবিড়ীয় ভাষাৰ অৱদান সম্পর্কে এতিয়াও সম্পূর্ণৰূপে আলোচনা হৈ উঠা নাই। আলোচক তথা গৱেষকসকলে অসমীয়া ভাষাত যিবোৰ দ্রাবিড় উপাদানৰ কথা কৈ আহিছে সেয়া বিতর্কৰ ঊর্ধ্বত নহয়। দৰাচলতে, 'অসমীয়া ভাষাত অবিতর্কিত দ্রাবিড় উপাদান নাই বুলিয়েই ক'ব পাৰি।' *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব*নামৰ পুথিখনৰ ৰচয়িতা কালিৰাম মেধিয়ে অসমীয়া ভাষাত সংস্কৃতৰ নিচিনা বিশেষ্য-শব্দৰ সৈতে একেধৰণে বিশেষণ-শব্দৰ লিঙ্গৰ পৰিৱর্তনহীনতাত দ্রাবিড়ীয় ভাষাৰ প্রভাৱৰ কথা উনুকিয়াব খোজে। তদুপৰি তেওঁ অসমীয়া শব্দকেইটামানৰ মূল দ্রাবিড়ীয় ভাষা বুলিও মন্তব্য কৰিছে। যেনে — আই (বসন্ত), আমৈ, চিনা (জোক), তেঁউৰ (মিৰ্গি-বেমাৰ), উৰখ্, হোঁপ্, নদীবাচক আৰু/আলু (ভৰলু)। অৱশ্যে ড° বাসন্তী দেৱীৰ অসমীয়া কানাড়াৰ তুলনামূলক অধ্যয়নে এই সিদ্ধান্ত সমর্থন নকৰে।

সেইদৰে, স্থানবাচক নামৰ অন্তত থকা কিছুমান শব্দাংশ; যেনে — জুলি, জুৰি, ওৰ, পুৰ, কুঁৰ, কুট, গুৰি, ভিটি, ভিটা ইত্যাদি দ্রাবিড় ভাষাৰ পৰা অহা বুলি অনুমান কৰা হৈছে। অৱশ্যে 'কুঁৰ' সংস্কৃত 'কুণ্ড' আৰু 'জুলি' সংস্কৃত 'জুৰি' পৰা হোৱাৰ সম্ভাৱনাও নুই কৰা নাই।

অসমীয়া প্রতিধ্বন্যাত্মক শব্দৰ সৈতে দ্রাবিড়ীয় ভাষাৰ সাদৃশ্য আছে। যেনে—

কান্নাৰ ভাষা ঃ	হন্নু-মম্পলু	ফল-চল
	তুপ্প-গিপ্প	ঘিঁউ-চিউ
	অঙ্কু-ডোঙ্কু	আঁকা-বেঁকা

উল্লেখযোগ্য যে উক্ত বৈশিষ্ট্যটো দ্রাবিড় ভাষাৰ উপৰি তিব্বতবর্মীয় ভাষাতো লক্ষ্য কৰা যায়। অসমীয়া ভাষাৰ শ্বাসাঘাতৰ প্রাধান্যৰ মূলতো দ্রাবিড়ীয় প্রভাৱ কল্পনা কৰা হৈছে।

ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে তেওঁৰ *অসমীয়া ভাষা আৰু সংস্কৃতি* শীৰ্ষক পুথিখনিত দ্রাবিড়-ভাষীৰ দান সম্পর্কে বহল আলোচনা কৰিছে। তাতে তেওঁ উল্লেখ কৰিছে যে দ্রাবিড় ভাষাগোষ্ঠীৰ পৰা সংস্কৃতলৈ বহু শব্দ আহিছিল আৰু তাৰে কিছুমান উত্তৰাধিকাৰী সূত্রে অসমীয়ালৈও আহিছে। যেনে — অগৰু, অনল, অলস, কটু, কঠিন, কাঞ্জিকা (কাঁজী-পানী), কানন, কুটিল, কুণ্ড, কুণ্ডল, কুন্তল, কুবলয়, কেতেক, কোটোৰা, তুলা (কপাহ), নীৰ, পণ, পণ্ডিত, ময়ুৰ, মল্লিকা, মহিলা, মুকুট, বল্লী, শৰ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ আই, আমি, চিনা, তেঁউৰ, হোপ প্রভৃতি শব্দবোৰ কোন ভাষাগোষ্ঠীৰ পৰা আহি অসমীয়া ভাষাত প্রৱেশ কৰিছে।

.....

.....



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসম দেশ বিভিন্ন ভাষিক জনগোষ্ঠীৰ মিলনভূমি। অসমত প্রচলিত প্রধান ভাষাটো অসমীয়া। অসমীয়া ভাষাৰ মূল প্রবাহৰ উৎস আর্য ভাষা হ'লেও এই ভাষা অকল আর্যমূলীয় উপাদানেৰে গঠিত নহয়। অসমীয়া ভাষাৰ গঠন আৰু বিকাশত বিবিধ আর্যভিন্ন উপাদান সোমাই আছে। ঘাইকৈ ধ্বনি, ৰূপ আৰু শব্দগত দিশসমূহত থকা আর্যভিন্ন ভাষিক উপাদানেৰে অসমীয়া ভাষা পুষ্ট। এই আর্যভিন্ন উপাদানসমূহে অসমীয়া ভাষাটোক কেৱল ঐশ্বর্যশালী কৰি তোলাই নহয় সম্পূর্ণৰূপে প্রস্ফুটিত হোৱাতো যথেষ্ট অৰিহণা যোগাইছে।
- প্রধানতঃ তিনিটা ভাষাগোষ্ঠীৰ উপাদান অসমীয়া ভাষাত দেখা যায়। যথা — (ক) অষ্ট্রিক ভাষাগোষ্ঠী, (খ) চীন তিব্বতীয় আৰু (গ) দ্রাবিড়। এই তিনিটা ভাষাগোষ্ঠীৰ অৱদান অসমীয়া ভাষাৰ হাড়ে-হিমজুৰে সোমাই আছে। আনকি এনে অৱস্থা হৈছে যে পানী নসৰকা ধৰণে বিভাজন কৰাটোও অসম্ভৱ হৈ পৰিছে।
- অষ্ট্রিক ভাষাগোষ্ঠীৰ অন্তর্গত কোল-মুণ্ডা, খাচী, চাওতালী প্রভৃতি ভাষাসমূহৰ উপাদান অসমীয়া ভাষাত প্রৱেশ কৰি অসমীয়া ভাষাৰ গঠন আৰু বিকাশত অৰিহণা যোগাইছে। এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।
- পৃথিৱীৰ বিভিন্ন ভাষাগোষ্ঠীসমূহৰ ভিতৰত অন্যতম সুবৃহৎ ভাষাগোষ্ঠী হ'ল চীন তিব্বতীয় বা তিব্বত চীনীয়। চীন তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তর্গত এটা শাখা হ'ল তিব্বতবর্মী। এওঁলোক

মংগোলীয় জাতিৰ লোক আছিল। চীন তিব্বতীয় ভাষাগোষ্ঠীক প্রধানতঃ দুটা ভাগত ভাগ কৰা হৈছে — থাই-চীনীয় বা শ্যাম- চীনীয় আৰু তিব্বতবর্মী।

- চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তর্গত থাই-চীনীয় বা শ্যাম- চীনীয়। অসমত পোৱা থাই-চীন শাখাৰ ভাষাকেইটা হ'ল — খামতি, আহোম, খাময়াং, আইতন, ফাকে, টুৰুং। এই ভাষা কেইটাই অসমীয়া ভাষাৰ শ্রীবৃদ্ধিত বিভিন্ন ধৰণে অৱদান আগবঢ়াইছে।
- চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তর্গত আনটো ভাগ পৰিয়াল হ'ল তিব্বতবর্মী। বড়ো, মিছিং, গাৰো, ডিমাছা আদি ভাষাসমূহে অসমীয়া ভাষাৰ বিভিন্ন দিশত যথেষ্ট পৰিমাণে অৰিহণা যোগাইছে।
- বহু শতিকা একেলগে বসবাস কৰাৰ ফলত অনা-আর্য ভাষাৰ বহু শব্দ অসমীয়াত সোমাইছিল। অসমীয়া ভাষাত দন্তমূলীয় ধ্বনিৰ প্রভাৱৰ মূলতেই আর্যভিন্ন প্রভাৱৰ কথা অধিকাংশ ভাষাবিদে স্বীকাৰ কৰিছে। দৰাচলতে অসমীয়া ভাষা চাৰিওফালৰপৰা আর্যভিন্ন ভাষাগোষ্ঠীৰ দ্বাৰা পৰিবেষ্টিত হৈ আছে। সেয়েহে ড° বাণীকান্ত কাকতিয়ে বিভিন্ন আর্যভিন্ন ভাষাৰ মাজত অসমীয়া ভাষা এটি সৰু দ্বীপৰ লেখীয়া বুলিছে। এনে হোৱাৰ ফলতে অসমীয়া ভাষাত আর্যভিন্ন ভাষাৰ উপাদান লক্ষ্য কৰা যায়।
- অসমীয়া ভাষালৈ দ্রাবিড়ীয় ভাষাৰ অৱদান সম্পর্কে এতিয়াও সম্পূর্ণৰূপে আলোচনা হৈ উঠা নাই। আলোচক তথা গৱেষকসকলে অসমীয়া ভাষাত যিবোৰ দ্রাবিড় উপাদানৰ কথা কৈ আহিছে সেয়া বিতর্কৰ ঊর্ধ্বত নহয়। দৰাচলতে, 'অসমীয়া ভাষাত অবিতর্কিত দ্রাবিড় উপাদান নাই বুলিয়েই ক'ব পাৰি।' তথাপি যিকেইটা দিশত দ্রাবিড় উপাদান থকাৰ কথা পণ্ডিতসকলে উল্লেখ কৰিছে সেয়া অধ্যায়টোত উল্লেখ কৰা হৈছে।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৪) বৰুৱা, ভীমকান্ত (১৯৯৭); *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্পা'ৰিয়াম।

৬) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) ৰাভা হাকাচাম, উপেন (২০০৭); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা ঃ মঞ্জুলা ৰাভা হাকাচাম।

৮) শর্মা, অনুৰাধা (২০১২); *সংহতি আৰু অসমীয়া ভাষা;* গুৱাহাটী ঃ ভবানী প্রিণ্টি এণ্ড পাব্লিকেশ্যনচ্।

৯) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

১০) Kakati, B. (2007).*Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অষ্ট্রিক।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) পোৱালি (খ) কেঁচা (গ) ল'ৰা
(ঘ) ধানবোৰ (ঙ) এন্দুৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ তিব্বতবর্মী বড়ো ভাষাৰ পৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) চি-গুজ (খ) নৰাউ (গ) লাংফাই।

৫ নং প্রশ্নৰ উত্তৰ ঃ ড° বাণীকান্ত কাকতিয়ে তিব্বতবর্মী ভাষাৰ বহুতো ৰূপগত উপাদান অসমীয়া ভাষাত সোমাই আছে বুলি সন্দেহ প্রকাশ কৰিছে। তাৰে কেতবোৰ হ'ল —

(১) অসমীয়া ভাষাৰ যৌগিক ক্রিয়াৰূপ কিছুমান বড়ো ভাষাৰ পৰা আহিছে। যেনে — খামবান্ধ, গবামাৰ, বিৰ দি, থলামুৰি মাৰ ইত্যাদি।

(২) কিছুমান ক্রিয়াৰ ধাতু ৰূপ বড়োমূলীয়। যেনে— চেলেক্, জিৰা, আগ্চ, গচক, চেঁকুৰ, ভেঁকুৰ, বখলিয়া, গোৰা ইত্যাদি।

(৩) অসমীয়া ভাষাত ব্যৱহৃত গঠনমূলক প্রত্যয় -মা আৰু -চা বড়োমূলৰ পৰা আহিছে। যেনে — লোধোমা, লুৰুমা, ধেপেচা ইত্যাদি।

৬ নং প্রশ্নৰ উত্তৰ ঃ দ্রাবিড়।



১২.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অসমত থকা আৰ্যভিন্ন ভাষিক জনগোষ্ঠীসমূহ কি কি?

(খ) কামাখ্যা, কামৰূপ, হাৰূপেশ্বৰ আদি মূলতে কোন ভাষাৰ পৰা অহা শব্দ?

(গ) থাই বা টাই উপশাখাৰ অন্তৰ্গত ভাষাসমূহ কি কি?

(ঘ) শ, স, ষ আদি সংস্কৃত উষ্ম ধ্বনিসমূহ অসমীয়া ভাষাত নিজস্ব ধ্বনিৰূপে প্ৰয়োগ হৈছেনে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক — (ক) অষ্ট্ৰ-এছীয় (খ) অষ্ট্ৰ-নেছীয়

(গ) থাই-চীনীয় বা শ্যাম-চীনীয় (ঘ) তিব্বতবৰ্মী

প্ৰশ্ন ২ ঃ টাই ভাষাৰ অসমীয়া ভাষাত থকা অৱদান উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ দ্ৰাবিড় ভাষাগোষ্ঠীৰ অসমীয়া ভাষাত থকা অৱদান উদাহৰণসহ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'অসমীয়া ভাষাত আৰ্য-ভিন্ন উপাদান' — এই বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ শব্দগত উপাদানসমূহ বিশ্লেষণ কৰি উদাহৰণেৰে দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া ভাষালৈ তিব্বতবৰ্মীয় ভাষাৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভাষাত থকা বড়ো ভাষাৰ উপাদানবোৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ অসমীয়া ভাষাত আহোম ভাষাৰ উপাদানসমূহ দেখুৱাই এখন ৰচনা লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ

১৩.৪ অসমীয়া শব্দ-ভাণ্ডাৰৰ শ্ৰেণীবিভাজন

১৩.৫ সংস্কৃত/আৰ্যমূলীয় শব্দ

১৩.৫.১ তৎসম শব্দ

১৩.৫.২ অৰ্ধ-তৎসম শব্দ

১৩.৫.৩ তদ্ভৱ শব্দ

১৩.৬ অসমীয়া ভাষালৈ আন আন ভাষাৰ পৰা অহা শব্দগুচ্ছ

১৩.৬.১ অনা-আৰ্যমূলীয় শব্দ

১৩.৬.২ ধাৰ কৰা শব্দ

১৩.৬.৩ অশ্ৰেণীভুক্ত শব্দ

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্ৰগতিৰ খতিয়ান

১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ শব্দমালাৰ মূল উৎস নিৰূপণ কৰিব পাৰিব
- অসমীয়া শব্দমালাক শ্ৰেণীভুক্ত কৰিব পাৰিব
- অসমীয়া ভাষাৰ সংস্কৃতমূলীয় শব্দৰ লগত পৰিচিত হ'ব
- অসমীয়া ভাষাত প্ৰচলিত তৎসম, অৰ্ধ-তৎসম আৰু তদ্ভৱ শব্দবোৰ বাছি উলিয়াব পাৰিব
- অসমীয়া ভাষালৈ আৰ্যমূলীয় শব্দৰ উপৰি আন আন ভাষাৰ পৰা অহা শব্দগুচ্ছৰ লগত পৰিচিত হ'ব
- বিভিন্ন অনা-আৰ্যমূলীয় শব্দই কিদৰে অসমীয়া শব্দ-ভাণ্ডাৰ চহকী কৰিছে সেয়া আলোচনা কৰিব পাৰিব
- অসমীয়া ভাষালৈ কোন কোন ভাষাৰ পৰা কেনে ধৰণৰ শব্দ ধাৰ কৰি অনা হৈছে সেয়া শ্ৰেণীবিভাজন কৰিব পাৰিব

- কোনবোৰ বিদেশী শব্দ অসমীয়া শব্দৰূপে ব্যৱহৃত হৈ আছে সেয়া নির্ণয় কৰিব পাৰিব
- বিভিন্ন উৎসৰে সমৃদ্ধ অসমীয়া ভাষাৰ শব্দমালাৰ বৈচিত্র্য আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিৰ জৰিয়তে আপুনি ভাৰতীয় আর্য ভাষাৰ পৰা কেনেদৰে ক্রমবিকশিত হৈ অসমীয়া ভাষাৰ উৎপত্তি হ'ল সেই সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে। তদুপৰি অসমীয়া ভাষাৰ ক্রমবিকশিত ৰূপৰ উপৰি অসমীয়া ভাষাৰ অনার্য উপাদানসমূহৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ সম্পর্কে অধ্যয়ন কৰিব।

আপুনি বাৰু মন কৰিছেনে — আমি মনৰ ভাব প্রকাশ কৰিবলৈ যাওঁতে যি ভাষা ব্যৱহাৰ কৰোঁ সেয়া যে মাথোন কিছুমান শব্দ বা শব্দৰ সমষ্টিহে। দৰাচলতে, এটা ভাষাৰ সমৃদ্ধি ভাষাটোৰ শব্দ-ভাণ্ডাৰৰ ওপৰতে নির্ভৰশীল। শব্দ-ভাণ্ডাৰৰ ক্ষেত্রত যি ভাষা চহকী সেই ভাষাৰ প্রকাশিকা শক্তিও বেছি। বক্তাই মনৰ ভাব প্রকাশ কৰিবলৈ যাওঁতে যেতিয়া নিজৰ ভাষাত উপযুক্ত শব্দ বিচাৰি নাপায় তেতিয়াই আন কোনো ভাষাৰ পৰা শব্দ ধাৰ কৰি প্রয়োগ কৰে। এনে কাৰণতে এটা ভাষাত বিভিন্ন উৎসৰ শব্দ পোৱা যায়। অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰলৈ চালেও কেইবাটিও উৎসৰপৰা অহা শব্দ দেখা যায়। এই অধ্যায়টিত অসমীয়া শব্দমালাৰ এটি শ্রেণীবিভাজন দাঙি ধৰা হৈছে। লগতে সংস্কৃত, আন আর্যমূলীয় শব্দ আৰু অসমীয়া ভাষালৈ আন আন ভাষাৰ পৰা অহা শব্দগুচ্ছ সম্পর্কে বিশদভাৱে আলোচনা কৰা হৈছে। এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আপুনি অসমীয়া শব্দ-ভাণ্ডাৰৰ উক্ত বিষয় সন্দর্ভত প্রয়োজনীয় সমল আহৰণ কৰিবলৈ নিশ্চয় সমর্থ হ'ব।

১৩.৩ অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ

অসমীয়া ভাষা আর্যমূলীয় ভাষা। সেই কাৰণে অসমীয়া ভাষাৰ শব্দমালাৰ মূল উৎস ভাৰতীয় আর্যভাষা। কিন্তু হ'লেও যুগে যুগে স্থানীয় বিভিন্ন আর্য-বহির্ভূত আৰু অন্যান্য ভাৰতীয়, অ-ভাৰতীয় বিভিন্ন ভাষাৰ পৰাও ভালেসংখ্যক শব্দ আহি অসমীয়া শব্দ-ভাণ্ডাৰ চহকী কৰিছে। দৰাচলতে, বিভিন্ন তৎসম, অর্ধ-তৎসম, তদ্ভৱ শব্দ; অনা-আর্য ভাষাৰ শব্দ; ভাৰতৰ আন ভাষাৰ শব্দ; আৰবী, পার্চী আৰু তুর্কী শব্দ; ইউৰোপীয় ভাষা আৰু আন ভাষাৰ শব্দ; ধ্বন্যাত্মক শব্দ ইত্যাদি নানা উৎসৰ শব্দৰে অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ গঢ় লৈ উঠিছে।

'অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ' বুলিলে এখন ব্যাপক ক্ষেত্র বুলি বুজিব লাগিব। ইয়াত মান্য অসমীয়া ভাষাৰ লগতে কামৰূপী, গোৱালপৰীয়া আদি অসমীয়া উপভাষাসমূহৰ শব্দৰাজিও আলোচনাৰ ভিতৰলৈ আহিব। কিন্তু এতিয়ালৈকে অসমীয়া উপভাষাসমূহৰ শব্দমালাৰ সংগ্রহ সম্পূর্ণ হৈ উঠা নাই। সেয়ে অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰৰ আলোচনাই পূর্ণাংগ ৰূপ পোৱা নাই।

১৩.৪ অসমীয়া শব্দ-ভাণ্ডাৰৰ শ্রেণীবিভাজন

অসমীয়া ভাষাৰ প্রথিতযশা পণ্ডিত ডঃ বাণীকান্ত কাকতিয়ে *Assamese : Its Formation and Development* গ্রন্থত অসমীয়া শব্দভাণ্ডাৰৰ শ্রেণীবিভাগ কৰিছে এনেদৰে—

- নব্য ভাৰতীয় আর্য স্তৰৰ ধীৰ বিকাশৰ মাজেদি অহা সংস্কৃত বা ভাৰতীয় আর্য মূলৰ শব্দবোৰ অর্থাৎ তদ্ভৱ শব্দবোৰ।
- নব্য ভাৰতীয় আর্য ভাষাৰ উমৈহতীয়া কিন্তু সেই প্রাচীন উৎসত পাবলৈ নোহোৱা শব্দবোৰ।
- আন নব্য ভাৰতীয় আর্য ভাষাৰ পৰা অহা শব্দ।
- অনার্য ভাষাৰ শব্দবোৰ।
- ইংৰাজী আৰু ইউৰোপীয় ভাষাৰ পৰা অহা শব্দ।
- অসমীয়াৰ কালিকা বা ধ্বনিতাত্ত্বিক বৈশিষ্ট্যবোৰৰ সৈতে খাপ খুৱাই সাল-সলনি কৰি লোৱা মূল বা পৰিৱর্তিত ৰূপৰ সংস্কৃত শব্দ বা তৎসম শব্দ।

ডঃ কাকতিৰ এই শ্রেণীবিভাজনলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ মিশ্রিত আৰু ধ্বন্যাত্মক শব্দৰ বিষয়ে একো আলোচনা কৰা নাই। তদুপৰি তৎসম, অর্ধ-তৎসম আৰু তদ্ভৱ শব্দক তেওঁ সুকীয়া শ্রেণীৰ মর্যাদা দিছে। কিন্তু এইবোৰ সংস্কৃতৰ লগত সম্পর্কিত শব্দ। সেয়ে মূল শ্রেণীটো সংস্কৃতমূলীয় নতুবা আর্যমূলীয় বুলি কৈ তৎসম, অর্দ্ধ-তৎসম আৰু তদ্ভৱক তাৰ উপভাগত ধৰাটো সমীচীন হ'ব বুলি পণ্ডিতসকলে মতামত প্রকাশ কৰিছে।

ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই *অসমীয়া ভাষা আৰু সংস্কৃতি* গ্রন্থত অসমীয়া শব্দমালাৰ বিষয়ে আলোচনা কৰোঁতে অসমীয়া শব্দমালাক চাৰি শ্রেণীত ভগাব পাৰি বুলি কৈছে। সেয়া হৈছে — তৎসম, তদ্ভৱ, দেশী আৰু বিদেশী। ডঃ উপেন্দ্রনাথ গোস্বামীয়ে *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ* গ্রন্থত অসমীয়া শব্দভাণ্ডাৰৰ বিষয়ে আলোচনা আগবঢ়াইছে। তেওঁৰ মতে অসমীয়া শব্দমালাৰ প্রধান উৎসকেইটা হ'ল— তৎসম আৰু অর্দ্ধ-তৎসম শব্দ, তদ্ভৱ শব্দ, দেশী শব্দ; ভাৰতৰ আন ভাষাৰ শব্দ; আৰবী, পার্চী আৰু তুর্কী শব্দ; ইউৰোপীয় ভাষা আৰু আন ভাষাৰ শব্দ; অনা-আর্য ভাষাৰ শব্দ; ধ্বন্যাত্মক শব্দ।

আলোচনাৰ সুবিধার্থে আমি অসমীয়া ভাষাৰ শব্দাৱলীক তলত দিয়া ধৰণে শ্রেণীবিভাজন কৰিব পাৰোঁ —

- সংস্কৃত/আর্যমূলীয় শব্দ
  - তৎসম
  - অর্ধ-তৎসম
  - তদ্ভৱ
- অনা-আর্যমূলীয় শব্দ
  - অষ্ট্র-এছিয়াটিক
  - তিব্বতবর্মী

- থাই আহোম
- দ্রাৱিড়

- ধাৰ কৰা শব্দ
  - ভাৰতীয়
  - অ-ভাৰতীয়
  - অনুবাদ
- অশ্রেণীভুক্ত শব্দ
  - মিশ্র শব্দ
  - ধ্বন্যাত্মক শব্দ



চিন্তা-চর্চা কৰক — ১৩.১

কালিৰাম মেধি, ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° সত্যেন্দ্রনাথ শর্মা, ড° উপেন্দ্রনাথ গোস্বামী, ড° ৰমেশ পাঠক, ড° ভীমকান্ত বৰুৱা আদি ভাষাতত্ত্ববিদসকলে অসমীয়া শব্দমালাৰ বিষয়ে আলোচনা কৰিছে। এওঁলোকে অসমীয়া শব্দমালাৰ শ্রেণীবিভাজন কি কি ধৰণে কৰিছে তুলনা কৰি চাওক।

.....

.....

.....

.....

১৩.৫ সংস্কৃত/আর্যমূলীয় শব্দ

আপুনি নিশ্চয় অৱগত যে অসমীয়া মূলতঃ এটি আর্য ভাষা। অন্যান্য নব্য ভাৰতীয় আর্য ভাষাৰ দৰেই অসমীয়া ভাষায়ো প্রাচীন ভাৰতীয় আর্য ভাষাৰ পৰা ক্রমবিকাশৰ বিভিন্ন স্তৰ অতিক্রম কৰি বর্তমানৰ ৰূপ পাইছে। যুগ পৰিৱর্তনৰ বিভিন্ন সময়ত বিবিধ আর্যভিন্ন উপাদানে অসমীয়া ভাষাক সমৃদ্ধিশালী কৰি আহিছে। উল্লেখযোগ্য যে অসমীয়া ভাষা আর্য ভাষা সম্ভূত হোৱা বাবেই ইয়াত আর্যমূলীয় বা সংস্কৃতমূলীয় শব্দৰ সংখ্যা বেছিকৈ পোৱা যায়।

অসমীয়া ভাষাৰ সংস্কৃতমূলীয় শব্দবোৰ তিনিটা ভাগত ভগাব পাৰি। যথা—

- তৎসম শব্দ
- অর্ধ-তৎসম শব্দ আৰু
- তদ্ভৱ শব্দ।

১৩.৫.১ তৎসম শব্দ

'তৎসম' মানে তাৰ-সমান অর্থাৎ অবিকৃত সংস্কৃত শব্দ। যিবিলাক সংস্কৃত শব্দ কোনো পৰিৱর্তন নোহোৱাকৈ অবিকৃতভাৱে অসমীয়া ভাষাত প্রচলিত হৈ আছে সেইবিলাক শব্দকে তৎসম বুলি কোৱা হয়। যেনে — পদ্ম, কমল, কর্ম্ম, ধর্ম্ম, পিতা, ঈশ্বৰ, সত্য, ৰক্ষা, ভাষা, গৃহ, দর্শন, সূর্য, অন্য, শ্রাদ্ধ, বৈদ্য, শূদ্র ইত্যাদি।

এইখিনিতে এটা মন কৰিবলগীয়া কথা হ'ল যে অসমীয়াৰ এই তৎসম বোলা শব্দবোৰৰ উচ্চাৰণ কিন্তু সংস্কৃতৰ লেখীয়া নহয়। সেয়ে আক্ষৰিক অর্থত বা উচ্চাৰণৰ দিশৰ পৰা অসমীয়াত তৎসম শব্দ নাই। কাৰণ সংস্কৃত ভাষাৰ বহুবোৰ ধ্বনি অসমীয়া ভাষাত পাবলৈ নাই। সেইবাবে এনে শব্দবোৰৰ উচ্চাৰণ অসমীয়া ভাষাত সলনি হৈছে। উদাহৰণস্বৰূপে সত্য, আকাশ, ভাষা আদি সংস্কৃত শব্দৰ উচ্চাৰণ অসমীয়াত সম্পূর্ণ বেলেগ। সংস্কৃতৰ দন্ত্য 'স', মূর্ধন্য 'ষ' আৰু তালব্য 'শ'-ৰ উচ্চাৰণ অসমীয়াত নাই; তাৰ ঠাইত কেৱল অঘোষ পশ্চ তালব্য উষ্ম 'স'-ৰ উচ্চাৰণ হয়। অৱশ্যে এই শব্দসমূহ লিখোঁতে সংস্কৃত বানানতেই লিখা হয় আৰু এনে শব্দৰ সন্ধি, সমাস, ণ-ত্ব-বিধি, ষত্ব-বিধিৰ ক্ষেত্রত সংস্কৃত ব্যাকৰণৰ নীতি-নিয়মসমূহ মানি চলা হয়। সেয়ে উচ্চাৰণগত পার্থক্য থকা সত্ত্বেও যিবোৰ শব্দ মূলৰ দৰে অবিকৃত ৰূপত লিখা হয় তেনে শব্দবোৰক তৎসম শব্দ বুলিয়েই ক'ম।

১৩.৫.২ অর্ধ-তৎসম

'অর্ধ-তৎসম' মানে 'আধা তাৰ সমান' অর্থাৎ আধা তৎসম। যিবিলাক তৎসম শব্দ উচ্চাৰণৰ সৰলীকৰণৰ ফলত অবিকৃতভাৱে নাথাকি কিছু পৰিৱর্তন হৈ অসমীয়া ভাষাত প্রচলিত হৈছে সেইবিলাক শব্দকে কোৱা হয় অর্ধ-তৎসম বা ভগ্ন-তৎসম শব্দ। যেনে —

তৎসম	*অর্ধ-তৎসম*
ভক্তি	ভকতি
মর্ম্ম	মৰম
ৰত্ন	ৰতন
যত্ন	যতন
বার্তা	বতৰা, বাৰতা
অন্য	অইন
শস্য	শইচ
স্বপ্ন	সপোন
শ্রাদ্ধ	শৰাধ

শূদ্র	শূদিৰ
স্বর্গ	সৰগ, সর্গ
শুক্ল	শুকুলা, ইত্যাদি।

আমি জানি থ'ব লাগিব যে অর্ধ-তৎসম শব্দবোৰ মধ্য ভাৰতীয় আর্যভাষাৰ মাজেদি অসমীয়া ভাষালৈ অহা নাই। এনে শব্দত তৎসম বা তদ্ভৱ শব্দৰ ৰূপ বা বৈশিষ্ট্যও পাবলৈ নাই। এই শব্দবোৰত সংস্কৃত শব্দৰ এটি সৰলীকৃত ৰূপহে দেখিবলৈ পোৱা যায়।

১৩.৫.৩ তদ্ভৱ শব্দ

তদ্ভৱ মানে 'তাৰ পৰা উদ্ভৱ হোৱা' অর্থাৎ সংস্কৃতৰ পৰা উদ্ভৱ হোৱা শব্দ। যিবিলাক সংস্কৃত শব্দই পালি-প্রাকৃতৰ মাজেদি ধাৰাবাহিক পৰিৱর্তন লাভ কৰি অসমীয়া স্তৰ পাইছেহি সেইবিলাক শব্দকে তদ্ভৱ শব্দ বোলা হয়। অসমীয়া ভাষাত তদ্ভৱ শব্দৰ সংখ্যা সর্বাধিক। তদ্ভৱ শব্দবোৰৰ প্রাকৃত স্তৰতে বিৰাট পৰিৱর্তন ঘটিছিল। অসমীয়া স্তৰ পাওঁতে এই শব্দবোৰে এনে ৰূপ লৈছেহি যে মূল ৰূপটো নির্ণয় কৰাই কঠিন। ড° ৰমেশ পাঠকেও *অসমীয়া ভাষাৰ ইতিহাস* গ্রন্থত উল্লেখ কৰিছে যে অসমীয়া ভাষাত তদ্ভৱ শব্দৰ সংখ্যাই সর্বাধিক। এনে হোৱাৰ কাৰণ হিচাপে তেওঁ কিছু যুক্তিও আগবঢ়াইছে। তেওঁৰ মতে —

> প্রাক্-বৈষ্ণৱ যুগ আৰু বৈষ্ণৱ যুগৰ কবিসকলে বিষয়বস্তুৰ সৌন্দর্য্য ৰক্ষা, দার্শনিক ভাব প্রকাশৰ বাবে ঘৰুৱা শব্দৰ নাটনি, বিস্তৃতিৰ ভয়, মাতৃভাষালৈ তর্জমা কৰাৰ দোষ আদি বহুতো কাৰণতে তৎসম শব্দৰ প্রয়োগ কৰিবলৈ বাধ্য হৈছিল। আনহাতে তেখেতসকলৰ উদ্দেশ্য আছিল— সর্বসাধাৰণে বুজিব পৰা ভাষাত লিখাটো। কিন্তু সমসাময়িক যুগৰ ধ্যান-ধাৰণালৈ চাই একেবাৰে ঘৰুৱা ভাষাত শাস্ত্রৰ ভাঙনি কৰাটোও আছিল কঠিন কাম। স্বাভাৱিকতেই কবিসকলে মধ্যম পন্থা এটা অনুসৰণ কৰিবলগা হৈছিল। অৱশ্যে তদ্ভৱ শব্দ প্রয়োগৰ সচেতন প্রচেষ্টা এটা সততে চকুত পৰে। যদি অসমীয়া উচ্চাৰণমতে লিখা বানানবোৰ উপেক্ষা কৰা হয় তেনে হেম সৰস্বতীৰ *প্র।াদ চৰিতত* শতকৰা ৪০ ভাগ শব্দহে তৎসম। মাধৱ কন্দলিৰ *ৰামায়ণৰ* অযোধ্যা কাণ্ডত তদ্ভৱ শব্দৰ সংখ্যা হ'ল ৫২.১% । শংকৰদেৱৰ লিখাত তৎসম আৰু তদ্ভৱ শব্দৰ প্রয়োগ নির্ভৰ কৰিছে বিষয়বস্তুৰ ওপৰত। *অজামিল উপাখ্যানত* তৎসম আৰু তদ্ভৱ শব্দৰ সংখ্যা প্রায় সমান (৫০.৬০% আৰু ৪৯.৩০%); কিন্তু *ধ্যান বর্ণত* তদ্ভৱ শব্দৰ সংখ্যা মাত্র ৩৩.৭৮% হে ।
>
> ভাষাৰ স্বাভাৱিক গতি সৰলতামুখী। অসমীয়া ভাষাও ইয়াৰ ব্যতিক্রম নহয়। এইযাৰ কথা সঁচা যে প্রাচীন যুগৰ লিখকসকলৰ সীমাবদ্ধতা আছিল বাবেই ভাষাৰ ক্ষেত্রত আশা কৰা মতে ঘৰুৱা প্রকাশ-ভংগীয়ে প্রাধান্য বিস্তাৰ কৰিব পৰা নাছিল। মধ্যযুগত

এই সীমাবদ্ধতা আঁতৰি গ'ল আৰু *কথা গুৰু চৰিতত* আমি কথ্য ৰূপ পালো।

ৰমেশ পাঠকদেৰে তেওঁৰ এইখন কিতাপতে অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন তদ্ভৱ শব্দৰ কেইবাখনো তালিকা উল্লেখ কৰিছে। শিক্ষার্থীসকলৰ সুবিধার্থে আমি সেই তালিকাকেইখন এই অধ্যায়টোত সন্নিৱিষ্ট কৰিলোঁ।

কেইটামান বিশেষভাৱে উল্লেখ কৰা শব্দ হ'ল —

সংস্কৃত	*প্ৰাকৃত*	*তদ্ভৱ*
উপাধ্যায়	উৱ্জ্ঝাঅ	ওজ্ঝাঅ, ওজা
ঘৃত	ঘিঅ	ঘী, ঘিউ
মধ্য	মজ্ঝ	মাজ
কর্তাৰিকা	কট্টাৰিআ	কাটাৰী-কটাৰী
কৃত্যগৃহ	কচ্চহৰিঅ	কাছাৰী
দক্ষিণ	দক্খিন	দখিন
জ্যোৎস্না	জোন্হা	জোনাক
পুস্তিকা	পুতথিআ	পুথি
ৰাত্রি	ৰত্তি	ৰাতি
মৃত্তিকা	মট্তিয়া	মাটি
দীর্ঘঃ	দীগ্ঘো	দীঘ
অংকুশ	অংকুস	আঁকুহি
অঙ্গুঠ	অংগুট	আঙুঠি
অঞ্চল	অংচল	আঁচল
অদ্য	অজ্জ	আজি
দ্যুত	জুঅ	জুৱা
উৎশ্বাস	উস্সাস	উশাহ
বাষ্প	বপ্ফ	ভাপ
পুষ্কৰিণী	পোক্খৰিণী	পুখুৰী
সূত্রং	সূত্তম	সূতা

অসমীয়া সম্বন্ধবাচক শব্দবোৰো মূল সংস্কৃত। তেওঁ তাৰো এখন তালিকা দিছে। সেয়াও আমি সন্নিৱিষ্ট কৰিলোঁ —

সংস্কৃত	*প্ৰাকৃত*	*অসমীয়া*
নপ্তৃক	নট্টিঅ	নাতি
পতি	পঈ	পৈ
মামকঃ	মামও	মোমাই
ভ্রাতৃকঃ	ভাইঅ	ভাই

বধুকা-বধু	বহুআ-বহু	বৌ
ধীদা, দুহিতা	জিআ	জী
জেষ্ঠ	জেতুথো	জেঠা
দেৱৰ	দিঅৰ	দেওৰ
শ্বশ্রূক	সাসু	শাহু
ভগ্নী > ভগিনী	ভইনী	ভনী
জামাতৃক	জামাউঅ	জোঁৱাই
মাতৃ স্বশৃকা	মাউসীআ	মাহী
পিতৃ স্বশৃকা	পিউসীআ	পেহী
বপ্র	বপ্পো	বাপ

ইয়াৰ বাহিৰে অসমীয়া ভাষাত ব্যৱহাৰ হোৱা আন আন সম্বন্ধবাচক শব্দবোৰ আর্য-ভিন্ন ভাষাৰ পৰা আহিছে। এই বিষয়ে ইতিমধ্যে আপুনি কিছু কথা ইয়াৰ পূর্বৱর্তী অধ্যায় দুটাত অধ্যয়ন কৰি আহিছে। মন কৰিবলগীয়া যে সেই অধ্যায়তে উল্লেখ কৰি অহা হৈছে যে অসমীয়া ভাষাৰ কথিত ৰূপত ব্যৱহৃত গুপ্তাংগবাচক শব্দবোৰ আর্য-ভিন্ন ভাষাৰ পৰা আহিছে; কিন্তু স্মৰণযোগ্য যে অংগবাচক প্রায়বোৰেই সংস্কৃতৰ পৰা অহা। ৰমেশ পাঠকদেৱে উল্লেখ কৰা সেইখন তালিকাও ইয়াত সন্নিবিষ্ট কৰা হ'ল —

অসমীয়া	*সংস্কৃত*
মূৰ	মুণ্ড
চকু	চক্ষু
কাণ	কর্ণ
নাক	নক্র
ওঁঠ	ঔষ্ঠ
তপিনা	তলপন
থুঁতৰি	ত্রোটি
হাত	হস্ত
কঁকাল	কঙ্কাল
বুকু	বুকক
কাষতলী	কক্ষতলী
গোঁফ	গুস্ফ
আঁঠু	অষ্ঠিৱৎ

অসমত পোৱা গছ-গছনিবোৰৰ নাম অধিকাংশই আর্যভাষা সম্ভূত। সেইবাবেই

পাঠক ডাঙৰীয়াই মন্তব্য কৰে যে — "আর্য্যসকল অসমলৈ অহাৰ আগতে অনা-আর্য্যসকল ইয়াত আছিল আৰু স্বাভাৱিকতেই তেওঁলোকে ইয়াৰ গছ-গছনিৰ একোটা নাম দিছিল। সম্ভৱতঃ আর্য্যসকলে এই নামবোৰ গ্ৰহণ নকৰি ইতিমধ্যে পৰিচিত নামবোৰকে চলাইছিল। অসমীয়া গছৰ নামবোৰৰ বেছিভাগেই সংস্কৃত মূলৰ পৰা অহা কথাই আমাৰ অনুমানৰ সত্যতা প্ৰমাণ কৰে।" উদাহৰণ হিচাপে তেওঁ বিভিন্ন ফল-মূল, শাক-পাচলি তথা গছ-লতিকাৰ নামৰ তালিকা দিছে। আমি ইয়াত সেইখনেই উল্লেখ কৰিলোঁ—

অসমীয়া	*সংস্কৃত*
নেমু	নিম্বু
আম	আম্র
অমৰা	আম্রতক
তেঁতেলী	তিন্তিলিকা
কঁঠাল	কণ্টক-ফল
কল	কদল
ডালিম	দাড়িম্ব
কুঁহিয়াৰ	কোষকাৰ
জাম	জম্বু
খেজুৰ	খর্জুৰ
সোণাৰু	সুবর্ণদাৰু
চতিয়ানা	ছত্রীপর্ণ
বেল	বিল্ব
পুই	পুতিকা
কলমৌ	কলম্ব
কোমোৰা	কুষ্মাণ্ড
লাউ	অলাবু
হালধি	হৰিদ্রা
সৰিয়হ	সর্বপ
পালেং	পললংক < পর্য্যংক
লাই	ৰাজিকা
আকণ	আর্কপর্ণ
আঁহত	অশ্বখ
শিমলু	শিম্বল
ইকৰা	ইককট

এৰা	এৰণ্ড
ওদাল	উদ্দাল
বিৰিণা (অ-তৎ)	বিৰণ
বাঁহ	বংশ
উলু	উলুপ
কপাহ	কর্পাস
পাকৰি	পর্কটি
মদাৰ	মন্দাৰ
গছ	গচ্ছ
শেৱালি	সেফালিকা
দুবৰি	দুর্বা
নাহৰ	নাগেশ্বৰ
নেৱালি	নৱমাল্লিকা- নয়মল্লিআ
ধান	ধান্য

এইবোৰৰ উপৰি বিভিন্ন জীৱ-জন্তুৰ নাম, পোক-পৰুৱাৰ নাম, চৰাই-চিৰিকটিৰ নাম, মাছ-পুঠিৰ নাম আদিও সংস্কৃতমূলীয়। তাৰো তালিকা ৰমেশ পাঠকে উল্লেখ কৰি গৈছে। আপোনাৰ সুবিধার্থে সেইখনো ইয়াত সন্নিৱিষ্ট কৰিলোঁ —

অসমীয়া	*সংস্কৃত*
কুকুৰ	কুকুৰ
শিয়াল	শৃগাল
গৰু	গোৱ্দপ
ঘোড়া	ঘোটক
হাতী	হস্তী
বলদ	বলিৱদ
নেউল	নকুল
গঁড়	গণ্ডাৰ
ভালুক	বল্লুক
বাঘ	ব্যাঘ্র
উট	উষ্ট্র
গাই	গাভী
উৰহ	উদ্দংশ
উঁই-চিৰিঙা	উচ্চিটিঙ্গা
উঁই	য়ুকা

ওকণি	উৎকুণিকা
কেঁচু	কিঞ্চুলুক
পিঁপৰা	পিপীলিকা, পিপীলঃ
ফৰিং	পতংগ
বৰল	বৰত
শামুক	শম্বুক
চৰাই	চটকিকা >চড়ইআ
কাউৰী	কাক
কুকুৰা	কুক্কুট
পখিলা	পক্ষী
ফেঁচা	পেচক
বগলী	বক
পাৰ	পাৰাৱত
হাঁহ	হংস
ভাটৌ	ভট্টক
ম'ৰা	ময়ূৰ
মইনা	মদনিকা
ভোমোৰা	ভ্রমৰ
মাখি	মক্ষিকা
বাদুলি (অ.ত)	বাতুলি
মাছ	মৎস্য
বৰালি	বদাল
কাৰৈ	কৱয়ী
কুৰিহা	কুড়িশ
গৰৈ	গড়ক
পুঠি	প্রোষ্ঠিক
খলিহনা	খলিণ
ৰৌ	ৰোহিত
শিঙি	শুঙ্গী
মাগুৰ	মদগুৰ
চিতল	চিত্রফল
আৰি	আটিকা
কাছ	কচ্ছপ

দূৰা দূড়ি

এই তালিকাকেইখনেই প্ৰমাণ কৰে যে অসমীয়া ভাষাত তদ্ভৱ শব্দৰ প্ৰচলন অধিক। ইতিমধ্যে উল্লেখ কৰা তালিকাকেইখনৰ উপৰি পাঠক ডাঙৰীয়াই দৈনন্দিন জীৱনত ব্যৱহৃত আৰু কিছু শব্দৰ এখন তালিকাও উল্লেখ কৰি গৈছে। সেয়াও আপোনাৰ সুবিধাৰ্থে ইয়াত অন্তৰ্ভুক্ত কৰিলোঁ —

অসমীয়া	*প্ৰাকৃত*	*সংস্কৃত*
পকা	পকক, পিকক,	পককং
যখ	জক্খো	যক্ষ
শুকান	সুক্কম, সুক্খম	শুষকং
মগু	মগ্গু	মদগুঃ
মিছা	মিচ্ছা	মিথ্যা
উছাহ	উচ্ছাহো	উৎসাহ
উজু	উজ্জু	ঋজু
মুঠ	মুট্ঠি	মুষ্টি
চৌথা	চউট্ঠো	চতুর্থঃ
বুঢ়া	বুডঢো	বৃদ্ধ
জীণ	জীণ্নো	জীর্ণ
উছন্ন	উচ্ছন্নো	উৎসন্নঃ
আপোন	অপ্পন্নো	আস্মন
ঘাম	ঘম্মো	ঘর্ম
মাটি	মট্টিআ	মৃত্তিকা
বাছা	বচ্ছো	বৎসঃ
দীঘ	দিগ্ঘো	দীর্ঘঃ
নাহল	নংগলং	লাঙ্গল
বাৰী	বাড়িআ	বাটিকা
সাঁজ	সংঝা	সন্ধ্যা
গাঁঠি	গণ্ঠী	গ্রন্থিক
লাৰু	লড্ডুএ	লড্ডুক
গাভিন	ভাব্ভনী	গর্ভিনী
বাকলি	বক্কল	বল্কল
চোলা	চোলঅ	চোলকঃ

এইবোৰৰ উপৰি দৈনন্দিন জীৱনৰ লগত জড়িত দিন, মাহ আদিৰ নাম, কুৰি আৰু হাজাৰক বাদ দি ব্যৱহাৰ কৰা অসমীয়া সংখ্যাবাচক শব্দবোৰ সংস্কৃতৰ পৰা অহা।



জানি থোৱা ভাল

অসমীয়া ভাষাটো প্ৰধানতঃ প্ৰাচীন-ভাৰতীয় আৰ্য-ভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্য ভাষাৰ মাজেদি বিকশিত হোৱা হেতুকে এই ভাষাত তদ্ভৱ শব্দৰ সংখ্যা বেছি । "অসমীয়াত তদ্ভৱ শব্দৰ বেছি প্ৰচলন হোৱাৰ আন এটা কাৰণ হ'ল, অসমীয়া সাহিত্যৰ ভেটি-স্থাপনকৰ্তা প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ সাহিত্যিকসকলে সৰ্ব-সাধাৰণৰ বোধগম্যতাৰ্থে প্ৰয়োগ কৰা জনসাধাৰণৰ ভাষা। তাৰ পিছত আহোম ৰজাসকলৰ তত্ত্বাৱধানত ৰচনা কৰা বুৰঞ্জীবোৰ আৰু ইংৰাজ-যুগৰ আৰম্ভণিত মিছনেৰীসকলে চলোৱা *অৰুনোদই* কাকত, ব্ৰনছন চাহাবে ৰচনা কৰা অসমীয়া-ইংৰাজী অভিধান আদিতো কথিত ভাষাৰ প্ৰতি বিশেষ চকু দিয়া হেতুকে সাহিত্যৰ মাজেদি তদ্ভৱ শব্দ বেছিসংখ্যক সংৰক্ষিত হৈছে।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলত দিয়া শব্দবোৰৰ মাজৰ পৰা তৎসম, অৰ্ধ-তৎসম আৰু তদ্ভৱ শব্দবোৰ বাছি উলিয়াওক —

জোনাক, ঈশ্বৰ, ওজা, ভকতি, ৰত্ন, সইত, সৰগ, সঁচা, কাম, কৰম, কৰ্ম্ম, শ্ৰাদ্ধ, শৰাধ।

.....

.....

প্ৰশ্ন নং ২ ঃ 'অসমীয়া ভাষা সংস্কৃত ভাষাৰ পৰা ওলাইছে। সেই কাৰণে, ইয়াৰ সৰহভাগ শব্দ সংস্কৃত মূলজ।' — কথাষাৰক সঁচা বুলিব পাৰিনে?

.....

১৩.৬ অসমীয়া ভাষালৈ আন আন ভাষাৰ পৰা অহা শব্দগুচ্ছ

পূৰ্বৰ অধ্যায়ত অসমীয়া ভাষাৰ শব্দৰাজিৰ বিষয়ে আলোচনা কৰোঁতে আমি সংস্কৃত উৎসৰ (তৎসম, অৰ্ধ-তৎসম আৰু তদ্ভৱ) শব্দবোৰৰ বিষয়ে বিতংভাৱে জানিব পাৰিলোঁহক। এই অধ্যায়ত আমি সংস্কৃতৰ বাহিৰে অন্যান্য উৎসৰ পৰা অহা শব্দমালাৰ বিষয়ে আলোচনা কৰিম। প্ৰথমে, অনা-আৰ্যমূলীয় শব্দই কিদৰে অসমীয়া শব্দ-ভাণ্ডাৰ চহকী কৰিছে সেয়া আলোচনা কৰোঁ আহক।

১৩.৬.১ অনা-আৰ্যমূলীয় শব্দ

অসম প্ৰদেশত প্ৰচলিত অথচ সংস্কৃত বা প্ৰাকৃত আৰু বিদেশী ভাষাৰ পৰা


যিবোৰ শব্দ অহা নাই, সাধাৰণতে তাক অনা-আৰ্যমূলীয় বা দেশী বা দেশজ শব্দ বোলা হয়। অসমীয়া ভাষাৰ ভালেমান শব্দ এই দেশৰ প্ৰাচীনতম অধিবাসী অষ্ট্ৰিক, তিব্বতবৰ্মী আদি ভাষাগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন ভাষীৰ পৰা অহা। উল্লেখযোগ্য যে এনে দেশী শব্দৰ মূল নিৰ্ণয় কৰা টান। ড° বাণীকান্ত কাকতিয়ে তেওঁৰ *Assamese : Its Formation and Development* পুথিত দেশজ শব্দৰ বিষয়ে বহলাই আলোচনা কৰিছে। ড° বাণীকান্ত কাকতিয়ে এই শ্ৰেণীৰ শব্দক তিনিটা ভাগত ভাগ কৰিছে — ১) অষ্ট্ৰ-এছিয়াটিক, ২) তিব্বত-বৰ্মী আৰু ৩) থাই আহোম।



জানি থোৱা ভাল

অসমীয়া ভাষাটোক অনা-আৰ্য ভাষাৰ সাগৰৰ মাজত থকা এটা সৰু দ্বীপৰ নিচিনা বুলি কোৱা হয়। কাৰণ অসমীয়া ভাষাৰ চাৰিওকাষে বিভিন্ন গোষ্ঠীৰ অনা-আৰ্য ভাষাৰ প্ৰচলন হৈ আহিছে। লগতে উল্লেখযোগ্য কথা এয়ে যে এই ভাষা কেৱল আৰ্য প্ৰজাতিৰে ভাষা নহয়। আৰ্যৰ লগতে অসমৰ অনাৰ্য লোকসকলেও অসমীয়া ভাষা ব্যৱহাৰ কৰে। সেইবাবেই অসমীয়া ভাষাত অনা-আৰ্য ভাষাৰ উপাদান প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হোৱা দেখা যায়।

ৰেখা চিত্ৰৰ সহায়ত অসমৰ অনাৰ্যমূলীয় শব্দসমূহৰ সম্ভাব্য উৎস এনেদৰে নিৰ্দেশ কৰিব পাৰি —



➢ *অষ্ট্ৰ-এছিয়াটিক ঃ* অষ্ট্ৰ-এছিয়াটিক ভাষা অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত। ড° বাণীকান্ত কাকতিদেৰে অষ্ট্ৰিকৰ ভিতৰুৱা খাচী, কোল-মুণ্ডা, চাওতালী আৰু মালয় ভাষাৰ শব্দ কিছুমানৰ লগত অসমীয়া শব্দৰ সাদৃশ্য দেখুৱাইছে। ইয়াৰে খাচী ভাষাৰ পৰা অহা বুলি অনুমান কৰা শব্দ কিছুমান হ'ল — কাৰৌ, কিংখাপ, খামোচ্, খং, চোকোৰা, নোদোকা, ডোং, মেথোন্, হেনো, জঁপা, জঞ্জাল্, জহা, শাল্মন্ ইত্যাদি।

ড° বাণীকান্ত কাকতিদেৰে অসমীয়া শব্দসম্ভাৰত কোলাৰীয় উপাদানৰ বিষয়ে আলোচনা কৰিবলৈ গৈ তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াইছে। তেখেতে লিখিছে —

> অন্য অনাৰ্য ভাষাৰ প্ৰভাৱতকৈ অসমীয়াত কোলাৰীয় ভাষাবোৰৰ প্ৰভাৱ বেছি গভীৰ ফলকাৰক যেন লাগে। অসমীয়াৰ আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ লক্ষণ হৈছে

সম্বন্ধবাচক বিশেষ্যৰ পাচত প্রত্যয় যোগকৰণ।

যাৰে সৈতে সম্বন্ধ দেখুওৱা হয়, তেওঁৰ মর্যাদা আৰু বয়সৰ খলপ অনুযায়ী সম্বন্ধ দেখুৱাবলৈ নির্দিষ্ট শব্দও আছে। এই বিশেষত্ববোৰ তিব্বত-বর্মী প্রভাৱ বুলি সাধাৰণতে কোৱা হয়। কিন্তু তিব্বত-বর্মী ভাষাবোৰৰ সম্বন্ধবাচক বিশেষ্যত পূর্বসর্গহে যোগ হয়। কোলাৰীয় ভাষাবোৰত আটাইকেউটা বিশেষত্ব দেখা যায়; এই বিশেষত্ববোৰ অসমীয়াই যে কোলাৰীয় ভাষাবোৰৰ পৰা ধাৰ কৰিছে এই বিষয়ে সন্দেহ কৰাৰ কোনো অৱকাশ নাই।

কোল-মুণ্ডা ভাষাৰ লগত মিল থকা অসমীয়া শব্দ কেতবোৰ হ'ল — আটোম-টোকাৰি, ডঙ্গুৰা, জুনা, লাটুম, চিকৰা, ঠেঁটুৰৈ, সোঁতা, -লেখীয়া ইত্যাদি। তেনেকৈ চাওতালী ভাষাৰ আকো-গোজা, আলাবাদু, ভোদা, চফল্, ঢিপ, গোঙ্গোৰা ইত্যাদি শব্দ উল্লেখযোগ্য।

মালয় ভাষাৰ লগত সাদৃশ্য থকা শব্দ কিছুমান হ'ল — আঁচু-সূতা, বগা, বোকা, বেজ্-বেজ্, চোং, জহা-মাল, গাহৰি, গেৰেহা, লেপেতা ইত্যাদি।



জানি থোৱা ভাল

ড° বাণীকান্ত কাকতিয়ে অসমৰ কিছুমান ঠাইৰ নাম (যেনে — প্রাগজ্যোতিষ, হাৰূপ্পেশ্বৰ, কামৰূপ, কামাখ্যা, তেজপুৰ আদি) মূলতে অষ্ট্রিক হ'ব পাৰে বুলি বিচাৰ-বিশ্লেষণ কৰি দেখুৱাইছে।

- *তিব্বত-বর্মী ঃ* তিব্বত-চীনীয় ভাষাগোষ্ঠীৰ অন্যতম শাখা তিব্বত-বর্মীৰ অন্তর্গত বড়োসকলৰ বিভিন্ন ফৈদে (বড়ো, ডিমাচা, চুতীয়া আদি) এসময়ত অসমত ৰাজত্ব কৰিছিল। বহুদিন ধৰি আর্যগোষ্ঠীয় লোকসকলৰ লগত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰি বসবাস কৰাৰ ফলত অসমীয়া ভাষাত বড়ো পৰিয়ালৰ বহুতো শব্দ সোমাই পৰিছিল; সেইদৰে অসমীয়া ভাষাৰ শব্দও বড়ো পৰিয়ালৰ ভাষাত সোমাইছিল। সেই কাৰণে বড়ো পৰিয়ালৰ ভাষা আৰু অসমীয়াৰ মাজৰ কেতবোৰ শব্দ কোনে কাৰ পৰা ধাৰ কৰা তাক বিচাৰি উলিওৱা টান। বড়ো মূলৰ পৰা অহা বুলি অনুমান কৰা কিছুমান ক্রিয়াৰ ধাতু হ'ল — চেলেক্, জিৰা, ৰেপ্, আ-গচ্, গচক্, চেঁকুৰ্, বখলিয়া, চেপ্ ইত্যাদি। সেইদৰে, খাম্ বান্ধ, গবামাৰ, বিৰদি আদিবোৰ হ'ল যৌগিক ক্রিয়াৰ উদাহৰণ।

বড়ো মূলৰ পৰা অহা বুলি অনুমান কৰা অন্য অসমীয়া শব্দবোৰ হৈছে — হাফলু, মাই-হাং, হাবাং, হামাহি, জখলা, লাঙ্গি, হোজা, হেঙ্গাৰ, খোকা, হাও-ফাও, বিজলুৰা, দোখৰ্, হোলোঙা, শিলিখা, ডাউক্, লফা, আব্রা ইত্যাদি।

দি-উপসর্গ থকা নৈৰ নামবোৰো বড়োৰপৰা হৈছে। যেনে — দিৰু, দিহং, দিবং, দিখৌ, দিগ্বই, মঙ্গলদৈ ইত্যাদি।

আনহাতে, মিছিং ভাষাৰপৰা অহা শব্দ কিছুমান হ'ল — অফলাছিগা, অগৰংবগৰং, কঁহুৱা, মুৰ্কংচেলেক, মুৰং, কেবাং, ঐনিতম, আলি আই লিগাং, আপং, ইত্যাদি। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা ভালেমান নদীবাচক শব্দ মিছিং ভাষাৰ পৰা অহা বুলি ধৰা হয়। বিশেষকৈ চি-ৰে আৰম্ভ হোৱা নদীৰ নামবোৰ; যেনে — চিয়াং, চিচি, চিলে, চিচেৰি, চিলুক (পাছিঘাটত আছে) আদি মিছিং ভাষাৰ পৰা অহা বুলি কোৱা হৈছে। প্রসঙ্গক্রমে উল্লেখযোগ্য যে মিছিং ভাষাত 'চি' মানে পানী।



জানি থোৱা ভাল

কালিৰাম মেধিয়ে *অসমীয়া ব্যাকৰণ আৰু ভাষা-তত্ত্ব* গ্রন্থত কুৰাং (কুকুৰ), কাবু, বাখৰ 'বাৰ্দ্দ', লিতিকাই আদি শব্দ খাচী ভাষাৰ পৰা; আলহী, কেৰেপ, হোৱা 'বোকোচা', কাকদোঙা, কলং (নৈ), লামডিং, মেংকুলি (মেকুৰী) আদি শব্দ কার্বি ভাষাৰ পৰা; কুৰুৱা, কেটেঙা, জিক্, হজুৱা, দৰং আদি শব্দ দেউৰী ভাষাৰ পৰা; আই 'মা', দোং, পেংলাই, ফতিকা, ফাইদাং, বৰলা, হোজাই (ঠাই) আদি শব্দ কছাৰী ভাষাৰ পৰা, আৰু চিচি (নৈ) শব্দ মিচিং ভাষাৰ পৰা অহা বুলি দেখুৱাইছে।

- *থাই-আহোম ঃ* থাই-আহোম ভাষাৰ পৰাও বিবিধ শব্দ আহি অসমীয়াত প্রচলিত হৈছে। অসমীয়াত ব্যৱহাৰ হোৱা আহোম শব্দ কিছুমান হ'ল — বুৰঞ্জী, টকালি, পাং, পোখা, পুং, ফাং, জান্, জেকা, জিন্, থাপ্ (তৰপ), কাৰেং, ৰংঘৰ, হাই (কোঢ়াল) ইত্যাদি। 'নাম'যুক্ত নদীৰ নামবিলাক আহোম ভাষাৰ যোগেদিয়েই অসমীয়ালৈ অহা বুলি অনুমান কৰা হয়। যেনে — নামতি, নামদাং, নামৰূপ আদি। 'নাম' শব্দৰ অর্থ আহোম ভাষাত 'পানী'। *Ahom Lexicon* নামৰ গ্রন্থত উল্লিখিত আহোম ভাষাৰ ভালেমান শব্দ অসমীয়া ভাষাত পোৱা যায়। তাৰে পৰা কেতবোৰ শব্দ তলত তুলি দিয়া হ'ল — আইচু (আহোম ডাঙৰীয়ানী), আপাদেউ, এনাইদেউ, উম, ওলমা, কাড়ফাই (ধনু), কাকিনি (তামোল), খিলঞ্জীয়া, খোৰোং, খুদ (চাউল), চাংমাই, চাওদাং, চকলং, চেনাই, চিৰিং (উপাধি বিশেষ), পাংপতা, পুথা (আজোককা), পুলিন পুথাও (প্রপিতামহ), বান বাটি, মোহন (পণ্ডিত), হাই কৰা, হিলৈ, হেংডান, লাই, লিগিৰা লিক্চৌ ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত দিয়া শব্দবোৰ কোন ভাষাৰ পৰা আহিছে— আলাবাদু, ভোদা, গাহৰি, গেৰেহা, অফলাছিগা, অগৰংবগৰং।

.....

.....

.....

➢ *দ্রাবিড় ঃ* অসমীয়া ভাষালৈ দ্রাবিড়ীয় ভাষাৰ অৱদান সম্পর্কে বৰ বেছি অধ্যয়ন হোৱা নাই। কালিৰাম মেধি ডাঙৰীয়াই কেইটামান অসমীয়া শব্দৰ মূল দ্রাবিড়ীয় ভাষা বুলি কৈছে; যেনে— আই (বসন্ত), আমৈ, চিনা (জোক), তেঁউৰ (মিৰ্গি-বেমাৰ), উৰুখ্, হোঁপ্, নদীবাচক আৰু/আলু (ভৰলু)। অৱশ্যে বৰ্তমান এই শব্দবোৰ কানাড়া বা তামিল ভাষাত ব্যৱহাৰ হোৱা দেখা নাযায়। মন কৰিবলগীয়া যে, সংস্কৃত ভাষাত— ওৰ, পুৰ, কুট আদি নগৰ নির্দেশক যিবোৰ শব্দ আছে সেইবোৰ দ্রাবিড়ৰ পৰা অহা বুলি কোৱা হৈছে। তদুপৰি স্থান, জলাতক ভূমি বুজোৱা জুলি (ঢেকিয়াজুলি), গুৰি, ভিটা আদি শব্দাংশ দ্রাবিড়ৰ পৰা অহা বুলি অনুমান কৰা হৈছে।

এই বিষয়ে আপুনি অসমীয়া ভাষাত আর্যভিন্ন ভাষাৰ উপাদান শীর্ষক অধ্যায় দুটিতো কিছু কথা অধ্যয়ন কৰি আহিছে।



জানি থোৱা ভাল

"ভাৰতীয় আর্যভাষাবোৰত, অন্য-মূলীয় ভাষাতো, এনে কিছুমান শব্দ পোৱা যায়, যিবোৰৰ মূল উৎস কি জনা নাযায়। তেনে মূল উৎস উদ্ধাৰ কৰিব নোৱাৰা অসংখ্য শব্দ আনকি সংস্কৃত ভাষাত, আৰু তাৰ পৰা ওলোৱা প্রাকৃত-অপভ্রংশ স্তৰৰ ভাষাবোৰতো সোমাইছিল। সংস্কৃত আৰু প্রাকৃত-অপভ্রংশ স্তৰতে সোমোৱা শব্দবোৰ আমি অসমীয়াতো পাইছোঁ।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খাচী, কোল-মুণ্ডা আৰু মালয় ভাষাৰ লগত সাদৃশ্য থকা তিনিটাকৈ শব্দ উল্লেখ কৰক।

.....

প্রশ্ন নং ৫ ঃ জখলা, হাও-ফাও, বিজলুৰা, শিলিখা— এই শব্দকেইটা বড়োমূলীয় শব্দ বুলি কোৱা হয়। কথাষাৰ সঁচানে?

.....

প্রশ্ন নং ৬ ঃ 'নাম'যুক্ত নদীনামবিলাক কোন ভাষাৰ যোগেদি অসমীয়ালৈ অহা বুলি অনুমান কৰা হয়?

.....

১৩.৬.২ ধাৰ কৰা শব্দ

সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অর্থনৈতিক আদি ক্ষেত্রলৈ নতুন ভাবধাৰা বা বস্তুৰ আমদানি হ'লে আৰু সেই ভাব বা বস্তুবোৰ বুজাবলৈ নিজৰ ভাষাত শব্দৰ নাটনি হ'লে এটা ভাষাই আন ভাষাৰ পৰা শব্দ গ্রহণ কৰে। এনে শব্দকে ধাৰ কৰা শব্দ বোলে। অসমীয়া ভাষালৈও এনেবিধ শব্দৰ আমদানি হৈছে। তদুপৰি অন্য ভাষাৰ প্রতি থকা শ্রদ্ধা বা উচ্চ ভাবৰ বাবেও অসমীয়া ভাষাত বিবিধ শব্দ সোমাইছে। যেনে — 'ডাঙৰীয়া' বা 'মহাশয়'ৰ সলনি 'ছাৰ' (Sir), 'সভা'ৰ সলনি 'মিটিং'(meeting) ইত্যাদি।

আলোচনাৰ সুবিধাৰ অর্থে ধাৰ কৰা শব্দবোৰক দুটা ভাগত ভগাব পাৰি — ভাৰতীয় আৰু অ-ভাৰতীয় শব্দ।

- *ভাৰতীয় শব্দ ঃ* ভাৰতৰ বিভিন্ন প্রাদেশিক ভাষাবিলাকৰ পৰা যিবিলাক শব্দ আহি অসমীয়াত সোমাইছে, সেইবিলাককে 'ভাৰতীয় শব্দ' বুলি অভিহিত কৰিব পাৰি। এনে ভাৰতীয় শব্দ কিছুমান হ'ল —
  - বাংলা ভাষাৰ — বেতাৰ, কেলেংকাৰী, ভেজাল, ৰসগোল্লা, সন্দেশ ইত্যাদি।
  - হিন্দী ভাষাৰ — জানোৱাৰ, খানা, খতম, ঠেলাৱালা, খাদী, ঘেৰাও, ডকাইত, পাংখা, গোল, সস্তা, জোতা, সব্জী, বাচ্ছা ইত্যাদি।
  - মাৰাঠী ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ — খাপ, গাঁওবুঢ়া, বেজী, তাণ্ডৰণ, বৰঙণি, খন্তাচোৰ আদি।
  - গুজৰাটী শব্দ — হৰতাল।
- *অ-ভাৰতীয় শব্দ ঃ* বহিঃ ভাৰতীয় অর্থাৎ ভাৰতৰ বাহিৰৰ বিভিন্ন ভাষাৰ পৰাও নানা শব্দ আহি অসমীয়া শব্দ-ভাণ্ডাৰত সোমাইছেহি। সেইবোৰকে অ-ভাৰতীয় শব্দ বোলা হৈছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই ভাৰতৰ বাহিৰৰ পৰা অহা অর্থাৎ অ-ভাৰতীয় শব্দসমূহক দুই শ্রেণীত ভাগ কৰিছে — পার্চী আৰু ইউৰোপীয়। পার্চীৰ ভিতৰত পার্চী, আৰবী আৰু তুর্কী ভাষাৰ শব্দ আছে। ইয়াৰে তুর্কী শব্দসমূহ ঘাইকৈ পার্চীৰ মাজেদিহে অসমীয়াত সোমাইছে। উদাহৰণস্বৰূপে —
  - পার্চীৰ পৰা অহা কিছুমান শব্দ হ'ল — আইনা, আৰাজ, আপাছোছ, আস্তে-আস্তে, আন্দাজ, কাগজ, কাৰবাৰ, খৰছ, খোৰাক, কিছমিছ, গৰম, গোলাপ, জখম, জানোৱাৰ, জেদী, তক্তা, থুনুকা, দর্জী, দর্মহা, দর্জা, দস্তুৰ, দোকান, দানা, দাগাবাজ, দাৰোগা, দালান, নৰম, নাৰাজ, পছন্দ, পোছাক, পাঞ্জা, পিয়লা, বৰখাস্ত, বৰবাদ, বন্দবস্ত, বালিছ, মছলা, মোহৰ, মেতৰ, ৰেহাই।
  - আৰবীৰ পৰা লোৱা শব্দ কিছুমান হ'ল — ইস্তফা, এলাকা, এজাহাৰ, কাজিয়া, কলম, কেৰেয়া, কিস্তি, খতম, খবৰ, খাতিৰ, গৰজ, ছখ, ছৰবত, ছাফা, চালাম, ছাবোন, ছহী, জাহাজ, জিম্মা, তদাৰক, তহবিল, তমাছা, তাবীজ, দখল,

দোৱাত, নজৰ, নকল, নগদ, ফছল, বদল, বাব, বাবদ, বেঈমান, মামলা-মকর্দমা, মুৰব্বী, মছকিল, মেৰামত, মেজাজ, মেদ, মেহনত, ৰায়ত, ৰাজী, লেফাফা, লেপ, হজম, হাৰামী, হাজাৰ/হেজাৰ, হাজিৰা।

- তুৰ্কী ভাষাৰ পৰা অহা কেইটামান শব্দ — কেঁচী, কুলী, খচ্ছৰ, চামুচ, বোকোচা, বেগম, বাহাদুৰ, বাবুৰ্চী, বীবী, বাৰুদ, মোগল।
- পৰ্ত্তো ভাষাৰ শব্দ কেইটামান হ'ল — পাঠান, আখৰোট, নাগাড়া আদি।

ইউৰোপীয় শব্দৰ ভিতৰত ইংৰাজী, ফৰাচী, পর্তুগীজ, ওলন্দাজ, জাপানী আদি শব্দবোৰ অন্তর্ভুক্ত কৰিব পাৰি। ইয়াৰ ভিতৰত অৱশ্যে ইংৰাজী শব্দ অসমীয়া ভাষাত বেছিকৈ পোৱা যায়। উল্লেখযোগ্য যে ঊনবিংশ শতিকাৰ আদি ভাগৰ পৰা অসমত ইংৰাজৰ শাসন প্রৱর্তন হোৱাৰ লগে লগে ইংৰাজী শাসন সম্বন্ধীয়; খেলাধূলা, বিজ্ঞান, যানবাহন, শিক্ষা, চিকিৎসাবিদ্যা আদি বিভিন্ন বিষয়ৰ লগত সম্পর্কিত বহুতো শব্দ অসমীয়া ভাষাত সোমাই পৰিছিল।



জানি থোৱা ভাল

অসমীয়া সাহিত্যৰ আদি কবি হেম সৰস্বতীৰ ৰচনাতে প্রথম আৰবী শব্দ (নফৰ) উল্লেখ থকা দেখা যায়। পৰৱর্তী কালত শংকৰদেৱ, মাধৱদেৱ আদি বৈষ্ণৱ কবিসকলেও বিভিন্ন আৰবী-পার্চী শব্দ; যেনে — ফৰমান, চাহেব, দুনিয়া, চাকৰ, হাৰাম আদি প্রয়োগ কৰিছিল।

- ইংৰাজী শব্দ ঃ

ক) শাসন সম্বন্ধীয় ঃ অফিচ, ফাইল, ক'র্ট, ট্রেজাৰি, ৰেকর্ড, ৰেজিষ্ট্রাৰ, ৰেভিনিউ ইত্যাদি।

খ) যান-বাহন আৰু যোগাযোগ সম্পর্কীয় ঃ বাছ, চাইকেল, অট', স্কুটাৰ, টেলিগ্রাফ, টেলিফোন ইত্যাদি।

গ) সাহিত্য-সংস্কৃতি-ক্রীড়ামূলক ঃ ট্রেজেডি, কমেডি, চনেট, ষ্টাইল, ষ্টেজ, হাৰমণিকা, ক্রিকেট ইত্যাদি।

ঘ) চিকিৎসা বিষয়ক ঃ ডাক্তৰ, হস্পিটেল, ফার্মাচী, চার্জন, মেডিচিন ইত্যাদি।

ঙ) শিক্ষা বিষয়ক ঃ স্কুল, কলেজ, বর্ড, পেঞ্চিল, বি.এ., এম.এ., লাইব্রেৰী, মাষ্টৰ ইত্যাদি।

চ) সাজ পোছাক ঃ চুৰেটাৰ, গেঞ্জি, টাৰেল, কোট, জেকেট, ব্লাউজ, মেক্সি, টাই ইত্যাদি।

ছ) নামবাচক শব্দ ঃ লিলি, মেৰী, কুইন, বিউতি, জন, আটলাণ্টা ইত্যাদি।

জ) আৰেগ-অনুভুতি সম্পর্কীয় ঃ টেনচন, ছেণ্টিমেণ্ট ইত্যাদি।

ঝ) সম্বন্ধবাচক শব্দ ঃ দাদী, মামী, আংকল, আণ্টি, মেম ইত্যাদি।

ঞ) অন্য সংস্কৃতি সম্পর্কীয় শব্দ ঃ ভেলেণ্টাইন দে, মাডার্ছ দে ইত্যাদি।

- পর্তুগীজ শব্দ ঃ আচাৰ, আনাৰস, আলকাট্রা, আলপিন, আলমাৰি, কামিজ, কাজু, কেৰাণী, গির্জা, বাল্টি ইত্যাদি।
- ফৰাছী শব্দ ঃ কার্তিজ, কুপন।
- ওলণ্ডাজ শব্দ ঃ ইছক্রুপ, ছির্তন, হর্তন, ৰহিত্তন, ইস্কাপন।
- জাপানী শব্দ ঃ ৰিক্ছা।
- চীনা শব্দ ঃ চাহ, লিচু ইত্যাদি অনেক বিদেশী ভাষাৰ শব্দ অসমীয়াত সোমাইছে।

➢ *অনুবাদ-শব্দ ঃ* ওপৰত উল্লেখ কৰা ইংৰাজী শব্দবোৰৰ উপৰি ইংৰাজী ভাবক ৰূপান্তৰ কৰি কৰা কিছুমান অনুবাদ-শব্দও অসমীয়া ভাষাত প্রচলিত । যেনে—

বগাহাতী	—	white elephant
দৃষ্টিকোণ	—	angle of vision
শ্বেতপত্র	—	white paper
ৰজত-জয়ন্তী	—	silver jubilee
স্বর্ণ-জয়ন্তী	—	golden jubilee
তথাকথিত	—	so-called
শীতল যুদ্ধ	—	cold war
ধন	—	money
ৰঙা দলিচা	—	red carpet
ক'লা বজাৰ	—	black market
সুবর্ণ-সুযোগ	—	golden opportunity

এইবোৰৰ লগতে আন বহুতো নতুন শব্দ পাৰিভাষিক শব্দৰূপে অসমীয়া ভাষাত প্রচলিত হৈ থকাটোও মন কৰিবলগীয়া বৈশিষ্ট্য।

অসমত উচ্চশিক্ষাৰ মাধ্যম অসমীয়া ভাষা হোৱাৰ লগে লগে বিভিন্ন বিষয়ৰ বিবিধ শব্দ তথা বিষয়বস্তু অসমীয়া ভাষাত প্রকাশ কৰাৰ প্রয়োজন আহি পৰিল। বিশেষকৈ কাৰিকৰী শিক্ষা বিষয়ক, বিজ্ঞান বিষয়ক, ব্যৱসায়-বাণিজ্য বিষয়ক, ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক বিভিন্ন কথা, অভিধা, বস্তু ইত্যাদি প্রধানকৈ ইংৰাজী ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰি ল'বলগীয়া হ'ল। এনে কৰোঁতে অসমীয়া ভাষাত ভালেসংখ্যক পাৰিভাষিক শব্দৰ সৃষ্টি হ'ল। অসমীয়া শব্দৰ লগত খাপ খুৱাই মুদ্রণ কৰি লোৱা এনে শব্দবোৰক মুদ্রিত শব্দ বুলিও কোৱা হয়। তলত তেনে শব্দ কিছুমান উল্লেখ কৰা হ'ল —

নিবিদা	—	Tender
উদ্বৃত্ত পত্র	—	balance sheet

পৰিশীলন — Refresher
অভিযন্তা — Engineer
বহনক্ষম উন্নয়ন/ বিকাশ — Sustainable development
খাদ্যপ্ৰাণ — Vitamin
শৰ্কৰা — Carbo-hydrate

তদুপৰি অসমৰ চৰকাৰী ভাষা অসমীয়া হোৱা বাবে এই ভাষাত প্ৰশাসনীয় পৰিভাষা প্ৰস্তুত কৰিবলগীয়া হৈছে। তাৰে কেতবোৰ হ'ল—

আবণ্টন — Allotment
প্ৰৱেশ পাৰপত্ৰ — Visa
অধি-পত্ৰ, ৱাৰেণ্ট — Warrant
প্ৰতিপৰ্ণ — Counter foil, ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ কোন ভাষাৰ শব্দ বাছি উলিয়াওক — ৰসগোল্লা, ঠেলাৱালা, হৰতাল, গোলাপ, আৱাজ, এজাহাৰ, খবৰ, আলমাৰি, কেৰাণী, ৰিক্সা (ৰিক্‌ছা)।

.....

.....

১৩.৬.৩ অশ্ৰেণীভুক্ত শব্দ

অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবোৰক ওপৰৰ আলোচনাৰ কোনো এটা ভাগতেই পেলাব নোৱাৰি। মিশ্ৰ শব্দ, ধ্বন্যাত্মক শব্দ আদি বিভিন্ন গঠনৰ শব্দবোৰ এই শ্ৰেণীৰ ভিতৰুৱা বুলিব পাৰি।

➢ *মিশ্ৰ শব্দ ঃ* অসমীয়া ভাষাত এক শ্ৰেণীৰ শব্দ আছে যিবোৰ হয় দেশী (সংস্কৃত বা সংস্কৃত মূলজ) আৰু বিদেশী শব্দৰ যোগত হৈছে আৰু নহয় বিদেশী শব্দত দেশী প্ৰত্যয় বা দেশী শব্দত বিদেশী প্ৰত্যয় যোগ হৈছে। এনে শব্দবোৰকে মিশ্ৰ শব্দ বোলা হৈছে। যেনে —

❍ দেশী (ভাৰতীয়) শব্দ + বিদেশী শব্দ
মান + ইজ্জ ত = মান-ইজ্জত
ধন + দৌলত = ধন-দৌলত

❍ বিদেশী শব্দ + দেশী শব্দ
কাজিয়া + পেচাল = কাজিয়া-পেচাল
হেড্ + পণ্ডিত = হেড্‌পণ্ডিত

- তৎসম শব্দ + বিদেশী শব্দ
  পণ্ডিত + গিৰি = পণ্ডিতগিৰি
  নেতা + গিৰি = নেতাগিৰি
- বিদেশী শব্দ + দেশী প্ৰত্যয়
  ডাক্তৰ + অনী = ডাক্তৰনী
  কলেজ + ঈয়া = কলেজীয়া

➢ *ধ্বন্যাত্মক শব্দ ঃ* ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা শব্দবোৰক সচৰাচৰ অনুকাৰ শব্দ বুলি কোৱা হয়। অন্য শব্দই প্ৰকাশ কৰিব নোৱাৰা ভাব কিছুমান এই অনুকাৰ শব্দৰ জৰিয়তে প্ৰকাশ কৰা হয়। এই শব্দবোৰে কেতিয়াবা বিশেষণৰূপে আৰু কেতিয়াবা ক্ৰিয়াৰূপে কাম কৰে। উদাহৰণস্বৰূপে — কিচ্‌কিচীয়া ক'লা, ধকধকীয়া বগা আদিত বিশেষণ ৰূপে আৰু খট্‌খটাইছে, ধপ্‌ধপাইছে আদিত ক্ৰিয়া ৰূপে ব্যৱহৃত হৈছে। এই শব্দবোৰকে ধ্বন্যাত্মক শব্দ বুলি কোৱা হয়। ধ্বন্যাত্মক শব্দৰ কেতবোৰ নিদৰ্শন হ'ল — টংটং, টিক্‌টিক, কেংকেং, কা-কা, চিটিপ্‌-চিটিপ্‌, খট্‌খট, পিত্‌পিত্‌, ঘিত্‌ঘিত্‌ আদি। মন কৰিবলগীয়া কথা যে ধ্বন্যাত্মক শব্দসমূহে অসমীয়া ভাষালৈ এক জতুৱা ঠাঁচো প্ৰদান কৰিছে। যেনে — লুঙ্‌লুঙীয়া বাট, কিচ্‌কিচীয়া ক'লা, কিন্‌কিনীয়া বৰষুণ, ফিৰ্‌ফিৰীয়া বতাহ ইত্যাদি।

এইদৰেই আৰ্য, অনা-আৰ্য, দেশী অৰ্থাৎ ভাৰতীয় আৰু বিদেশী অৰ্থাৎ অ-ভাৰতীয় আৰু অন্যান্য শব্দাৱলীৰ সমন্বয়ত অসমীয়া শব্দ-ভাণ্ডাৰ সমৃদ্ধিশালী হৈছে।



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষা আৰ্যমূলীয় ভাষা। এই ভাষা সংস্কৃত ভাষাৰ পৰা ওলাইছে। সেই কাৰণে, অসমীয়াৰ সৰহভাগ শব্দ সংস্কৃত মূলজ; কিন্তু স্থানীয় বিভিন্ন আৰ্য-বহির্ভূত আৰু অন্যান্য ভাৰতীয়, অ-ভাৰতীয় বিভিন্ন ভাষাৰ পৰাও ভালেসংখ্যক শব্দ আহি অসমীয়া শব্দ-ভাণ্ডাৰ চহকী কৰিছে।
- অসমীয়া শব্দমালাৰ উৎস বিচাৰিলে সাধাৰণতে এইকেইটা প্ৰধান উৎসৰ কথা আমাৰ মনলৈ আহে—

১) সংস্কৃত/আৰ্যমূলীয় শব্দ; যেনে — (ক) তৎসম (খ) অৰ্ধ-তৎসম, (গ) তদ্ভৱ,

২) অনা-আৰ্যমূলীয় শব্দ; যেনে — (ক) অষ্ট্ৰ-এছিয়াটিক, (খ) তিব্বত-বৰ্মী, (গ) টাই আহোম,

৩) ধাৰ কৰা শব্দ; যেনে — (ক) ভাৰতীয়, (খ) অ-ভাৰতীয়, (গ) অনুবাদমূলক।

- এইসমূহ প্ৰধান উৎসৰ উপৰি আন বহু ধৰণৰ শব্দ আছে; যেনে — মিশ্ৰিত, ধ্বন্যাত্মক ইত্যাদি; যিবোৰক অশ্ৰেণীভুক্ত শব্দ হিচাপে ধৰিব পাৰি। এই আটাইবোৰ শব্দৰে অসমীয়া শব্দ-ভাণ্ডাৰ গঢ়ি উঠিছে আৰু এই ভাণ্ডাৰে অসমীয়া ভাষাক উচ্চ ভাব প্ৰকাশক্ষম ভাষা হিচাপে প্ৰতিষ্ঠা কৰিছে।
- অসমীয়া ভাষাৰ সংস্কৃতমূলীয় শব্দবোৰ তিনিটা ভাগত ভগাব পাৰি। যথা—তৎসম শব্দ, অৰ্ধ-তৎসম শব্দ আৰু তদ্ভৱ শব্দ। যিবিলাক সংস্কৃত শব্দ কোনো পৰিৱৰ্তন নোহোৱাকৈ অবিকৃতভাৱে অসমীয়া ভাষাত প্ৰচলিত হৈ আছে সেইবিলাক শব্দকে তৎসম বুলি কোৱা হয়। যেনে — পদ্ম, শ্ৰাদ্ধ, বৈদ্য, শূদ্ৰ ইত্যাদি। যিবিলাক তৎসম শব্দ উচ্চাৰণৰ সৰলীকৰণৰ ফলত অবিকৃতভাৱে নাথাকি কিছু পৰিৱৰ্তন হৈ অসমীয়া ভাষাত প্ৰচলিত হৈছে সেইবিলাক শব্দকে অৰ্ধ-তৎসম শব্দ বুলি কোৱা হয়। যেনে — ভকতি, মৰম, ৰতন ইত্যাদি। যিবিলাক সংস্কৃত শব্দই পালি-প্ৰাকৃতৰ মাজেদি ধাৰাবাহিক পৰিৱৰ্তন লাভ কৰি অসমীয়া স্তৰ পাইছেহি সেইবিলাক শব্দকে তদ্ভৱ শব্দ বোলা হয়। যেনে—পাণ, কাণ, ওজা, জোনাক ইত্যাদি।
- অসমীয়া ভাষাটো প্ৰধানতঃ প্ৰাচীন-ভাৰতীয় আৰ্য-ভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্য ভাষাৰ মাজেদি বিকশিত হোৱা হেতুকে এই ভাষাত তদ্ভৱ শব্দৰ সংখ্যা বেছি। অসমীয়া শব্দ সম্ভাৰৰ বহু শব্দৰ উৎস বিচাৰি অনা-আৰ্য ভাষাৰ কাষ চাপিবলগীয়া হয়।
- স্থানীয় বিভিন্ন আৰ্য-বহিৰ্ভূত ভাষাৰ শব্দ আহি অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ চহকী কৰিছে। তদুপৰি সময়ৰ অগ্ৰগতিৰ লগে লগে দেশী-বিদেশী বিভিন্ন ভাষাৰ শব্দ আহি অসমীয়া ভাষাত সোমাই অসমীয়া শব্দ-ভাণ্ডাৰ পৰিপুষ্ট কৰি ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি কৰিছে।
- প্ৰদেশত প্ৰচলিত অথচ সংস্কৃত বা প্ৰাকৃত আৰু বিদেশী ভাষাৰ পৰা যিবোৰ শব্দ অহা নাই, তেনেবোৰ শব্দকে অনা-আৰ্যমূলীয় বা দেশী বা দেশজ শব্দ বুলি অভিহিত কৰা হয়। অসমীয়া ভাষাৰ ভালেমান শব্দ এই দেশৰ প্ৰাচীনতম অধিবাসী অষ্ট্ৰিক, তিব্বতবৰ্মী আদি ভাষাগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন ভাষীৰ পৰা অহা। এনে দেশী শব্দৰ মূল নিৰ্ণয় কৰা টান।
- যেতিয়া কোনো এটা ভাব বা বস্তুক বুজাবলৈ নিজৰ ভাষাত শব্দৰ নাটনি হয় তেতিয়া এটা ভাষাই আন ভাষাৰ পৰা শব্দ গ্ৰহণ কৰে। এনে শব্দকে ধাৰ কৰা শব্দ বুলি কোৱা হয়। অসমীয়া ভাষাৰ ধাৰ কৰা শব্দবোৰক দুটা ভাগত ভগাব পাৰি — ১) ভাৰতীয় আৰু ২) অ-ভাৰতীয় শব্দ।
- অসমীয়া ভাষাত মিশ্ৰিত, ধ্বন্যাত্মক ইত্যাদি বহু ধৰণৰ শব্দ আছে যিবোৰক অশ্ৰেণীভুক্ত শব্দ হিচাপে ধৰিব পাৰি। এই আটাইবোৰ শব্দৰে অসমীয়া শব্দ-ভাণ্ডাৰ গঢ়ি উঠিছে আৰু এই শব্দৰাজিয়ে অসমীয়া ভাষাক উচ্চ ভাব প্ৰকাশক্ষম ভাষা হিচাপে প্ৰতিষ্ঠা কৰিছে।



১৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

৪) বৰুৱা, ভীমকান্ত (১৯৯৭); *অসমীয়া ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জাৰ্ণল এম্প'ৰিয়াম।

৬) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

৭) ৰাভা হাকাচাম, উপেন (২০০৭); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা ঃ মঞ্জুলা ৰাভা হাকাচাম।

৮) শর্মা, অনুৰাধা (২০১২); *সংহতি আৰু অসমীয়া ভাষা;* গুৱাহাটী ঃ ভবানী প্ৰিণ্টি এণ্ড পাব্লিকেশ্যনচ্।

৯) শর্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

১০) Kakati, B. (2007).*Assamese : Its Formation and Development.* Guwahati: Lawyer's Book Stall.



১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ তৎসম ঃ ঈশ্বৰ, ৰত্ন, কর্ম্ম, শ্ৰাদ্ধ

অর্ধ-তৎসম ঃ ভকতি, সইত, সৰগ, কৰম, শৰাধ

তদ্ভৱ ঃ জোনাক, ওজা, সঁচা, কাম

২ নং প্ৰশ্নৰ উত্তৰ ঃ পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোল-মুণ্ডা ভাষাৰ আলাবাদু, ভোঁদা; মালয় ভাষাৰ গাহৰি, গেৰেহা; মিচিং ভাষাৰপৰা অফলাছিগা, অগৰংবগৰং।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ খাচী ঃ কাৰৌ, চোকোৰা, নোদোকা।

কোল-মুণ্ডা ঃ আটোম-টোকাৰি, লাটুম, চিকৰা।

মালয় ঃ আঁচু-সূতা, বগা, গাহৰি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ আহোম ভাষাৰ যোগেদি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ

ৰসগোল্লা	বাংলা
ঠেলাৱালা	হিন্দী
হৰতাল	গুজৰাটী
গোলাপ	পাৰ্চী
আৱাজ	পাৰ্চী
এজাহাৰ	আৰবী
খবৰ	আৰবী
আলমাৰি	পৰ্তুগীজ
কেৰাণী	পৰ্তুগীজ
ৰিক্‌ছা	জাপানী ভাষাৰ।



১৩.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) সংস্কৃতমূলীয় শব্দবোৰ কেইটা ভাগত ভগাব পাৰি?

(খ) অসমীয়া ভাষাত তৎসম শব্দৰ সংখ্যা বেছি নে তদ্ভৱ শব্দৰ?

(গ) ৰেখা চিত্ৰৰ সহায়ত অসমৰ অনাৰ্যমূলীয় শব্দসমূহৰ সম্ভাব্য উৎসসমূহ দেখুৱাওক।

(ঘ) ধাৰ কৰা শব্দবোৰক মূলতঃ কেইটা ভাগত ভগাব পাৰি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

তৎসম শব্দ, সংস্কৃত বা আৰ্যমূলীয় শব্দ, তদ্ভৱ শব্দ, ধ্বন্যাত্মক শব্দ, থলুৱা বা আৰ্যভিন্ন ভাষাৰ শব্দ, থাই-আহোম শব্দ, অসমীয়া শব্দমালাৰ ধাৰ কৰা শব্দৰাজি।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া শব্দমালাৰ মূল বা উৎসসমূহ নির্ণয় কৰক। সেই সেই মূলৰ পৰা অহা শব্দৰ উপযুক্ত উদাহৰণেৰে এটি সম্পূর্ণ টোকা যুগুতাই উলিয়াওক।

প্রশ্ন ২ ঃ "অসমীয়া ভাষাত তদ্ভৱ শব্দৰ সংখ্যাই বেছি।"— এই বিষয়ে ভাষাতত্ত্ববিদসকলে আগবঢ়োৱা যুক্তি বিচাৰ কৰি এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ তদ্ভৱ শব্দ বুলিলে কি বুজে? অসমীয়া ভাষাৰ তদ্ভৱ শব্দ সম্পর্কে উদাহৰণসহ এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ৪ ঃ অসমীয়া শব্দমালাৰ মূল বা উৎসসমূহ নির্ণয় কৰক। সেই সেই মূলৰ পৰা অহা শব্দৰ উপযুক্ত উদাহৰণেৰে এটি সম্পূর্ণ টোকা যুগুতাই উলিয়াওক।

প্রশ্ন ৫ ঃ অসমীয়া শব্দ-ভাণ্ডাৰলৈ আর্য-ভিন্ন ভাষাসমূহৰ বৰঙণি — এই বিষয়ত এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ অসমীয়া শব্দ-ভাণ্ডাৰত কোনবোৰ বিদেশী ভাষাৰ শব্দ সোমাইছে উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অসমীয়া ভাষাৰ উপভাষা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অসমীয়া ভাষাৰ উপভাষা
১৪.৪ অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ কাৰণ
১৪.৫ উজনি অসমৰ উপভাষা
১৪.৬ মধ্য অসমৰ উপভাষা
১৪.৭ নামনি অসমৰ উপভাষা
১৪.৭.১ কামৰূপী উপভাষা
১৪.৭.২ কামৰূপী উপভাষাৰ আঞ্চলিক পার্থক্য
১৪.৭.৩ গোৱালপৰীয়া উপভাষা
১৪.৭.৪ গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক পার্থক্য
১৪.৮ নৃগোষ্ঠীয় উপভাষা
১৪.৯ অসমীয়া ভাষাৰ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা
১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১১ অধিক জানিবলৈ
১৪.১২ অগ্রগতিৰ খতিয়ান
১৪.১৩ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উপভাষা কি আৰু কি পৰিস্থিতিত উপভাষাৰ সৃষ্টি হয় সেই বিষয়ে জানিব পাৰিব
- অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ কাৰণসমূহ জানিব পাৰিব, লগতে অসমীয়া ভাষাৰ উপভাষা কেইপ্রকাৰৰ আৰু কি কি সেয়া অৱগত হ'ব
- কামৰূপী উপভাষাৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- গোৱালপৰীয়া উপভাষাৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- উজনি অসমৰ আৰু মধ্য অসমৰ উপভাষাৰ স্বৰূপ কেনে সেয়া অৱগত হ'ব
- অসমীয়া ভাষাৰ উপভাষাৰ আঞ্চলিক পার্থক্যসমূহৰ বিষয়ে জানিব পাৰিব
- নৃগোষ্ঠীয় উপভাষাৰ আভাস পাব
- উপভাষাৰ অধ্যয়ন কৰাটো কিয় প্রয়োজনীয় সেয়া জানিব পাৰিব।

১৪৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পর্কে বহলাই অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি অসমীয়া ভাষাৰ উপভাষা সম্পর্কে বহলাই অধ্যয়ন কৰিব। কোনো এক ভৌগোলিক পৰিসীমাৰ নির্দিষ্ট ভাষা এটাৰ ভিতৰত যেতিয়া কেতবোৰ সুকীয়া ৰূপ স্পষ্টভাৱে সৃষ্টি হয় তেতিয়া তাক উপভাষা বোলে। উপভাষাৰ বিষয়ে ই এক পৰম্পৰাগত সংজ্ঞা। কিন্তু ভাষাবিজ্ঞানৰ অধ্যয়ন বিস্তৃত আৰু গভীৰ হোৱাৰ লগে লগে উপভাষা সম্পর্কীয় অধ্যয়নেও নতুন মাত্রা লাভ কৰিছে। সেয়েহে বর্তমান 'উপভাষা' বুলি ক'লে ভৌগোলিক উপভাষাৰ উপৰি সামাজিক উপভাষা আদিকো সামৰি লোৱা হয়। সামাজিক স্তৰৰ পার্থক্যয়ো কেতিয়াবা ভাষাগত বিভিন্নতা সৃষ্টি কৰিব পাৰে। তাকে সামাজিক উপভাষা বোলা হয়।

এইবোৰৰ বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হৈছে। অধ্যায়টোৰ অধ্যয়নে আপোনাক উপভাষা তথা অসমীয়া উপভাষা সম্পর্কে গভীৰ ধাৰণা প্রদান কৰিব।

১৪.৩ অসমীয়া ভাষাৰ উপভাষা

অসমীয়া ভাষাৰ উপভাষা সম্পর্কত গ্রীয়ার্ছনে লিখিছে — অসমীয়া ভাষাৰ মান্য ৰূপটো গঢ় লৈ উঠিছে শিৱসাগৰ আৰু তাৰ আশে-পাশে কোৱা উপভাষাটোক কেন্দ্র কৰি। অসম উপত্যকাৰ উজনি অঞ্চলত ভাষাটোৰ সকলো ঠাইত ৰূপ একেটাই। যিমানেই আমি পশ্চিমৰ পিনলৈ গতি কৰোঁ, সিমানেই এটা স্পষ্ট উপভাষা পাওঁ। তাক পশ্চিম অঞ্চলৰ অসমীয়া নাম দিছোঁ। এই উপভাষাটো কামৰূপ-জিলা আৰু পূব-গোৱালপাৰাৰ মানুহবোৰে কয়। অসমীয়া ভাষাৰ উপভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ গুৰি ধৰোঁতা ব্যক্তি বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ দুটা উপভাষাগত ৰূপ থকাৰ কথা উল্লেখ কৰিছে — "Assamese may be divided dialectically into Eastern Assamese and Western Assamese.The language from Sadiya the easternmost frontier down to Gauhati exhibits a certain homogeneity and hardly presents any notable point of dfference frome the spoken dialect of Sibasagar, the capital of the late Ahom Kings." ভাষাবিদ উপেন্দ্রনাথ গোস্বামীয়েও কৈছে যে অসমীয়া ভাষাটোৰ প্রধানকৈ দুটা আঞ্চলিক ৰূপ বা উপভাষা পোৱা গ'ল — এটা পূব অঞ্চলৰ বা উজনিৰ উপভাষা আৰু আনটো পশ্চিম অঞ্চলৰ বা নামনিৰ উপভাষা। আন এগৰাকী প্রখ্যাত ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে কিন্তু অসমীয়া ভাষাৰ প্রধান উপভাষাগত ৰূপ তিনিটা বুলি নিজস্ব মত প্রকাশ কৰিছে। তেওঁ উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষাৰ মাজত মধ্য অসমৰ উপভাষাৰ অৱস্থিতিৰ কথা উল্লেখ কৰিছে। অর্থাৎ তেওঁৰ বিভাজন অনুসৰি অসমীয়া ভাষাৰ উপভাষা প্রধানভাৱে তিনিটা—(ক) উজনি অসমৰ উপভাষা, (খ) মধ্য অসমৰ উপভাষা আৰু (গ) নামনি অসমৰ উপভাষা।

নামনি অসমৰ উপভাষাক আকৌ সকলো ভাষাবিদেই প্ৰধানভাৱে দুটা ভাগত বিভক্ত কৰি দেখুৱাইছে — (অ) কামৰূপী উপভাষা আৰু (আ) গোৱালপৰীয়া উপভাষা। অসমীয়া ভাষাৰ এই উপভাষাগত ৰূপসমূহৰ মাজত স্পষ্ট পাৰ্থক্য লক্ষ্য কৰা যায়।

১৪.৪ অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ কাৰণ

উপভাষা সৃষ্টিৰ মূল কাৰণ হৈছে মানুহৰ মাজত যোগাযোগ আৰু আদান-প্ৰদানৰ অভাৱ। বিভিন্ন কাৰণত দুটা অঞ্চলৰ মানুহৰ মাজত যোগাযোগৰ অভাৱ ঘটিব পাৰে। কেতিয়াবা ভৌগোলিক বাধা, যেনে ডাঙৰ নদী, পাহাৰ আদি থাকিলে দুটা অঞ্চলৰ মাজত সহজ অহা-যোৱাত বাধা জন্মে। কেতিয়াবা আকৌ সামাজিক বাধানিষেধ বা মানুহৰ মনোভংগীৰ পাৰ্থক্যয়ো মানুহৰ মিলামিছাত বাধা হৈ থিয় দিয়ে। উপেন্দ্ৰনাথ গোস্বামীৰ মতে প্ৰাকৃতিক বাধাতকৈ সামাজিক বাধাহে উপভাষা সৃষ্টিৰ কাৰণে বেছি প্ৰভাৱশালী। অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ অন্তৰালত এক ঐতিহাসিক কাৰক জড়িত হৈ আছে। সেইসমূহ গোস্বামীয়ে স্পষ্টভাৱে ব্যাখ্যা কৰি দেখুৱাইছে। ১২২৮ চনত আহোমসকলে অসমৰ পূব অঞ্চল অধিকাৰ কৰি দীৰ্ঘদিন ৰাজত্ব কৰে। আহোম ৰাজ্যৰ ৰাজধানী আছিল শিৱসাগৰ। প্ৰথমে তেওঁলোকৰ ৰাজ্য সৰু আছিল যদিও লাহে লাহে ৰাজ্য বিস্তাৰ কৰি তেওঁলোকে সীমা বহলায়। পৰৱৰ্তী সময়ত এই সীমাই কামৰূপ পৰ্যন্ত পায়হি। গতিকে সমগ্ৰ উজনি অসম আহোম শাসনৰ অধীন হয়। এই ৰাজ্যৰ মানুহৰ মাজত সেয়েহে মিলামিছাও সহজ হৈ উঠে আৰু ইয়াৰ ভাষাত সমৰূপতা গঢ় লয়। কিন্তু নামনি অসমৰ ক্ষেত্ৰত সেয়া হৈ উঠা নাছিল। এই অঞ্চলত বিভিন্ন সময়ত বিভিন্ন ৰজাই শাসন কৰিছিল আৰু ৰাজধানীও বেলেগ বেলেগ ঠাইত আছিল। ৰাজনৈতিক অস্থিৰতাৰ বাবেই ইয়াৰ ভাষাটোৱেও একেৰূপত গঢ় লোৱাৰ সুযোগ নাছিল।১৬৮২ চনলৈকে নামনি অসম ৰাজনৈতিকভাৱে পৃথক ৰূপত থকা বাবে উজনি-নামনিৰ মানুহৰ মাজতো সহজ যোগাযোগ বা আদান-প্ৰদান নহৈছিল। দুয়ো অঞ্চলৰ মাজত থকা যাতায়াতৰ অসুবিধা আৰু পৰিৱেশৰ পাৰ্থক্যৰ কাৰণে বিয়া-বাৰু আদিও সততে নহৈছিল। দূৰে দূৰে ৰৈ যোৱাৰ কাৰণেই দুয়োটা অঞ্চলৰ ভাষাত পাৰ্থক্যৰ সৃষ্টি হৈ দুটা ৰূপত স্পষ্টভাৱে প্ৰকাশ লাভ কৰিলে। এনেকৈয়ে অসমীয়া ভাষাৰ দুটা প্ৰধান আঞ্চলিক ৰূপ— উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষাৰ সৃষ্টি হ'ল। আনহাতে অসমৰ একেবাৰে পশ্চিম সীমাৰ মানুহৰ কোচবিহাৰকে ধৰি সেই অঞ্চলৰ মানুহৰ সৈতে সংস্পৰ্শ অধিক। উজনিৰ সৈতে এওঁলোকৰ যোগাযোগ প্ৰায় নাছিলেই। আহোম শাসনৰ অধীনলৈ অহাৰ পিছতহে কামৰূপৰ মানুহৰ কিছু পৰিমাণে পূব অসমৰ সৈতে সম্পৰ্ক ঘটে। এনে বিভিন্ন ঐতিহাসিক প্ৰেক্ষাপটত পশ্চিম অসমৰ ভাষাটোত উজনিৰ তুলনাত অধিক আঞ্চলিক ৰূপে মূৰ দাঙি উঠে।

অসমীয়া ভাষাৰ দুটা প্ৰধান উপভাষাৰ অন্যতম উজনিৰ উপভাষাই পৰৱৰ্তী সময়ত পৰিৱেশজনিত সুযোগৰ পৰিপ্ৰেক্ষিতত মান্যভাষাৰ মৰ্যাদা লাভ কৰে। ব্ৰিটিছে অসম অধিকাৰ

কৰাৰ পিছত তেওঁলোকৰ সৈতে ধর্ম প্রচাৰৰ উদ্দেশ্যে অহা খ্রীষ্টান মিছনেৰীসকলে উজনিৰ শিৱসাগৰ অঞ্চলতে থিতাপি লয়। সেই ঠাইতে প্রেছ স্থাপন কৰি তেওঁলোকে আলোচনী উলিয়ায়। গতিকে সেইসময়ত মিছনেৰীসকলৰ অসমীয়া ভাষা শিকাৰ প্রধান কেন্দ্র হ'ল শিৱসাগৰ। সেয়েহে মিছনেৰীৰ মুখত সেইঠাইৰ ভাষাটোৱে ঠাই লোৱাৰ উপৰি আলোচনীৰ পাতৰ সাহিত্যিক চর্চাতো শিৱসাগৰৰ ভাষাটোৱেই গুৰুত্ব পায়। তদুপৰি উজনি অসমতেই চাহ, তেল, কয়লা আদি উদ্যোগ প্রথমতে গঢ়ি উঠে আৰু পশ্চিমীয়া শিক্ষাৰ প্রভাৱো সৰহকৈ পৰে। সেইবাবে উজনিত নতুন অসমীয়া সম্ভ্রান্ত বা শিষ্ট শ্রেণী এটা সহজতে গঢ় লয়। উজনিৰ ভাষাৰ মর্যাদাত এই শ্রেণীটোৱেও অতিৰিক্ত মাত্রা সংযোজন কৰে। এনেকৈয়ে সাহিত্যৰ মাধ্যমেৰে প্রতিষ্ঠা লভি শিৱসাগৰকেন্দ্রিক উজনি অসমৰ ভাষাটো মান্যভাষাৰূপে পৰিগণিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাৰ উপভাষা সৃষ্টিৰ মূল কাৰণ দুটা উল্লেখ কৰক।

.....

.....

১৪.৫ উজনি অসমৰ উপভাষা

গ্রীয়ার্ছন, বাণীকান্ত কাকতি, উপেন্দ্রনাথ গোস্বামী আদি ভাষাবিদসকলে অসমীয়া ভাষাৰ উজনি অসমৰ ৰূপটোক এটা প্রধান উপভাষা হিচাপে উল্লেখ কৰিছে। তিনিওজন ভাষাবিদে কামৰূপলৈকে নামনি অসমৰ উপভাষাৰ সীমা নির্দ্ধাৰণ কৰি সমগ্র পূব অসম অর্থাৎ তিনিচুকীয়া, ডিব্রুগড়, যোৰহাট, শোণিতপুৰ, লখিমপুৰ, ধেমাজি, নগাঁও আদি জিলাৰ ভাষাক উজনি অসমৰ উপভাষা আখ্যা দিছে। কিন্তু গোলোকচন্দ্র গোস্বামীয়ে উজনি আৰু নামনি অসমৰ মাজত মধ্য অসমৰ উপভাষাৰ ক্ষেত্রখনৰ কথা উল্লেখ কৰি নগাঁও আৰু মৰিগাঁও জিলাৰ ভাষাক ইয়াত অন্তর্ভুক্ত কৰাৰ কথা কৈছে।

তলত শিৱসাগৰকেন্দ্রিক উজনি অসমৰ উপভাষাৰ স্বকীয় বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল—

- **ধ্বনিতাত্ত্বিক বৈশিষ্ট্য**
  - ➢ বহুসময়ত শব্দৰ মাজত বা শেষত থকা 'ৰ' ধ্বনি উচ্চাৰিত নহয়। যেনে— গৰম - গঅম।
  - ➢ পশ্চতালব্য অঘোষ উষ্ম 'স' ধ্বনি উজনিৰ উপভাষাত কেতিয়াবা 'হ' আৰু কেতিয়াবা 'খ' ৰূপে উচ্চাৰিত হয়। যেনে—

    শিৱসাগৰ — হিৱহাগৰ

বাস — বাখ

সৰিয়হ — খৰিয়হ

- মান্য অসমীয়াৰ অনানুনাসিক ধ্বনিও অনেক ক্ষেত্ৰতে অনুনাসিক হোৱা দেখা যায়। যেনে—

  বিহু—বিঁহু

  বহা—বহাঁ

- শব্দৰ শেষত থকা দ্বিস্বৰ 'ঔ' আৰু 'ঐ' ক্ৰমে 'অ" আৰু 'এ' ৰূপে উচ্চাৰিত হয়। যেনে—

  আকৌ আহিবা—আক' আহিবা

  ঔ টেঙা—অ' টেঙা

  ভালকৈ থাকিবি—ভালকে থাকিবি

  তেনেকৈ নক'বি—তেনেকে নক'বি

- দুটা 'আ' ধ্বনি ওচৰা-উচৰিকৈ থাকিলে উজনিৰ উপভাষাত প্ৰথমৰ 'আ' ধ্বনিটো 'এ'লৈ পৰিৱৰ্তন হয়। যেনে—

  আটা—এটা

  আঠা—এঠা

  নাখাবা—নেখাবা

- শব্দৰ মধ্য স্থানৰ 'ও' ধ্বনি 'উ' ৰূপে উচ্চাৰিত হয়। যেনে—

  যোৰহাট—যুৰহাট

- **ৰূপতাত্ত্বিক বৈশিষ্ট্য**
  - উজনি অসমৰ উপভাষাত কিছুমান নিজস্ব সর্বনামৰ ৰূপ ব্যৱহাৰ হোৱা দেখা যায়। অৱশ্যে ধ্বনিগত পৰিৱৰ্তনৰ বাবেও বহুসময়ত এনে সুকীয়া ৰূপৰ সৃষ্টি হয়। যেনে—

    সিহঁত—সেহেঁতি/ তাহাঁতি /তেহেঁত

    তহঁত—তহঁতি

    এতিয়া—ইতিয়া

    এইফালে—এইদিকে

  - ক্ৰিয়া-বিশেষণ — সেইদৰে—সেইগতে
  - অব্যয় — সেইকাৰণে—সে'খাতিএ
  - বহুবচনৰ প্ৰত্যয় —

    বোৰ—ভোৰ

    হঁত—হেঁত/হেঁতি

  - লিঙ্গৰ ক্ষেত্ৰত এই উপভাষাত অধিক ভিন্নতা দেখা নাযায়। কিন্তু 'ল'ৰা' আৰু 'ছোৱালী' শব্দ দুটা ক্ৰমে পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ হ'লেও তাত আকৌ 'মতা' আৰু

'মাইকী' শব্দ যোগ কৰি 'মতা ল'ৰা' আৰু 'মাইকী ছোৱালী' এনেধৰণৰ ৰূপ ব্যৱহাৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উজনি অসমৰ উপভাষাৰ দুটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

১৪.৬ মধ্য অসমৰ উপভাষা

বাণীকান্ত কাকতি বা উপেন্দ্রনাথ গোস্বামী আদি ভাষাবিদসকলে ভাষাৰ সমৰূপতা লক্ষ্য কৰি উজনি অসমৰ উপভাষা পূব সীমাৰ শদিয়াৰ পৰা গুৱাহাটীলৈকে বিস্তৃত বুলি ইয়াৰ ক্ষেত্র নির্দ্ধাৰণ কৰিছে। কিন্তু গোলোকচন্দ্র গোস্বামীয়ে এই উপভাষাৰ বিস্তৃতি দক্ষিণে বর্তমান নগাঁও আৰু উত্তৰে শোণিতপুৰ জিলালৈকেহে সামৰিব বিচাৰে। সেইদৰে নামনি অসমৰ উপভাষা পশ্চিমে গোৱালপাৰা জিলাৰপৰা পূবে কামৰূপ জিলাৰ গুৱাহাটীলৈকে বিস্তৃত বুলি তেওঁ উল্লেখ কৰিছে। আনহাতে এই দুই উপভাষাৰ মাজৰ এলেকাটোকে মধ্য অসমৰ উপভাষা ক্ষেত্র বুলি ক'ব বিচাৰিছে। অর্থাৎ তেওঁৰ অভিমত অনুসৰি উত্তৰে দৰং জিলা, দক্ষিণ-পূবে মৰিগাঁও জিলা আৰু দক্ষিণ-পশ্চিমে কামৰূপ জিলা — এয়াই হৈছে মধ্য অসমৰ উপভাষাৰ সীমা। এটা কথা নিশ্চিত যে অসমৰ মধ্য অঞ্চলৰ ভাষাৰ ভালেমান স্বকীয় বৈশিষ্ট্য আছে। উজনি অসমৰ শিৱসাগৰৰ ভাষাৰ সৈতে ইয়াৰ পার্থক্য অনেক। সেয়েহে, নগাঁও-মৰিগাঁওকেন্দ্রিক ভাষাটোক উজনিৰ উপভাষাৰ স্থানীয় পার্থক্য হিচাপে সামৰি থোৱাতকৈ ইয়াক সুকীয়া উপভাষা ৰূপেই আলোচনা কৰিব পাৰি। এই উপভাষাত তিনিটা ধাৰাৰ ভাষাগত ৰূপ বিদ্যমান। উজনিৰ উপভাষাৰ বৈশিষ্ট্য, নামনিৰ উপভাষাৰ বৈশিষ্ট্য আৰু ইয়াৰ নিজস্ব বৈশিষ্ট্য — এই তিনিটা ধাৰাৰ সহাৱস্থানেৰে মধ্য অসমৰ উপভাষা গঠিত। এই উপভাষা কোৱা অঞ্চলত তিৰা ভাষী লোকৰ বিস্তৰ বসতি আছে। তদুপৰি বড়ো, কার্বি আদি আন ভাষাভাষী লোকো ভালেমান। কিন্তু এওঁলোকৰ অনেকেই নিজৰ ভাষা এৰি অসমীয়া ভাষা কয় আৰু একাংশই স্থানীয়ভাৱে নিজৰ ভাষা ক'লেও অধিকভাৱে অসমীয়াকে ব্যৱহাৰ কৰে। সেয়েহে সেই লোকসকলৰ ভাষাৰ বৈশিষ্ট্য মধ্য অসমৰ উপভাষাত সোমাই পৰিছে। এনেদৰেই এই উপভাষাত উজনি বা নামনিৰ উপভাষাত নথকা কিছুমান ৰূপ গঢ় লৈছে। অৱশ্যে মধ্য অসমৰ ভাষাত সম্পূর্ণভাৱে সমৰূপতা দেখা নাযায়। ইয়াৰ মাজতো আঞ্চলিক পার্থক্য স্পষ্টৰূপত পোৱা যায়। কিন্তু এনে পার্থক্য থাকিলেও সামগ্রিকভাৱে সমৰূপতাৰ আধাৰতে মধ্য অসমৰ উপভাষা হিচাপে ইয়াক ভাষাবিদসকলে উল্লেখ কৰিছে। মধ্য অসমৰ উপভাষাৰ এই বৈশিষ্ট্যসমূহ এনেধৰণৰ—

- **ধ্বনিতাত্ত্বিক বৈশিষ্ট্য**
  - মান্য অসমীয়াৰ 'ও'ৰ ঠাইত অনেক সময়ত 'অ' ধ্বনি উচ্চাৰিত হয়। যেনে—
    দেওৰ—দেঅৰ
    ছোৱালী—চুআলি
    জোক—জুক, জক
    লোটা—লটা
    দোকান—দকান
  - মান্য অসমীয়াৰ 'আ'কাৰান্ত আৰু 'ই'কাৰান্ত শব্দৰ শেষৰ ধ্বনি এই উপভাষাত বহুসময়ত লুপ্ত হয়। যেনে—
    কাউৰী—কাউৰ
    মৰণা—মাৰণ
  - মান্য অসমীয়াৰ অনুনাসিকতা নাসিক্য ধ্বনিলৈ পৰিৱর্তন হয়। যেনে—
    এৰাঁ—অঙা/এঙা
    যুঁৰলি—জঙলি
    গাঁও—গাঙ
  - নাসিক্য ধ্বনিৰ কেতিয়াবা সালসলনি ঘটে। যেনে—
    তমাল—তঙাল
    চাঙৈ টেঙা—চেমুই টেঙা
  - মান্য অসমীয়াৰ 'খ' ধ্বনি 'স'ৰূপে বহুসময়ত উচ্চাৰিত হয়। যেনে—
    আখৰ—আসৰ
    নাখাও—নাসাং
    খহটা—সহটা
    খলা-বমা—সালা-বামা
    ৰক্ষা—ৰইসা
  - শব্দৰ মধ্যস্থানৰ 'ৰ' ধ্বনি অনেক সময়ত লুপ্ত হয়। যেনে—
    পৰীক্ষা—পইসা
    মৰম—মঅম
  - শব্দৰ মধ্য অৱস্থানৰ শ্রুতিধ্বনি 'হ' ধ্বনিলৈ পৰিৱর্তন হয়। যেনে—চিঞৰি—চিহঁই
  - মান্য অসমীয়াৰ কিছুমান শব্দৰ উচ্চাৰণত এই উপভাষাত ধ্বনি বিপর্যয় ঘটে। যেনে—
    চালনী—চানলী
    চিলিঙি—চিঙিলি
  - শব্দৰ অন্ত্যস্থানৰ 'হ' ধ্বনি অনেক ক্ষেত্রত লোপ হোৱা দেখা যায়। যেনে—
    সাহ—সা

মহ—ম

- ব্যঞ্জনান্ত শব্দ বহুসময়ত স্বৰান্ত হোৱাৰ এক প্ৰৱণতা দেখা যায়। যেনে—

  শেষ হ'ল—হেহ হ'লে

  মৰিল—মৰিলে

  গ'ল—গ'লে

- অপিনিহিতিৰ বাবে মান্য অসমীয়াৰ কিছুমান শব্দ এই উপভাষাত বেলেগ হয়। যেনে—

  বেলি—বিলি

- **ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ** মধ্য অসমৰ উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট মান্য অসমীয়াতকৈ বেছি পৃথক নহয়। অর্থাৎ এই উপভাষাৰ স্বকীয়তাসমূহ প্ৰধানকৈ ধ্বনিমূলক। তথাপি ইয়াৰ ৰূপতত্ত্বৰ কিছুমান নিজস্ব ৰূপ দেখা যায়—

  - বহুবচনৰ কিছুমান সুকীয়া ৰূপ এই উপভাষাত পোৱা যায়। যেনে—

    সপা—ছুৱালীসপা

    গেলা—এগেলা

  - নিমিত্তার্থক চতুৰ্থী বিভক্তি 'লৈ' মধ্য অসমৰ উপভাষাত কেতিয়াবা 'লৈ' ৰূপেই থাকে যদিও কেতিয়াবা 'লেগি' বা 'ত' হয়। যেনে—

    কত লাগি গৈছিলি

    সি পথাৰ্ লেগি গ'ল।

  - পুৰুষবাচক শব্দ স্ত্ৰীবাচক কৰিবলৈ '-ন' স্ত্ৰী প্ৰত্যয় ব্যৱহাৰ কৰে। যেনে—

    নাতি (নাতিল'ৰা)—নাতিন্ (নাতিনী)

    বিআই—বিআইন্

  - মধ্য অসমৰ উপভাষাত কিছুমান সুকীয়া অব্যয়ৰ প্ৰয়োগো পোৱা যায়। যেনে— আ, আৰ্, তেনেহলি ইত্যাদি।

- **শব্দগত পার্থক্য ঃ** মধ্য অসমৰ উপভাষাত মান্য অসমীয়া আৰু কামৰূপীতকৈ পৃথক কিছুমান শব্দৰ ব্যৱহাৰ থকা দেখা যায়। এই উপভাষাত ব্যৱহৃত এনেধৰণৰ স্বকীয় শব্দৰ নিদর্শন হৈছে—

মান্য অসমীয়া	*মধ্য অসমৰ উপভাষা*
ঘৰচিৰিকা	ঘচিঙ্কা
উঁইচিৰিঙা	উচিঙা
মেকুৰী	মিকুই
ব'ল	য'উ
দেওৰ	মতা সুলালা
ননদ	মাইকী সুলালা
চেউৰি	চেঙুই

ভনী	বুনি
সি, তাই	সি
ঘৈণীয়েক	ঘুণিয়েক
গিৰীয়েক	পৈয়াক
ওৰ পৰিল	অ হলে
গ্রহণী	গুহুনী
হাইজা	হজিয়া
গুৰ	মিথৈ
নুনি	মেচ্‌কুৰি
পখিলা	চকৰি
এলেহুৱা	উতিআ
খোল(কলপটুৰাৰ খোল)	দোনা
আঠমঙলা খোৱা	সাদৰি খোৱা



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ মধ্য অসমৰ উপভাষাত তলৰ শব্দবোৰে কেনেদৰে ৰূপ সলাব উল্লেখ কৰক — ঘৰচিৰিকা, উঁইচিৰিঙা, মেকুৰী, দেওৰ

.....

.....

১৪.৭ নামনি অসমৰ উপভাষা

ভাষাবিদসকলে নামনি অসমৰ উপভাষা হিচাপে যিটো উপভাষাৰ কথা উল্লেখ কৰিছে এই উপভাষাটো কামৰূপৰ পৰা ধুবুৰীলৈকে বিস্তৃত। কিন্তু এই বৃহৎ অঞ্চলৰ ভাষাটো সমৰূপী নহয়। নামনি অসমৰ উপভাষাৰ প্রধান ৰূপ দুটা হ'ল— কামৰূপী আৰু গোৱালপৰীয়া। কামৰূপী উপভাষাৰ প্রয়োগৰ ক্ষেত্রখন হৈছে কামৰূপ, নলবাৰী, বৰপেটা, দৰং আদি জিলা। গোৱালপৰীয়া উপভাষাৰ প্রয়োগৰ ক্ষেত্রখন অতীত অসমৰ ধুবুৰী, গোৱালপাৰা, বঙাইগাঁও জিলাত সীমাবদ্ধ। এই উপভাষাকেইটাৰ প্রতিটোৰে স্বকীয় বৈশিষ্ট্য অতি স্পষ্ট আৰু ব্যাপক ৰূপত বিদ্যমান।

১৪.৭.১ কামৰূপী উপভাষা

➢ *ধ্বনিতাত্ত্বিক বৈশিষ্ট্য*

❍ কামৰূপী উপভাষাত বিশিষ্ট স্বৰ-ধ্বনি সাতটা—অ, আ, ই, উ, এ, এ', ও।

অসমীয়া মান্যভাষাৰ 'অ''ধ্বনিটো এই ভাষাত অনুপস্থিত।

- এই ভাষাত বিশিষ্ট ব্যঞ্জন একৈশটা। সেইসমূহ হৈছে—প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ, ম, ন, ঙ, ল, ৰ, চ, জ, স, হ।
- কামৰূপী উপভাষাত শ্বাসাঘাত দ্বিঅক্ষৰযুক্ত শব্দত আদি অক্ষৰত আৰু দুটাতকৈ অধিক অক্ষৰযুক্ত শব্দত দ্বিতীয় অক্ষৰত পৰে। সেইবাবে ইয়াত শব্দৰ মাজত থকা স্বৰসমূহ উচ্চাৰিত নহয় আৰু ব্যঞ্জন ধ্বনি লগ লাগে। যেনে— ভোমোৰা > ভম্ৰা
  কুকুৰা > কুক্ৰা
- কামৰূপী উপভাষাত অপিনিহিতিৰ প্ৰাৱল্য অধিক। য'তেই সম্ভৱ অপিনিহিতি হয়। যেনে — কেৱলীয়া > কেউইলা
  বামুণীয়া > বাউইম্না
- এক অক্ষৰযুক্ত শব্দৰ বাহিৰে আন শব্দৰ শেষত থকা দ্বি-স্বৰ ঔ আৰু ঐ কামৰূপীত ক্ৰমে ও আৰু এ হয়। যেনে—
  কাৱৌ > কাৱো
  মিঠৈ > মিঠে
- শব্দৰ আদি অক্ষৰত দ্বি-স্বৰৰ উপৰি ত্ৰি-স্বৰো উচ্চাৰিত হয়। যেনে—
  ভাৱৰীয়া > ভাউইৰা
  কেৱলীয়া > কেউইলা
- নিম্ন স্বৰধ্বনি কামৰূপীত প্ৰায়ে উচ্চ ৰূপে উচ্চাৰিত হয়। যেনে—
  কাপোৰ > কাপুৰ
  নিছে > নিছি
  এন্দুৰ > ইন্দুৰ
- অল্পপ্ৰাণ ধ্বনি কামৰূপীত মহাপ্ৰাণ হোৱাৰ প্ৰৱণতা প্ৰায়ে দেখা যায়। যেনে— ভোক > ভখ
  শুকান > শুখান
- মান্য অসমীয়াত দুটা আ ধ্বনি ওচৰা-উচৰিকৈ থাকিলে প্ৰথমৰ 'আ' ধ্বনি সাধাৰণতে 'অ' বা 'এ'লৈ পৰিৱৰ্তন হয়। কামৰূপী উপভাষাত কিন্তু দুটা আ ধ্বনি ওচৰা-উচৰিকৈ থাকিব পাৰে। যেনে — ৰাজা, চাকা, আঙাৰ ইত্যাদি।
- মান্য অসমীয়া ভাষাৰ দুটা অক্ষৰযুক্ত শব্দৰ দ্বিতীয় অক্ষৰত থকা অ ধ্বনি কামৰূপী উপভাষাত 'আ' হয়। যেনে—
  দীঘল > দীঘাল
  গৰম > গৰাম

মৰণ > মৰাণ

- মান্য অসমীয়াৰ দ্বিঅক্ষৰযুক্ত শব্দৰ প্ৰথম অক্ষৰত 'ও' আৰু দ্বিতীয় অক্ষৰত 'আ' ধ্বনি থাকিলে কামৰূপীত 'ও' ধ্বনি 'অ' ৰূপে উচ্চাৰিত হয়। যেনে—

  কোঙা > কঙা

  বোবা > ববা

  খোপা > খপা

- সংস্কৃতৰ পৰা বিকাশ হোৱা কিছুমান শব্দৰ মূলত থকা 'ল' ধ্বনি কামৰূপীত 'ল' ৰূপেই উচ্চাৰিত হয়। কিন্তু মান্য অসমীয়াত সেই ধ্বনি 'ন' হয়। যেনে—

  লোমন (সং.) > নোম (মান্য অসমীয়া), লুম (কামৰূপী)

  লঞ্জ (সং.) > নেজ (মান্য অসমীয়া), লেজ (কামৰূপী)

- কামৰূপী উপভাষাত দ্বিঅক্ষৰযুক্ত শব্দ উচ্চাৰণৰ প্ৰৱণতা দেখা যায়। যেনে— কাঁহ, ৰূপ (মান্য অসমীয়া) — কাঁহা, ৰূপা (কামৰূপী)

➢ *ৰূপতাত্ত্বিক বৈশিষ্ট্য*

- বহুবচনৰ প্ৰত্যয় ঃ কামৰূপী উপভাষাৰ বহুবচনৰ প্ৰত্যয়বোৰ মান্য অসমীয়াৰ সৈতে নিমিলে। যেনে—

  গিলা—গোৰুগিলা

  গিলাক—গোৰুগিলাক

  হাত—ছোলিহাত

  হানা—সখিহানা

  হাম্ৰা—ৰাম হাম্ৰা

- নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ কামৰূপী উপভাষাত ব্যৱহাৰ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰো মান্য অসমীয়াতকৈ বেলেগ। যেনে—

  টু—আপাটু, ছোলিটু

  খোৰ—পাঘাখোৰ

  খৰ—জুকখৰ

  খেনি—নুনখেনি

  জেনী—সোৰুজেনী, ডাঙাৰজেনী

- ক্ৰিয়া-বিভক্তি ঃ কামৰূপী উপভাষাৰ ক্ৰিয়া-বিভক্তিৰ ক্ষেত্ৰতো নিজস্ব ৰূপৰ প্ৰয়োগ দেখা যায়। যেনে—

মান্য অসমীয়া	*কামৰূপী*
তই খাৱ	তঁই খাহ্
তুমি খোৱা	তুমি খ

তই ক	তঁই কৌ
সি খালে	সি খালাক

❍ শব্দ-বিভক্তি ঃ মান্য অসমীয়াৰ দ্বিতীয়া আৰু চতুৰ্থী বিভক্তি ব্যৱহাৰ হোৱা স্থানতো কোনো কোনো সময়ত কামৰূপীত ক্রমে সপ্তমী আৰু দ্বিতীয়া বিভক্তি হয়। যেনে —

মান্য অসমীয়া	*কামৰূপী*
ক'লৈ যোৱা	কোক য
তাক সোধা	তাত সুধা

➢ *শব্দসম্ভাৰঃ* শব্দৰ ক্ষেত্রতো কামৰূপী উপভাষাৰ নিজস্ব ৰূপ লক্ষ্য কৰা যায়। মান্য অসমীয়াৰ সৈতে তুলনাত্মকভাৱে বিচাৰ কৰি কামৰূপী উপভাষাৰ নিজস্ব শব্দসমূহৰ উদাহৰণ দাঙি ধৰা হ'ল—

শব্দৰ শ্রেণী	*মান্য অসমীয়া*	*কামৰূপী উপভাষা*
সম্বন্ধবাচক শব্দ	ল'ৰা	আপা
	আইতা	আবু
	দৰা	বৰ
	মিতিৰ	কুৰ্মা
ফল-ফুল, শাক-পাচলি	জলকীয়া	ভোজলুক
	অমিতা	মোদফল
জীৱ-জন্তু, কীট-পতঙ্গ	পখিলা	চকৰী
	পৰুৱা	পিপ্‌ৰা
	মিছামাছ	নিছ্‌লা মাছ
	পঁইতাচোৰা	তেলমুই, তেলভৌকা
	গাহৰি	বৰা
ঘৰুৱা সামগ্রী	কেৰাহি	কৱে, লহ্‌ৰা
	চৰিয়া	ডাবাৰ
অন্যান্য শব্দ	ধুনীয়া	ঠৌগা
	উৰুলি	জকাৰ
	টোপনি	ঘুমটি
	পিৰালি	কাঁথি
	জোৰোণ	তেলৰ ভাৰ

১৪.৭.২ কামৰূপী উপভাষাৰ আঞ্চলিক পার্থক্য

একোটা ভাষাৰ মাজত বিভিন্নতাৰ সৃষ্টি হৈ যিদৰে উপভাষাৰ উদ্ভৱ হয়

সেইদৰে একোটা উপভাষাৰ মাজতো আকৌ বিভিন্ন সময়ত কিছুমান স্থানীয় পার্থক্য গঢ় লৈ উঠে। উপভাষাৰ মাজত সৃষ্টি হোৱা এনে আঞ্চলিক পার্থক্যক স্থানীয় উপভাষা বোলা হয়। কামৰূপী উপভাষা হিচাপে অসমীয়া ভাষাৰ এটা নির্দিষ্ট উপভাষাৰ কথা কোৱা হয় যদিও অবিভক্ত কামৰূপত আচলতে অঞ্চলভেদে ভাষাটোৰ অনেক পার্থক্য দেখা যায়। বকো, ছয়গাঁও অঞ্চলৰ ভাষাৰ সৈতে বৰপেটাৰ ভাষাৰ পার্থক্য বহুত। সেইদৰে নলবাৰীৰ ভাষাৰ সৈতেও শুৱালকুছিৰ ভাষা নিমিলে। মঙলদৈ অঞ্চলৰ ভাষাৰ সুকীয়া বৈশিষ্ট্য আছে। অসমীয়া ভাষাৰ অধ্যয়নৰ গুৰিধৰোঁতা বাণীকান্ত কাকতিয়ে কামৰূপৰ ভাষাৰ এই পার্থক্যসমূহ বিচাৰ কৰি তেওঁৰ গৱেষণা-গ্ৰন্থ *Assamese: Its Formation and Development* — গ্ৰন্থত এই ৰূপসমূহৰ নিদর্শন কেতবোৰ তুলি ধৰিছে। ভাষাবিদ উপেন্দ্রনাথ গোস্বামীয়ে অবিভক্ত কামৰূপৰ ভাষাৰ মাজতো সমৰূপতা বিচাৰ কৰি এই অঞ্চলৰ ভাষাটোক তিনিটা স্থানীয় উপভাষাত অন্তর্ভুক্ত কৰি দেখুৱাইছে —

ক) পশ্চিম অঞ্চলৰ উপভাষা
খ) মধ্য অঞ্চলৰ উপভাষা
গ) দক্ষিণ অঞ্চলৰ উপভাষা

বৰপেটা আৰু তাৰ ওচৰ-পাঁজৰৰ ঠাইসমূহক লৈ পশ্চিম অঞ্চল, নলবাৰী আৰু তাৰ আশে-পাশে থকাখিনিক লৈ মধ্য অঞ্চল আৰু বকো, ছয়গাঁও, মির্জা আদি অঞ্চলক লৈ দক্ষিণ অঞ্চলৰ উপভাষা হিচাপে শ্রেণীবদ্ধ কৰা হৈছে। এই অঞ্চলসমূহৰ ভাষাৰ মাজত থকা পার্থক্যসমূহ প্রধানকৈ ধ্বনিমূলক। উপেন্দ্রনাথ গোস্বামীয়ে মধ্য আৰু পশ্চিম অঞ্চলৰ মাজৰ ধ্বনিগত পার্থক্যসমূহ এনেদৰে দেখুৱাইছে —

	মধ্য অঞ্চল	পশ্চিম অঞ্চল
❍ অ > আ	জঁৰে	জাঁৰে, জাঙে
	বৰা	বাৰা
	বতাহ	বাতাহ
❍ অ > উ	ভখ	ভুখ
	গৰ	গুৰ
❍ আ >অ	কলাহ	কলহ
	চতাল	চতল
	জকাৰ	জকৰ
❍ ও > উ	কোক	কুক
	জোক	জুক
❍ আই > আউ	হাইলা	হাউলা

- মধ্য অঞ্চলত পশ্চিম অঞ্চলতকৈ অপিনিহিতিৰ প্ৰৱণতা অধিক। যেনে—

শাইল্‌খা	শাল্‌কা
ভাউই্‌ৰা	ভাউৰা
খাউই্‌ৰা	খাউৰা

➢ *ৰূপতাত্ত্বিক পাৰ্থক্য ঃ*

- নিৰ্দিষ্টতাবাচক প্ৰত্যয়

খান ঃ খেন	ইখান	ইখেন
খোৰ ঃ খৰ	জোকখোৰ	জুকখৰ
ধোৰ ঃ ডেল	মালা-ধোৰ	মালাডেল

- সম্বন্ধবাচক বিভক্তি ঃ

আক ঃ এক	শাউহাক	শাহেক
	ভায়াক	ভাএক

- বচনবাচক প্ৰত্যয় ঃ

হানা ঃ আহুন	দাদা-হানা	দাদা-আহুন
	সোখি-হানা	সোখি-আহুন
ঠেৰ ঃ আহাৰ	মমা-ঠেৰ	মামা-আহাৰ

- ক্ৰিয়াৰূপ ঃ তুমি খ / তুমি খাউআ
- ক্ৰিয়াৰূপ ঃ তঁই খাইছাহ / তঁই খাইছা

- সৰ্বনাম ঃ

তুহনা	তুহুন
এহ্‌না	আহুন
অহাঁই	অঁহে
সহাঁই	সহেঁ

- ক্ৰিয়া-বিশেষণ ঃ

এনাই	এনে
এঙ্‌কে	এন্‌কে
ইতা	এথেন
কেইতা	কেথেন

➢ *শব্দগত পাৰ্থক্য ঃ*

মধ্য অঞ্চল	*পশ্চিম অঞ্চল*
পিপ্‌ৰা	পিপাৰ
মেউক্‌ৰী	মেক্‌ৰী
কাকে	ফণি
উঘা	পঘে

মধ্য আৰু দক্ষিণ অঞ্চলৰ ভাষাগত পাৰ্থক্যসমূহ উপেন্দ্ৰনাথ গোস্বামীয়ে

এনেদৰে দেখুৱাইছে—

	মধ্য অঞ্চল	দক্ষিণ অঞ্চল
ঙ ঃ ৱ	টেঙা	টেৱাঁ
	ৰাঙা	ৰাঁৱা
জ ঃ ঝ	জোক	ঝুক
	জাল	ঝাল
ঠ ঃ চ	মমাঠেৰ	মামা-চেৰ

- সম্বন্ধবাচক পুৰুষ বিভক্তি ঃ

মাক	মিয়াক
ভাক, ভায়াক	ভিয়াক

- ক্রিয়াৰূপ ঃ

সি খালাক	সি খাল
সি কলাক	সি কল

- শব্দগত পার্থক্য ঃ

সোইফ্ৰাম	উইৰাম
জুঙ্‌তি	ঝুগুন্দি



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলত উল্লেখ কৰা শব্দকেইটা মান্য অসমীয়াত কি বুলি লিখা হয় — আপা, বৰ, ভোজলুক, চকৰী, পিপ্‌ৰা, নিছ্‌লা মাছ।

.....

.....

১৪.৭.৩ গোৱালপৰীয়া উপভাষা

গোৱালপৰীয়া উপভাষা অসমৰ এটা গুৰুত্বপূৰ্ণ ভাষা। ভাষাবিদ গ্ৰীয়াৰ্ছনে এই উপভাষাক 'ৰাজবংশী ভাষা' হিচাপে অভিহিত কৰিছিল। পণ্ডিত বীৰেন্দ্ৰনাথ দত্তই গ্ৰীয়াৰ্ছনৰ মন্তব্যৰ সূত্ৰ ধৰি কৈছিল — "এই উপভাষাটো অকল ৰাজবংশীসকলে কোৱা ভাষা নহয়, এই অঞ্চলৰ সমূহ খিলঞ্জীয়া ৰাইজৰ ভাষা।" তদুপৰি এই ভাষাটো সম্পৰ্কত তেখেতৰ অভিমত এনেধৰণৰ— "গোৱালপাৰাৰ পশ্চিম প্ৰান্তৰ লোকসকলে নিজকে আৰু উত্তৰ-বঙ্গৰ সংলগ্ন অঞ্চলৰ লোকসকলক বুজাবলৈ 'দেশী মান্‌ষি' কথাটো ব্যৱহাৰ কৰে আৰু তেওঁলোকে কোৱা প্ৰায় উমৈহতীয়া ভাষাটোক 'দেশী কথা' বা 'দেশী ভাষা' বুলি উল্লেখ কৰে"। উপেন্দ্ৰনাথ গোস্বামীয়েও কৈছে

যে গোৱালপৰীয়া ভাষাটোক ৰাজবংশী বোলাৰ যুক্তি বিশেষ নাই। গৌৰীপুৰ আৰু ইয়াৰ ওচৰ-পাঁজৰৰ ভাষাটোৱেই হৈছে দেশী ভাষা। এই প্ৰৱাহটোৱেই অবিভক্ত গোৱালপাৰা অঞ্চলত বিস্তৃত হৈ আছে। গোৱালপাৰা জিলাৰ পশ্চিমৰ পৰা ক্ৰমে পূবলৈ গতি কৰি এই ভাষাটো কামৰূপীৰ সৈতে মিলি গৈছে। গোৱালপৰীয়া উপভাষা বা দেশী ভাষা স্ববৈশিষ্ট্যসম্পন্ন এটা ভাষা। এই বৈশিষ্ট্যসমূহ এনেধৰণৰ —

➢ *ধ্বনিতাত্ত্বিক বৈশিষ্ট্য*

- গোৱালপৰীয়া 'দেশী' ভাষাত সাতটা বিশিষ্ট স্বৰ-ধ্বনি পোৱা যায়। সেইসমূহ হৈছে — অ, আ, ই, উ, এ', এ, ও।
- গোৱালপৰীয়া উপভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনি ঊনত্ৰিশটা। সেইসমূহ হৈছে— ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ড়, ঢ, ত, থ দ, ধ, ন, প, ফ,ব, ভ,ম, ৰ, ল, শ, স, হ।
- স্বৰৰ অনুনাসিকতা গোৱালপৰীয়া উপভাষাত বিশিষ্ট ধ্বনি। যেনে—

  গ-আ-ও — গাও(শৰীৰ)

  গ-আঁ-ও — গাঁও(মানুহ বাস কৰা ঠাই)
- সংস্কৃতৰ শ, ষ, স ধ্বনি গোৱালপৰীয়াত 'শ'ৰূপে পোৱা যায়। যেনে—

সংস্কৃত	মান্য অসমীয়া	গোৱালপৰীয়া
সর্প	সাপ	শাপ
মনুষ্য	মানুহ	মান্‌শি
হংস	হাঁহ	হাশ

- গোৱালপৰীয়া উপভাষাত মূৰ্দ্ধন্য ট, ঠ, ড, ঢ, ড় আৰু তালব্য চ, ছ, জ, ঝ, শ বিশিষ্ট ধ্বনি। যেনে—

  ট — পাটা — মৰাপাট

  ঠ — পাঠা — পঠা ছাগলী

  ড — ডাল — গছৰ ডাল

  ঢ— ঢাল — যুদ্ধত আত্মৰক্ষাৰ বাবে ব্যৱহৃত সামগ্ৰী

  ড় — হাড়ি— মাটিৰ ডাঙৰ পাত্ৰ

  ড— হড্ডি, হাড্ডি — হাড়

  চ — চাটি — চাকি

  ছ — ছাতি — ছাতি

  জ — জাল — মাছধৰা জাল

  ঝ — ঝাল — জলা

  শ — মাশ — মাহ

  স — মাস — মাছ

- গোৱালপৰীয়া উপভাষাত শ্বাসাঘাত শব্দৰ আদি অক্ষৰত পৰে। যেনে—

  কমলা — কম্‌লা

  মকৰা — মাক্‌ৰা

  কেঁকোৰা — কাক্‌ৰা

- মান্য অসমীয়াৰ মহাপ্রাণ ধ্বনি গোৱালপৰীয়াত বহুসময়তেই অল্পপ্রাণ হয়। যেনে—

  উঠ — উট

  কথা — কতা

  আধা — আদা

  মাথা — মাতা

➢ *ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ*

- নির্দিষ্টতাবাচক প্রত্যয় ঃ গোৱালপৰীয়া উপভাষাত কিছুমান সুকীয়া নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ হয়। তেনে কেইটামান উদাহৰণ উপেন্দ্রনাথ গোস্বামীয়ে দাঙি ধৰিছে এনেদৰে—

  -খান — বোইখান, মালাখান

  -টা — মানুশটা, গাসটা, কথাটা

  ঝাক — পোখিঝাক

  -চাকা — আমচাকা

  -বোঝা — খোৰিবোঝা

  -পাল — পোখিপাল

  -মুঠা — চাউলমুঠা

- বহুবচনৰ প্রত্যয় ঃ বহুবচনৰ প্রত্যয়ৰ ক্ষেত্রতো গোৱালপৰীয়া উপভাষাত স্বকীয় ৰূপ বিদ্যমান। যেনে—

  -গুলান — মানশিগুলান, মাগুলান

  -গুলা — মানশিগুলা, চেংৰা গুলা

- অসমীয়া মান্যভাষাৰ বৈশিষ্ট্যসূচক সম্বন্ধবাচক শব্দত পুৰুষবাচক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ গোৱালপৰীয়া উপভাষাত পোৱা নাযায়। ইয়াত সম্বন্ধবাচক শব্দটো অকলশৰীয়াকৈয়ে বাক্যত ব্যৱহৃত হয়। যেনে—

  প্রথম পুৰুষ — মোৰ মা

  দ্বিতীয় মান্য পুৰুষ — উআৰ মা

  দ্বিতীয় তুচ্ছ পুৰুষ — তোৰ মা

  নাম পুৰুষ — উমাৰ মা

- লিংগ ঃ লিংগ পৰিৱর্তনৰ বাবে গোৱালপৰীয়া উপভাষাত কেইবাটাও পদ্ধতি

আছে—

অ) মতা বা মাইকী বুজোৱা শব্দ ব্যৱহাৰ কৰি—

মাত্রা কাউআ — মাত্রি কাউআ

মাত্রা কোইতৰ — মাত্রি কোইতৰ

আ) প্রত্যয় সংযোগ কৰি — '-ই' বা '-নি' প্রত্যয় বহুৱাই লিংগ পৰিৱর্তন কৰিব পাৰি। যেনে—

ঘোড়া — ঘুঁৰি

পাড়া — পাড়ি

মাউশা — মাশি

বাগ — বাগিনি

নাতি — নাত্নি

ই) ভিন্ন শব্দৰ প্রয়োগৰ দ্বাৰা—

জুআন — গাবৰু

বৰ — কোইনা

দাম্ৰা — বকন

❍ কাৰক আৰু শব্দ-বিভক্তি ঃ গোৱালপৰীয়া উপভাষাত কাৰক বুজাবলৈ ব্যৱহাৰ কৰা শব্দবিভক্তি চাৰিটা। প্রথমা—এ, দ্বিতীয়া—ক, ষষ্ঠী—ৰ, সপ্তমী—ত। কিন্তু সপ্তমী বিভক্তিৰ প্রয়োগত মান্য অসমীয়া আৰু কামৰূপীৰ সৈতে গোৱালপৰীয়াৰ পার্থক্য আছে। যেনে—

সাপত বিশ্বাস নাই — শাপেৰ বিশ্বাস নাই।

আন বিভক্তি চাৰিটাৰ প্রয়োগ এনেধৰণৰ —

কর্তা — মাস-এ খাই

কর্ম — মাস-ক খাই

কৰণ — মাস-ক দিআ

নিমিত্ত — মাসে-ৰ জোইন্নে

অপাদান — মাসে-ৰ থাকি

সম্বন্ধ-পদ — মাসে-ৰ

অধিকৰণ — মাস-ত

এনেদৰে বিভক্তি যোগ হোৱাৰ উপৰি এই ভাষাত কর্ম-কাৰক আৰু সম্বন্ধ-পদৰ শব্দ-বিভক্তিৰ পাছত কেতিয়াবা পৰসর্গ ব্যৱহাৰ হয়। কেতিয়াবা আকৌ কোনো বিভক্তি যোগ নোহোৱাকৈ কেৱল পৰসর্গৰ ব্যৱহাৰ কৰিয়ে কাৰকৰ বোধ জন্মোৱা হয়। যেনে — "হাত দিআ" (হাতেৰে), "মুখ দিআ" (মুখেৰে)।

- সর্বনাম ঃ গোৱালপৰীয়া উপভাষাত ব্যৱহাৰ হোৱা সর্বনামৰ ৰূপবোৰো মান্য অসমীয়া বা কামৰূপীতকৈ বেলেগ। এনে সর্বনামৰ নিদর্শন হ'ল—

সর্বনামৰ শ্রেণী	—	শব্দ
পুৰুষবাচক	—	মুই, আম্ৰা, তুই, তোম্ৰা, উআই, উম্ৰা
নিশ্চয়বাচক	—	ইএ'ই, এইটা, ইম্ৰা, এইগুলা, ঐটা
সম্বন্ধবাচক	—	জেগুলা, জা
প্রশ্নবাচক	—	কাই, কাই কাই, কুনগুলা, কি
অনির্দিষ্টতাবাচক	—	কাও, কাইৱা, কাইও

- ক্রিয়াৰূপ ঃ বিভিন্ন পুৰুষ, কাল আৰু ভাব অনুযায়ী ক্রিয়াৰূপৰ পৰিৱর্তন হয়। আনকি ইয়াত বচন অনুসৰিও ক্রিয়াৰ পৰিৱর্তন ঘটে, যিটো মান্য অসমীয়াত নহয়। যেনে—

বর্তমান কাল

	একবচন	বহুবচন
প্রথম পুৰুষ	মুই খাঙ	আমৰা খাই
দ্বিতীয় পুৰুষ	তুই খাইশ	তুম্ৰা খান / খাও
তৃতীয় পুৰুষ	উআই খাই	উম্ৰা খাই

- ক্রিয়াৰ নঞৰ্থক ৰূপ ঃ ক্রিয়াৰ নঞৰ্থক ৰূপবোৰো গোৱালপৰীয়াত মান্য অসমীয়াতকৈ বেলেগ। তদুপৰি ইয়াত নঞৰ্থক 'ন' ক্রিয়াৰ প্রথম স্বৰ অনুসৰি বহুসময়ত সমীভূত নহয়। যেনে — নাহই, নাশুনঙ, নাদেখুঙ ইত্যাদি।
- অসমাপিকা ক্রিয়াৰূপ ঃ অসমাপিকা ক্রিয়াৰ ক্ষেত্রতো গোৱালপৰীয়াত নিজস্ব ৰূপ আছে। যেনে — খাইআ, শুনিআ, বোশিআ, আইশ্‌লে, গেলে ইত্যাদি।

➢ গোৱালপৰীয়া উপভাষাৰ শব্দসম্ভাৰো মান্য অসমীয়া আৰু কামৰূপীতকৈ বেলেগ। ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ উপৰি শব্দসম্ভাৰৰ এনে পার্থক্যই ভাষাটোক সুকীয়া উপভাষাৰূপে পৰিচয় প্রদান কৰিছে। শব্দৰ এনে নিজস্ব ৰূপৰ কিছু উদাহৰণ দাঙি ধৰা হ'ল—

শব্দৰ শ্রেণী	*গোৱালপৰীয়া শব্দ*	*মান্য অসমীয়া*
জীৱ-জন্তু	গঁইডাৰি	জহামাল
	গে'ড়া	গঁড়
	পাড়া	মতা ম'হ
	কাসুআ	কেঁচুৰা
	শেশা	শহা-পহু
	সাগল	ছাগলী

চৰাই আৰু পোক-পৰুৱা		
	উৰি	উঁই পৰুৱা
	ওৰোশ	উৰহ
	কাউআ	কাউৰী
	ঘিৰকিতি	তেজপিয়া
	কোইতৰ	পাৰ
	বগা	বগলী
	মাসি	মাখি
গছ, ফল, শাক-পাচলি		
	আতাফল	আতলচ
	কসাল	শিলিখা
	কোশটা	মৰাপাট
	আম্ৰা	অমৰা
	ঝিঙা	জিকা
	তোৰমুল	তৰমুজ
	শে'মাশ	তিয়ঁহ
সম্বন্ধবাচক শব্দ	কাকা	খুৰা
	দিদি	বাইদেউ
	পিশা	পিশি
	বেটি	জী
	মাশি	মাহী
	মাউশা	মহা
	বুৰা-মাও	আইতা
অন্যান্য শব্দ	ভাৰা	বাচন
	কৰাই	কেৰাহি
	কোল্‌শি	কলহ
	উৰুন	উৰল
	কাদো	বোকা
	গোইল	গোহালি
	আল্‌সি	ভাগৰ
	আড়ি	বিধৰা
	আলো	পোহৰ
	কুৰাল	কুঠাৰ

	খলাই	খালৈ
	তানা	তাঁতশাল
	দেউতা	মেঘ
	শাগাই	আলহী
বিশেষণবাচক শব্দ	আলসিআ	এলেহুৱা
	উচা	ওখ
	ওশাৰ	বহল
	টশা	কলা
	ঢক	সুন্দৰ
	নামা	চাপৰ
	শাদা	বগা
	ভাড়ি	গধুৰ
	পাও	ভৰি

১৪.৭.৪ গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক পার্থক্য

গোৱালপৰীয়া উপভাষা কোৱা অঞ্চলৰ মাজতো স্থানীয় পার্থক্য ভালেখিনি বিদ্যমান। এই পার্থক্য অনুসৰিয়েই ইয়াৰ স্থানীয় উপভাষাগত দুটা প্রধান ৰূপৰ কথা ভাষাবিদসকলে উল্লেখ কৰিছে — পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া।

পূব গোৱালপৰীয়া উপভাষা ব্রহ্মপুত্রৰ উত্তৰ পাৰৰ বিলাসীপাৰাৰ পৰা ধৰি বিজনীলৈকে আৰু দক্ষিণ পাৰৰ লক্ষীপুৰৰ পৰা ধৰি দুধনৈলৈকে বিস্তৃত। পশ্চিম গোৱালপৰীয়া উপভাষাও ব্রহ্মপুত্রৰ উত্তৰ আৰু দক্ষিণ দুয়ো পাৰ জুৰি আছে। উপেন্দ্রনাথ গোস্বামীয়ে গোৱালপৰীয়া উপভাষাৰ এই স্থানীয় ৰূপ দুটাকো আকৌ দুটাকৈ ভাগ কৰি দেখুৱাইছে। পশ্চিমৰ গোৱালপৰীয়াক পশ্চিম-পশ্চিমীয় আৰু পশ্চিমীয় আৰু পূব গোৱালপৰীয়াক পশ্চিম-পূর্বীয় আৰু পূর্বীয়— এনেদৰে তেখেতে উল্লেখ কৰিছে। বিলাসীপাৰা, শালকোচা, চাপৰ, মুখীগাঁও অঞ্চললৈকে বিস্তৃত ভাষাটো পশ্চিম-পূর্বীয় গোৱালপৰীয়া। আনহাতে বাসুগাঁও, বঙ্গাইগাঁও, বিজনী, কৃষ্ণাই, দুধনৈ আদি অঞ্চল পূর্বীয় শাখাৰ অন্তর্গত। পশ্চিম কামৰূপী উপভাষাৰ সৈতে পূব গোৱালপৰীয়া উপভাষাৰ সাদৃশ্য যথেষ্ট।

পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া উপভাষাৰ মাজত ধ্বনিগত পার্থক্য লক্ষ্য কৰা যায়। যেনে—

	পূব গোৱালপৰীয়া	*পশ্চিম গোৱালপৰীয়া*
শ—স	শাড়	সাড়
	শিঙ	সিঙ

শ—হ	মাউশা	মাহা
চ—স	চোক	সুকু
ল—ন	লেৰা	নেৰা

পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া উপভাষাৰ ৰূপগত পার্থক্যৰ দুটামান উদাহৰণ হৈছে—

	পূব গোৱালপৰীয়া	*পশ্চিম গোৱালপৰীয়া*
সর্বনাম	মুই	মএ', মই
	আম্ৰা	আমি
	তই / তএ'	তুই
	তাএ' / ওএ	উআই
	তামি / তাহুন	উম্ৰা
নির্দিষ্টতাবাচক প্রত্যয়		
	গাসডাল	গাসটা
	মানু গিলা	মান্শি-গুলা / মান্শিগুলান
ক্রিয়া-বিশেষণ	এ'ঙ্কে	এ'মনে / এ'মনকোৰি
	সে'ঙকে	শে'ম্নে /শে'মনকোৰি
লিঙ্গবাচক শব্দ	আপা	চেঙ্ৰা
	আপি	চেঙ্ৰি
	আপা সোলি	বে'টা সাউআ

পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া উপভাষাৰ শব্দগত পার্থক্য কেতবোৰ এনেধৰণৰ—

পূব গোৱালপৰীয়া	*পশ্চিম গোৱালপৰীয়া*
পোহৰ / পহৰ	আলো
জোন / জন	চান
মানু	মানুশ / মান্শি
সোল	শৈল / শৌল
জুই	আগুন
বিধান	বিসন
মে'ক্ৰি / নাকাৰ	বিলাই/ বিলেই
গোৰিআ	ডে'আটি

পূব গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া উপভাষাৰ পার্থক্য উপলব্ধিৰ বাবে নিদর্শন হিচাপে বীৰেন্দ্রনাথ দত্তৰ 'অসমীয়া ভাষাৰ আঞ্চলিক বৈশিষ্ট্য' প্রবন্ধৰ পৰা কেইটামান বাক্য তুলি ধৰা হ'ল—

পূব গোৱালপৰীয়া	*পশ্চিম গোৱালপৰীয়া*
মোই ভাত খাং	মুই ভাত খাং
এখন কায় আহিল?	এলা কায় আসিল?
সি নাহিল কিয়?	উৱায় না আসিল কেনে?
এখেন তামুল খালু হোই	এখ্না গুৱা খানু হয়।
মোই পাথাৰোত নাযাং	মুই পাতাৰোত নাযাং



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ নামনি অসমৰ উপভাষা বুলিলে কোনটো উপভাষাক বুজা যায়?

.....

.....

১৪.৮ নৃগোষ্ঠীয় উপভাষা

কোনো এক ভাষা কোৱা ভাষাগত ক্ষেত্রত ভাষাগত পার্থক্য কেৱল ভৌগোলিক অঞ্চলভেদেহে যে সৃষ্টি হয় এনে নহয়। কেতিয়াবা সামাজিক পার্থক্য, লিংগগত পার্থক্য বা নৃগোষ্ঠীগত পার্থক্যৰ বাবেও ভাষাগত ভিন্নতাই ব্যাপক ৰূপ লৈ উপভাষাৰ ৰূপ ল'ব পাৰে। অসমীয়া ভাষাৰ ভাষাগত ক্ষেত্রখনত ভৌগোলিক পার্থক্য অনুসৰি উপভাষাৰ বৈচিত্র্য কেনেধৰণৰ সেয়া ইতিমধ্যে আলোচনা কৰা হ'ল। কিন্তু দেখা গৈছে যে অসমীয়া ভাষা কেৱল আর্যমূলীয় মানুহৰ মাজতে সীমাবদ্ধ নহয়। অসমত বসবাস কৰা অনেকেই ইয়াক মাতৃভাষা হিচাপে গ্রহণ কৰি নিজৰ ভাষা এৰি পেলাইছে। তদুপৰি দ্বিতীয় ভাষা হিচাপেও বৃহৎসংখ্যক মানুহে অসমীয়া ভাষা ব্যৱহাৰ কৰে। কর্মসংস্থান, শিক্ষা আদি বিভিন্ন কাৰণতো অনেকেই ভাষাটো কয়। কিন্তু মিছিং, ৰাভা, আহোম, দেউৰী আদি বিভিন্ন গোষ্ঠীৰ লোকে ভাষাটো ব্যৱহাৰ কৰোঁতে সংশ্লিষ্ট ভাষা কোৱা গোষ্ঠীৰ মাতৃভাষাৰ ভালেমান বৈশিষ্ট্য অসমীয়া ভাষাত সোমাই পৰি একোটা সুকীয়া ৰূপৰ সৃষ্টি কৰিছে। ভাষাবিদ দীপঙ্কৰ মৰলে অসমীয়া ভাষাৰ এনে ৰূপসমূহক 'জনগোষ্ঠীয় অসমীয়া উপভাষা (Ethnic Dialect)' বুলি আখ্যা দি গৈছে। এইসমূহেই হৈছে নৃগোষ্ঠীয় উপভাষা। এনে উপভাষাত দুটা ভাষাৰ ৰূপ নিশ্চিতভাৱে নিহিত হৈ থাকে। অসমীয়া ভাষাৰ এই ভাষাগত ৰূপসমূহৰ অধ্যয়ন এতিয়াও ব্যাপকভাৱে হৈ উঠা নাই। ভাষাবিদ মৰলে 'আহোম-অসমীয়া উপভাষা' আৰু 'মিছিং-অসমীয়া উপভাষা'ৰ বৈশিষ্ট্যৰো আভাস দি কিছু আলোচনা দাঙি ধৰিছিল। ভাষাবিদ ৰমেশ পাঠক, উপেন ৰাভা হাকাচাম আদি পণ্ডিতসকলে নৃগোষ্ঠীয় উপভাষাসমূহৰ অধ্যয়ন কৰা দেখা গৈছে। এই সম্পর্কত ভাষাবিদ ৰাভা হাকাচামৰ এটা মত গুৰুত্বপূর্ণ — "ইয়াৰ আঞ্চলিক উপভাষাৰ দৰে একোটা স্থায়ী আৰু

সুদৃঢ় ভেটি আছে যিটো সেই জনগোষ্ঠীৰ পূৰ্বৰ ভাষিক বৈশিষ্ট্যৰ দ্বাৰা সুনিয়ন্ত্রিত। অসমীয়া ভাষাৰ পটভূমিত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্রচলিত ইয়াৰ বিভিন্ন নৃগোষ্ঠীয় ৰূপত আৰ্যমূলীয় আৰু আৰ্যভিন্নমূলীয় উভয় ৰূপে এই ভাষাটোলৈ এটা সুকীয়া কালিকা আনি দিছে।" অসমীয়া ভাষাৰ অন্যান্য নৃগোষ্ঠীয় উপভাষা যেনে — ৰাভামিজ, মিচিংমিজ, তিৰামিজ আদিৰ বিজ্ঞানসম্মত গৱেষণা হোৱাৰ অতিকে প্রয়োজন। এনে অধ্যয়নে অসমীয়া ভাষাৰ উপভাষা চর্চালৈ নতুন পৰিৱেশ অনাৰ সম্ভাৱনা পূৰামাত্রাই লক্ষ্য কৰা যায়।

১৪.৯ অসমীয়া ভাষাৰ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা

একে ভাষাসম্প্রদায়ৰ অন্তর্গত হৈও বিভিন্ন কাৰণৰ বাবে বিভিন্ন ভাষাগত পার্থক্য যেতিয়া স্পষ্ট আৰু ব্যাপক ৰূপত প্রকট হয় তেতিয়া তাক উপভাষা আখ্যা দিয়া হয়। আনহাতে সেই উপভাষাসমূহৰ মাজৰে কোনোবাটোৱে পৰিস্থিতিগত সুবিধাৰ বাবে মান্যভাষা হিচাপে প্রতিষ্ঠা লাভৰ সুযোগ পায়। ইয়াৰ পৰা এটা কথা স্পষ্ট হয় যে মান্যভাষাও মূলতঃ এটা উপভাষাহে। সেয়েহে ই কেতিয়াও উপভাষাতকৈ শ্রেষ্ঠ ভাষাৰূপ নহয়। অর্থাৎ উপভাষা মান্যভাষাতকৈ নিম্ন নহয়। অসমীয়া ভাষাৰ উজনিৰ উপভাষাগত ৰূপটোৰ সমানেই নামনিৰ উপভাষাগত ৰূপটোও গুৰুত্বপূর্ণ। আনকি অসমীয়া ভাষাৰ ঐতিহ্য অধ্যয়নৰ বাবে নামনিৰ উপভাষাৰ সহায় লগাটো নিশ্চিত। অর্থাৎ উপভাষাৰ অধ্যয়ন অবিহনে কেৱল মান্যভাষাক আধাৰ কৰি কোনো ভাষাৰে অধ্যয়ন সম্পূর্ণ নহয়। সেইবাবেই ভাষাবিদ উপেন্দ্রনাথ গোস্বামীয়ে কৈছিল যে অসমীয়া ভাষাৰ মূল আৰু বুৰঞ্জী বুজিবলৈ হ'লে অসমৰ অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাৰ কথিত ভাষাৰ অধ্যয়ন অপৰিহার্য।

- অসমীয়া ভাষাৰ মূল উদ্ধাৰৰ ক্ষেত্রত কামৰূপী উপভাষাৰ অধ্যয়নে যথেষ্ট সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে— মাগধী প্রাকৃতৰ পৰা উদ্ভৱ হোৱা ভাষাসমূহৰ এটা প্রধান বৈশিষ্ট্য হ'ল অপিনিহিতি। কামৰূপী উপভাষাতো অপিনিহিতি প্রচুৰভাৱে দেখা যায়। মাগধী প্রাকৃতৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য সংস্কৃতৰ 'ৰ' ধ্বনিৰ ঠাইত 'ল'ৰ ব্যৱহাৰ। কামৰূপী উপভাষাৰ ইও এক বৈশিষ্ট্যসূচক ৰীতি। যেনে — শৰীৰ (সং.) > শৰীল (কাম.)। স্বার্থিক 'আ' (সং.আক) প্রত্যয়ৰ প্রৱণতা মাগধী প্রাকৃতৰ দৰে কামৰূপী উপভাষাতো যথেষ্ট পোৱা যায়। যেনে—

  ৰৌপ্যক (সং.) > ৰূপা (কাম.)

  সৌৱর্ণক (সং.) > সোণা (কাম.)

  মূল সংস্কৃতত থকা সত্ত্বেও মান্য অসমীয়া ভাষাত তালব্য ধ্বনি নাই। অথচ গোৱালপৰীয়া উপভাষাত তালব্য ধ্বনি উচ্চাৰিত হয়। গতিকে ইও মূলৰ সৈতে ভাষাটোৰ সম্পর্ক প্রতিপন্ন কৰিছে।
- অসমীয়া শব্দ কিছুমানৰ ইতিহাস কামৰূপী উপভাষাৰ সহায়ত সুন্দৰভাৱে দেখুৱাব পৰা

যায়। যেনে — (সং.) হস্তী > (প্রাকৃত) হত্থী > (কাম.) হাথী > (মান্য অসমীয়া) হাতী।

- অসমীয়া ভাষাৰ উপভাষাসমূহৰ অধ্যয়নৰ জৰিয়তে এই উপভাষাসমূহৰ সৃষ্টিৰ কাৰণ, ঐতিহ্য আদি জানিব পাৰিব। ইয়াৰ ফলত বিভিন্ন উপভাষা কোৱা মানুহৰ মাজত ভুল বুজাবুজি বা মর্যাদাৰ প্রশ্ন সৃষ্টি হোৱাৰ সম্ভাৱনা কমি যায়।
- উপভাষা সৃষ্টিৰ অন্তৰালত যথেষ্ট সামাজিক-সাংস্কৃতিক কাৰণৰ লগতে কোনো ভাষাগোষ্ঠীৰ লোকৰ আদিম বসতিৰ কথাও জড়িত হৈ থাকে। অসমীয়া ভাষাৰ উপভাষাগত পার্থক্যৰ সঠিক অধ্যয়নৰ জৰিয়তে এনে গুৰুত্বপূর্ণ নৃতাত্ত্বিক তথ্য উদ্ধাৰৰ সম্ভাৱনাও জড়িত হৈ আছে।
- উপভাষাসমূহৰ ব্যাপক অধ্যয়ন আৰু প্রচাৰৰ এটা প্রায়োগিক প্রয়োজনো আছে। উদাহৰণস্বৰূপে শদিয়াৰ মানুহ এজনে বৰপেটাত শিক্ষানুষ্ঠান বা আন কিবা কামত নিয়োজিত হ'ব লগা হ'লে ভাষাগত পার্থক্যই অসুবিধা সৃষ্টি কৰাৰ সম্ভাৱনা আছে। কিন্তু সেই ঠাইৰ উপভাষাটোৰ বিষয়ে পূর্বসূৰী কোনোবা উপভাষা অধ্যয়নকাৰীৰপৰা বা তেনেধৰণৰ পুথিৰ পৰা প্রাথমিক ধাৰণাখিনি আগতীয়াকৈ ল'লে অসুবিধাত পৰাৰ সম্ভাৱনা কমি যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ উপভাষা অধ্যয়নৰ প্রয়োজনীয়তা কি বুলি ভাবে?

.....

.....



১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ উপভাষাগত পার্থক্য কেনেকৈ সৃষ্টি হ'ল সেয়া জানিব পৰা গ'ল।
- অসমীয়া ভাষাৰ উপভাষাসমূহৰ ধ্বনিগত, ৰূপগত, শব্দগত পার্থক্যসমূহ জানিব পাৰিলে।
- অসমীয়া ভাষাৰ উপভাষাৰ স্থানীয় পার্থক্যৰ এটা আভাস পালে।
- অসমীয়া ভাষাৰ উপভাষাৰ অধ্যয়ন হোৱাটো কিয় প্রয়োজনীয় সেয়া জানিব পাৰিলে।
- অসমৰ নৃগোষ্ঠীয় উপভাষাৰ এটা সাধাৰণ আভাস পালে।



১৪.১১ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

২) নাথ, জীৱকান্ত (২০১৩); *মায়ঙীয়া উপভাষা;* গুৱাহাটী ঃ শাশ্বত প্ৰকাশন।

৩) ফুকন পাটগিৰি, দীপ্তি (সম্পাঃ) (২০০৭); *অসমীয়া ভাষাৰ উপভাষা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) ভৱালী, বিভা আৰু তালুকদাৰ, কল্পনা (সম্পাঃ) (২০০৯); *গোৱালপৰীয়া উপভাষা ঃ ৰূপবৈচিত্ৰ্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) মৱল, দীপঙ্কৰ (১৯৯৭); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ্চ্।

ইংৰাজী গ্ৰন্থ ঃ

৬) Goswami, G (1982). *Structure of Assamese*. Guwahati: Gauhati University.

৭) Kakati, B. (2007). *Assamese: Its Formation and Development.* Guwahati: Lawyer's Book Stall.



১৪.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ উজনি-নামনিৰ মাজৰ ভৌগোলিক প্ৰতিবন্ধক আৰু ৰাজনৈতিক পৰিৱেশৰ পাৰ্থক্য।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বহুসময়ত শব্দৰ মাজত বা শেষত থকা 'ৰ' ধ্বনি উচ্চাৰিত নহয়। যেনে— গৰম - গতম। লিঙ্গৰ ক্ষেত্ৰত এই উপভাষাত অধিক ভিন্নতা দেখা নাযায়। কিন্তু 'ল'ৰা' আৰু 'ছোৱালী' শব্দ দুটা ক্ৰমে পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ হ'লেও তাত আকৌ 'মতা' আৰু 'মাইকী' শব্দ যোগ কৰি 'মতা ল'ৰা' আৰু 'মাইকী ছোৱালী' এনেধৰণৰ ৰূপ ব্যৱহাৰ কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

ঘৰচিৰিকা	ঘচিঙ্কা
উঁইচিৰিঙা	উচিঙা

মেকুৰী	মিকুই
দেওৰ	মতা সুলালা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আপা — ল'ৰা, বৰ — দৰা, ভোজলুক — জলকীয়া, চকৰী — পখিলা, পিপ্ৰা — পৰুৱা, নিছ্লা মাছ — মিছামাছ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাবিদসকলে নামনি অসমৰ উপভাষা হিচাপে যিটো উপভাষাৰ কথা উল্লেখ কৰিছে এই উপভাষাটো কামৰূপৰ পৰা ধুবুৰীলৈকে বিস্তৃত। কিন্তু এই বৃহৎ অঞ্চলৰ ভাষাটো সমৰূপী নহয়। নামনি অসমৰ উপভাষাৰ প্ৰধান ৰূপ দুটা হ'ল— কামৰূপী আৰু গোৱালপৰীয়া।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উপভাষাৰ অধ্যয়ন অবিহনে কেৱল মান্যভাষাক আধাৰ কৰি কোনো ভাষাৰে অধ্যয়ন সম্পূৰ্ণ নহয়, সেয়ে উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা উপলব্ধ হয়।



১৪.১৩ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) উপভাষা বুলিলে কি বুজে?

(খ) ভাষাবিদ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষাক কেনেদৰে শ্ৰেণীবিভাগ কৰিছে?

(গ) মধ্য অসমৰ উপভাষা বুলিলে কোন ঠাইৰ ভাষাৰ কথা বুজা যায়?

প্ৰশ্ন ২ ঃ কামৰূপী উপভাষাৰ স্বকীয়তা কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ উপভাষাগত পাৰ্থক্য সৃষ্টিৰ অন্তৰালত কেনেধৰণৰ কাৰক জড়িত হৈ আছে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ টোকা লিখক —

ক) গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক পাৰ্থক্য

খ) নৃগোষ্ঠীয় উপভাষা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ উপভাষা কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰে পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ মধ্য অসমৰ উপভাষা বুলিলে কোন ঠাইৰ ভাষাৰ কথা বুজা যায়? এই উপভাষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ কোনবোৰ বৈশিষ্ট্যই গোৱালপৰীয়া উপভাষাক এটা সুকীয়া উপভাষা ৰূপে প্ৰতিপন্ন কৰিছে?

প্ৰশ্ন ৪ ঃ কামৰূপী উপভাষাৰ স্থানীয় পাৰ্থক্য সম্পৰ্কে এটা আলোচনা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ উপভাষাৰ অধ্যয়ন হোৱাটো কিয় প্ৰয়োজনীয় অসমীয়া ভাষাৰ উপভাষাৰ আধাৰত আলোচনা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য;* গুৱাহাটী ঃ বনলতা।

২) গোস্বামী, উপেন্দ্রনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেন্সী।

৩) গোস্বামী, উপেন্দ্রনাথ (২০০৭); *ভাষাবিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশন।

৪) গোস্বামী, গোলোকচন্দ্র (২০০৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) গোস্বামী, সত্যেন্দ্র নাৰায়ণ (২০০৯); *প্রাকৃত সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৬) ঠাকুৰ, নগেন (২০০২); *পালি-প্রাকৃত- অপভ্রংশ ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ কে. এ. পাব্লিছিং।

৭) ঠাকুৰ, নগেন (২০০৩); *পৃথিৱীৰ বিভিন্ন ভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৮) নাথ, জীৱকান্ত (২০১৩); *মায়ঙীয়া উপভাষা;* গুৱাহাটী ঃ শাশ্বত প্রকাশন।

৯) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০) নেওগ, মহেশ্বৰ (সম্পাঃ)(১৯৮৬); *গুৰু-চৰিত-কথা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১১) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১২) পাঠক, ৰমেশ (২০০০); *অসমীয়া ভাষাৰ ইতিহাস;* গুৱাহাটী ঃ অসম অকাডেমিক চেণ্টাৰ।

১৩) পাঠক, ৰমেশ (২০০৮); *ভাষা-বিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

১৪) ফুকন পাটগিৰি, দীপ্তি (সম্পাঃ) (২০০৭); *অসমীয়া ভাষাৰ উপভাষা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১৫) ফুকন পাটগিৰি, দীপ্তি (২০০৬); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১৬) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙনি;* গুৱাহাটী ঃ বনলতা।

১৭) বৰ্মন, শিৱনাথ (সম্পাঃ)(১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

১৮) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০০১); *অসমীয়া ভাষা আৰু সংস্কৃতি;* নলবাৰী ঃ জার্ণল এম্প'ৰিয়াম।

১৯) বৰুৱা, ভীমকান্ত (২০০২); *ভাষাৰ ইতিহাস;* ডিব্রুগড় ঃ বনলতা।

২০) ভৰালী, বিভা আৰু তালুকদাৰ, কল্পনা (সম্পাঃ) (২০০৯); *গোৱালপৰীয়া উপভাষা ঃ ৰূপবৈচিত্র্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২১) মৰল, দীপঙ্কৰ (১৯৯৭); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

২২) মহন্ত, সুবাসনা (২০০৩); *উদ্ভৱকালীন অসমীয়া ভাষা;* গুৱাহাটী ঃ বনলতা।

২৩) মেধি, কালিৰাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২৪) ৰাভা হাকাচাম, উপেন (২০০০); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* ধূপধৰা (গোৱালপাৰা) ঃ হাকাচাম বাওছাদাম।

২৫) শইকীয়া বৰা, লীলাৱতী আৰু ফুকন পাটগিৰি, দীপ্তি (সম্পাঃ) (২০০২) ; *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

২৬) শইকীয়া বৰা, লীলাৱতী(২০০৭); *সাহিত্য আৰু সাহিত্যিকৰ ভাষা;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

২৭) শইকীয়া বৰা, লীলাৱতী (২০০২); *সংস্কৃত পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বনলতা।

২৮) শইকীয়া বৰা, লীলাৱতী আৰু ফুকন পাটগিৰি, দীপ্তি (সম্পাঃ) (২০০২) ; *ভাষা-জিজ্ঞাসা;* গুৱাহাটী ঃ বনলতা।

২৯) শর্মা, অনুৰাধা (২০১২); *সংহতি আৰু অসমীয়া ভাষা;* গুৱাহাটী ঃ ভবানী প্রিণ্টি এণ্ড পাব্লিকেশ্যনচ্।

৩০) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩১) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ)(২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

বাংলা গ্রন্থ ঃ

৩২) মজুমদাৰ, পৰেশচন্দ্র (১৯৭১); *সংস্কৃত ও প্রাকৃত ভাষাৰ ক্রমবিকাশ;* কলকতা।

৩৩) সেন, সুকুমার (২০০৭); *ভাষার ইতিবৃত্ত;* কলকাতা ঃ আনন্দ পাবলিশার্স প্রাইভেট লিমিটেড।

ইংৰাজী গ্রন্থ ঃ

৩৪) Goswami, G (1982). *Structure of Assamese*. Guwahati: Gauhati University.

৩৫) Kakati, B. (2007). *Assamese: Its Formation and Development.* Guwahati : Lawyer's Book Stall.

৩৬) Taraporewalla. I. J. S. (1962). *Elements of the Science of Language.* Calcutta: Calcutta University.